# অসম সাহিত্য সভা বাৰ্ষিকী

## চতুস্ত্ৰিংশ অধিবেশন ঃ ডিব্ৰুগড়

ডিচেম্বৰ, ১৯৬৬ আৰু ১ জানুৱাৰী, ১৯৬৭


(অসম সাহিত্য সভাৰ চতুস্ত্ৰিংশ সন্মিলন। অভ্যৰ্থনা
সমিতিৰ দানৰ সহায়ত প্ৰকাশিত)



সম্পাদক

শ্ৰীহৰিপ্ৰসাদ নেওগ

প্ৰধান সম্পাদক,

অসম সাহিত্য সভা


অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট—১, অসম

'ASAM SAHITYA SABHA BARSIKI' DIBRUGARH SAMMILAN Addresses, reports, etc. of the Thirty fourth Annual Conference of Asam Sahitya Sabha held at Dibrugarh on the 30th, 31st Dec '66 & 1st Jan' 67 Edited and published by the help donation from the Reception committee at Dibrugarh by Prof H P Neog, General Secy, Asam Sahitya Sabha, 'Chandrakanta Handique Bhavan', Jorhat—1, Assam

প্ৰকাশক

'প্ৰধান সম্পাদক'

অসম সাহিত্য সভা

'চন্দ্ৰকান্ত সন্দিকৈ ভৱন'

যোৰহাট অসম

বেচ ৩·০০ (তিনি টকা)

ছপাশাল

জনমভূমি প্ৰেছ,

যোৰহাট—১

## প্ৰধান সম্পাদকৰ নিবেদন

যোৱা বছৰ ১৯৬৮ৰ ৩০ ও ৩১ ডিচেম্বৰ আৰু ৬৯ৰ ১ জানুৱাৰী তাৰিখে অসম সাহিত্য সভাৰ ডিব্ৰুগড় শাখাৰ আমন্ত্ৰণ ক্ৰমে ডিব্ৰুগড় নগৰীত অসম সাহিত্য সভাৰ চতুস্ত্ৰিংশ সন্মিলন মহা সমাৰোহেৰে সম্পন্ন হয়। এই সন্মিলনত পৌৰোহিত্য কৰে যোৱা ১৬ জানুৱাৰী তাৰিখে লোকান্তৰ ঘটা প্ৰবীণ সাহিত্যিক নকুলচন্দ্ৰ ভূঞা ডাঙৰীয়াই। ভূঞা ডাঙৰীয়াই চলিত বছৰৰ কাৰ্য্যকাল নৌশেষ হওঁতেই চিৰ-দিনৰ কাৰণে চকু মুদে। সেয়েহে এই নিবেদনটিৰ আৰম্ভণিতে আমি সাহিত্যপ্ৰাণ এই সৰ্বাকী সভাপতিৰ বিদেহ আত্মাৰ উদ্দেশ্যে শ্ৰদ্ধাঞ্জলি প্ৰদান কৰিছোঁ। স্বৰ্গীয় ভূঞাদেৱৰ নাটকীয় আৰু ওজস্বী বাণী "ভাষা সাহিত্যৰ দুইওৰ ভেটিৰ কোনে? সংস্কৃতিৰ বৰনৈক বোধিব কোনে?"ৰ সুৰতে সুৰ মিলাই এইখন বৰনৈৰ পাৰতে সমবেত হোৱা ডিবৰুৰ ৰাইজৰ সমবেত উচ্ছ্বাস প্ৰকট হৈছিল এইখন সন্মিলনৰ মজিয়াত। সুকণ্ঠা নথকাকৈ তিনি দিন জোৰা কাৰ্য্যসূচীৰ মূল সভাৰ লগতে প্ৰদৰ্শনী, আলোচনা-চক্ৰ, বুৰঞ্জী, বিজ্ঞান, কবি আৰু সংবাদ সাহিত্য শাখা আদিৰে পৰিপূৰ্ণ অধিবেশন খনিৰ লগতে এই ডিবৰুৱে প্ৰবীণ কবি সাহিত্যিক নিজৰাৰ কবি শৈলধৰ ৰাজখোৱাক জনোৱা সম্বৰ্দ্ধনা উৎসৱে সন্মিলন

খনৰ জেউতি সে[illegible] চাৰিবাৰ দাব হব। অধিবেশনখান সম্পা[illegible] কৰি [illegible] আমি অভ্যৰ্থনা সমিতিৰ কৰ্ম্মকৰ্ত্তা তথা ছাত্ৰ-ছাত্ৰী [illegible]। নিৰ্বিশেষে সকলো স্থানীয় ৰাইজৰ ওচৰত আমি [illegible] অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীলক্ষ্মীপ্ৰসাদ [illegible] (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰেক্টৰ) তত্ত্বাৱধান আৰু সুদক্ষ পৰিচালনা। কথা সদায়ে মনত ৰাখিম। ইয়াৰ উপৰিও অভ্যৰ্থনা সমিতিয়ে [illegible] সোৱঁৰণী' নামৰ এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰে। এই প্ৰবন্ধ সংকলনটি অসমীয়া সাহিত্যলৈ এটি উল্লেখযোগ্য দান।


অভ্যৰ্থনা সমিতিয়ে [illegible] সংকলন বাৰ্ষিকী প্ৰকাশৰ বাবে [illegible] হাজাৰ টকাৰ এটি অনুদান আগবঢ়ায়। [illegible] বাবে সমিতিৰ শলাগ লৈছো।

বাৰ্ষিকীখন উলিওৱাত আমাৰ সহকাৰী সম্পাদক শ্ৰী[illegible] শইকীয়াৰ তৎপৰতাৰ কথা এইখিনিতে উল্লেখ কৰিছো। জনমভূমি প্ৰেছৰ তত্ত্বাৱধায়ক শ্ৰীবদন বৰুৱাৰ পৰা পোৱা সাদৰ সহযোগৰ বাবে শ্ৰীবৰুৱা আৰু তেওঁৰ সহকৰ্মী সকলৰ শলাগ লৈছো।

শ্ৰীহৰিপ্ৰসাদ নেওগ,
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট—১

# সূচীপত্ৰ



অভ্যর্থনা সমিতির কার্য্যকারক সকল। মাজত সভাপতি শ্রীলক্ষ্মী প্রসাদ দত্ত, (প্রথম শারীর ৫ম)



মেজবা'ৰ কবি শ্ৰীশৈলধৰ ৰাজখোৱাই সম্মানৰ উত্তৰ দিছে, কাষত বহি আছে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীনকুল চন্দ্ৰ ভূঞা।

( ফটো শ্ৰীচন্দ্ৰ মহন্ত )



ডিব্ৰুগড় অধিবেশনৰ সভাপতি
শ্ৰীনকুল চন্দ্ৰ ভূঞা



সভাপতি শ্রীভূঞা ডাঙৰীযাই টিবাপৰ ডেকা এজনলৈ বটা আগবঢাইছে ।

# অভ্যৰ্থনা সমিতিৰ সভাপতিৰ আদৰণি অভিভাষণ

আদৰণীয় সভাপতি ডাঙৰীয়া মাননীয় সুধাকণ্ঠ, সন্মানিত প্ৰতিনিধিবৰ্গ জনীয়া আইসকল, সমবেত ৰাইজ আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী সকল,

পৰম মঙ্গলময় নিয়ন্তাৰ চৰণত প্ৰণিপাত সহিত প্ৰাৰ্থনা জনাই জয়ে জয়ে নৱ নিৰ্বাচিত সভাপতিদেৱ, অতিথিবৃন্দ আৰু প্ৰতিনিধিবৰ্গক আদৰণি শৰাই আগবঢ়াইছোঁ। দেশবাসী আৰু ভাষা জননীৰ সেৱক সাধক বৃন্দৰ শুভপদাৰ্পণত আজি ডিব্ৰুৰ প্ৰতিটি ধূলি-বালিও যেন মহিমা মণ্ডিত হৈ পৰিছে। আজি ডিব্ৰুৰ প্ৰতিজন বাসিন্দা, প্ৰতি জোপা গছ-লতা, প্ৰতিটি পশু-পক্ষী, প্ৰতিখনি নদ-নদী আৰু ডিব্ৰুৰ চৌপাশৰ প্ৰতিটি সেউজীয়া পাহাৰ আৰু টিলাই যেন আনন্দৰ তথা সুখানুভূতিৰ শিহৰণত নাচি উঠিছে। আজি যেন ডিব্ৰু ভূ-স্বৰ্গত পৰিণত হৈছে। আজি যেন মহাবাহু পুণ্যতোয়া বাবা ব্ৰহ্মপুত্ৰই পুণ্যসলিলৰ ধাৰা এটি নতুনকৈ বোৱাই দিছে। আজি যেন প্ৰকৃতিৰ লীলাভূমি পাহাৰ আৰু পাহাৰী গছ-লতিকা, জান-জুৰি বিলাকে এচাটি মধুৰ মলয়া বতাহ বোৱাই দিছে। ডিব্ৰুৰ প্ৰতিটি ধূলি-বালিৰ লগতে মিহলি হৈ থকা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ পুণ্যাত্মাই আজি যেন স্বৰ্গৰ পৰা আশীষ নিৰ্মালি বৰষিছে। আজন্ম ভাষা সাহিত্যৰ একান্ত সেৱা কৰি স্ব-জাতি আৰু স্বকীয় ভাষা সাহিত্যৰ সৰ্বতো প্ৰকাৰ মঙ্গল সাধি যোৱা ডিব্ৰুৰ বৈকুণ্ঠী বেণুধৰৰ

ৰাজখোৱা ডাঙৰীয়াৰ অমৰ আত্মাই আজি যেন আমাৰ সকলোলৈকে একনিষ্ঠ, নিস্বাৰ্থ সাহিত্য সেৱাৰ প্ৰতি অমৃত আহ্বান জনাইছে। ডিব্ৰুগড়ক কৰ্মক্ষেত্ৰ, সেৱাৰ পন্থা আৰু প্ৰতিভাবিকাশৰ উৰ্বৰ ভূমি হিচাপে গ্ৰহণ কৰি ইয়াতেই স্থায়ী হিচাপে বসতি কৰি অৱশেষত নিজ জন্ম ঠাই গুৱাহাটীত শেষ নিশ্বাস পেলোৱা উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াৰ পবিত্ৰাত্মাই যেন আজি প্ৰতিজন অসম বাসীলৈ অপূৰ্ব কৰ্মপ্ৰচেষ্টাৰ কথা সোৱঁৰাই দিছে। ডিব্ৰুগড়ৰ ধূলি-বালিতেই জীৱনৰ পাতনি মেলি ইয়াৰ ধূলি বালিতেই মিহলি হৈ থকা মৌলবী মফিজুদ্দিন আহমদ হাজৰিকাৰ আত্মাই আমাৰ সকলোলৈকে যেন শান্তি নিবিড় সাম্প্ৰদায়িক ঐক্য আৰু যুটীয়া প্ৰচেষ্টাৰ বাবে আহ্বান জনাইছে। ডিব্ৰুগড়ৰ সোণা চিৰ নৱক অফুৰন্ত উদ্যম আৰু প্ৰাণশক্তিৰ উৎস তথা প্ৰতীক নবীন প্ৰবীনৰ অপূৰ্ব সংমিশ্ৰণ, সংস্কৃতিৰ বাহক ককা নাগমণি ফুকন ডাঙৰীয়াই মঞ্চত সভা-শুৱনি কৰি বহি আই অসমীৰ মান উজ্জ্বল কৰি আমাৰ সকলোলৈকে হিয়া উবুৰিয়াই আমাক দানশীল, সংসাহসী, পটু আৰু বাগ্মী হবলৈ আশীৰ্ব্বাদ বৰিষণ কৰি থকা নাই জানো?

অভ্যাগত অতিথিবৃন্দ আৰু বন্ধুসকল, আপোনালোকক শিক্ষা, বাণিজ্য আৰু চাহশিল্প কেন্দ্ৰস্থলী সীমা নগৰী ডিব্ৰুগড়লৈ আমন্ত্ৰণ কৰি আনি যেনে ধৰণেৰে আদৰণী জনাব আৰু অভ্যৰ্থনা কৰিব লাগিছিল তাৰ যে এশ ভাগৰ এভাগো কৰিব পৰা নাই সি ধ্ৰুৱ। তথাপি অৰ্থনৈতিক নাটনিৰ দিনত যি অলপ সেৱা আগবঢ়াইছো তাতো যে অনেক ত্ৰুটি হৈ গৈছে তাকো নিজেই উপলব্ধি কৰিব পাৰিছো। তাৰ উপৰিও এই হেন দুৰ্মহীয়া জাৰত আপোনালোকে অশেষ কষ্ট পাইছে। গতিকে অভ্যৰ্থনাৰ এইখিনি ত্ৰুটি-বিচ্যুতিৰ বাবে আদৰণি সমিতি তথা সদৌ ডিব্ৰুগড়বাসী ৰাইজৰ হৈ এই নিঃকিনে আপোনাসকলৰ ওচৰত কৰপুটে ক্ষমা-প্ৰাৰ্থনা মাগিছো।

মাননীয় সভাপতি ভূঞাডাঙৰীয়া, সমবেত অতিথি আৰু প্ৰতিনিধিবৰ্গ, আপোনালোকক ডিব্ৰুগড়লৈ আমন্ত্ৰণ কৰি আনি এই ডিব্ৰুগড় আৰু ইয়াৰ চৌপাশৰ বিৰাট অঞ্চলটোৰ বিষয়ে অলপ পৰিচয় নিদিলে নিশ্চয় আদৰণীৰ ত্ৰুটি হৈ যাব। গতিকে যিমানদূৰ সম্ভৱ চমুকৈ ইয়াৰ এটি পৰিচয় দাঙি ধৰিছো।

পুৰণি অসম বুৰঞ্জীৰ পাত লুটিয়াই চালে দেখিবলৈ পোৱা যায় যে অতীতত দিচাং আৰু সোৱণশিৰী নদীৰ পূৱৰ এই অঞ্চলটোত বড়োগোষ্ঠীয় চুটীয়া সকলে ৰাজত্ব কৰিছিল। তেওঁলোকে নিজকে পুৰাণ প্ৰসিদ্ধ ভীষ্মকৰ বংশধৰ বুলি চিনাকি দিয়ে। তেওঁলোকৰ ৰাজত্ব আৰম্ভ হৈছিল দ্বাদশ শতিকাৰ শেষভাগত বা ত্ৰয়োদশ শতিকাৰ আগভাগত। তেওঁলোকৰ মাজৰ কিমানজন চাই ৰাজত্ব কৰাৰ পিচত চুহুংমুং দিহিঙীয়া স্বৰ্গনাৰায়ণদেৱৰ ৰাজত্ব কালত চুটীয়া সকলক পৰাজয় কৰি আহোম সকলে তেওঁলোকৰ ৰাজধানী আৰু ৰাজ্য অধিকাৰ কৰে। ১৫২ খৃঃৰ শেষত এই অঞ্চলটো শাসন কৰিবলৈ স্বৰ্গদেৱে 'শদিয়াখোৱা গোহাঁই' নামেৰে (পদবীৰে) এজন ৰাজ-প্ৰতিনিধি (Governor) নিয়োগ কৰে। চুটীয়াসকলক পৰাজয় কৰি স্বৰ্গদেৱে চৰাইদেউত প্ৰথম বিজয়ৰ উৎসৱ উদযাপন কৰে। মনত ৰখা লগীয়া যে চুটীয়া সকলে ১৫৭২ খৃঃ পৰ্য্যন্ত মাজে মাজে বিদ্ৰোহ কৰি আছিল।

এই চুটীয়া সকলৰে ৰাজধানী শদিয়া অসমীয়াত প্ৰচলিত থেৰবাক্য 'শদিয়ালৈ নেযাবা শতপন্থ দেখাবা বেঁচাপাতত নেবান্ধিবা লোণ ।' সকলোৱেই শুনিছে। আগতে এই নগৰ (বা ওচৰৰ কোনো নগৰ)ৰ নাম আছিল ৰত্নপুৰ। পিচত কোনো এজন চুটীয়া ৰাজকোঁৱৰৰ মৃতদেহ ইয়াতেই 'দিয়া' পোতা হৈছিল। গতিকেই ইয়াৰ নাম (শ-দিয়া) শদিয়া হৈছে বুলি কোৱা হয়। পুৰণি শদিয়াৰ পৰা উত্তৰ পূৱলৈ কুণ্ডিল নদীৰ পাৰত ভীষ্মকৰ ৰাজধানী

কুণ্ডিল নগৰ। ভীষ্মকৰ বিদৰ্ভৰাজ্য ভাগৱত পুৰাণ প্ৰসিদ্ধ। ভীষ্মকৰ কন্যা আইদেউ ৰুক্মিনী নবীক ইয়াৰ পৰাই পূৰ্ণঅৱতাৰ ভগবান শ্ৰীকৃষ্ণই হৰি নিছিলহি। এইখন শ্ৰীকৃষ্ণৰ পদৰজ প্ৰাপ্ত পৰম পবিত্ৰ দেশ। ভীষ্মকৰ কুণ্ডিল নগৰৰ চিন দিক্ৰং আৰু দিবং নদীৰ মাজত আজিও আছে। তেতিয়া এই ঠাইত দুৰ্গাদেৱীৰ পূজাৰ কথা ৰুক্মিনীয়ে বিবাহৰ দিনা ভগৱতী মন্দিৰত সেৱা পূজা কৰাৰ কথাই ইঙ্গিত দিয়ে। তেতিয়াৰ দিনতেই আমাৰ বেদনিধি বাপুৰে ৰুক্মিনীৰ দূত হৈ দ্বাৰকালৈ গৈছিল। এই বিবৰণে পূব-প্ৰান্তৰ এই অঞ্চলত আৰ্য্যলোক বসতি কৰাৰ কথাৰ ইঙ্গিত দিয়ে।

উল্লেখ কৰিবলগীয়া যে চুটীয়াসকল আছিল দুৰ্গা বা কালী পূজক। তেওঁলোকৰ দেউৰী সকলে তাম্ৰেশ্বৰী মন্দিৰ আৰু নানান মন্দিৰত কেচাই খাতী দেৱী পূজা কৰিছিল। অসমৰ সাংস্কৃতিক বুৰঞ্জীত তাম্ৰেশ্বৰী মন্দিৰৰ বিশেষ স্থান আছে, ইয়াত চুটীয়া সকলৰ দিনত আৰু পিচত আহোম সকলৰ দিনতো ইয়াত নৰবলি হোৱাৰ কথা উল্লেখ আছে।

এই ঠাইৰ পৰা প্ৰায় ডবশ মাইলমান দক্ষিণ পূবলৈ পুণ্য তীৰ্থ পৰশুৰাম কুণ্ড অৱস্থিত। (এই কুণ্ডৰ পাৰকাটি লোহিত নদীলৈ বোৱাই দিয়াতে কুণ্ডৰ মহাত্ম্য ক্ৰমে, মাতৃহত্যা কৰা পাপৰ কাৰণে লাগিধৰা পৰশুৰামৰ হাতৰ কুঠাৰ সৰি পৰিছিল। সমগ্ৰ পৃথিবীৰ শ্ৰেষ্ঠ তীৰ্থক্ষেত্ৰ সমূহ পৰ্য্যটন কৰিও যি পাপৰ মোচন কৰিব নোৱাৰিলে এই পাপৰ প্ৰায়চিত্ত লভিলে এই পবিত্ৰ ভূখণ্ডতেই। সেই কাৰণেই আবহমান কালৰ পৰা আজি কোপতি পৰশুকুণ্ড পৃথিবীৰ অগনন নৰনাৰীৰ পুণ্যতীৰ্থ ৰূপে বিৰাজ কৰিছে।)

চুটিয়া সকলৰ দক্ষিণ আৰু দক্ষিণ পূবলৈ বহুতো সৰু সৰু বড়ো গোষ্ঠীয় জাতিয়ে শাসন কৰিছিল। চুটিয়াৰ পশ্চিমলৈ নগাওঁৰ প্ৰায় মাজলৈকে কছাৰী সকলে শাসন কৰিছিল। চুটিয়াৰ

(উত্তৰপাৰে) পশ্চিমলৈ আৰু দক্ষিণপাৰে কছাৰীৰ পশ্চিমলৈ বহুতো সৰু-সৰু ভূঞা শাসন কৰ্ত্তা আছিল। লোকবিশ্বাস মতেৰে ভূঞাৰ লক্ষ্মীদেবী আৰু বহুতৰ মতে চুটিয়াৰ লক্ষ্মীনাৰায়ণ ৰজাৰ নামানুসৰি এই জিলাৰ নামো লক্ষীমপুৰ হৈছে।

এই ঠাইৰ পৰা ২৫/৩০ মাইল দক্ষিণ পূৱদিয়েই পাটকাই পৰ্ব্বত পাৰ হৈ আহি আহোম ৰাজবংশৰ চুকাফা আৰু তেওঁৰ অনুসৰণকাৰী সকলে সৌমাৰত প্ৰৱেশ কৰিছিল আৰু এই দেশৰ নাম 'মুং ছুন চুন খাম্' (সোণ জিলমিলাই থকা দেশ) দিছিল। জয়পুৰ, নামৰূপ (নামৰূক) টি থ, খোৱা আদি ঠাই বোৰেই আহোম সকলৰ পৰ্য্যটনৰ সাক্ষ্য দিয়ে। চুকাফা স্বৰ্গদেৱে বুঢ়ীদিহিং নদীযেদিয়েই উপযুক্ত গৱিৰ্ণা জনক ঠাই বিচাৰি ভটীয়াই আহিছিল। (এই প্ৰসঙ্গত জয়পুৰৰ তিনিমাইল আঁতৰৰ দিহিং নদীৰ গৰ্ভত থকা প্ৰকাণ্ড শিলত কটা 'সীতাৰ তাঁতশাল', সেই ঠাইৰ ডেৰ মাইল উজনিত শিলাময় টিলাৰ 'কানাই বৰশী বোৱা শিল', দিহিঙৰ শলগুৰি খণ্ডৰ 'আঘোণী ভেটি', আদিৰ কথা উল্লেখ কৰিব পাৰি। 'ৰহাৰ (ৰহনৰ) ৰহদৈ, টিপামৰ ভাদৈ, শলগুৰিৰ আঘণী (আঘোণী) বাই। তিনিৰ ডিঙিত ধৰি তিনিও কান্দিছে, সম্বন্ধৰ একোৱেই নাই' বচনটিও উল্লেখযোগ্য।

তীৰ্থশ্ৰেষ্ঠ মহাবাহু (স্ৰোতস্বিনী) ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত এই ডিব্ৰুগড় ইয়াৰ চৌপাশৰ অঞ্চলটি পূৰ্ব্বতে চুটিয়া সকলৰ অধীনত আছিল। ষোড়শ শতিকাৰ প্ৰথম ভাগৰ পৰাই (১৫২৩ খৃ মানৰ পৰাই) চুটিয়াসকল আহোমৰ বশৱৰ্ত্তী হয় আৰু তেতিয়াৰ পৰাই অঞ্চলটোও আহোম ৰজাৰ অধীনতেই থাকে। অষ্টাদশ শতিকাৰ শেষ দশকৰ পৰা এই অঞ্চলৰ মায়ামৰীয়া বা 'মটক' সকলৰ বল বেচি হবলৈ ধৰে। ঊনবিংশ শতিকাৰ প্ৰথম দশকৰ পৰাই বঙাগৰা অঞ্চলক কেন্দ্ৰ কৰি বেংমৰাত ৰাজনগৰ

কৰা মটক সৰ্ব্বানন্দৰ অধীনলৈ এই অঞ্চলটো আহিছিল। পিছত ১৮৪২ খৃ ৰ আগভাগতেই বৰসেনাপতিৰ মৃত্যু লগে লগেই এই অঞ্চলটো কোম্পানীৰ অধীনত লক্ষীমপুৰ জিলাৰ আন অঞ্চলৰ লগ লগাই পেলায়। 'মটকৰ প্ৰধান' সৰ্ব্বানন্দক পুৰ্ণানন্দ বুঢ়াগোহাঁইয়ে স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ (১৭৯৫ – ১৮১১) ৰাজত্ব কালতে এই উপাধি দিছিল আৰু তেওঁক এই অঞ্চলটো শাসন কৰিবলৈ এৰি দি পাট, মেজাঙ্কৰী আদি কৰ হিচাপে গ্ৰহণ কৰিছিল।

এই অঞ্চলটো পুৰণি কালত ডিব্ৰু (ডিবৰু) বা ডিব্ৰুমুখ বুলিয়েই জনাজাত আছিল আৰু কবিবলগীয়া যে মোৱামৰীয়া বিদ্ৰোহৰ পিচৰ কালছোৱাত এই অঞ্চলটো প্ৰায় জনপ্ৰাণী হীন হৈ পৰিছিল অৱশ্যে মনা। 'মটক' লোক আহোম বুঢ়াগোহাঁই আৰু ৰজাৰ হাতত বধ পৰিছিল। তাৰ উপৰি ওচৰ পাজৰৰ পাহাৰী জাতি বিলাকৰ সঘন আক্ৰমণৰ বাবে ইয়াত মানুহ থাকিবলৈ ভয় কৰিছিল। সেইকাৰণে বৃটিচ আমোলৰ প্ৰথম ছোৱাত এই অঞ্চলটো 'অজাপ্তি মুলুক' নামেৰে জনাজাত আছিল কোম্পানীৰ আমোলত এই অঞ্চল আৰু শদিয়া অঞ্চল পলিটিকেল এজেণ্টৰ হাতত থকাৰ বাবেও ইয়াৰ একেই নাম হব পাৰে। ১৮৫৮ খৃ ত মহাৰাণীয়ে বিশেষ ঘোষণাৰে (Queen's Proclamation) কোম্পানীৰ অধীনৰ পৰা বৃটিছ শাসনৰ অন্তৰ্ভুক্ত কৰা হল আৰু তেতিয়াৰ পৰা প্ৰতিখন জিলা Political Agent ৰ পৰিবৰ্ত্তে Deputy Commissioner ক শাসন কৰিবলৈ দিয়া হয়।

নতুনকৈ গঠিত হোৱা লক্ষীমপুৰ জিলাৰ সদৰ ঠাই ডিব্ৰুগড়। ইংৰাজ শাসনৰ প্ৰথম কাল ছোৱাত ডিব্ৰুগড় আছিল ইংৰাজৰ ঘাটি স্বৰূপ ইয়াত সৈন্য বাহিনী ৰখাৰ উপৰিও ইয়াক কেন্দ্ৰ কৰিয়েই পাহাৰী জাতি বিলাকক দমনৰ ব্যৱস্থা কৰিব লাগিছিল। ১৮৮২ খৃ° ৰ পৰা শদিয়াত এজন সহকাৰী পলিটিকেল অফিচাৰ

নিযোগ কৰা হৈছিল।) সেই সময়ত ইংৰাজ সকলে ডিব্ৰুনদীৰ ব্ৰহ্মপুত্ৰৰ লগত সঙ্গম স্থানত প্ৰশাসনীয় ব্যবস্থা সুদৃঢ় কৰিবৰ উদ্দেশ্যে এটা ইটাৰ ডাঙৰ গড় নাৰিছিল। ডিব্ৰু ব্ৰহ্মপুত্ৰৰ সঙ্গমস্থলীত থকা গড়ৰ পৰাই এই ঠাইৰ নাম ডিব্ৰুগড় হয়। এই গড়তেই থাকি একজন 'কাপ্তান' চাহাবে আলি-পদূলি বন্ধোবস্ত মেৰামত কৰা আদি কাম-বোৰ পৰিদৰ্শন আৰু পৰিচালনা কৰিছিল। সেই আলি পদূলি বন্ধা আৰু মেৰামত কৰা বিভাগটোৰ নামো 'গড় কাপ্তানি' বিভাগ হিচাবে পৰিগণিত হ'ল।

ডিব্ৰুগড়ৰ পৰা ৩৫ মাইল পূব-দক্ষিণলৈ তিনিচুকীয়া নগৰ। 'মত্তেক'ৰ বৰসেনাপতি সৰ্বানন্দই ইয়াতে বেংমৰা নামৰ নগৰ প্ৰতিষ্ঠা কৰি ভালেমান কেইটা পুখুৰী খন্দাইছিল। তাৰে তিনিকোণীয়া বা চুকীয়া পুখুৰীটোৰ পৰাই বৰ্তমান অগ্ৰগতিৰ পথত আগবঢ়া নগৰ খনৰ এনে নাম হ'ল। ইয়াৰ পৰা ৫০ মাইল দক্ষিণ-পূবলৈ তেল নগৰী ডিগবৈ। নাহৰকটীয়া, নামৰূপ, ডুলিয়াজান, মাৰ্ঘেৰিটা, আদি নকৈ গঢ়ি উঠা উদ্যোগ প্ৰধান নগৰ সমূহো ইয়াৰ পৰা বেচি আঁতৰত নহয়।

ডিব্ৰুগড় চাহ শিল্পৰ খাই কেন্দ্ৰ। ডিব্ৰুগড় মহকুমাতেই অসমৰ ভিতৰত সৰ্ব্বাধিক চাহ বাগিচা আছে। মণিৰাম দেৱান বৰভাণ্ডাৰ বৰুবাৰ পৰা অসমৰ বননিত গজা চাহ গছৰ কথা শুনিয়েই দূৰদৰ্শী ইংৰাজবিলাকে এই অঞ্চলত চীন দেশৰ পৰা মানুহ অনাই চাহ বাগিচা খুলিবলৈ ধৰে। ইয়াৰ পৰা ২০ মাইল পূব-দক্ষিণৰ যি ঠাইত প্ৰথমে চাহ গুটি পচাইছিল (বৈছিল) সেই ঠাইয়েই পিছত চাবুৱা (চাহ+বোৱা) নামেৰে জনাজাত হ'ল। খ্যাতনামা চাহ খেতিয়ক স্বৰ্গীয় গুণাভিৰাম বৰুৱা, মালভোগ বৰুৱা, হৰিবিলাস আগৰৱালা, ঘনশ্যাম খাৰঘৰীয়া ফুকন, আদিয়ে ডিব্ৰুগড় অঞ্চলক চাহ শিল্পৰ ঘাটিত পৰিণত কৰাত বিশেষ ভাবে বৰঙণি যোগাইছিল।

অসমৰ ইয়াতেই চিকিৎসা বিজ্ঞান শিক্ষাৰ আৰম্ভ হয়। এই প্ৰসঙ্গত বেঙ্গল আৰ্মিৰ পৰা অৱসৰ লৈ উধনি অসম চৰকাৰৰ সামৰিক আৰু বে সামৰিক প্ৰধান ডাক্তৰৰূপে অসমলৈ অহা ডাঃ জে, বেৰী হোৱাইটৰ নাম উল্লেখযোগ্য।

এইজনা দেশ হিতৈষী পুৰুষ ইয়াৰ পৰা যাবৰ সময়ত তেখেতৰ সমুদায় আয় এই অঞ্চলত এখনি ডাক্তৰী পঢ়াশালী স্থাপনৰ কাৰণে চৰকাৰৰ ওচৰত অৰ্পণ কৰি থৈ যায়। ফলত ১৮৯০/৯১ চনত মিঃ এইচ, জে, এচ, কটন চাহাবৰ দিনত "বেৰীহোৱাইট" মেডিকেল স্কুল স্থাপিত হয়। ১৯৪৭ চনত ডিব্ৰুগড়তেই (বৰবাৰী) "অসম মেডিকেল কলেজো' স্থাপন হয় আৰু পূৰ্বৰ বেৰিহোৱাইট মেডিকেল স্কুল ইয়াৰ চামিল হয়।

সংবাদ সাহিত্যৰ ক্ষেত্ৰতো ডিব্ৰুগড় আগবৰ্ণৰা। ইয়াৰেই কৃতী সন্তান ৺ৰাধা নাথ চা বাৰুতি দেৱে আপ্ৰাণ কষ্ট কৰি ৮৮ চনৰ এটি কাঠৰ ছাপাযন্ত্ৰ স্থাপন কৰে। অসমত সৰ্ব্বপ্ৰথম বাতৰি কাকত "টাইমচ অৱ আসাম" তেখেতেই ১৮৯ চনত প্ৰকাশ কৰিছিল। কাকতখনি সকলোৰে প্ৰিয় হৈ পৰিছিল আৰু তেখেতৰ জীৱিত কালত নিয়মীয়াকৈ প্ৰকাশ হৈ আছিল। চা কাকতিদেৱৰ সহযোগী আছিল ৺বশম্বদ মিত্ৰ। এখেতেও নিজে ইয়াৰ পৰা "ইষ্টাৰ্ণ হে'ৰল্ড" আৰু "চিটিজেন" নামৰ বাতৰি কাকত প্ৰকাশ কৰিছিল আন এজন কৃতীসন্তান ৺ভোলানাথ গোহাঁইদেৱে নিজে ছাপাশাল পাতি 'অসম বাতৰি' নামৰ সাপ্তাহিক কাকত উলিয়াইছিল। তেখেতেই ডিব্ৰুগড়ত সৰ্ব্বপ্ৰথমে ফটো তোলাৰ ব্যৱসায় চলাইছিল। ১৯০৬/৭ চনতেই ডাঃ লক্ষ্মীপ্ৰসাদ চলিহা, ৺শিৱৰাম বৰদলৈ, ৺আনন্দৰাম বৰুৱা, ৺দুৰ্গানাথ চাংকাকতি, ৺সদানন্দ দুৱৰা, ৺প্ৰসন্ন কুমাৰ বৰুৱা আদি পুৰুষসকল লগলাগি 'আলোচনী ক্লাব' নামৰ আলোচনা চক্ৰ খুলি তাৰ মুখপত্ৰ হিচাবে 'আলোচনী' নামৰ মাহেকীয়া কাকত প্ৰকাশ

কৰিছিল। প্ৰসন্ন কুমাৰ বৰুৱা আছিল ইয়াৰ প্ৰথম সম্পাদক। ৺দুৰ্গানাথ চাংকাকতি আছিল ৩য় সম্পাদক, তেখেতে 'চন্দ্ৰহ স' নাটক আৰু ইংৰাজীত 'অন এডুকেচন' আৰু 'বেমলাৰ্চ বেগ' নামৰ প্ৰবন্ধ লিখিছিল। সেই সকলৰ ভিতৰত তুলসী প্ৰসাদ দত্ত স্বৰ্গীয়া কৃষ্ণা ফুকননী ৺শৰৎ কুমাৰী দেৱী আৰু ৺হেম প্ৰভা দাসৰ নাম উল্লেখ-যোগ্য। শ্ৰীনীলমণি ফুকন আৰু শ্ৰীলক্ষ্মী নাথ ফুকনৰ যত্নত এই কাকত খনিৰ সৌষ্ঠৱ বৃদ্ধি পাইছিল। স্বনামধন্য ৺বেজবৰুৱা দেৱে 'বংশীবদন সভাপণ্ডিত' ছদ্মনাম লৈ ইয়াতেই "কঠিন শব্দৰ ৰহস্য' ব্যাখ্যা কৰিছিল।

১৯১৮ চনতেই সৰ্ব্বপ্ৰথমে ৺চন্দ্ৰকুমাৰ আগৰৱালা ডাঙৰীয়াই ডিব্ৰুগড়ত অসমীয়া ছাপাশাল পাতিছিল। তেখেতৰ লগত সহযোগী সকল আছিল শ্ৰীযুত নীলমণি ফুকন সদানন্দ দুবৰা আৰু শ্ৰীযুত লক্ষ্মীনাথ ফুকন তেখেতসকলে আসাম প্ৰণ্টিং এণ্ড পাবলিচিং লিমিটেড নামৰ যুটীয়া কোম্পানী প্ৰতিষ্ঠা কৰিযেই তাৰ পৰাই সাপ্তাহিক বাতৰি 'অসমীয়া' প্ৰকাশ কৰিছিল। এই কাকত ১৯ ৫ চনলৈকে চলি আছিল। পিছত ৺আগৰৱালা ডাঙৰীয়াই গুৱাহাটীত পতা 'নটবেংছ'ৰ লগত চামিল কৰিবৰ নিমিত্তে 'অসমীয়া প্ৰেছ'কো গুৱাহাটীলৈ লৈ যায়। ৰায়চাহাব ৺গঙ্গাৰাম চৌধুৰী দেৱক প্ৰকাশক হিচাপে লৈ ডাঃ হৰিকৃষ্ণ দাস ডাঙৰীয়াই ইয়াৰ পৰাই 'আসাম বান্ধব' নামৰ আলোচনী প্ৰকাশ কৰিছিল। ৺ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াই ইয়াৰ পৰাই 'অসম প্ৰদীপিকা' নামৰ আলোচনী-কাকত সম্পাদনা কৰিছিল। ১৯১৪ চনত ৺সূৰ্য্যধৰ ৰাজখোৱা ডাঙৰীয়াই এটি ছাপাশাল পাতি 'ৰণৰ বাতৰি' নামৰ এখনি কাকত প্ৰকাশ কৰিছিল। ১৯২৮ চনত ডিব্ৰুগড়ত বাসকৰা শিৱসাগৰৰ প্ৰসিদ্ধ বেজবৰুৱা পৰিয়ালৰ ৺গুণগোবিন্দ বৰুৱাই ইয়াতেই 'বৰুৱা প্ৰেছ' খুলিছিল। এই ছাপাশাল এতিয়ালৈকে চলি আছে। এই প্ৰেছৰ পৰাই সাপ্তাহিক

হিচাবে 'আসম ট্রিবিউন' প্ৰকাশ পাইছিল। তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীযুত ৰাধাগোবিন্দ বৰুৱাই গুৱাহাটীত এই কাকতৰ নতুন প্ৰতিষ্ঠান খুলি তাৰ পৰাই "দৈনিক আসাম ট্ৰিবিউন" "দৈনিক অসম", আৰু "অসম বাণী" কাকত কেইখন নিয়মীয়াকৈ চলাই আছে। কনক চন্দ্ৰ শৰ্মাই "পশু পালন" নামৰ আলোচনী উলিয়াইছিল।

ডিব্ৰুগড় অসমীয়া সাহিত্যৰ কৰ্ণধাৰ শিক্ষাবিদ সকলৰো জন্ম স্থান। তাৰোপৰি অসমৰ শিৰ ফুটা কেইবাজনো শিল্পীৰ আৰু আই অসমীৰ কৃতীসন্তানৰ কৰ্মভূমি। সেই সকলৰ ভিতৰত আগেয়ে উল্লেখ কৰি অহা স্বৰ্গীয় ৰজনী কান্ত বৰদলৈ দেৱৰ নামেই প্ৰথমে লোৱা হওক। তেখেতৰ প্ৰায় কেইখন উপন্যাসৰেই বিষয়বস্তু এই ডিব্ৰুগড়ৰ আশ পাশৰ অঞ্চল সমূহ চাকৰি কৰি লক্ষীমপুৰ জিলাৰ বিভিন্ন ঠাইত ঘূৰি ফুৰোতে তেখেতে "মিৰি জীয়ৰী, 'ৰঙ্গিলী', মনোমতী', 'নিৰ্মল ভকত', 'তাম্ৰেশ্বৰী মন্দিৰ', 'ৰহদৈ লিগিৰী', 'ৰাধা ৰুক্মিণীৰ ৰণ'—আদি প্ৰখ্যাত উপন্যাসবোৰৰ বিষয় বস্তুৰ সন্ধান পাইছিল। ঔপন্যাসিক সম্ৰাট বৰদলৈ ডাঙৰীয়া সেইকালত ডিব্ৰুগড়ৰ সাংস্কৃতিক জীৱনৰ অংশ স্বৰূপ হৈ পৰিছিল। অসম মাতৃৰ মুখ চাই চাইও হেপাঁহ নপলোৱা, জীৱন পাত কৰি গোটেই পৃথিৱী বিচাৰিলেও নোপোৱা অসম মাতৃৰ, বুকুলৈ প্ৰবাস ভাগৰ পলুৱাবলৈ, পুনৰ পৃথিৱীক নকৈ চাবলৈ, নিচিগাধাৰেৰে অমৃত পান কৰিবলৈ সাহিত্য সম্ৰাট বেজবৰুৱাদেৱৰ শুচি আহিছিল অসম মাতৃৰ পুনৰ এই ডিব্ৰুগড়লৈকে। জোনাকী যুগৰ শেষ যুঁজাৰু ৺বেণুধৰ ৰাজখোৱাৰ জন্ম হৈছিল ডিব্ৰুগড়ৰে কাষৰ জয়পুৰ মৌজাত। বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ দান অসীম, তেখেতে হঠাতেই ১৯৫৫ চনৰ ২২ জুন তাৰিখে ইহলীলা সম্বৰণ কৰে। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ জন্ম হৈছিল ডিব্ৰুগড়ৰ কাষৰ তামোলবাৰীতেই। শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়াৰ জন্ম হৈছিল ডিব্ৰুগড়তেই (১৮৮০ খৃষ্টাব্দ)।

বিজনে আজিও অসমৰ সাহিত্য, সংস্কৃতি, ৰাজনীতি সকলো ক্ষেত্ৰতে যোগ্যতাৰ পৰিচয় দি গোটেই অসমীয়া জাতিকেই গৌৰৱান্বিত কৰিছে। শ্ৰীযুত অম্বিকাগিৰী ৰায়চৌধুৰী ডাঙৰীয়াই ডিব্ৰুগড়ত থকা কালছোৱাত ১৯১৫ চনৰ ভিতৰত তেখেতৰ অনুপম 'তুমি' কাব্য প্ৰকাশ কৰিছিল। তেজপুৰৰ 'চিন্তানল'ৰ কবি ৺কমলা নন্দ ভট্টাচাৰ্য্য ডাঙৰীয়াই ৺মালভোগ বৰুৱাৰ লগত লগ লাগি ইয়াতেই ১৯০৫ চনত 'আসাম এচোচিয়েচন'ৰ প্ৰথম অধিবেশন বহুৱাইছিল। সভাপতিত্ব কৰিছিল গৌৰীপুৰৰ স্বনামধন্য মহাৰাজা প্ৰভাত চন্দ্ৰ বৰুৱাই। এই সভাত গুণাভিৰাম বৰুৱা, নবীন বৰদলৈ, মাণিক চন্দ্ৰ বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদি কৃতী সন্তান সকলে অংশ গ্ৰহণ কৰে। শ্ৰীযুত পদ্মধৰ চলিহা ডাঙৰীয়াই ডিব্ৰুগড়ত বহু দিন ওকা-লতি কৰিছিল। ডিব্ৰুগড়ত থকা কালত ইয়াৰ সংস্কৃতিক জীৱনৰ লগত তেখেত জড়িত হৈ পৰিছিল। ১৯৩১—৩৪ চনলৈ ইয়াতেই তেখেতে 'সাদিনীয়া অসমীয়া' সম্পাদনা কৰিছিল। ৺ডিম্বেশ্বৰ নেওগ দেৱে ইয়াৰ চৰকাৰী (ৰাজ্যপালন) বিদ্যালয়ত প্ৰধান শিক্ষকতা কৰিছিল। লোকগীতি সংগ্ৰাহক শ্ৰীশ্ৰীৰাম চন্দ্ৰ দাস ডাঙৰীয়াইয়ো এই বিদ্যালয়ত চাকৰি কৰিছিল আৰু তেতিয়াৰে পৰাই এই বিদ্যালয়ৰ মুখ-পত্ৰ 'তৰুণ'ৰ জন্ম হৈছিল। জ্ঞান মালিনী কবিৰ এই থলেই জন্ম আৰু কৰ্ম্মভূমি। অৱশ্যে তেখেতৰ কবিতাত পোৱা তিৰুকৰ সেন্দুৰী আলিবোৰ এতিয়া আৰু নাই—সেইবিলাক এতিয়া ব্ৰহ্মপুত্ৰৰ গৰ্ভত।

এই প্ৰসঙ্গতে ডিব্ৰুগড়ৰ এজন যোগ্য সন্তানৰ কথা উনুকিওৱাৰ আৱশ্যকতা উপলব্ধি কৰিছো। এইজনা হৈছে ৺প্ৰসন্ন কুমাৰ বৰুৱা। এখেতে আসাম এচোচিয়েচনৰ প্ৰতিনিধি হিচাবে কৰ্ম্মবীৰ বৰদলৈ ডাঙৰীয়াৰ লগত এচোচিয়েচনৰ টকাই নোহোৱাত নিজৰ টকা খৰছ কৰিয়েই অসমৰ হকে সাক্ষী দিবলৈ বিলাতলৈ গৈছিল ১৯১৯ চনত।

বিলাতৰ পৰা ঘূৰি আহি তেখেতে ইংৰাজীত "দি আসাম ডেলিগেশ্যন টু দি জইণ্ট পাৰ্লিয়ামেণ্টৰী কমিটী, প্ৰিজাইদেদ বাই লৰ্ড মেলবোৰ্ণ ১৯১৯'—নামৰ কিতাপ প্ৰকাশ কৰিছিল। ১৯২১ চনত মহাত্মাগান্ধী অসমলৈ আহোঁতে ৺প্ৰসন্ন বৰুৱা দেবৰ ঘৰতেই আলহি আছিলহি।

'নিজৰা কবি' শ্ৰীযুত শৈলধৰ ৰাজখোৱা ডাঙৰীয়া এই নগৰৰেই যোগ্য সন্তান।

ডিব্ৰুগড়ৰ শিক্ষাব্ৰতী, চিকিৎসক আৰু বিদ্যোৎসাহী সকলৰ নাম উল্লেখ কৰোতে—'Goddess of learning,' 'English Assamese Dictionary, Assamese Proverbs'—আদিৰ লিখক ৺মাখনলাল চলিহা, ডাক্তৰী শিক্ষাৰ প্ৰতি অসমীয়া ছাত্ৰৰ ধাউতি বঢ়াবলৈ, 'পৰশুৰাম খাউণ্ড পদক' আগবঢ়োৱা ৺পৰশুৰাম খাউণ্ড, 'ধাতুকোষ নামৰ অভিধান, বুঢ়া বুঢ়ীৰ সাধু, Elementary English Grammar and Composition— আদি লিখা ডিব্ৰুগড়ৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ শিক্ষক ডাইৰেক্টৰ ড বুথ (Booth) চাহাবক অসমত কিয় অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হ'ব লাগে তাক সদৰিকৈ বুজাই দিয়া ৺মহেশ্বৰ বৰুৱা ডাঙৰীয়া, ৮৫৪ চনতেই Medical College of Bengalৰ পৰা কৃতিত্বৰে ডাক্তৰী শেষ পৰীক্ষা পাচ কৰি ডিব্ৰুগড়ৰ ডাৰেল কেইথন চাহ বাগিচাত 'Native Medical Officer ৰূপে চাকৰি কৰা ৺শিৱৰাম চৌধুৰী, ১৮৫ চনত ডিব্ৰুগড়ত জন্ম লাভ কৰি পাটনাৰ 'টেম্পল স্কুলৰ পৰা ডাক্তৰী শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ শেষত এম, বি, ছি, এম্ উপাধি লাভৰ বাবে ইংল্যাণ্ডৰ গ্লোচগো নগৰলৈ গৈ শেষত পৰীক্ষাৰ খবৰ ওলোৱাৰ আগতেই বিদেশতে ১৮৮৬ চনত মৃত্যু হোৱা কৃতী সন্তান আউৰঙ্গশা, শিশু সাহিত্যৰ ভৰাল টনকিয়াল কৰিবলৈ 'কবিতা কুসুম' 'ল'ৰা পুথি'—আদি পাঠ্যৰ ৰচক স্বৰ্গীয় প্ৰমোদ চন্দ্ৰ বৰঠাকুৰ

ডাঙৰীয়া, ১৮৯৭-'৯৮ চনত প্ৰবল গৰাখহনীয়া আৰু প্ৰলয়ঙ্কাৰী বান পানীৰ পিছৰ কালছোৱাত ডিব্ৰুগড়ক 'প্লেগ' বেমাৰৰ পৰা ৰক্ষা কৰিবলৈ অহোপুৰুষাৰ্থ কৰা স্বৰ্গীয় কালিমোহন সেন ডাঙৰীয়া (এখেতৰেই যোগ্য পুত্ৰ আমেৰিকাত ভাৰতৰ ৰাষ্ট্ৰদূত হিচাবে কামকৰা শ্ৰীযুত বিনয় ৰঞ্জন সেন), ইয়াতে 'চিভিলচাৰ্জন' পদত অধিষ্ঠিত হৈ ৰাইজৰ সেৱাকৰা, ইংৰাজী বঙালী, সংস্কৃত, লেটিন, পুৰণা আৰু আধুনিক অসমীয়া, নেপালী, মণিপুৰী, গাৰো আদি ভাষাবিদ, শাস্ত্ৰজ্ঞ, বিদ্বান, ডিব্ৰুগড়ৰ বঙালী মধ্য ইংৰাজী বিদ্যালয় (বৰ্ত্তমান বঙালী হাইস্কুল)ৰ প্ৰতিষ্ঠাতা আৰু শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰতাৰ নিমিত্তে সৰ্ব্বস্ব দান কৰা ডাক্তৰ স্বৰ্গীয় কালীপ্ৰসন্ন বসু আদি ডাঙৰীয়া সকলৰ নাম প্ৰথমেই উল্লেখ কৰিব লাগিব। নাটকাৰ স্বৰ্গীয় পূৰ্ণকান্ত শৰ্ম্মা ডাঙৰীয়াই অভিনয়োপযোগী অসমীয়া নাটৰ অভাৱ পূৰণ কৰিবৰ বাবে ১৮৭১ খৃঃ ৰ পিছতে হৰধনু ভঙ্গ', হৰিশ্চন্দ্ৰ, শকুন্তলা, আদি নাটক আৰু ইয়াৰ বাহিৰেও 'জ্ঞানাঙ্কুৰ নামৰ পাঠ্যপুথি 'নলদময়ন্তী' নামৰ চৰিত্ৰ কাব্য 'খোৱা-থুৱি', 'উপন্যাস' আদি ৰচনা কৰিছিল। স্বৰ্গীয় শিৱনাথ ভট্টাচাৰ্য্যাই 'ভট্টাচাৰ্য্য এজেন্সী নামৰ প্ৰতিষ্ঠান খুলি সেই সময়তেই অসমীয়া কিতাপ প্ৰকাশ কৰিছিল। শ্ৰীযুত নন্দেশ্বৰ চক্ৰবৰ্ত্তী ডাঙৰীয়াই 'এজেন্সী কোম্পানী' প্ৰতিষ্ঠান কৰি 'সদাশিৱ প্ৰেছ' স্থাপন কৰি অসমীয়া সাহিত্যৰ প্ৰকাশ, প্ৰচাৰ আৰু বিস্তাৰৰ ক্ষেত্ৰত সহায় কৰিছিল। সদাশিৱ প্ৰেছৰ পৰাই 'তৰুণ অসম' নামৰ বাতৰি ওলাইছিল। ✓মোহন লাল বৰুৱা ডাঙৰীয়াই এই অঞ্চলৰ প্ৰচীনতম উচ্চ ইংৰাজী বিদ্যালয় 'জৰ্জ ইনষ্টিটিউচন'ৰ পাতনি তৰিছিল। ইয়াৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আৰু প্ৰাণ দিওঁতা হ'ল শ্ৰীনীলমণি ফুকন। ✓ৰাধানাথ ফুকন দেৱে প্ৰথম মহা সমৰৰ আগেয়েই ইয়াত প্ৰথমে ছোৱালী স্কুল স্থাপন কৰিছিল।

প্ৰধান শিক্ষয়িত্ৰী আছিল ৺কুন্তী ফুকননী। পিছত ক্ৰমে এম্, ই আৰু হাইস্কুলত পৰিণত হৈছিলগৈ ১৯১৯ চনত। তেতিয়াৰ প্ৰধান শিক্ষয়িত্ৰী আছিল ৺হেম প্ৰভা দাস। উল্লেখযোগ্য যে অসমৰ এইখনেই প্ৰথম ছোৱালী হাইস্কুল।

ওপৰত উল্লেখ কৰা সকলৰ উপৰিও ৺ৰায় চাহাব গঙ্গাৰাম চৌধুৰী, ৺শিৱৰাম বৰদলৈ, ডাঃ উমেশ চন্দ্ৰ দাস, ৺চন্দ্ৰধৰ ৰাজখোৱা (পঞ্চকন্যাৰ লিখক), ৺লক্ষীনাথ কাকতী, ৺মহম্মদ চুলেমান খাঁ, ৺উমেশ চন্দ্ৰ মুখাৰ্জী, ৺হৰিশচন্দ্ৰ বাগচী, ৺জীবনৰাম ফুকন, আদি কৃতী পুৰুষ সকলৰ কথা উল্লেখ কৰিব লাগিব। সাহিত্যিক ৺মুক্তালাল কাথবৰুৱা ডাঙৰীয়াৰ কথা উল্লেখ নকৰিলে ত্ৰুটি হৈ যাব। ৺হৰিবিলাস আগৰৱালা ডাঙৰীয়াই সৰ্ব্বপ্ৰথমে 'কীৰ্ত্তন' পুথি ইয়াৰ পৰাই ছপাই উলিয়াইছিল। স্বৰ্গীয় কেশৱ ৰাম শৰ্ম্মা বৰদলৈ আৰু ডাঃ উমেশ চন্দ্ৰ মুখাৰ্জীয়ে টপাপুলত দৰিদ্ৰ আশ্ৰম খুলিছিল।

বাণিজ্য বিস্তাৰৰ ক্ষেত্ৰত ইংৰাজ ব্যৱসায়ী সকলৰ পিছতে মাৰোৱাৰী সম্প্ৰদায়ৰ ৰায়বাহাদুৰ স্বৰ্গীয় চুনীলাল চেৰাউগী, স্বৰ্গীয় শালীগ্ৰাম মাহেশ্ৰী, স্বৰ্গীয় শিউনাৰায়ন খেমানী, স্বৰ্গীয় মেঘৰাজ খেমানী, স্বৰ্গীয় নন্দৰাম খেমানী স্বৰ্গীয় হনুৎৰাম আৰু দুৰ্গাদত্ত আসাৰাম, স্বৰ্গীয় নথংৰায় কেডিয়া স্বৰ্গীয় ৰামেশ্বৰ চহৰিয়া, পদ্মশ্ৰী হনুমান বক্স কানৈ, অসমীয়াৰ স্বৰ্গীয় যাদুৰাম বৰুৱা, স্বৰ্গীয় গোলাপ চন্দ্ৰ বৰুৱা, স্বৰ্গীয় বিকচন্দ্ৰ দাস, স্বৰ্গীয় নীলাম্বৰ দত্ত, স্বৰ্গীয় গঙ্গাৰাম চৌধুৰী আদি ডাঙৰীয়া সকলৰ নাম উল্লেখযোগ্য।

ৰাজনীতি ক্ষেত্ৰত মোঃ ফৈজনুৰ আলি, স্বৰ্গীয় চৈয়দুৰ ৰহমান, স্বৰ্গীয় লক্ষেশ্বৰ বৰুৱা, স্বৰ্গীয় ৰজনীকান্ত বৰুৱা, স্বৰ্গীয় প্ৰসন্ন কুমাৰ বৰুৱা, স্বৰ্গীয় দেৱেন্দ্ৰ নাথ কাকতি, বিজয় শইকীয়া, স্বৰ্গীয় যোগেশ গোহাঁই, চৰ্দ্দাৰ বেইবাল সিং আদি অসম তথা ভাৰতৰ

ৰাজনীতিত বিশেষ যোগ্যতাৰ পৰিচয় দিয়া পুৰুষ সকল আমাৰ গৌৰ ব থল।

আধুনিক শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত ডিব্ৰুগড শেনে আগৰণুৱা তাৰ কিছু পৰিচয় ওপৰৰ আলোচ াত প্ৰকাশ পাইছে। আমি সকলোৱেই জানো যে ৮৩০ চনত অসমৰ পচাশালি আৰু আদা লতৰপৰা অসমীয়া ভাষাক চুলি দয়া হৈ ছল আৰু তাৰ পৰিবৰ্তে বঙালী ভাষাই সেই স্থান অধিকাৰ কৰিছিল খৃঃ ১৮৩৬ ৰ মাৰ্চ্চ মাহত ৰইজলমান খৃষ্টান মশ্য নবীয়ে ডিব্ৰ'ড়ৰ ও বং জংপুৰত আৰু শদিয়াত খিতাপি লৈ'ছল। ১৮৩৫ খৃঃত কোম্পানীৰ শিক্ষানীতি যোষণাৰ পিচতেই প্ৰ ভথম জিলাৰ সদৰত জলা স্কুলবোৰ স্থাপিত হৈ ছল। লক্ষীমপুৰ জলাৰ গজেটিয়াৰ মতে ১৮৪০ খৃঃত ডিব্ৰুগডত প্ৰথম স্কুল স্থাপিত হয়। ৮৭২ খৃষ্টত চাৰ জৰ্জকেম্পবেল চাহাবৰ দিনত অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা কৰা হয়। ১৯০ চনৰ হিচাবমতে ভৈষামৰ জিলা বেইথনৰ ফিৰত কামৰূপ জিলাৰ বাদে এই জিলাতেই পুৰুষ শিক্ষিত লোকৰ সংখ্যা অধিক আছিল। স্বাধীনতাৰ পিচৰ কালচোৰাতহে অস ত স্কুল স্থাপনৰ উজান উঠে। ডিব্ৰুগডতো এই কালচোৰাত অসংখ্য শিক্ষানুষ্ঠান স্থাপিত হয় ডিব্ৰুগডত কলেজীয়া শিক্ষা পদানৰ প্ৰথম অনুষ্ঠান 'ডিব্ৰুগড় কলেজ' ১৯৪৫ চনতেই 'ৰ্জ্জইন্টাৰ্ণ টিউচনত' আৰম্ভ হৈ'ছল। এই ডিব্ৰুগড কলেজেই পিচত কানৈ কলেজ নামে এখন পুৰ্ণ পৰ্যায়ৰ কলেজত ৰূপান্তৰিত হয়। শিক্ষাৰ শেষ ধাউত অধিকৰূপে বাঢ়ি যোৱাৰ নিমত্তে কানৈ ৰা নজ্য মহাবিদ্যালয়ৰ কাম আৰম্ভ কৰা হল ১৯৬০ চনত স্ত্ৰী শিক্ষাৰ অগ্ৰগতিৰ বাবে ১৯৬৩ চনত ডিব্ৰুগডত মনোহাৰী দেৱী কানৈ ছোৱালী কলেজ স্থাপন কৰা হয়। সেই চনতেই ডিব্ৰু কলেজ নামেৰে আন এটি কলেজ প্ৰতিষ্ঠা কৰা হয়। ইতিমধ্যে তিনচুকীয়া, ডিব্ৰিচুকীয়া, মাহৰকটীয়া, নবাপ আদি

ঠাইত কলেজ স্থাপন হৈছে। ১৯৬৬ চনত অসমত দ্বিতীয় আৰু প্ৰথম কাৰিকৰী ভিত্তিত গঢ় দিয়া বিশ্ববিদ্যালয়টি ইয়াতেই স্থাপিত হয়, ডিব্ৰুগড় বিদ্যালয়ে শিবসাগৰ আৰু লক্ষীমপুৰ জিলাৰ কলেজ আৰু শিক্ষানুষ্ঠান সমূহ আৱৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে পুৰণি সোমাৰপীঠৰ আৰো জগতৰ আগত জিলিকাই তুলিব এই আশা আমাৰ সকলোৰে মনত দিপ্যমান। এই বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য্য হিচাবে এজন আন্তৰ্জাতিক খ্যাতি সম্পন্ন লোক ডা° ভোজ ৰাজ শেঠ এম, এ (দিল্লী), এম এ5 চি (লণ্ডন), পি, এইচ, ডি (লণ্ডন) ডি, এচ, চি (লণ্ডন) দেৰক পাই আমি সকলোৰেই গৌৰাবা-ন্বিত হৈছো।

ডিব্ৰুগড়ৰ এচৰত কেলত এখন পলিটেকনিক স্কুল স্থাপিত হৈছে। অ'ল ইণ্ডিয়া ৰেডিঅ'ৰ এটা ট্ৰেন্সমিটিং ষ্টেচন (Transmitting Station) প্ৰতিষ্ঠা হৈছে ইতিমধ্যে কানৈ ল-কালেজ আৰু লগতে বিশ্ববিদ্যালয়ত ইন্‌ষ্টিটিউত অব এডুকেচন স্থাপিত হৈছে। উল্লেখ যোগ্য যে যোগা ত্ৰুবচন্দ্ৰ বাৰুৱা কলেজত কেইটামানো স্নাতকোত্তৰ শ্ৰেণী চলি আছে। ডিব্ৰুগড়ে অসমীয়া ভাষা-সাহিত্যৰ আৰু কাৰিকৰী বিদ্যাৰ পুত-মন্দিৰ ৰচনাতো স্মৰণীয় পদক্ষেপ দিবলৈ সক্ষম হ'ব—ই আমাৰ দৃঢ়বিশ্বাস

আপোনালোকে পুনৰ লক্ষ্য কৰিলেও হব যে প্ৰাকৃতিক আৰু ৰাজনৈতিক উভয়ক্ষেত্ৰতেই ডিব্ৰুগড়ৰ অবস্থিতি গুৰুত্বপূৰ্ণ। আহোম আৰু ইংৰাজসকলৰ শাসনৰ কালছোৱাতেই এই স্থান গুৰুত্বপূৰ্ণ আছিল। ডিব্ৰুগড় ভৈয়াম আৰু পাহাৰৰ মাজৰ প্ৰধান মিলন ক্ষেত্ৰৰূপে পৰিগণিত। ধৰ্ম্ম, প্ৰাকৃতিক অবস্থান, অৰ্থনীতি আদি সকলো ক্ষেত্ৰতেই পাহাৰ অঞ্চল আমাৰ এক অবিচ্ছেদ্য আৰু চিৰ আপোন অঙ্গ নগা, খাময়, মিৰি মিচিমি চিংফৌ খামতি, কাকিয়াল আইতনীয়া, তুৰনীয়া আদি অষ্ট্ৰিক বড়ো আৰু শান্ পৰিয়ালৰ পাহাৰী

ভাইসকলে আমাক আদৰি আছে। অতি পুৰণি কালৰ পৰাই শদিয়া আৰু বিভিন্ন ঠুৱাৰ বিলাকৰ গুৰুত্ব পৰিলক্ষিত হৈছে। অতীতত আদি পাহাৰীয়া আৰু ভৈয়ামীয়া সকল অতি আপোন আছিলো। আমাৰ মাজৰ সম্বন্ধ আছিল অতি পবিত্ৰ। স্বাধীনতাৰ পিছত এইসকল ভাইক লৈয়ে ভাৰত চৰকাৰে সৃষ্টি কৰিলে উৰ্বশীয়মৰ। সাহিত্যসভাৰ এই অধিবেশনে এনে কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'ব লাগে যাতে আমাৰ তেজ-মঙহৰ মিল থকা ভাইসকলৰ লগত পুনৰ আমাৰ অতীতৰ মধুৰ সম্পৰ্ক গঢ়ি উঠে। আজিৰ এই মহান অনুষ্ঠানত আমাৰ লগত অতীতৰ নিবিড় সম্বন্ধ গঢ়ি তুলিবলৈ পাহাৰৰ ভাই-ভনী সকলৈলেও আহ্বান জনাও।

এইখিনিতে এই অঞ্চলৰ ধৰ্ম—অনুষ্ঠান, থান আদি পৱিত্ৰ-ক্ষেত্ৰ বিলাকৰ কথাও আপোনাসকলৰ আগত উল্লেখ কৰিবৰ খুজিছো। ডিব্ৰুগড়ৰ পৰা পূবলৈ দিনজয়, মদাৰখাট, গড়পাৰা—এই তিনিখনি প্ৰধান মায়ামৰীয়া সত্ৰ আছে। যোৰহাটৰ নবংটাৰ পৰা বৰ্ত্তমান স্থানলৈ দিনজয় সত্ৰ তুলি অনাৰ ১৩৮ বছৰ হৈছে। তিনিচুকীয়াৰ ওপৰলৈ টিপুক, শিমলুগুড়ি, সোমজান—আদি মৰাণ সত্ৰসমূহ আছে। এই সত্ৰবিলাক মটেকৰ অষ্টভুজ গোসাঁইৰ সমসাময়িক কাচিনলীৰা ভৱানন্দৰ পৰা বাঢ়িছে। এই অঞ্চলৰ মৰাণলোক সকল এই সত্ৰ কেইখনৰ শিষ্য। মায়ামৰীয়া আৰু মৰাণ সত্ৰ কেইখনিয়েই এই অঞ্চলৰ প্ৰধান বৈষ্ণৱ সত্ৰ। ইয়াৰ পৰা ১৪/১৫ মাইল পশ্চিমলৈ দিহিংখান আছে। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে মহাপুৰুষীয়া লকয়া থান আছে। শদিয়াৰ কেঁচাইখাতী, তাম্ৰেশ্বৰী মন্দিৰৰ কথা আগেয়ে উল্লেখ কৰি অহা হৈছে। শদিয়াৰ উত্তৰ পূৱ দিফং আৰু দেওপানী নদীৰ সঙ্গম স্থলত থকা আনখনি তান্ত্ৰিক স্থান হল বুঢ়া বুঢ়ীৰ মন্দিৰ। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে চিচি বৰগাঁৱৰ উত্তৰ পশ্চিমত এটি অতি প্ৰাচীন মন্দিৰৰ ধ্বংসাৱশেষ আছে। ইয়াক স্থানীয় বাইজে

"মালিনী স্থান" বুলি আখ্যা দিছে। এই থলেই কালিকা পুৰাণত উল্লেখ থকা সতীৰ শিৰ ভাগ পৰি যোৱা পীঠ স্থান হ'ব পাৰে। ইয়াৰ বাদেও কছাৰী সকলৰ বাথৌ শাল, বুঢ়া বুঢ়ীৰ শাল, গেজাই শাল, কেচাঁইখাঁতী গোসানীৰ শাল আদি বলিশাল বিলাক বেলেগ বেলেগ অঞ্চলত পোৱা যায়।

ডিব্ৰুগড়ৰ পৰা প্ৰায় ৭ মাইল পশ্চিমে জামীৰা মৌজাত ব্ৰহ্মপুত্ৰৰ পাৰত প্ৰখ্যাত 'কলী আই'ৰ থান আছে। মাৰ্ঘেৰিটা অঞ্চলত বিস্তৃত বৌদ্ধ বাপুচাং বিলাক পোৱা যায়। ডিব্ৰুগড়ৰ দৰগাহ বিলাকৰ ভিতৰত 'বগা ফকিৰৰ মাজাৰ' প্ৰধান। ডিব্ৰুগড়ত ১৬ টা মছজিদ আছে। ১৯১১।১২ চনত স্থাপিত হোৱা শিখ সকলৰ গুৰুদ্বাৰ 'লেখডলৰলগীয়া। ডিব্ৰুগড় মহকুমাত ভালেমান কেইটা গীৰ্জ্জা আছে। ডিব্ৰুগড়ৰ প্ৰখ্যাত চেইণ্ট পল গীৰ্জ্জাৰ কথা এই অঞ্চলৰ সকলোৱেই জানে। মুঠতে ধৰ্ম্মৰ বিষয়ত বৌদ্ধ, বৈষ্ণৱ, শাক্ত, শৈৱ, ইচলাম, খ্ৰীষ্টিয়ান, শিখ, সকলোবোৰৰ অপূৰ্ব্ব সমাৱেশত ডিব্ৰুগড় পৰম পবিত্ৰ হৈ সকলোকে নিৰ্ভয়ে, নিসঙ্কোচে বুকুত সাবটি লব পাৰিছে। পুণ্য সলিল ব্ৰহ্মপুত্ৰ নদ পুৰাণ, মহাভাৰত, ৰামায়ণৰ দিনৰে পৰা পবিত্ৰ তীৰ্থস্থান হিচাবে পৰিগণিত হৈ আছিছে।

হে সুধীবৃন্দ, আপোনাসকলে আজি মাতৃভাষা তথা জাতীয় সাহিত্যৰ মহান পবিত্ৰ মন্দিৰত সমবেত হৈছেহি। আপোনাসকলে এই অধিবেশনতে ভাষা সাহিত্য, দেশৰ সামাজিক পৰিস্থিতি আদি সকলো বিষয়তে পুংখানুপুংখ ৰূপে আলোচনা কৰি জাতীয় জীৱন আগ বঢ়াই নিয়াৰ সৎপৰিকল্পনা হাতত ল'ব। এনে মহান উদ্দেশ্যেৰে সমবেত হোৱা আপোনাসকললৈ স্বাগত সম্ভাষণ জনাইছোঁ।

অসমীয়া সাহিত্যত একাঙ্ক নাটকবিলাকৰ সংখ্যা বাঢ়িছে, ই শুভ লক্ষণ। পিছে বৰ্ত্তমান অসমীয়া সাহিত্যত পূৰ্ণাঙ্গ নাটকৰ

অভাৱ বাককৈয়ে উপলব্ধি কৰিব পৰা হৈছে। নাটকৰ প্ৰভাৱো জাতিৰ ওপৰত অতি গোনপটীয়া আৰু শীঘ্ৰ ফলোৎপাদন কাৰী। এখন পূৰ্ণাঙ্গ নাটক নিশ্চয় এজন নিপুনী, সুশ্ৰী জেয়োজ্জ্বল লোকৰ দৰেই দীপ্তিমন্ত। পূৰ্ণাঙ্গ জাতীয় সংস্কৃতিৰ প্ৰকাশক নাটক ৰচনাৰ ক্ষেত্ৰত মনোযোগ দিবলৈ আজি আমাৰ সাহিত্যিক বন্ধু সকলৰ প্ৰতি আহ্বান জনাওঁ।

এই থিনিতে এটি কথালৈ মনত পৰিছে যে পুৰণি আৰু নতুন সাহিত্যিকৰ মাজত এটি বিৰোধ মনোভাব থকাও দেখা যায়। কিন্তু পুৰণিৰ বুনিয়াদৰ ওপৰত নতুন সাহিত্যৰ স্বৰ্ণ সৌধ নিৰ্ম্মাণ কৰিলেহে সি যুগজয়ী হয়। উভয়ে উভয়ৰ প্ৰতি যথা বিহীত সম্মান জনাই বুজা পৰাৰ মাধ্যমেৰে কাম কৰিলেহে আমাৰ অসমীয়া সাহিত্য আগতকৈও উজ্বল হব।

আজি কিছু দিনৰ পৰা এই সীমান্তবৰ্ত্তী ৰাজ্য খনৰ বিভিন্ন ভাষা ভাষী লোকৰ মাজত ৰাষ্ট্ৰীয় সংহতিৰ অৱনতি ঘটাৰ উপক্ৰম হৈছে। ই শুভ লক্ষণ নহয়। ৰাষ্ট্ৰীয় সংহতি গঢ়ি তোলাৰ ক্ষেত্ৰত অসম সাহিত্য সভাই বিশেষ ভূমিকা গ্ৰহণ কৰাৰ এয়েই উপযুক্ত সময় নহয় জানো?

বিশ্ব সাহিত্যৰ মৌ সুহি অসমীয়া সাহিত্যৰ মৌ-চাক ৰচনা কৰাৰ এয়েই উপযুক্ত সময়। অনুবাদ সাহিত্যৰ ক্ষেত্ৰত অসমীয়া সাহিত্যই আশানুৰূপ ভাবে আগবাঢ়ি যাবলৈ হলে এতিয়াৰ পৰাই অসম সাহিত্য সভাই সু-পৰিকল্পিত আঁচনি গ্ৰহণ কৰাটো উচিত।

ডিব্ৰুগড অঞ্চলত আমাৰ সাহিত্য আৰু কৃষ্টিৰ অলেখ সঁফুৰা লুকাই আছে। শিল্প উদ্যোগ গঢ়ি উঠাৰ যথেষ্ট সম্ভাবনা আছে। নকৈ গঢ়ি উঠা ডিব্ৰুগড বিশ্ব-বিদ্যালয় আৰু অসম সাহিত্য সভাই এইবোৰৰ উদ্ধাৰ আৰু প্ৰয়োগৰ ক্ষেত্ৰত ৰৰঙণি যোগাব বুলি আশা কৰিলোঁ।

হে ভাষা জননীৰ সেৱক সেৱীকা সকল।

আজি আমাৰ সকলোৰে অতি স্নেহ আৰু শ্ৰদ্ধাৰ অনুষ্ঠান অসম সাহিত্য সভাক ডিব্ৰুগড়লৈ আদৰি আনিছো। আমাৰ সকলোৰে অন্তৰ আজি আনন্দেৰে উপচি পৰিছে। আনহাতে অসমীয়া ভাষা সাহিত্যৰ অন্যতম মহাৰথী আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীডিম্বেশ্বৰ নেওগ দেৱে এই জাতীয় অনুষ্ঠানটিৰ আগমূহূৰ্ত্তত সকলোৰে মনত বেজাৰ দি ইয়াতেই বৈকুণ্ঠগামী হোৱাত এইজনা সাহিত্য সাধকৰ স্মৃতিয়ে আমাক অতিশয় শোকাভিভূত কৰি তুলিছে। মৃত্যুৰ ওপৰত মানুহৰ হাত নাই। মৰণে নেওগদেৱক অমৰহে কৰিলে। তেখেতৰ আদৰ্শই চিৰদিন এই জাতীয় অনুষ্ঠানটিক অনুপ্ৰেৰণা যোগাব বুলি দৃঢ় বিশ্বাস।

অসম সাহিত্য সভা বৰ্ত্তমান জনতামুখী হৈছে। ই নবীন প্ৰবীণৰ মিলন ক্ষেত্ৰ হৈ পৰিছে এই অনুষ্ঠানটিয়ে বৰ্ত্তমান কৰিব লগীয়া বহুতো কাম আছে। বিশেষকৈ উৰ্দ্দীয়াম আৰু চাহ বাগিচা অঞ্চলত অসমীয়া ভাষা-সাহিত্য প্ৰচাৰৰ কাৰ্য্যকৰী ব্যৱস্থা লোৱাত এই অনুষ্ঠানে আগ ভাগ লোৱাটো সদৌ অসমবাসী ৰাইজে কামনা কৰে। আনহাতে এই অনুষ্ঠানৰ মুখপত্ৰ "সাহিত্য সভা পত্ৰিকা" খনৰ কলেৱৰ বৃদ্ধি হোৱাটো আৰু সহজসাধ্য হোৱাটো আমি সকলোৰে কামনা কৰো। আমাৰ বিশ্বাস সদৌ অসমবাসী ৰাইজৰ সহযোগত এই অনুষ্ঠানে ভাৰতৰাষ্ট্ৰৰ এই সীমান্তৱৰ্ত্তী অঞ্চলটোতে এখন সুন্দৰ আৰু সুগম সমাজ ৰচনা কৰি সত্যশিৱ সুন্দৰৰ ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হব নিশ্চয়।

এই জাতীয় যজ্ঞৰ আয়োজনৰ ভাৰ এই নিঃকিনৰ ওপৰত পৰাত এই মহান দায়িত্ব পালনত কিমানদূৰ কৃতকাৰ্য্য হব পাৰিছো তাৰ বিচাৰ আপোনাসকলৰ। এই বিষয় ডিব্ৰুগড় শাখা সাহিত্য সভাৰ পৰা পোৱা সহায় সহযোগৰ কথা উল্লেখ নকৰি নোৱাৰিলো।

জগতে ডিব্ৰুগড়ৰ অঞ্চলৰ সকলো অনুষ্ঠান আৰু সদাশয় বাইজে এই জাতীয় যজ্ঞ সু-সম্পাদিত হোৱাৰ ক্ষেত্ৰত সকলো প্ৰকাৰে আগবঢ়োৱা বৰঙণি আৰু সহায় সহযোগৰ বাবে অভ্যৰ্থনা সমিতি সকলোৰে ওচৰত চিৰকৃতজ্ঞ হৈ থাকিব। অধিবেশনৰ প্ৰস্তুতিত ৰাজ্য চৰকাৰ আৰু বিশিষ্ট দাতাসকলৰ সহায়-সহযোগৰ বাবেও আমি কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো।

পৰিশেষত আদৰণি সমিতিৰ হৈ অভ্যাগত সকলৈ, প্ৰতিনিধি বৃন্দলৈ আৰু সহৃদয় ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকলৈ আমাৰ আন্তৰিক সেৱা আৰু শ্ৰদ্ধাৰ শৰাই আগবঢ়াই—এই জাতীয় অনুষ্ঠানৰ আয়োজনত হৈ যোৱা এণ এবুৰি ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি মোৰ অভিভাষণৰ সামৰণি মাৰিলো।

"অসত্য অজ্ঞান নাশি দিয়া সত্যজ্ঞান।
তিমিৰ বিনাশি প্ৰভু কৰা জ্যোতিদান।
মৃত্যুহস্তে নিয়া প্ৰভু অমৃতৰ ধাম।
হে সত্য অমৃতজ্যোতি তোমাক প্ৰণাম॥"

—জয়তু চিৰচেনেহী মোৰ ভাষা জননী—

ইতি—

বিনীত—

শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত,
সভাপতি, অভ্যৰ্থনা সমিতি।
অসম সাহিত্য সভাৰ ৩৪ তম অধিবেশন,
ডিব্ৰুগড়।

# সভাপতিৰ অভিভাষণ

অসম সাহিত্য সভা, চতুঃত্ৰিংশ অধিবেশন, ডিব্ৰুগড়।

"প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন॥
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ॥"

"ভদ্ৰং কৰ্ণেভিঃ শৃণুয়াম দেৱাঃ
ভদ্ৰং পশ্যেম অক্ষভিঃ যজত্ৰা
স্থিৰৈঃ অঙ্গৈঃ তুষ্টুৱাংস স্তনুভিঃ
ব্যশেম দেৱহিতং যদায়ু।"

ঋগ্বেদ ১।৮৯।৮

"হে ঈশ্বৰ কাণেৰে যেন পবিত্ৰ বাক্য শুনিবলৈ পাওঁ, হে পূজনীয় ঈশ্বৰ চকুৰে যেন পবিত্ৰ ৰূপ দেখিবলৈ পাওঁ, সুস্থ অঙ্গ আৰু শৰীৰৰ দ্বাৰাই তোমাৰ স্তুতি গীত গাই যেন আমি সব-লোৱে দেৱদত্ত দীৰ্ঘায়ু ভোগ কৰিবলৈ পাওঁ।"

অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া, প্ৰতিনিধিবৰ্গ, সমবেত সতীৰ্থ বন্ধুসকল, ভাইসকল,

আজি এই পবিত্ৰ দিনত, পবিত্ৰ তিথিৰ মাহেন্দ্ৰক্ষণত, পুণ্যভূমি ডিবৰু চহৰত, অসমৰ জাতীয় যজ্ঞ "অসম সাহিত্য সভাৰ" চতুৰ্ত্ৰিংশ অধিবেশন অনুষ্ঠিত হৈছে। এই জাতীয় মহাযজ্ঞলৈ সমগ্ৰ অসমৰ—পৰ্ব্বত ভৈয়ামৰ সতি সন্ততি জাতি, বৰ্ণ, ধৰ্ম্ম নিৰ্ব্বিশেষে মহাযজ্ঞৰ প্ৰসাদ লবলৈ সমবেত হৈছেহি। ধন্য আই মোৰ অসম। ধন্য তোমাৰ সতি সন্ততিসকল। এই মহাযজ্ঞৰ প্ৰসাদ লৈ তোমাৰ সতি-সন্ততি সবলে তোমাক পূজিবলৈ বীৰ বীৰাঙ্গনাৰ শক্তি পায় যেন।

অৱশেষত ক'ব লাগিব অসমত মোতকৈ বহুগুণে শ্ৰেষ্ঠ গুণী-জ্ঞানী থাকোতে আপোনালোকে মোক এই অভাজনক জাতিটোৰ শ্ৰেষ্ঠ সন্মানিত আসনখন দি যি চেনেহ দেখুৱাইছে তাৰ বাবে যথা-যোগ্য কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ মই ভাষা বিচাৰি পোৱা নাই। মাথোন আপোনালোকলৈ অভাজনৰ আন্তৰিক ভক্তি শ্ৰদ্ধা জাপন কৰিছো, অভাজনৰ সকলো দোষ ক্ৰুটি যেন নিজ গুণে ক্ষমা কৰে।

সঁচাকৈয়ে মোৰ জীৱনত আজিৰ দিনটো অতি উত্তম আৰু পবিত্ৰ। আজি যেন মই জীৱনজয়ী। আপোনালোকৰ আশীৰ্বাদত দেশখনৰ এনে সঙ্কট আৰু অতকলীয়া সময়ত এই মহান আসন খনৰ গুৰুদায়িত্ব বহন ক'ৰবলৈ শক্তি পাওঁ যেন।

॥ তৰ্পন ॥ এই বছৰত কেইবাজনো গুণী-জ্ঞানী উদাৰমনা ব্যক্তি ইহলোক ত্যাগ কৰি আমাৰ মাজৰ পৰা আঁতৰি গ'ল। এই সকল হৈছে—বাসুদেৱ শৰণ আগ্ৰৱাল ড ৰামস্বামী আযাৰ, শান্তি নিকেতনৰ নন্দলাল বসু, ড কালিদাস নাগ, শ্ৰীমতী ৰামেশ্বৰী নেহৰু।

অসমৰ কামেশ্বৰ দাস, সিদ্ধিনাথ শৰ্মা, বিয়াজুপ হুছেইন, যোগেশচন্দ্ৰ ভামুলী, গোপালচন্দ্ৰ গোস্বামী, হিমধৰ বৰুৱা, জৱধৰ বৰঠাকুৰ, ক্ষীৰেশ্বৰ শৰ্মা, জীবনচন্দ্ৰ ভাগুলী, ডা মহানন্দ বৰুৱা, সুকোমল গগৈ, ডা প্ৰমোদাভিৰাম দাস, হৰেশ চন্দ্ৰ বাজখোৱা, গৌৰীকান্ত তালুকদাৰ, নীলকান্ত হাজৰিকা, মৌলনা মহম্মদ তৈয়বুল্লা, গোলোকচন্দ্ৰ বৰুৱা, কুমুদেশ্বৰ বৰঠাকুৰ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি—ডিম্বেশ্বৰ নেওগ, শঙ্কৰ বৰুৱা।

এখেত সকলৰ ভিতৰত দুজন ব্যক্তিগত বন্ধুলৈ মোৰ আজি বৰকৈ মনত পৰিছে।

এজন হৈছে—আজীৱন সাহিত্যসেৱী প্ৰবীণ সাহিত্যিক—ডাক্তৰ মহানন্দ বৰুৱাদেৱ, আনজন হৈছে—কবি, সমালোচক, গৱেষক আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি—ডিম্বেশ্বৰ

নেওগদেৱ। নেওগদেৱ অসমীয়া সাহিত্যত এজন আগ শাৰীৰ পণ্ডিত আছিল। সাহিত্যিক মাত্ৰয়ে নেওগৰ পাণ্ডিত্যত মুগ্ধ হৈছিল। এই সকল কৃতী সন্তানৰ স্মৃতিত অঞ্জলি অৰ্পন কৰিলোঁ।

॥ ডিব্ৰুগড ॥ একেবাৰ কথাতে কবলৈ হ'লে ক'ব লাগিব ডিব্ৰুগড় চহৰ খন আজি সাহিত্যিক আৰু সাহিত্য প্ৰেমীৰ তথা অসমীয়া জাতিটোৰ তীৰ্থভূমি।

মহানদ ব্ৰহ্মপুত্ৰৰ বুকুত জন্ম হোৱা জোনাকী যুগৰ ধনুৰ্ধৰ অসমীয়া সাহিত্যৰ সম্ৰাট আৰু "অসম সাহিত্য সভা"ৰ প্ৰাক্তন সভাপতি প্ৰাতঃস্মৰণীয় লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীযাই এই চহৰতে ১৯৩৮ চনত দেহা এৰি স্বৰ্গী হয়। সেই নশ্বৰ দেহা ডিবৰুৰ বালিত বিলীন হয়। এই ঠাইৰ প্ৰতি ধূলিকণা আজি আমাৰ বাবে অতি পবিত্ৰ।

আজি এই সভাত সমবেত হোৱা আমি সকলোৱেই বেজবৰুৱা ডাঙৰীয়াৰ স্মৃতি মনলৈ অহাত প্ৰাণত যেন দুগুণ শক্তি পাইছো। "চিৰচেনেহী মোৰ ভাষা জননী"ক সেৱা কৰিবলৈ মনত যেন অদম্য প্ৰেৰণা পাইছো।

ব্যক্তিগত ভাৱে, ডিব্ৰুগড খন মোৰ অসীম শ্ৰদ্ধাৰ ঠাই। ডিব্ৰুগডৰ বহুতো সঁকৰৰ কথা এই মুহূৰ্ত্তত মোৰ মনলৈ আহিছে।

১৯১৬ চনত যোৰহাট হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষা 'পাছ' কৰি জয়ে জাযে ১৯১৮ চনত মোৰ জীৱন গঢ়িবলৈ ডিব্ৰুগডতে সোমাওঁহি।

যোৰহাটতে ছাত্ৰ জীৱনত সাহিত্যৰ সামান্য আভাস পাই, ডিব্ৰুগডত পৰম শ্ৰদ্ধেয় স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালাৰ লগ পাওঁহি। তেতিয়া আগৰৱালা ডাঙৰীযাৰ ছাপাখানাতে "অসমীয়া" কাকত খন আৰু বেজবৰুৱা ডাঙৰীয়াৰ "বাঁহী" খন ছাপা হৈছিল। আগৰৱালা ডাঙৰীয়াক লগ পালত তেখেতে অৱসৰ সময়ত মোক

"অসমীয়া" আৰু "বাঁহী" কাকতৰ সৰু-সুৰা কিছুমান কাম কৰিবলৈ লগালে। আগৰৱালা ডাঙৰীয়াৰ উদ্গণিত এই কাকত দুখনত দুই এটি কথা লিখি অসমীয়া সাহিত্যলৈ মোৰ অনুৰাগ লাহে লাহে বাঢ়িবলৈ ধৰিলে।

ডিব্ৰুগড় জৰ্জ্জ স্কুলত, থিয়েটাৰ হলত, গ্ৰেহেম বজাৰৰ স্কুলত মাজে মাজে বহা সাহিত্য সভা বিলাকত যোগ দিবলৈ ধৰোঁ। সেই সময়ত ডিব্ৰুগড়ৰ ডেকা সাহিত্যিক সকলৰ লগত বন্ধুত্ব হ'ল। তেতিয়া শ্ৰদ্ধাস্পদ আনন্দ চন্দ্ৰ আগৰৱালা আৰু শ্ৰদ্ধেয় ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াক লগ পাওঁ।

এই সকলৰ উদ্গণিত মই পাছে অসমীয়া সাহিত্যক সেৱা কৰিবলৈ যত্ন কৰিম বুলি মনতে ভাবিলোঁ। ইয়াৰ ফলতেই মোৰ জীৱনৰ সকলো অৱস্থাতে দুই এটা কবিতা, চুটি গল্প, প্ৰবন্ধ, নাট, জীৱনী আদি লিখিব পৰা হ'লো। ডিব্ৰুগড়তে, যোৰহাটত গোটাবা লিখা গীত বিলাক সংকলন কৰি ১৯২৩ চনত "বহাগী" পুথিখন প্ৰকাশ কৰোঁ।

একেবাৰতে মোৰ আচল সাহিত্যিক জীৱনৰ জন্ম হয় ডিব্ৰুগড়তে আৰু আজি এই ডিব্ৰুগড়েই মোৰ সাহিত্যিক জীৱনৰ মূল্যাংকণ কৰিছে।

॥ ডিব্ৰুগড়ৰ চমু পৰিচয় ॥—১৯১৮ চনত ডিব্ৰুগড়লৈ জয়ে জয়ে আহি দেখিছিলোঁ ব্ৰহ্মপুত্ৰ খন গাঙ চহৰৰ পৰা এমাইলমান আঁতৰত আছিল। ব্ৰহ্মপুত্ৰৰ পাৰ-সেন্দুৰী আলিয়ে আৰু নৈৰ মাজত থকা চাপৰিয়ে, আবেলি নৈৰ পাৰত ফুৰিবলৈ অহা মানুহৰ মনত এটি কবিতাৰ সৌন্দৰ্য্যৰ আভাস দিছিল, বিশেষকৈ নৈৰ পাৰত থকা ধুনীয়া ফুলনি ( পাৰ্ক ) বিলাক এতিয়া। নগৰ খনৰ এমাইলমান গ্ৰাস কৰি ব্ৰহ্মপুত্ৰ খন নগৰৰ ভিতৰলৈ সোমাই আহিল।

শুনামতে অনুমান হয় পুৰণি কালত ১২২৯ খৃঃত এই দেশলৈ আহোম সকল অহাৰ সময়ত, বৰ্ত্তমান ডিব্ৰুগড়ৰ পৰা উত্তৰ পূবে ব্ৰহ্মপুত্ৰ

খন আঠ দহ মাইল মান দূৰৈত আছিল। ব্ৰহ্মপুত্ৰৰ উপনৈ ডিক্ৰৌখন। এই ডিক্ৰৌনৈৰ পৰাই ঠাই খনৰ নাম ডিব্ৰুগড হয়

বুৰঞ্জী কঁহিয়ালে পোৱা যায়, আহোমসকল এই দেশলৈ আহোতে ব্ৰহ্মপুত্ৰৰ আগলিত চুটিয়া ৰাজ্য আছিল। এই চুটিয়া ৰাজ্য ব্ৰহ্মপুত্ৰৰ দাঁতিয়ে দাঁতিয়ে প্ৰায় দিচাঙলৈকে বিস্তৃত আছিল। জয়পুৰৰ ওচৰত বৰাহীৰ ৰাজ্য আছিল। বৰাহী আৰু চুটিয়া ৰাজ্যৰ মাজত প্ৰায় দিচাঙলৈকে মৰাণৰ ৰাজ্য আছিল। বৰ্ত্তমানৰ "মৰাণ" খন মৰাণ ৰাজ্যত আছিল। দিচাঙৰ পৰা নগা-পৰ্ব্বতৰ দাঁতিয়ে দাঁতিযে কপিলীলৈকে কছাৰী ৰাজ্য আছিল।

আগেয়ে এই দেশত ধৰ্ম্মৰ অবিযা-অবিত ৰজা ঘৰে সক্ৰিয অংশ লোৱা নাছিল। বৰ ৰজা ফুলেশ্বৰী কুঁৱৰীয়ে শাক্ত-বৈষ্ণৱ ধৰ্ম্মৰ ওখ-চাপৰ বিচাৰ কৰাত, মাযামৰা সত্ৰৰ শিষ্য বৈষ্ণৱ মৰাণ সকল বিদ্ৰোহী হৈ উঠে। তেতিয়া বিদ্ৰোহী মৰাণৰ লগত আধা শতাব্দীতকৈও ওপৰ কাল ৰাজ শক্তিৰ লগত ইখনৰ পিচত সিখন ৰণ লাগিল। দেশ খনত হুলস্থুলৰ সৃষ্টি হ'ল। বীৰ বীৰাঙ্গণাৰে পৰিপূৰ্ণ জাতিটোৰ কঁকাল ভাগিল। এই ৰণ বিলাকত পোৰা যায—সেনাপতি নেওগ ফুকনে ১৭৬৯ খৃঃত ডিবৰু নৈ পাৰত কোঠ মাৰিছিল। ১৭৭০ খৃঃত ডিবৰুৰ উত্তৰ পাৰে ছয়ৰা খেলৰ ভাটীয়লীয়া ফুকনে কোঠ গড মাৰিছিল। তেতিয়াই মৰাণেও ডিবৰুৰ দক্ষিণ পাৰে কোঠ গড মাৰিছিল। ইযাৰ পাছত ১৭৮৬ খৃঃত কেন্দুগুৰীয়া পোৰালী বৰপাত্ৰ গোহাঁয়ে ডিবৰু নৈ পাৰত অমৰা তলিত কোঠ গড মাৰিছিল।

ওপৰত উল্লেখ কৰা ডিব্ৰুনৈ পাৰত মৰাণৰ ৰণত গড কোঠবোৰ মৰাতেই এই ঠাইৰ নাম ডিব্ৰুগড হ'ল বুলি জানিব পাৰি।

তেতিয়া মৰাণৰ ৰাজ ঠাই বা ৰাজধানী "বেঙমৰা" আছিল। এই 'বেঙমৰাতে' মটক ৰজা সৰ্ব্বানন্দ সিংহৰ ৰাজ বিষয়া—

ৰৰবকৰা গোধা গোপীনাথে আহোমৰ চাবিচুকীয়া পুখুৰী অনুকৰণ নকৰি তিনি চুকীয়া পুখুৰীটো খন্দায়। এই পুখুৰীটোৰ পৰাই এতিয়া "বেঙমৰাৰ" নাম তিনিচুকীয়া হ'ল।

১৮২৬ চনত মানক খেদি বৃটিছে অসমখন লওঁতে কেই বছৰ মানৰ পাছত, উজনি অসমখন স্বৰ্গদেৱ পুৰন্দৰ সিংহক চলাবলৈ দিছিল ঃ কিন্তু মৰাণ ৰাজ্য আৰু খামতি ৰাজ্য স্বৰ্গদেৱক দিয়া নাছিল। বৃটিছে মৰাণৰ লগত বেলেগ চুক্তি (Agreement of Allegiance to the British Govt No C of 13-5-1826) কৰিছিল।

১৮৪২ চনৰ পাছতে অৰ্থাৎ উজনি অসমখন স্বগদেৱ পুৰন্দৰ সিংহৰ হাতৰ পৰা লোৱাৰ কেইবছৰ মানৰ পাছতে বৃটিছে মৰাণৰ বৰ সেনাপতিক পেঞ্চন এটা দি মৰাণ ৰাজ্যখন ললে আৰু লগে লগে সদিয়াৰ খামতি দেশখনো ল'লে।

তেতিয়া উত্তৰ পাৰে, আগতে বহুৱা লক্ষীমপুৰ জিলাখন সদিয়া-লৈকে বহলাই এই মাজ ঠাইতে ডিব্ৰুগড়তে সদৰ ঠাই পাতিলে। আৰু লক্ষীমপুৰ সদৰ ঠাইক উত্তৰ লক্ষীমপুৰ নাম দি মহকুমা পাতিলে।

বৃটিছে অসম দেশখন লওঁতে, এই দেশৰ হাবিত মনিৰাম দেৱানে দেখুৱা চাহ গছ পাই জয়ে জয়ে নাজিৰা আৰু টিংৰাইত চাহখেতি আৰম্ভ কৰে। আৰু তাৰ লগে লগেই হাবি ভাঙি চাবুৱাত চাহগুটি বয়। তাত চাহগুটি বোৱাৰ পৰাই এই ঠাইৰ নাম "চাহবোৱা" বা "চাবুৱা" হয়। চাহৰ লগে লগেই জিভুত কয়লাৰ খনি, ডিগবৈত তেলৰ পুং আবিষ্কাৰ কৰে। এই জিলাখনত চাহ, কয়লা, তেলৰ শিল্প আৰম্ভ হোৱাত, বস্তু অনা-নিয়া কৰিবলৈ ১৮৮৬ চনত ডিব্ৰু-সদিয়া ৰেল" স্থাপিত হয়। ১৮৬০ চনত ইণ্ডিয়া জেনেৰেল ষ্টিম কোম্পানীৰ জাহাজ ডিব্ৰুগড়-লৈকে চলে আৰু ১৯০৩ চনত "আসাম বেঙ্গল ৰেল" আহি তিনিচুকীয়াত "ডিব্ৰু সদিয়া ৰেইলৰ" লগতে যোগ হৈছি।

ডিব্ৰুগড চহৰত থিয় হলে, এই মহকুমাত থকা পৱিত্ৰ স্থান বিলাকলৈ মনত পৰে। ইয়াৰ মছজিদ, গিৰ্জা বিলাক বৃটিছ অহাৰ পাছত হোৱা বুলি জানো। বৌদ্ধ বিহাৰ বিলাক আগৰ পৰা থকা বুলি অনুমান হয়। লেঙেৰী মৌজাৰ "মোৱামৰা থান" জামিৰা মৌজাৰ "কলা আইৰ থান" চিচিত থকা "সাতাকুণ্ড" আদি জনাজাত।

বুৰঞ্জীৰ মতে মৰাণৰ ৰজা সৰ্ব্বানন্দৰ পুত্ৰ মাটিবৰ বৰ-সেনাপতিয়ে বিখ্যাত দিনজয় সত্ৰখন প্ৰথমতে ৰঙ্গাগৰাত, তাৰ কিছুদিনৰ পাছত ৭৫৯ শকত চাবুৱাৰ ওচৰত, দিনজান নৈৰ পাৰত স্থাপন কৰে। এইখন এখন অসমৰ বিখ্যাত সত্ৰ। ইয়াৰ বাহিৰেও এই মহকুমাত "মৰাণ টিফুক সত্ৰ" "মদাৰখাট মায়ামৰা সত্ৰ "গড়পৰা মায়ামৰা সত্ৰ" আছে।

ডিব্ৰুগড ঠাই খন বাণিজ্য প্ৰধান প্ৰগতিশীল ঠাই। এই ডিব্ৰুগডতে আমাৰ তিৰোতা জাতিৰ উচ্চ শিক্ষাৰ বাবে প্ৰথম হাইস্কুল স্থাপন হয়। ডিব্ৰুগডৰ পৰাই প্ৰথম অসমীয়া তিৰোতা গ্ৰেজুৱেট হয়। আৰু ইয়াতেই প্ৰথম চিকিৎসা বিদ্যালয় " বৰীহোৱাইট মেডিকেল স্কুল' স্থাপিত হৈছিল, আৰু আমাৰ স্বাধীনতাৰ লগে লগেই "অসম মেডিকেল কলেজ" স্থাপন হয়। আমাৰ সৌভাগ্যৰ বশত যোৱা বছৰ এই চহৰতে ডিব্ৰুগড বিশ্ববিদ্যালয়" স্থাপন হৈছে। আজি আজি আমি সগৰ্ব্বে কব পাৰো ডিব্ৰুগড চহৰত লক্ষ্মী সৰস্বতী দুয়োৰো মিলন হৈছে।

আমি এনে এখন ঐতিহ্যপূৰ্ণ ঠাইত থিয় হৈ অতীতক সুঁৱৰি গৌৰব অনুভৱ কৰিছো।

॥ অসম সাহিত্য সভাৰ কথা ॥— ১৯১৫ চনৰ জুলাই মাহত, যোৰহাটত সেই সময়ৰ কমিছনাৰ কৰ্ণেল গৰ্ডন চাহাবৰ চেষ্টাত অসমৰ শিল্পৰ উন্নতিৰ কাৰণে এখন সভা বহিছিল। এই সভালৈ অসমৰ সকলো গুণী-জ্ঞানী লোক আহিছিল। তেতিয়াৰ, যোৰহাট সাহিত্য সভাৰ

গুৱীয়াল সকলে সেই দেশত অসমৰ সকলো সুধিয়াল লোকক লৈ এখন সাহিত্য সভা পাতি সমগ্ৰ অসমৰ বাবে এখন 'অসম সাহিত্য সভা' পাতিবলৈ আলোচনা কৰিছিল। তাৰ পাছতে সেই বছৰৰ ডিচেম্বৰ মাহত এইখন ডিব্ৰুগড় চহৰতে "অসম কনফাৰেঞ্চ" বহে। এই কনফাৰেঞ্চত, সমগ্ৰ অসমৰ সুযোগ্য লোকসকল সমবেত হৈছিল। অসমৰ সুপুত্ৰ সকলে ৰায়বাহাদুৰ ফণিধৰ চলিহা ডাঙৰীয়াৰ সভাপতিত্বত সেই 'কনফাৰেঞ্চৰ লগত এখন ডাঙৰ সাহিত্য সভা' পাতি এখনায় সমগ্ৰ অসমৰ বাবে উমৈহতীয়া "অসম সাহিত্য সভা" লাগে তাৰ বিশদ আলোচনা কৰে। গতিকে এই ডিব্ৰুগড় চহৰতে "অসম সাহিত্য সভাৰ" পবিত্ৰ ভাৰ সেই দিনাই সকলো অসমীয়াৰ প্ৰাণত গৰ্ভস্থ হয়।

আগতে যোৰহাটত আলোচিত হোৱা সাহিত্য সভাৰ ভাবটো ডিব্ৰুগড় চহৰত যেন পুনৰ হ'ল।

ইয়াৰ পাচত সভাখনৰ কথা আলোচিত বিলোচিত হৈ স্বনামধন্য সাহিত্যৰ গুৱীয়াল ৰায় বাহাদুৰ পদ্মনাথ গোহাঁই বৰুৱা ডাঙৰীয়াৰ সভাপতিত্বত ১৯১৭ চনৰ ডিচেম্বৰ মাহত অসম সাহিত্য সভাৰ"—প্ৰথম অধিবেশন শিৱসাগৰত বহিল।

"অসম সাহিত্য সভাৰ" বুৰঞ্জী আপোনালোকে জানে। মই দোহাৰি ক'ব নালাগিব। অৱশ্যে "অসম সাহিত্য সভাৰ কথা মনলৈ আহিলেই দানবীৰ ৰায় বাহাদুৰ ৺ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া আৰু তেতিয়াৰ প্ৰধান সম্পাদক ৺শৰৎচন্দ্ৰ গোস্বামী দেৱৰ কথা মনত পৰে।

ডিব্ৰুগড়ত 'অসম সাহিত্য সভা"ৰ পবিত্ৰ ভাব গৰ্ভস্থ হোৱাৰ প্ৰায় আঠ বছৰৰ পাছত প্ৰত্নতাত্ত্বিক আৰু জোনাকী যুগৰ সাহিত্যিক ৰায়বাহাদুৰ ৺কনকলাল বৰুৱা ডাঙৰীয়াৰ সভাপতিত্বত এই চহৰতে ১৯২৭ চনৰ ডিচেম্বৰ মাহত অতি সমাৰোহেৰে অসম সাহিত্য সভাৰ ষষ্ঠ অধিবেশন বহে।

ইয়াৰ পাছত ১৯৪৭ চনৰ এপ্ৰিল মাহত ‘অসম সাহিত্য সভা”ৰ বিংশ অধিবেশন দাৰ্শনিক কবি সু-সাহিত্যিক শ্ৰদ্ধেয় শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়াৰ সভাপতিত্বত সমাৰোহেৰে বহিছিল। ডিব্ৰুগড়ে “অসম সাহিত্য সভা”ক প্ৰথম গৰ্ভস্থৰ পৰাই একান্ত ভাৱে সেৱা কৰি আহিছে বুলি ক’লে বঢ়াই কোৱা নহ’ব।

॥ সাহিত্য কাব্য আৰু কবিতা ॥—কাব্যৰ আনন্দক মনীষী সকলে ব্ৰহ্মানন্দৰ লগত তুলনা কৰিছে। কাব্যৰ উদ্দেশ্য হৈছে আনন্দ দান। সাহিত্যৰ পৰিসৰ আজি অতিশয় ব্যাপক। দৰাচলতে বুৰঞ্জী, বিজ্ঞান ৰাজনীতি সমাজনীতি আদি সাহিত্যৰ অঙ্গীভূত হ’লেও আমি সাহিত্য বুলিলে সৃষ্টিধৰ্মী কাব্য-সাহিত্যকহে বুজো। সাহিত্যই আমাক আনন্দ প্ৰেৰণা আৰু সান্ত্বনা দিয়ে। সাহিত্যৰ মাধ্যমত আমাৰ আত্ম দৰ্শন আৰু আত্ম বিচাৰ হয়।

যেতিয়া চাৰিওফালে নিৰাশাৰ ক’লা আন্ধাৰে আৱৰি ধৰে তেতিয়া তাৰ মাজত কবিয়ে আশাৰ পোহৰ দেখা পায়। প্ৰকৃত কবিৰ কবিতাত শাশ্বত সত্য নিহিত থাকে। শাশ্বত সত্যৰ অন্বেষণ কৰিবলৈ গৈ কবিয়ে সন্ধান পায় অপূৰ্ব্ব ৰতন, এই ৰতনৰ যি সৌন্দৰ্য্য তাৰ তুলনা নাই। কবি ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল—“আমি ৰূপ সাগৰে ডুব দিয়েছি অৰূপ ৰতন আশা ক’ৰে।” আমি চকুৰে যি সৌন্দৰ্য্য দেখো, সেই সৌন্দৰ্য্যতে কবিয়ে স্বৰ্গীয় সৌন্দৰ্য্যৰ আভাস পায়। সেয়েহে কবি সৰ্ব্বসাধাৰণতকৈ পৃথক।

কাব্যত ৰস আৰু অলঙ্কাৰ প্ৰয়োগৰ কাৰণে কবিৰ স্বতন্ত্ৰ চেষ্টাৰ প্ৰয়োজন নকৰে। কিয়নো “জুয়োটা বস্তুকে কবিয়ে একেবাৰতে প্ৰকাশ কৰিব পাৰে” (আনন্দ বৰ্দ্ধন) আৰু তেনে কৰিলেহে সচাকৈয় কবিতা সৰ্ব্বাঙ্গ সুন্দৰ হয়।

কাব্যৰ শোভা বৰ্দ্ধন কাৰী তত্বক অলঙ্কাৰ বোলে। অগ্নি পুৰাণত আছে—অলঙ্কাৰ বিহীন বাণী বিধবা নাৰীৰ নিচিনা।

অলঙ্কাৰে ৰসৰ উৎকৰ্ষ সাধন কৰে। কবিয়ে নিজৰ অনুভূতিক কবিতাৰ মাজেদি আনৰ অন্তৰ স্পৰ্শ কৰাকৈ বিলাই দিব পাৰে। কবিতা প্ৰকৃতিৰ প্ৰতিফলন হলেও অনুকৃতি নহয়। আৱেগ আৰু অনুভূতিৰ লগত কল্পনাৰ বহন সানি, কবিয়ে কাব্য জগতখন ৰমক-জমক কৰে।

কবি সকলৰ দৃষ্টি ভঙ্গীৰ পৰিবৰ্ত্তন হলেও অনুভূতিৰ আমূল পৰিবৰ্ত্তন হোৱা অসম্ভৱ।

কাব্যৰ আন এটা মহৎ গুণ হৈছে— ইন্দ্ৰিয়-গ্ৰাহ্য সৌন্দৰ্য্যক মানসিক সৌন্দৰ্য্যলৈ ৰূপান্তৰিত কৰা।

এই মানসিক সৌন্দৰ্য্যৰ পৰাই আমি পৰম ব্ৰহ্মৰ সত্ত্বাক উপলব্ধি কৰিব পাৰো।

॥ ভাষা আৰু লিপি ॥—আমাৰ অসমীয়া ভাষাটোৰ স্বকীয়তাৰ সম্বন্ধে শ্ৰীদেবানন্দ ভঁৰালি, ড বাণীকান্ত কাকতি, ড বিৰিঞ্চি কুমাৰ বৰুৱা ডিম্বেশ্বৰ নেওগ প্ৰমুখ্যে কেইবাজনো যশস্বী লেখকে বিভিন্ন গ্ৰন্থ ৰচনা কৰি নানা তথ্য পাতি দাঙি ধৰিছে।

অসমীয়া ভাষাৰ মূল সম্বন্ধে গ্ৰীয়াৰ্ছন চাহাবেও আলোচনা কৰি স্বাধীন মত দি থৈছে।

অসমীয়া ভাষাটো এটা প্ৰাচীন ভাষা। খ্ৰীষ্টীয় দশম শতিকাৰ পৰা ইয়াৰ উৎপত্তি বুলি ধৰা হয়। খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ পৰা খ্ৰীষ্টীয় সপ্তম শতিকালৈকে ৰাজত্ব কৰা বৰ্ম্মণ বংশৰ ৰজা সকল, খ্ৰীষ্টীয় সপ্তম শতিকাৰ পৰা দশম শতিকালৈকে ৰাজত্ব কৰা শালস্তম্ভ ফৈদৰ ৰজাসকল আৰু খ্ৰীষ্টীয় দশমৰ পৰা দ্বাদশ শতিকালৈকে ৰাজত্ব কৰা পাল বংশৰ ৰজা সকলৰ দিনৰ তাম্ৰ-ফলি বিলাকত বিচাৰিলে দেখা যায়, ৰজাসকলে ৰাজকাৰ্য্য পৰিচালনা কৰিবলৈ সংস্কৃত ভাষা ব্যৱহাৰ কৰিছিল। এই সংস্কৃতৰ মাজতো কামৰূপী প্ৰাকৃতৰ দুই চাৰিটা গঢ় পোৱা যায়।

সেই সময়ৰ মানুহ গাওঁ আদিৰ নাম ধামৰ ব্যৱহাৰত অসমীয়া ভাষাৰো আভাস পোৱা যায়।

ইয়াৰ উপৰি সপ্তম শতিকাত কামৰূপলৈ অহা চীন পৰিব্ৰাজক হিউৱেনচাঙে সেই সময়ৰ কামৰূপৰ ভাষা, ভাৰতৰ মধ্য দেশৰ পৰা অলপহে বেলেগ বুলিছে। এই উক্তিৰ পৰা অনুমান কৰিব পাৰি যে সপ্তম শতিকাত অসমীয়া ভাষাই স্বকীয় গঢ় ল'বলৈ আৰম্ভ কৰে।

অসমীয়া ভাষাৰ দৰে অসমীয়া লিপিও অতি প্ৰাচীন। কুমাৰ ভাস্কৰবৰ্ম্মাৰ নিধানপুৰৰ লিপিখনেই আমাৰ অসমীয়া লিপিৰ প্ৰাচীনতম নিদৰ্শন। সপ্তম শতিকাৰ কবি বাণভট্ট বিৰচিত "হৰ্ষচৰিত'ৰ সপ্তম অধ্যায়ত আছে যে সাঁচি পাতত পাঁচবিধ লিখা থকা পুথি কুমাৰ ভাস্কৰ বৰ্ম্মাই হৰ্ষবৰ্দ্ধনলৈ উপঢৌকণ ৰূপে পঠাইছিল। এই পুথি এতিয়ালৈকে আবিষ্কৃত হোৱা নাই যদিও বাণভট্টৰ মন্তব্য তাৎপৰ্য্যপূৰ্ণ। এনে স্থলত কোনো কোনোৱে অসমীয়া লিপিৰ সলনি কৰিবলৈ দিয়া প্ৰস্তাৱক নিৰৰ্থক যেন লাগে।

আমাৰ ওচৰে পাজৰে, পৰ্ব্বতে ভৈয়ামে অসমীয়া, বঙালী, হিন্দী আদি ভাষাৰ উপৰিও প্ৰায় দুই শতাধিক দোৱান বা ভাষা-ভাষী বহুতো লোকৰ মাজত চলে। এনে কিছুমান ভাষা ভাষী লোকে ৰোমান লিপি ব্যৱহাৰ কৰে। বৰ্ত্তমান দেৱ নাগৰী লিপি এওঁলোকৰ মাজত প্ৰবৰ্ত্তন কৰাৰ মানসেৰে এটা ব্যাপক আন্দোলন চলিছে।

অসম, বৃহত্তৰ অৰ্থাত সদায় নগালেণ্ড নেফা ত্ৰিপুৰা, মণিপুৰ আদিক লৈয়ে গঠিত হ'ব। গতিকে এই অঞ্চলটোত অসমীয়া ভাষা আৰু সংস্কৃতিৰ প্ৰভাৱ যাতে অক্ষুণ্ণ থাকে তাৰ বাবে আমি সততে যত্নবান হোৱা উচিত। অনা অসমীয়া লোকৰ মাজত অসমীয়া ভাষা প্ৰচাৰৰ বাবে সকলো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা।

উচিত। বিভিন্ন ভাষা-ভাষীৰ মৌখিক বা লোক সাহিত্য বিভিন্ন লোকৰ মাজত প্ৰচাৰ আৰু জনপ্ৰিয় হোৱাৰ সম্ভাবনা আছে। আৰু এনে কৰিলে হয়তো বহুতো লোকে অসমীয়া লিপিৰ প্ৰতিও আকৃষ্ট হব।

ভাৰতলৈ আৰ্য্য সকল আহোঁতে এটা ঠাল হিমালয়ৰ উত্তৰ পূব কোণে সোমাই কামৰূপৰ উত্তৰ বঙ্গলৈকে বিয়পি পৰে। আমাৰ কলিতা জাতিটোক এই আৰ্য্য সকলৰে বংশধৰ বুলি বহুতে কয়।

আৰ্য্যসকলৰ আগতে অসমত অনাৰ্য্য জাতিয়ে বাস কৰিছিল। অনাৰ্য্য জাতিৰ ভিতৰত অষ্ট্ৰিক আৰু মঙ্গোলীয়া। জাতি বিলাকো আছিল। আৰ্য্যসকল অহাত তেওঁলোকৰ ৰীতি নীতি, ভাষ অনাৰ্য্য সকলৰ লগত সান মিহলি হয়। সেই কাৰণে অসমীয়া জাতিৰ ৰীতি-নীতি আৰু ভাষা আন ভাৰতীয়ৰ পৰা কিছু পৃথক। এই খিনিতে আমাৰ অসমীয়া ভাষাৰ বৈচিত্ৰময় স্বকীয়তা প্ৰকাশ পায়। আমাৰ সংস্কৃতি সৰ্ব্ব ভাৰতীয় সংস্কৃতিতকৈ দক্ষিণ পূব এচিয়া ভিতৰত বৰ্ম্মাদেশ চীনদেশৰ প্ৰভাবহে বেছি। অতীজতে অসমলৈ সিন্ধু গঙ্গাৰ অববাহিকা অঞ্চলতকৈ পূব আৰু উত্তৰ পূব দিশৰ পৰাহে মানুহ বেছিকৈ আহিছিল।

অসমীয়া ভাষাটো শ্ৰুতিমধুৰা হোৱাৰ কাৰণে কবিতা লিখিবলৈ উপযোগী। কঠিন সংস্কৃতৰ পৰা বেনেকৈ শঙ্কৰদেৱে অসমীয়া ভাষালৈ শ্লোক বিলাক মধুৰভাবে অনুবাদ কৰিছিল তাৰ আমি শঙ্কৰী সাহিত্যত পাইছো।

আমাৰ ভাষাত বহুতো দাৰ্শনিক তাৎপৰ্য্যপূৰ্ণ শব্দ আছে— যেনে "দেহা-এৰা," "ইচ্ছা কৰা," "মুখ হাত ধোৱা," "বাহিৰ কুৰা" ইত্যাদি।

দ্বাদশ শতাব্দীতে মুছলমান সকল অসমলৈ প্ৰথমতে অহা পোৱা যায়। তেতিয়াৰ পৰাই পাৰ্চী শব্দ আমাৰ ভাষাত অবাধে সোমায়।

তাৰ পাছত মুছলমানে অসম আক্রমণ কৰোতে ভালেমান মুছলমান লোক অসমত থাকি যায়। বৃটিছৰ শাসনত হিন্দী, ইংৰাজী, উৰিয়া, বঙালী আদি বহুতো ভাষাৰ শব্দ সোমাই অসমীয়া সাজপাৰ পিন্ধি অসমীয়া ৰূপ লয়।

কাগজে পত্রই পঢ়িছো, জাপান আৰু টুৰ্কীয়ে বিশেষকৈ বিজ্ঞান সাহিত্যত জাৰ্মাণ আৰু ইংৰাজীত থকা বিদেশী শব্দ বিলাক নিজৰ কৰি লৈছে। ঠিক তেনেকৈয়ে আমাৰ ভাষাতো নচলা পৰিভাষা তৈয়াৰ কৰাতকৈ তেনে সৰবৰহী বিদেশী শব্দ ব্যৱহাৰ কৰিলে অৰ্থ বুজাত বিজুতি নঘটে।

বৰ্ত্তমান সাহিত্যৰ বোৱতী সুঁতি :—বৰ্ত্তমান যুগৰ আধুনিক কবিতা বিলাক জোনাকী যুগৰ ছায়াধৰ্ম্মী কবিতা বিলাকৰ পৰা সম্পূৰ্ণ ভিন্নধৰ্ম্মী। আজিৰ কবিতা কাব্যময় গদ্য বা কথা কবিতা নহয়। ই এটা কাব্য জগতলৈ নতুন ধৰণৰ উপাদান। আজিৰ কবিতাত আকাশ প্রবাসী কল্পনা নাই।

আজিৰ কবি সকলৰ দৃষ্টি ভঙ্গী সলনি হৈছে। তেওঁলোকে পশ্চিমীয়া কবিসকলৰ আদৰ্শ গ্রহণ কৰিছে। ইলিয়াটকে আদি কৰি ইংৰাজী কাব্য সাহিত্যৰ আগ শাৰীৰ কবি সকলৰ দ্বাৰা আমাৰ কবি সকল অনুপ্রাণিত হৈছে। বৰ্ত্তমান সমাজৰ ওপৰত আস্থা-হীনতা অৱচেতন মনৰ কিছুমান অসংলগ্ন ভাৱৰ ঢৌ আৰু বিবিধ ধৰণৰ কথা একশ্রেণী বুদ্ধিজীৱি কবিৰ কবিতাৰ বিষয় বস্তু। তেওঁলোকে ব্যৱহাৰ কৰা প্রতীক সমূহ অধিক স্পষ্ট হলেহে পাঠকে হয়তো বুজিবলৈ সক্ষম হব। প্রায়ে বহু সংখ্যক কবিয়ে তেওঁলোকৰ কবিতাত ইংৰাজীকে আদি কৰি বাবে বঙলুৱা শব্দ ব্যৱহাৰ কৰি কবিতাক সাধাৰণৰ কাৰণে জটিল সাঁথৰ স্বৰূপ কৰি তুলিছে। এনে কৰোতে পৰা পক্ষত অনা—অসমীয়া শব্দ ব্যৱহাৰ কৰাৰ আগতে অসমীয়া শুৱলা শব্দ ব্যৱহাৰ কৰা উচিত।

নতুন ধৰণৰ কবিতা বিলাকৰ স্থায়ী গুণ কিমান আছে এতিয়াই কব নোৱাৰি। সৰ্ব্বসাধাৰণে এই কবিতা বিলাক গ্ৰহণ কৰাৰ ওপৰতহে ইয়াৰ ভবিষ্যত নিৰ্ভৰ কৰিছে।

সময়ৰ লগে লগে আমাৰ আন সাহিত্যৰ দৰে গল্প সাহিত্যৰো পৰিবৰ্ত্তন হৈছে। আজিৰ মানুহে কল্পনা প্ৰৱণ গল্প পঢ়িবলৈ ভাল নেপায়। তাৰ কাৰণ হয়তো বৈজ্ঞানিক দৃষ্টি ভঙ্গী। সকলো কথাকে আনকি সাহিত্যকো মানুহে বৈজ্ঞানিক দৃষ্টিৰে চাবলৈ লৈছে। ব্যক্তা সকলো পিনে। এনে এটা সময়ত কাৰো আহৰি নাই, কাল্পনিক ঘটনা এটাৰ সোৱাদ চাকি চাবলৈ। সেয়েহে আমাৰ সাহিত্যিক সকলে বাস্তৱ জীৱনৰ একোটা বিশেষ মুহূৰ্ত্তক গল্পৰ বিষয় বস্তু কৰি লৈছে। চুটি গল্পৰ শ্ৰেষ্ঠতা নিৰ্ণয় কৰে—লিখোঁতা জনৰ ৰচনা কৌশলৰ ওপৰত। অলপ কথাতে সাধাৰণ ঘটনা একোটা লিখকে ইমান সুন্দৰকৈ প্ৰকাশ কৰে যে পঢ়োঁতা জনৰ অন্তৰত ই সুখুন্দিয়াকৈ নেথাকে।

চুটি গল্পত আমাৰ জীৱনৰ এটা দিশহে প্ৰকাশ পায়। বাঁহী-আৱাহনৰ যুগৰ পৰা এতিয়ালৈকে আমাৰ আলোচনী বিলাকে গল্প সাহিত্য আগ বাঢ়ি যোৱাত যথেষ্ট সহায় কৰিছে।

বেজবৰুৱাই যি গল্পৰ ৰীতি প্ৰবৰ্ত্তন কৰি থৈ গ'ল তাৰ যথেষ্ট ৰূপান্তৰ ঘটিছে। বৰ্ত্তমান সময়ত নতুন নতুন কলা-কৌশল অৱলম্বন কৰি গল্প লিখা হৈছে। সেই বিলাকৰ কিছুমানৰ প্ৰকাশ ভঙ্গী মনোৰম, কিছুমানৰ আখ্যান ভাগ আকৰ্ষণীয় আৰু কিছুমান গল্পই আমাৰ অন্তৰ স্পৰ্শ কৰে। লিখক সকলে চাব লাগে যাতে অযথা কথাৰে আহকাল নকৰি সংযত প্ৰকাশ ভঙ্গীৰে আমাৰ অন্তৰত একোটা জোকাৰ দি যাব পাৰে।

প্ৰকৃত জীৱনৰ চিত্ৰ থকা সজা গল্পই উপন্যাস। জীৱন পৰিধিৰ সীমা পাৰহোৱা কল্পনাক উপন্যাসত ঠাই দিলে সেই উপন্যাসে সুধী সমাজত স্বীকৃতি নেপায়।

ডাঙৰ ডাঙৰ ঔপন্যাসিক সকলৰ জীৱনত দেখা যায় তেওঁলোকে উপন্যাসৰ সমস্ত গোটাইছিল, নিজৰ জীৱনত ঘটা কিছুমান কাহিনীৰ পৰা। আমাৰ উপন্যাস সম্রাট ৰজনীকান্ত বৰদলৈয়ে উপন্যাস ৰচনা কৰিছিল বুৰঞ্জীৰ সমলৰ ওপৰত—একমাত্র "মিৰি জীয়ৰী"ৰ বাহিৰে "প্লট" বা কাহিনী ভাগৰ কাৰণে লিখক লিখিকা সকলে, মই ভবাত, বৰকৈ চিন্তা কৰাৰ আৱশ্যক নাই। কাৰণ আমাৰ চিনাকি সমাজখনত আৰু কাম কৰা ঠাইতে "কাহিনী' আছে, মাত্র তাক বিচাৰি ল'ব জানিব লাগে।

বৰ্ত্তমান আমি যি উপন্যাস সমূহ পাইছো, তাৰ ভিতৰত ৺বিৰিঞ্চি বৰুৱাৰ "জীৱনৰ বাটত" "সেউজী পাতৰ কাহিনী"ত পাৰ্বতীয়া সমাজ খনৰ চিত্র আৰু আমাৰ চিনাকি চাহ-বাগিচাৰ পৰিৱেশটো প্রকাশ পোৱা চকুত পৰে। তাৰ পাছত ইয়াৰুইঙ্গম, নদাই, সৰুযমুথাৰ পৰা ডাবৰ আৰু নাই আজিৰ মানুহ আদি বহুতো উপন্যাস ওলাইছে। এই বিলাকত সমাজৰ বিভিন্ন স্তৰৰ চিত্র প্রকাশ পাইছে। প্রায়বিলাক লিখকেই সামাজিক অৰ্থনৈতিক আৰু নৈতিকতাৰ বিবোধ আৰু সংঘাতকো বলিষ্ঠ লিখনিৰে প্রকাশ কৰিছে।

কিন্তু এবিধ উপন্যাসৰ বাবে আমাৰ পাঠক পাঠিকাসকল অলপ সজাগ হোৱা উচিত। যোৱা কেইবছৰ মানত এনে কিছুমান উপন্যাস ৰচনা হৈছে য'ত ৰ মনৰ বিকৃত ৰুচি প্রকাশ হৈছে। এনে উপন্যাসে আমাৰ উঠি অহা সন্তান সকলৰ মনত এটা বিষাক্ত ভাবৰ চাব দিব। তেনে উপন্যাস মলতে বিনাশ হ'লে—সমাজৰ পক্ষে মঙ্গলজনক হ'ব। এনে উপন্যাসে দেখাত সাহিত্যৰ উঁৱাল চহকী কৰিব পাৰে, কিন্তু ইয়াৰ মূল্য ধানৰ লগত থকা পতানৰ দৰেহে হ'ব। সেই কাৰণে উপন্যাসত এটা সুস্থ আদর্শ থাকিব লাগে।

**আমাৰ সাহিত্য আৰু আন্তৰ্জ্জাতিক সাহিত্য ঃ**—বৰ্ত্তমান যুগ হৈছে আন্তৰ্জ্জাতিক বিনিময়ৰ যুগ। সংস্কৃতিৰ ক্ষেত্ৰত, ৰীতি নীতিৰ ক্ষেত্ৰত এই আন্তৰ্জ্জাতিক বিনিময় আমাৰ চকুত পৰে। আমি যেনেকৈ অকল অসম বা ভাৰতৰ নহয়—সমগ্ৰ পৃথিবীৰ সংস্কৃতিৰ কথা আলোচনা কৰো, ঠিক তেনেকৈয়ে পৃথিবীৰ আন দেশ সমূহেও আমাৰ সংস্কৃতিৰ কথা আলোচনা নকৰি নেথাকে।

সাহিত্যৰ ঘৰটোৰ দুৱাৰ খিৰিকি সততে সম্পূৰ্ণভাবে মুক্ত কৰি ৰখা উচিত। নতুন যুগত নতুন নতুন ভাবৰ সমাবেশ হৈছে। অসমীয়া পঢ়ুৱৈ সমাজৰ মাজত ৰুচ ইংলণ্ড, ইটালী, ফৰাচী আৰু আমেৰিকাৰ সাহিত্যই অতি জনপ্ৰিয়। এই বিলাক দেশৰ সাহিত্যিকৰ অতিবাস্তৱবাদী শিল্পী আৰু সাহিত্যত প্ৰয়োগ কৰা বিভিন্ন কলা কৌশল কিটিপে আমাৰ পাঠকৰ সকলক মুগ্ধ কৰিছে। পচিমীয়া অতি আধুনিক নাটক বিলাকৰ বাহিৰেও গল্প, উপন্যাস, কবিতা আদিয়ে আমাৰ পাঠক সমাজৰ মাজত সমাদৰ লভিছে। আন্তৰ্জ্জাতিক সাহিত্যৰ লগত অসমীয়া পঢ়ুৱৈ আৰু সাহিত্যিকে যি যোগসূত্ৰ বান্ধিছে সি সঁচাকৈয়ে বখানিব লগীয়া। এই খিনিতে এটা কথা উনুকিয়াই দিয়া বোধকৰো উচিত হ'ব যে আমাৰ কাষৰীয়া দেশ বিলাকৰ সাহিত্যৰ লগতো আমাৰ পঢ়ুৱৈ আৰু সাহিত্যিকৰ সম্বন্ধ পতা উচিত। চীন দক্ষিণ পূব এচিয়াৰ দেশ সমূহৰ পশ্চিম এচিয়া, মধ্যপ্ৰাচ্য আৰু পাচী, উৰ্দ্দু ভাষাত থকা সাহিত্য সমূহৰ লগতো আমাৰ সাহিত্যিক আৰু পাঠক সমাজ চিনাকি হোৱাটো বাঞ্ছনীয়। প্ৰাচ্যৰ দেশ সমূহৰ লগত আমাৰ সম্বন্ধটো ৰাজনৈতিক আৰু ভৌগলিক সূত্ৰবাহ হৈ পৰিছেগৈ। সংস্কৃতি, ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত প্ৰাচ্যৰ দেশ সমূহক এতিয়াও আমি চিনি পোৱা নাই। পচিমীয়া সভ্যতা আৰু সংস্কৃতিক আমি বেছি ধৰণেৰে গুৰুত্ব দিছোঁ বুলি ভাব হৈছে। সকলো

ক্ষেত্ৰতেই আমি পচিমীয়া সভ্যতাৰ অনুকৰণ কৰিছোঁ। আজি ৰাজ-নৈতিক আৰু অৰ্থ নৈতিক ক্ষেত্ৰত পচিমীয়া শক্তি সমূহে এচিয়াৰ দেশ সমূহৰ ওপৰত বিশেষ প্ৰভাব পেলাইছে। নিজস্ব সংস্কৃতি এৰি আনৰ সংস্কৃতিৰ অন্ধ অনুকৰণ কৰা স্বভাৱ সময় থাকোঁতেই ত্যাগ কৰা উচিত।

আমাৰ লিখক সকলে সাধাৰণতে ফৰাচী, জাৰ্ম্মান বা অন্যান্য ভাষাৰ গ্ৰন্থ অনুবাদ কৰিবলৈ যাওঁতে ইংৰাজী সাহিত্যৰ সহায়ত অনু-বাদ কৰে। কিন্তু আমাৰ বোধেৰে ফৰাচী, জাৰ্ম্মান যি ভাষাকেই নহ-ওক, সেই ভাষা শিকি মূল গ্ৰন্থৰ পৰা অনুবাদ কৰিলে কিতাপৰ মূল্য বাঢ়িব। আচল ভাষাৰ পৰা আঁতৰি, আন এটা ভাষাৰ পৰা অনুবাদ কৰিলে সেই অনুবাদত বিভ্ৰান্তি ঘটে। আমাৰ বৰ্ত্তমান লিখক-লিখিকা সকলে বিদেশী সাহিত্য যেনেকৈ অসমীয়ালৈ ৰূপা-ন্তৰ কৰিছে ঠিক তেনেকৈয়ে অসমীয়া সাহিত্যকো আন আন ভাষালৈ অনুবাদ কৰিব লাগে। আমাৰ গল্প উপন্যাস কবিতা আদি আৰু বেছি পৰিমাণে ইংৰাজী হিন্দী আদি ভাষালৈ অনুবাদ হলে আমাৰ সাহিত্যৰ সোৱাদ আন আন ভাষা-ভাষী লোকেও ল'ব পাৰিব। ইয়াৰ উপৰিও আমাৰ সাহিত্যিক সকলে অকল বঙ্গীয় সাহিত্যৰ ওপৰত 'নজৰ' নেৰাখি ভাৰতীয় আন ভাষা-ভাষীৰ সাহিত্যৰ ওপৰতো চকু ৰখা উচিত। টেলেগু, কানাড়ী মালায়ালম, গুজৰাটী মাৰাঠী আদি ভাষাতো ভাল সাহিত্যৰ সৃষ্টি হৈছে। সাহিত্য-সেৱী সকলে তেনে সাহিত্যৰ লগত আমাৰ পঢ়ুৱৈ সমাজক চিনাকি কৰি দিয়া উচিত।

এই খিনিতে বিশেষ ভাবে ক'ব খোজো আমাৰ সাহিত্যিক সকলে অকল গল্প উপন্যাসকে অনুবাদ নকৰি ইংৰাজী, জাৰ্ম্মানী, জাপানী আদি ভাষাত থকা কলা, বিজ্ঞান, বাণিজ্য, কাৰিকৰী কৃষি বিভাগ, চিকিৎসা বিভাগ আদি বিভিন্ন বিষয়ৰ কিতাপ বিলাক অসমীয়ালৈ অনুবাদ কৰা প্ৰয়োজন। এতিয়া তেনেই অলপ সংখ্যক কিতাপৰ অনুবাদ হৈছে।

নকলেও হ'ব এনে ক্ষেত্ৰত চৰকাৰি অৰ্থ সাহায্যৰ বিশেষ প্ৰয়োজন। উচ্চস্তৰৰ স্কুল সমূহ আৰু হয়তো কলেজবোৰতো এনে কিতাপৰ প্ৰয়োজন আছে। কলেজীয়া শিক্ষাৰ মাধ্যম ৰাজ্যিক ভাষাবোৰৰ মাধ্যমত প্ৰচলন কৰাৰ জল্পনা-কল্পনা চলি আছে। জাপান, তুৰস্ক আদি দেশবোৰে বিদেশী ভাষাৰ পৰা বিভিন্ন ক্ষেত্ৰত প্ৰয়োজনীয় কিতাপবোৰ নিজ নিজ ভাষাত অনুবাদ কৰি চলোৱাৰ কাৰণে সেই বিলাক দেশ আজি অতি উন্নতশীল।

ইয়াৰ উপৰি বিভিন্ন ভাৰতীয় ভাষাসমূহৰ মাতৃস্বৰূপ সংস্কৃত সাহিত্যলৈ আমি পাহৰিলে নহ'ব। বিপুল সংস্কৃত সাহিত্যৰ বহা বছা পুথি বিলাক আমাৰ ভাষালৈ অনুবাদ কৰাটো অত্যন্ত প্ৰযোজনীয় কথা। সংস্কৃত সাহিত্যইহে আজি গোটেই ভাৰতক এক কৰি ৰাখিছে। অবশ্যে, কেইখনমান লাগতিয়াল পুথি অসমীয়ালৈ অনুবাদ হৈছে। সেইযা নিচেই তাকৰ আৰু লাগে

সাহিত্য "একাডেমিযে" ভাৰতীয় অন্যান্য ভাষা সাহিত্যৰ প্ৰতি যি উদাৰতা দেখুৱাইছে তেনে উদাৰতাৰ পৰা অসমীয়া সাহিত্য যেন কেতিয়াও বঞ্চিত নহয়। সাহিত্য "একাডেমি"ৰ পৃষ্ঠ-পোষকতাত বিদেশী গ্ৰন্থৰাজী অসমীয়ালৈ অনুবাদ কৰা কাম সহজ-সাধ্য হৈ উঠিব।

**সাহিত্যৰ শক্তিঃ**—যুগ পৰিবৰ্ত্তনশীল। সাহিত্যও পৰিবৰ্ত্তনশীল। যুগৰ প্ৰভাব সদায় আমাৰ সাহিত্যত পৰি আহিছে। সময়ে জাহ নিযাব নোৱাৰে এটা যুগ, যেতিয়া ই জীয়াই থাকে সাহিত্যৰ বুকুত। বাস্তব-জগতৰ প্ৰভাব সাহিত্যিকৰ লিখনিত পৰিবই। বৰ্ত্তমান যুগ সংগ্ৰামৰ যুগ। প্ৰত্যেক কথাতে আমি সংগ্ৰাম কৰিব লগীয়া হৈছে—খোৱা মুঠিৰ কাৰণে, নিজৰ ভাষাটোৰ কাৰণে, নিজৰ দেশখনৰ কাৰণে, দুৰ্নীতিৰ বিপক্ষে, লাভখোৰ, সুদখোৰৰ বিৰুদ্ধে। আমাৰ আজি সমস্যা বহুত। এই সমস্যাৰ মাজত যি

সাহিত্য সৃষ্টি হৈছে, তাতো এই সমস্যা সোমাই গৈছে। দেশৰ জন-গণৰ যি আৰ্থিক সংকট আছে, ব্যৱহাৰিক—সামাজিক ক্ষেত্ৰত যি সমস্যা আছে সেই বিলাকৰ প্ৰতিফলন হ'ব লাগে সাহিত্যত। কাৰণ সাহিত্যই যেতিয়া সহানুভূতি সৃষ্টি কৰিব পাৰে, তেতিয়াই জন-সাধাৰণ সাহিত্যৰ প্ৰতি সজাগ হয়। বহুতো সাহিত্যিকে আজি সাহিত্য-চৰ্চ্চাত হাত দিছে, কিন্তু তেওঁলোকৰ সাহিত্যক বাইজে সিমান অনুমোদন কৰা নাই, তেওঁলোকৰ সাহিত্যত কিছুমান ধাৰ কৰা ত্ৰুটি থকাৰ বাবে। ঐকান্তিকতাহীন, অভিজ্ঞতাহীন সাহিত্য কেতিয়াও কালজয়ী হ'ব নোৱাৰে।

সমাজত অধৰ্ম্ম, অনীতি ব্যভিচাৰ সোমালেই দেশখন বিশৃঙ্খল হয়। তাৰ ফলত দেশত অৰ্থবিপৰ্য্যয় বাস্ত্ৰবিপ্লৱ আৰু যুদ্ধ বিগ্ৰহ হয়। প্ৰথম মহা যুদ্ধৰ আগতে ইউৰোপৰ 'বল্কান ষ্টেট্'' বিলাকৰ চৰিত্ৰ বহুত তললৈ গৈছিল বুলি তেতিয়াৰ যুদ্ধ সাহিত্য বিতাপত পঢ়িছিলো। চৰিত্ৰ ইমান তললৈ গৈছিল যে সামান্য চাপ্ৰাচীৰ পৰা মন্ত্ৰীলৈকে বিনা ভেটাৰে কোনো প্ৰজাই নিজৰ অভাৱ অভি যোগৰ কথা তেওঁবিলাকক জনাবলৈ যাব নোৱাৰিছিল। এই দেশ বিলাকত এনে হুলস্থুল লাগিল যে তাৰ ফলতেই ইউৰোপত প্ৰথম মহাসমৰ খন লাগিল। আমি বুজিলো, তেওঁ বিলাকৰ যেতিয়াৰ দুৰ্ব্বল সাহিত্যই সমাজখন সুস্থ কৰি ৰখা নাছিল। তাৰ ফলতেই অসুস্থ সমাজৰ পৰা ওলোৱা ৰাজ বিষয়া সকল দুৰ্নীতি পৰায়ণ হৈছিল।

কিন্তু ফৰাচী আৰু ৰুচ দেশৰ কথা আন প্ৰকাৰৰ আছিল। ফৰাচী আৰু ৰুচ দেশত ৰাজতন্ত্ৰ স্বেচ্ছাচাৰিতামূলক হোৱাত সাহিত্যই জনগণৰ জাগৰণ আনিলে। ৰজাঘৰীয়া নিষ্পেষণীয়া শাসন ধ্বংশ হ'ল, দেশত প্ৰজা-তন্ত্ৰই ঠাই পালে, ফৰাচীআৰু ৰুচ বাসীৰ প্ৰাণলৈ শান্তি আহিল।

অসমত চৈধ্য পোন্ধৰ শতিকাত ৰাজতন্ত্ৰৰ শাসন-যন্ত্ৰত যদিও তেতিয়া ব্যভিচাৰ সোমোৱা নাছিল আমাৰ সমাজত কিন্তু অনীতি

অনাচাৰৰ প্লাবন হৈছিল, আৰু এক শক্তিকামান সেই ব্যভিচাৰ চলি থকা বলে শাসন প্ৰণালীত ব্যভিচাৰ সোমাই দেশখন হয়তো ধ্বংস হলহেঁতেন।

অসমত ভেতিয়া বৌদ্ধ, শাক্ত আচাৰ নীতি ইমান তললৈ গৈছিল যে মানুহে মানৱতা হেৰুৱাই পেলাইছিল। আমাৰ সমাজ খণ্ড-বিখণ্ড হৈ পৰিছিল। নৈতিক চৰিত্ৰ ক্ৰমান্বয়ে নিম্নমুখী গতিত ধাবমান হৈছিল। অসমীয়া জাতিটোৰ সৌভাগ্যৰ বাবেই এনেতে ঈশ্বৰ প্ৰেৰিত মহাপুৰুষ শঙ্কৰদেৱৰ আবিৰ্ভাৱ হ'ল। মৌ-মাখিয়ে ফুলৰ মৌ সংগ্ৰহ কৰাৰ দৰে শঙ্কৰদেৱ, মাধৱদেৱ আৰু তেওঁলোকৰ অনুগামী সকলে ভাগৱত পুৰাণ আৰু অন্যান্য পুৰাণৰ পৰা সাৰ বস্তু লৈ অপূৰ্ব্ব সাহিত্যৰাজি ৰচনা কৰিলে তথাৰ উপৰিও মহাপুৰুষ শঙ্কৰদেৱে গীতা ভাগৱত আদিৰ আদৰ্শত বৈষ্ণৱ ধৰ্ম্মক নতুনকৈ গঢ় দি সৰ্ব্ব ভাৰতীয় ধৰ্ম্মৰ সৈতে যোগসূত্ৰ স্থাপন কৰিলে। সেই সময়ত একালে সত্ৰ আনফালে ৰাজসভা এই দুটা বিভিন্ন পৰিবেশত অসমীয়া সাহিত্য ৰচিত হৈছিল।

এই মহিমাময় শঙ্কৰী সাহিত্যই তেতিয়াৰ সমাজৰ কু-নীতি, কু-আচৰণ মষিমূৰ কৰি, সমাজৰ তথা অসমীয়া মানুহৰ মন সুস্থ, পবিত্ৰ কৰি, সমাজৰ আদৰ্শ সাম্যভাৱ, মানৱতা, সহনশীলতা দাঙি ধৰি, জাতি-বৰ্ণ নিৰ্ব্বিশেষে, আমি যে এখন দেশৰ এটা জাতি তাক শিকাই দিলে। শঙ্কৰী সাহিত্যৰ শক্তিয়ে আজিও আমাৰ অসমীয়া জাতটোক বান্ধি ৰাখিছে।

বৰ্ত্তমান সময়ত অসমীয়া সাহিত্যই আমাৰ সমাজত কি ভূমিকা ল'ব পাৰিছে সেইটো মন কৰি চাওঁ আহক—।

আমাৰ ল'ৰাকালত তেতিয়াৰ বয়সীয়া সকল (হিন্দুৰে শঙ্কৰী সাহিত্য, মুছলমানে কোৰাণ সাহিত্য) ধৰ্ম্মমূলক, নীতিমূলক সাহিত্যত আকৃষ্ট আছিল। দুই চাৰিজন চোৰ বা অসৎ প্ৰকৃতিৰ মানুহৰ বাহিৰে

অসমীয়া সমাজত শঙ্কৰা নিবাৰণৰ বাবে জন মানুহে কোৱা শুনিছিলো—পাৰ্ত্তৰ পানী দিয়া মানে অমৃতত বিহ ঢলা, পতান মিহলি ধান বেচিলে পাপ হয়, কথা দি কথা নৰখাতো পুৰুষৰ লক্ষণ নহয় ইত্যাদি। এই ধৰণেই আছিল আমাৰ ল'ৰা কালৰ সমাজ।

কিন্তু আজিৰ সমাজত এশ্ৰেণী সমাজ বিৰোধীলোকে বাতিটোৰ ভিতৰতে হাতটো কিনিবলৈ আমাৰ সকলো খোৱা বস্তুতে হবেক ৰকমৰ বিষাক্ত বস্তু মিহলি কৰি, আন কি ধান চাউলতো শিল আৰু ইটা গুটি মিহলাই জাতিটোক তিল তিল কৈ বধ কৰি আনিছে। জন সাধাৰণে ভয়,—এই পাপী বিলাকক এশ্ৰেণী চৰকাৰী বিষয়াই প্ৰশ্ৰয় দিয়াত দশৰ অবস্থা দিনে দিনে নিম্নগামী হৈছে। এওঁবিলাক আমাৰ সমাজৰে লোক।

ওপৰত কৈ আহিছো, মহাপুৰুষ শঙ্কৰদেৱে ভক্তিৰাৰ অসৎ সমাজখনক ভেখেতৰ সাহিত্য-বাজিৰে বেনেকৈ ধুই-নিকা কৰি সুস্থ কৰিছিল। আমি এই কথা এতিয়া স্বীকাৰ কৰিবই লাগিব, আমাৰ বৰ্ত্তমানৰ সাহিত্যই আমাৰ সমাজখন ধুই নিকা কৰিব পৰা নাই।

মই কওঁ—আমি এতিয়া এনে সুস্থ সাহিত্য ৰচনা কৰিব লাগে যি সাহিত্যই সমাজত ভূমিকম্পৰ সৃষ্টি কৰিব। যি ভূমিকম্পত সমাজৰ অহিতকাৰী পাপীবিলাক ধ্বংস হব। সাম্যবাদ আৰু সমাজবাদী আদৰ্শৰে ৰচিত সাহিত্যইহে সৰ্ব্বসাধাৰণ জনগণৰ আৰু দেশৰ বৃহত্তৰ স্বাৰ্থৰ উপকাৰ সাধন কৰিব। আজি দেশত এটা সামাজিক বিপ্লৱৰ প্ৰয়োজন হৈ পৰিছে। বিভিন্ন কাৰণত আমাৰ মানুহৰ অন্তৰত দেশাত্মাবোধ ভাবৰ নাটনি হৈছে। ধৰ্ম্ম আৰু আমাৰ সমাজ ৰোৱতো অন্ধবিশ্বাস গোড়ামী, কু-নীতি নিয়মে আৱৰি পেলাইছে—ঘূণে ধৰা সমাজত ব্যভিচাৰ, অনাচাৰ, অবিচাৰ, দুৰ্নীতি, চোৰাং বেপাৰী, লাভখোৰ ব্যৱসায়ী, অসাধু লোকেৰে উপচি পৰিছে। এই সকলো বিলাক নিৰ্মূল কৰিবলৈ

সাহিত্যই একমাত্র অস্ত্র। নিষ্ক্ৰীয়, প্ৰতিক্ৰিয়াশীল বা উদাসীন তাৰ যুক্ত নহৈ সাহিত্যই যুগ সাপেক্ষে নৈতিক নেতৃত্ব দিয়ক। সাহিত্য সাৰ্বজনীন—সাহিত্যৰ প্ৰভাব অসীম। সদৌ সাহিত্যিক সকলৈলে মোৰ এয়ে নিবেদন যেন তেখেত সকলে "ভূমিকম্প" অসম সাহিত্য বহি দেশ-মাতৃকাৰ সেৱা কৰে।

**সাহিত্যৰ সমল:** ১৯৬২ আৰু ১৯৬৫ চনত আমাৰ সীমান্তত ওচৰ চুবুৰীয়া দুখন দেশৰ লগত দুখনকৈ ৰক্তক্ষয়ী সংগ্ৰাম হল। বহুতো ভাৰতীয় সেকাই এই দুখন যুদ্ধৰ অন্তৰালে মাতৃভূমি ৰক্ষাৰ অৰ্থে নিজৰ জীৱন বলিদান দিলে। বিশ্ব সাহিত্যৰ বুৰঞ্জীত দেখিবলৈ পাওঁ সাহিত্যিকৰ তুলিকাত দেশ আৰু জাতিৰ জয়-পৰাজয়ৰ এই সন্ধিক্ষণবোৰ চিৰস্মৰণীয় হৈ ৰোৱা। যুদ্ধই সৃষ্টি কৰা নিষ্ঠুৰ ধ্বংস লীলা, মানৱতাৰ স্খলন, হত্যাকাণ্ড, নৈতিকতাৰ পৰাজয় আদিয়ে সাহিত্যিকক গবিষণা দিয়ে। চিৰদিনলৈ বিদায় দিয়া যুদ্ধক। সেই তয়াবা আকৌ হয়তো যুদ্ধক জাতিৰ জীৱন সংগ্ৰাম বুলিও আখ্যায়িত কৰে। এই দুখন যুদ্ধক পটভূমি ৰূপে লৈ সাহিত্য ৰচিব পাৰি।

যুদ্ধৰ কথা বাদ দিও, ভগনীয়াৰ সমস্যা, পৰ্ব্বত ভৈয়ামৰ সংস্কৃতি, অৰ্থনৈতিক সমস্যাত জুৰুলা হোৱা বৃহত্তৰ অসমীয়া সমাজ, চাহ বাগিচাৰ শ্ৰমিক ইত্যাদি বিভিন্ন সম্ভাৰ লৈ উৎকৃষ্ট সাহিত্য ৰচনা কৰিব পাৰি। অভিজ্ঞতা প্ৰসূত সাহিত্যইহে প্ৰকৃত সাহিত্য। সাহিত্যৰ সাজপাৰ কল্পনা ৰাজ্যৰ পৰা ধাৰ কৰা হলেও তাৰ মূল ভেটিটো বাস্তৱ জগতৰ। সাহিত্যিকে বাস্তৱ জীৱনৰ ঘটনাৱলী প্ৰত্যক্ষ-দৰ্শী হিচাবে বৰ্ণনা কৰোঁতে সততে এটা উচ্চাদৰ্শৰ ওপৰত চকু ৰখা উচিত। সাহিত্যিক অকল নৰ্দ্দমা চাফ কৰোঁতাই নহয়, লগতে নৰ্দ্দমাৰ জাবৰ-জোঠৰ গুচাই তাত বদ্ধ পানী উটি যোৱাৰো ব্যৱস্থা কৰি দিব লাগে। দেশ-প্ৰেমী হিতাকাঙ্খী সাহিত্যিকে দেশৰ বৃহত্তৰ

স্বাৰ্থৰ উপকাৰৰ কথা চিন্তা কৰিয়েই সাহিত্য ৰচনা কৰে। প্ৰত্যেক সাহিত্যিকৰে ব্যক্তিগত আদৰ্শ আছে। কোনো সাহিত্যিক হয়তো মাৰ্ক্সীয় দৰ্শন, কোনো হয়তো ফ্ৰয়দীয় দৰ্শন, কোনো সাহিত্যিক হয়তো সমাজবাদী আদৰ্শেৰে অনুপ্ৰাণিত। দেশৰ বৃহত্তৰ স্বাৰ্থৰ কথা সততে মনত ৰাখি সমাজ শুদ্ধীকৰণ আৰু সৰ্ব্বোদয় সাহিত্যৰ সৃষ্টি কৰাই আমাৰ সাহিত্যিকৰ উদ্দেশ্য হ'ব লাগে।

**বুৰঞ্জী সাহিত্য:**—বুৰঞ্জীৰ বুকুত জিলিকি থাকে এটা জাতিৰ সচা কাহিনী। পুৰণি বুৰঞ্জীত দেখো কি কি দোষত এটা জাতিৰ ধ্বংস হৈছিল আৰু কি কি গুণত এটা জাতি শক্তিশালী হব পাৰিছিল। দেশৰ ইতিহাসৰ লগত নিজৰ দেশৰ এটা এৰাব নোৱৰা আৰু এৰিব নোৱাৰা সম্বন্ধ আছে। বুৰঞ্জী অধ্যয়ন কৰিলেহে এজন লিখকে তেওঁৰ লিখনিত জাতিটোৰ আৰু সমাজখনৰ নিখুত ছবি প্ৰকাশ কৰিব পাৰিব। সময়ৰ লগে লগে দেশ খনৰ আমাৰ ব্যৱহাৰিক জীৱনৰ ৰীতি নীতিৰ আৰু আমাৰ সাহিত্যৰ পৰিবৰ্ত্তন হৈছে। ই সত্য। আমাৰ সাহিত্য গঢ়ি উঠিছে অতীতৰ সাহিত্যক ভেটি কৰি। সেয়েহে নষ্ট কৰ খোজা পৰিবৰ্ত্তনৰ ভাটীয়নীয়া সোঁতত গা এৰি নিদি অতীতৰ ভেটিত বৰ্ত্তমানক থিয় কৰিবলৈ চেষ্টা কৰা উচিত।

তাহানি কালৰে পৰা অসমলৈ নানা ধৰণৰ লোক সমাগম হৈছে। বিভিন্ন জাতিৰ, ধৰ্ম্মৰ, বৰ্ণৰ মানুহৰ ভাবধাৰা আৰু সংস্কৃতি বুৰঞ্জীত একত্ৰিত হৈছে। বৰ্ত্তমান অসমলৈ অবাৰিত ভাবে আহি থকা নবাগত সকলেও আমাৰ বুৰঞ্জী অধ্যয়ন কৰি আমাৰ লগত সকলো প্ৰকাৰে এক হৈ সমগ্ৰ জাতিটোক সবল আৰু শক্তিশালী কৰি গঢ়ি তোলক। যি সকলক অসম মাতৃয়ে লালন পালন কৰিছে, অন্ন জল দি জীয়াই ৰাখিছে সেই সকলোৱেই এই দেশৰ সন্তান।

বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে ডঃ ৺সূৰ্য্য কুমাৰ ভূঞাৰ একান্ত যত্নত কেইখনমান বুৰঞ্জী প্ৰকাশ কৰিলে। গাই গুটীয়া যত্নত

ৰায়বাহাদুৰ ৺কনকলাল বৰুৱাইও এখন প্ৰাক—আহোম যুগৰ বুৰঞ্জী লিখি প্ৰকাশ কৰিলে। অৱশ্যে আমি এতিয়াও বুৰঞ্জী সাহিত্যৰ ক্ষেত্ৰত পাছ পৰি আছো।

আহোম যুগৰ কলা আৰু শিল্প নৈপুণ্যৰ ওপৰত আজিলৈকে এখনো বিজ্ঞান সম্মত বিস্তৃত আলোচনাযুক্ত পুথি প্ৰকাশ নহ'ল। ৰংঘৰ, তলাতল ঘৰৰ কাৰুকাৰ্য্য, দল দেৱালয়, হিলৈ ৰৰটোপ, আদিৰ শিল্প নৈপুণ্যৰ কথা লৈও একো আলোচনা হোৱা দেখা নাই।

আমাৰ সত্ৰ সমূহৰ বুৰঞ্জী, বৈষ্ণৱ আন্দোলনৰ বিস্তৃত বুৰঞ্জী আদি সংকলন কৰি প্ৰকাশ কৰা উচিত। বহুতো ব্যক্তিৰ হাতত নিজৰ বংশৰ বংশাৱলী আছে। এই বিলাকৰো প্ৰকাশৰ ব্যৱস্থা হলে কিছু ঐতিহাসিক উপাদান পোৱা যাব। আহোম যুগৰ দেওধাই পণ্ডিতে লিখা টাই ভাষাৰ বুৰঞ্জী সমূহৰো অসমীয়া অনুবাদ হোৱাটো অত্যন্ত প্ৰয়োজনীয় বিষয়। এই বিলাকৰ বাহিৰেও কোনো কোনো ব্যক্তিৰ হাতত নিজস্ব বুৰঞ্জী আছে, সেই বিলাকো সোণকালে উদ্ধাৰ কৰি প্ৰকাশৰ ব্যৱস্থা কৰা ভাল।

বৰ্ত্তমানৰ বুৰঞ্জী সাহিত্যত অসমীয়া কলা, কৃষ্টি, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, আৰু আমাৰ ওচৰ-চুবুৰীয়া দেশ কেইখনৰ লগত থকা আমাৰ সম্বন্ধৰ বিষয়ে বৈজ্ঞানিক ভাবে আলোচনা হোৱা নাই। এই বিষয়ে আমাৰ বুৰঞ্জীবিদ সকল সজাগ হোৱা উচিত।

চৰকাৰৰ বুৰঞ্জী সাহিত্যৰ ওপৰত আৰু বেছি গুৰুত্ব আৰোপ কৰাটো আমি বিচাৰো। চৰকাৰৰ চিলা-সালোকা নীতিত "হিষ্টৰি" অৱ ফ্ৰিদম মুভমেণ্ট" খনৰ ওপৰত আজি প্ৰায় এযুগ ধৰি কাম কৰি আহিছে যদিও এতিয়ালৈকে সেইখন গ্ৰন্থ প্ৰকাশ হোৱা নাই। আমাৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জী আমাৰ বুৰঞ্জী সাহিত্যৰ ক্ষেত্ৰত নিশ্চয় মূল্যবান পুথি হ'ব।

কিছুদিনৰ আগতে চৰকাৰৰ প্ৰকাশন পৰিষদে বৈজ্ঞানিক

ভাৱে "অসমৰ বুৰঞ্জী"খন প্ৰণয়ন কৰাৰ কথা শুনিছিলো। এই বুৰঞ্জী খনৰ কাম এতিয়ালৈকে কিমান দূৰ আগবাঢ়িছে সেই বিষয়ে বাইজে একো নাজানে। কিন্তু অসমৰ বিষয়ে যে এখন নিৰ্ভৰযোগ্য বুৰঞ্জীৰ আৱশ্যক সেই কথা কোৱা নিষ্প্ৰয়োজন।

শিশু সাহিত্য — শিশু সকলেই আমাৰ ভবিষ্যত। তেওঁলোকক সককালৰে পৰা ভাল পথত পৰিচালনা কৰাত সাহিত্যিক সকলৰো দায়িত্ব আছে। শিশু সকলৰ মনে সকলো কথাৰে আতি গুৰি আৰু ৰহস্য জানিবলৈ বিচাৰে। কিন্তু শিশু আৰু চেমনীয়াৰ মনৰ খোৰাক যোগাবলৈ বৰ কম সংখ্যক কিতাপহে যোগান ধৰিব পাৰিছো। চেমনীয়া দলটোৱে পঢ়ি ভাল পায় ডিটেক্টিভ উপন্যাস, এডভেঞ্চাৰ, ৰোমাঞ্চ, ৰহস্যপূৰ্ণ গ্ৰন্থ আদি। কিন্তু এনে বিধ সাহিত্যৰ ক্ষেত্ৰত, আমি আজিও দুখীয়া। অজান দেশৰ অচিন কাহিনী, বিজ্ঞান বিষয়ৰ গল্প আদি শিশু আৰু চেমনীয়াৰ মনে ভাল পোৱা পুথি আমাৰ সাহিত্যত নাথাকিলে বিদেশী বা আন প্ৰাদেশিক ভাষাৰ পৰা অনুবাদ কৰি প্ৰচলন কৰা উচিত। এনে গ্ৰন্থই তেওঁ বিলাকৰ মানসিক উৎকৰ্ষতা সাধন কৰাত সহায় কৰিব। অন্ততঃ দুই চাৰিখন আমাৰ এনে পুথি ওলাইছে।

পাঠশালা বিলাকত লৰা-ছোৱালী বিলাকক পঢ়াৰ লগে লগে সুৰুচিপূৰ্ণ সাহিত্যলৈ ধাউতি জন্মাবলৈ আমাৰ ভাষাত থকা নীতি বচন বিলাক, শঙ্কৰ মাধৱৰ উপদেশমূলক গীত ভটিমা বিলাক মুখে মুখে গীতৰ সুৰেৰে গাবলৈ শিকাব লাগে। বয়সৰ লগে লগে সেই গীত বিলাকৰ অৰ্থ তেওঁবিলাকে স্বাভাৱিকতে বিচাৰিব আৰু তাৰ অৰ্থ পালেই নিজৰ জীৱনৰ গঢ দিবলৈ বাট পাব।

চেমনীয়া বা চেঙেলীয়া ডেকা দলটোৱে বাহিৰা অন্যাগতিয়াল কৰাত যোগ দিবলৈ যাতে সুবিধা নেপায় তাৰ বাবে তেওঁলোকক

বিভিন্ন ধৰণেৰে বিভিন্ন ক্ষেত্ৰত ব্যস্ত ৰাখিব লাগিব। এই ব্যৱস্থা কৰিব পাৰিলে ছাত্ৰ সমাজৰ মাজত থকা ছাত্ৰ উশৃঙ্খলতাও লোপ পাব।

কাৰ্টুন ছবি সন্নিবিষ্ট, ৰংবিৰঙৰ ছবিৰে ভৰা পুথিয়ে শিশু মনক বেছি আকৃষ্ট কৰে। অসমীয়া দুই এখন ভাল গ্ৰন্থ কাৰ্টুন ছবিৰে আঁকি শিশুৰ বাবে প্ৰকাশ কৰা যেৰা নহয়।

শিশু বা চেমনীয়াৰ কাৰণে "শিশু বিশ্বকোষ" এখনৰ অতি প্ৰয়োজন হৈছে। ভাৰতৰ প্ৰায় সকলো ভাষাতে "শিশু বিশ্বকোষ" ওলাইছে। আমাৰ ভাষাত নোলোৱাতো সচাকৈয়ে বৰ দুখৰ বিষয়। "অসম সাহিত্য সভা" আৰু চৰকাৰে অতি শীঘ্ৰে এই বিষয়টোত মনোযোগ দিব বুলি আশা কৰিলো।

সৰু সৰু শিশুৰ পুথি প্ৰকাশ কৰিবলৈ "অসম সাহিত্য সভাৰ" হাতত মাহাৰা সত্ৰই দিয়া এটা সৰু "ন্যাস পুঁজি" আছে আৰু অলপতে মাদ্ৰাজৰ ভূতপূৰ্ব্ব গৱৰ্ণৰ শ্ৰদ্ধেয় শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়াই, শিশু সাহিত্য প্ৰকাশ কৰিবলৈ দহ হেজাৰ টকাৰ "ন্যাস পুজি" এটা "অসম সাহিত্য সভা"লৈ আগ বঢ়াইছে। এখেত সকলক আমি সদায় কৃতজ্ঞতাৰে মনত ৰাখিম।

সমালোচনা সাহিত্য :—এখন উপন্যাস বা এখন নাটক ৰচনা কৰিবলৈ যিমানখিনি বুদ্ধি জ্ঞানৰ প্ৰয়োজন তাতকৈ বহুতো বেছি জ্ঞান, বুদ্ধি আৰু বিবেচনাৰ প্ৰয়োজন হয় এখন কিতাপৰ সমালোচনা কৰিবলৈ। সমালোচক সকলে সাহিত্যৰ প্ৰতিনিধিত্ব কৰে। তেওঁলোকৰ সমালোচনাৰ পৰাই আমি এখন কিতাপৰ মূল্যাঙ্কণ কৰো। সেই কাৰণে সমালোচক সকল নিৰপেক্ষ হব লাগে।

সমালোচকৰ জ্ঞানৰ পৰিমাণ, দৃষ্টিভঙ্গী বুদ্ধি বৃত্তি প্ৰকাশ পায়, তেওঁৰ সমালোচনাত। সাহিত্যিকৰ কিতাপত প্ৰকাশ পোৱা সৌন্দৰ্য্যক আলোচনা কৰিবলৈ গৈ—সমালোচকে লিখকৰ দুৰ্কাই

থকা সৌন্দর্য্য খিনিকো প্ৰকাশ কৰে। সমালোচক পক্ষপাতহীন হোৱা উচিত। এনে হলেই সমালোচনাৰ নিবন্ধ খিনিও উত্তম সাহিত্য হ'ব।

অসমীয়া ভাষা আৰু সাহিত্যত বৰ্ত্তমান চলি থকা অৰাজকতা আৰু দুৰ্নীতিক গুচাবলৈ হলে নিৰ্ভিক সুস্থ আৰু প্ৰকৃত সমালোনাৰ আৱশ্যক হৈছে। কলিকতাৰ পৰা আমদানি হৈ অহা ভাৱ-ভাষাই আমাৰ সাহিত্যৰ সতীত্ব নাশ কৰাৰ উপক্ৰম কৰিছে। তাৰ উপৰি আলোচনা বা সমালোচনাই হকে নহকে পচিমীয়া সাহিত্যৰ লগত কৰা বিজনিয়ে অসমীয়া সাহিত্যৰ মানদণ্ড ওপৰলৈ তুলি নিব নোৱাৰে। সাহিত্যত অনৈতিকতা দুৰ্নীতিকৰণ আৰু অৰাজকতাক বিৰাজ কৰিবলৈ দিলে আমাৰ শিল্প সাহিত্যৰ গতি আৰু মানদণ্ড নিম্নমুখীহে হব। এযাকে বোধ কাৰনলৈ হলে আজি এদল নিৰ্ভিক সমালোচকৰ আৱশ্যক।

সাহিত্যিক সকললৈ অনুৰোধ যেন কোনো ওচৰচুৰুৰীয়া, দূৰণিৰটীয়া বা সাগৰপৰীয়া দেশৰ সাহিত্যৰ অন্ধ অনুকৰণ কৰি আমাৰ সাহিত্যৰ ভৰাল যেন ওপচায় নেপেলায়। কাউৰী ম'ৰা চৰাই হৈ বেছি দিন থাকিব নোৱাৰে। সেই আশা আৰু চেষ্টাও নিৰৰ্থকেই হ'ব।

ভাষাতত্ত্ববিদ ড বাণীকান্ত কাকতিয়ে প্ৰাচীন আৰু আধুনিক অসমীয়া সাহিত্যৰ বিভিন দিশত সমালোচনামূলক প্ৰবন্ধ লিখি আমাৰ সাহিত্যৰ মূল্যাঙ্কণ কৰিছে। সাহিত্যৰথী ৺লক্ষ্মীনাথ বেজবৰুৱাৰ কিছুমান সমালোচনা আমাৰ সাহিত্যত আদৰণীয় হৈ থাকিব।

কিন্তু দুখৰ বিষয় এযে যে আমাৰ "জোনাকী", "বাহী", "আবাহন" যুগৰ বহুতো স্বনামধন্য সাহিত্যিকৰ লিখনিৰ আজিলৈকে প্ৰকৃত আলোচনা সমালোচনা হোৱা নাই। আনন্দৰ কথা "অসম সাহিত্য সভা"ই বৰ্ত্তমান ৺লক্ষ্মীনাথ বেজবৰুৱা, ৺চন্দ্ৰ কুমাৰ আগৰৱালা,

৺ৰজনীকান্ত বৰদলৈ, ৺পদ্মনাথ বৰুৱাৰ স্মৃতি-বাৰ্ষিকী পালন কৰাৰ বিষয়ে আলোচনা কৰিছে। শত বাৰ্ষিকী বিলাকত তেখেত সকলৰ সাহিত্যৰ বিশদ আলোচনা হ'ব বুলি আশা ৰাখিছো।

অসমীয়া ভাষা সাহিত্যত বাপ থকা ডেকা সকলে অসমীয়া সাহিত্যৰ বিভিন্ন যুগৰ গতি, মানদণ্ড আদি বিবিধ কথা লৈ গবেষণাও কৰিব পাৰে। আমাৰ নাট্য-সাহিত্য, কাব্য-সাহিত্য, বুৰঞ্জী সাহিত্যৰ ওপৰতো এনে গবেষণাৰ প্ৰয়োজন। এটা কথা মনত ৰাখিব লগা এয়ে যে সমালোচকেহে একোটা যুগৰ সাহিত্যক প্ৰকৃত ৰূপত দাঙি ধৰিব পাৰে।

সংবাদ সাহিত্য —আলোচনী আৰু বাতৰি কাকতৰ যোগেদিও সাহিত্য জন-সাধাৰণৰ মাজত প্ৰচাৰ হয়। বাতৰি কাকতৰ প্ৰচাৰ বিস্তৰ ভাবে হোৱা কাৰণেই তাৰ প্ৰভাৱো পাঠক সমাজৰ ওপৰত বেছি।

যোৱা বছৰ কেইটাত অসমত বাতৰি কাকতৰ সংখ্যা আৰু প্ৰচাৰ বাঢ়িছে। ১৯৬৭ চনত প্ৰকাশ হোৱা অসমীয়া কাকতৰ সংখ্যা আছিল ২৪ খন। তাৰে ৬ খন নতুনকৈ প্ৰকাশ হোৱা। ইয়াৰ ভিতৰত এখন দৈনিক, দুখন সাপ্তাহিক আৰু দুখন মাহেকীয়া পত্ৰিকা প্ৰকাশ হৈছে। অসমীয়া কাকতৰ পঢ়ুৱৈৰ সংখ্যা হল শতকৰা ৬২৪ জন। চৈধ্যটা ভাষাৰ বাতৰি কাকতৰ ভিতৰত অসমীয়াতে আটাইতকৈ কম কাকত আছে।

সংবাদ-সেৱা কৰিবলৈ অসমীয়া শিক্ষিত ডেকাৰ এতিয়াও ধাউতি বঢ়া নাই। ইয়াৰ মূলতে হয়তো সংবাদ সেৱাৰ প্ৰতি থকা আমাৰ দৃষ্টি-ভঙ্গীয়েই দায়ী। সংবাদসেৱা বিষয়ক শিক্ষা দিবলৈ বিশ্ববিদ্যালয় দুখনেও ব্যৱস্থা লব পাৰে, সাহিত্যিকৰ দৰে সংবাদ-সেৱীৰ জন্ম নহয়,—শিক্ষা আৰু অভিজ্ঞতাইহে সংবাদসেৱীৰ সৃষ্টি কৰে।

ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সমস্যাৰে পৰিপূৰ্ণ অসমৰ আনৰ আগত পৰিচয় কৰি দিবলৈ হ'লেও আমাৰ ইংৰাজী কাকত কেইখন আৰু বেছি সক্ৰিয় আৰু সচেতন হোৱা উচিত। বাতৰি কাকতেহে আমাৰ ৰাজনৈতিক আৰু সামাজিক চেতনা জগাই তুলিব পাৰিব।

নিৰ্ভিক সংবাদ সেৱাই অসম আৰু অসমীয়া জাতিৰ বহুতো উপকাৰ সাধিব। সাংবাদিকৰ প্ৰতি কথাতে স্বাধীন দৃষ্টিভঙ্গী— প্ৰতি কথাৰ ভল ভল বিচাৰ পক্ষপাত শূণ্য আলোচনাৰ অত্যন্ত প্ৰয়োজন। অসমৰ বৃহত্তৰ স্বাৰ্থৰ কথা চিন্তা কৰি সংবাদ-সেৱী সকলৈ মোৰ অনুৰোধ তেওঁলোকে যেন কেতিয়াও কোনো পৰি স্থিতিত কোনো শক্তিৰ এচৰত মূৰ নোদোৱাই বা কোনো শক্তিয়ে তেওঁলোকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। অবাৰিত ভাৱে সত্য-শিৱ-সুন্দৰৰ আদৰ্শ বাট বুলি অসমীয়া ভাষা আৰু সাহিত্যৰ থাপনাত সাংবাদিক সকলে উপাচাৰ আগবঢ়াওক।

আৰু এটা কথা ইয়াতে কলে বোধকৰো অবাস্তৱ নহ'ব। আমাৰ কলেজ আৰু স্কুলবিলাকে প্ৰত্যেকেই বছেৰেকত একো একোখন আলোচনী প্ৰকাশ কৰি চেমনীয়া বিলাকক সাহিত্য চৰ্চাৰ উদগনি দিয় যেন।

'অসম সাহিত্য সভা'ই এই আলোচনী বিলাকৰ প্ৰতিযোগিতা পাতি, তাৰ ভিতৰত শ্ৰেষ্ঠ খনক পুৰস্কাৰ দি চেমনীয়া সকলক উৎসাহ উদগনি দিব পাৰে। এনে পুৰস্কাৰ একো একোজন পুৰণি সাহিত্য ৰথীৰ স্মৃতিত দিয়া ভাল।

লোক সাহিত্য আৰু লোক সংস্কৃতিঃ— কছাৰী, নগা, মিচিমি, আবৰ, গাৰো মিকিৰ খাটীয়া, লালুং ফাকিয়াল, কোচ, কলিতা, আহোম, চুটিয়া কাঠ কলিতা বা কায়স্থ, ব্ৰাহ্মণ আদি আটাইবোৰ লগলাগি অসমীয়া জাতিটো। আমাৰ মুখে মুখে চলি অহা ফকৰা,

প্ৰবচন, লোকগীত, সাধু আদিয়েই লোক সাহিত্য। মিৰি, মিকিৰ খাছীয়া আদি জনজাতীয় লোকসকলৰ মাজত প্ৰচলিত থকা কিছুমান সাধুকথাৰ সংকলন এটা "অসম সাহিত্য সভাই" প্ৰকাশ কৰিছে। কিন্তু মনপা গালং, চিংফৌ আদি বহুতো জাতিৰ মাজত জনশ্ৰুতি সিচৰিত হৈ আছে। সেইবিলাক গোটাই আনি অসমীয়া ভাষাত প্ৰকাশ কৰিলে লোকসাহিত্যৰ ভঁৰাল চহকী হব।

আচলতে, সাধুকথা বা প্ৰবচন বিলাক আমাৰ ভাষাত যেনেকৈ আছে জনজাতীয় লোকসকলৰ ভাষাটো কম বেছি পৰিমাণে তেনেকৈয়ে পোৱা যায়। এইটো মনকৰিবলগীয়া যে, আমাৰ সাধু বিলাকত যি কাল্পনিক কথাৰ সমাবেশ ঘটিছে ঠিক সেই ধৰণেই জনজাতীয় লোকসকলৰ সাধুটো তেনে কাল্পনিক কথাকে পোৱা যায়। তেওঁবিলাকৰ ভাষা আমাৰ পৰা পৃথক হলেও ভাবধাৰা কিন্তু আমাৰ উভয়ৰে এক। আমাৰ দেশৰ চুক-কোণে পৰি থকা আপুৰুগীয়া লোকসাহিত্যৰ সম্পদখিনি গোটাই আনি প্ৰকাশ কৰিলে সাহিত্যৰ ভঁৰালো চহকী হ'ব—জাতীয় ঐক্য আৰু সংহতিও দৃঢ়তৰ হ'ব। আমাৰ মৌখিক সাহিত্যৰ ভঁৰাল এতিয়াও ধৰ চহকী হৈ আছে। কিছুসংখ্যক লোকগীত এতিয়াও অনাবিষ্কৃত হৈ আছে। "অসম সাহিত্য সভা" বা আন জাতীয় অনুষ্ঠানে এইবোৰ সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিব লাগে।

লোকসাহিত্যৰ দৰে লোক সংস্কৃতিৰ ক্ষেত্ৰতো আমাৰ দেশ বৰ চহকী। অসমৰ জাতীয় উৎসৱ বিহুৰ বাহিৰেও আমাৰ জনসাধাৰণে বিভিন্ন উৎসৱ বিভিন্ন সময়ত পালন কৰে। বিহু উৎসৱক কেন্দ্ৰ কৰি দেশখনত এটা সাংস্কৃতিক নৱজাগৰণ হোৱা বাঞ্ছনীয়। এই উৎসৱ সমূহৰ বৈজ্ঞানিক তাৎপৰ্য্য আনকি বিহু গীতৰ দৰে আনুসাঙ্গিক গীতমাত আদিৰো প্ৰকৃত ব্যাখ্যা হোৱা নাই, লোক-সংস্কৃতি বা থলুৱা সংস্কৃতিৰ উন্নত কৰি বা সেই সংস্কৃতিৰ লগত

আধুনিক জীবন ধাৰাৰ সমন্বয় ঘটাব পাৰিনেকি এই বিষয়ে চেষ্টা চলোৱাটো প্ৰযোজন বুলি ভাবো। অসমীয়া সংস্কৃতিৰ মূল ভেটিটো হ'ল লোক সংস্কৃতি। গতিকে আমি পশ্চিমীয়া কলা কৃষ্টিৰ অন্ধ অনুকৰণ নকৰি নিজৰ থলুৱা সংস্কৃতিক সাৰটি লৈ অনা অসমীয়া, ন-অসমীয়া আদি সকলোকে যাতে এই সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰিব পাৰো তাৰ বাবেহে যত্ন কৰা উচিত। অসমীয়া লোক সংস্কৃতিৰ প্ৰকৃত মূল্যাঙ্কণ এতিয়াও ভালকৈ হোৱা নাই। অবশ্যে বৰ্ত্তমান সময়ত ড প্ৰফুল্ল দত্ত গোস্বামীদেৱে বিহু-গীত আৰু বিহু সংস্কৃতিৰ ওপৰত, বৈজ্ঞানিক ভাবে আলোচনা কৰিবলৈ লৈছে।

লোক সাহিত্য আৰু লোক সংস্কৃতিৰ ওপৰত, বিস্তৰ তথ্য পাতিৰে পৰিপূৰ্ণ তথন সুবৃহৎ গ্ৰন্থৰ অত্যন্ত আৱশ্যক। এনে গবেষণা আৰু অধ্যয়নেহে আমাৰ নিজা সংস্কৃতিলৈ সকলোৰে মনত শ্ৰদ্ধাৰ ভাব জগাব পাৰিব। নিজ সংস্কৃতি পাহৰি যোৱা অসমীয়া জাতিয়ে আকৌ নিজক চিনি পাব আৰু অন্তৰেৰে অন্তৰত অনুভৱ কৰিব পাৰিব যে আমি অসমীয়া, আমাৰ মাজত ওখ-চাপৰৰ ভেদাভেদ নাই। আমি এক আৰু এটাহে, কিয়নো আমাৰ জাতীয় সংস্কৃতি এটাহে।

**নাট্য সাহিত্য আৰু ৰঙ্গমঞ্চ:**—নাটক-সাহিত্যৰ আন এটা আৱশ্যকীয় অঙ্গ। নাট্যকাৰৰ দায়িত্ব কবি বা ঔপন্যাসিকতকৈ বেছি। চৰিত্ৰৰ চিত্ৰন, বিভিন্ন কথোপকথন, ঘটনাৰ সংঘাট বেলেগ বেলেগ কাৰ্য্যকলাপৰ মাজেদি আছল কাহিনীক সজাই পৰাই উলিয়াই নিব লাগে নাট্যকাৰে। ৰঙ্গমঞ্চৰ লগত নাট্যকাৰে নাটকৰ সমতা ৰক্ষা কৰিব লগা হোৱাত প্ৰত্যেক খোজ দিওঁতে বহুতো ভাবি চিন্তি দিব লগা হয়। ৰঙ্গমঞ্চত সকলো নাট মঞ্চস্থ কৰাৰ সুবিধা নথকাৰ বাবে আমাৰ অভিনেতা সকলে সকলো নাটক কৰিবলৈ সাহ কৰিব পৰা নাই। কিন্তু সুস্থ সবল

পূৰ্ণাঙ্গ নাট লিখোতে নাট্যকাৰে প্ৰায়েই ৰঙ্গমঞ্চলৈ মন নকৰে। ৰঙ্গমঞ্চইহে নাটখন সুচাৰুৰূপে কৰিবলৈ সজাই লব লগীয়া হয়। মুঠতে নাট্যকাৰ আৰু ৰঙ্গমঞ্চ উভয়ৰে সুন্দৰ সহযোগীতা হলেহে নাটখনৰ অভিনয় সৰ্ব্বাঙ্গ সুন্দৰ হৈ পৰে।

বিজ্ঞানে মানুহৰ চিন্তাধাৰা পৰিবৰ্ত্তন কৰিলে। আজিৰ মানুহ যুক্তিবাদী। পুৰণি কৌশল অতিক্ৰম কৰি দিনে দিনে নতুন কৌশলৰ প্ৰবৰ্ত্তন হৈছে। সমাজৰ ব্যক্তিগত সমস্যাক চিন্তাশীল লোক সকলে নাটকত ৰূপ দিছে। এনে ধৰণৰ নাটক আমাৰ সমাজত অতি আৱশ্যক হৈ পৰিছে। নাট্যকাৰ সকলে নাটক ৰচনা কৰোতে বিশেষভাৱে সংলাপৰ ওপৰত চকু দিব লাগে। কাৰণ চৰিত্ৰ প্ৰকাশ হয় সংলাপৰ যোগেদি আৰু সমাজক পোহৰলৈ বাট দেখুৱাই দিব পাৰে এই সংলাপেই।

পূৰ্ণাঙ্গ নাটৰ বাহিৰেও আজি এক অঙ্কীয়া নাট সৃষ্টি হৈছে। এক অঙ্কীয়া নাটকত দেখা যায় এটা বিশেষ ঘটনাক কেন্দ্ৰ কৰি নাটক ক্ষীপ্ৰ গতিত আগবাঢে। ইয়াৰ ৰচনা কৌশল পূৰ্ণাঙ্গ নাটকতকৈ বেলেগ। ইয়াত মাত্ৰ এটা দিশহে প্ৰকাশ পায়। কম সময়, কম কথা, কম চৰিত্ৰক লৈ এক অঙ্কীয়া নাট ৰচিত হয়।

এক অঙ্কীয়া নাটৰ অভিনয়ে মানুহক আকৰ্ষণ কৰিছে, কিয়নো কামৰ মাজতে ক্ষন্তেক সময় উপভোগ কৰিবলৈ মানুহে সুচল পায়। এক অঙ্কীয়া নাটৰ ঘটনাবিলাকে দৰ্শকৰ মনত ৰেখাপাত কৰিব নোৱাৰে। পূৰ্ণাঙ্গ নাটৰ কাহিনী দৰ্শকৰ মনত বহুত দিনলৈকে ৰৈ যায়। কিন্তু আমি দেখিছো এক অঙ্কীয়া নাটকৰ আজি যেনে প্ৰচলন হৈছে, পূৰ্ণাঙ্গ নাটকৰ তেনে হোৱা নাই। নাট্যৰ উন্নত কৰিবলৈ হ'লে অভিনেতা সকলে পূৰ্ণাঙ্গ নাটৰ ওপৰত বিশেষ মনোযোগ দিয়াটো বাঞ্চনীয়।

নাটৰ অভিনয়ে সমাজ সংশোধন কৰাত আৰু সমাজক আগবঢ়াই নিয়াত যিমান শক্তিশালী সিমান শক্তিশালী গল্প উপন্যাস বা ৰচনা নহয়।

অসমত আজি এটা জাতীয় নাট্যশালাৰ অতি প্ৰয়োজন। গুৱাহাটীত নিৰ্ম্মিয়মান ৰবীন্দ্ৰভৱন নাটমঞ্চকে অসমৰ জাতীয় নাট্য-শালা ৰূপে পৰিগণিত কৰিব পাৰি। ৰাইজ আৰু চৰকাৰৰ সহযোগিতাত প্ৰতিষ্ঠিত জাতীয় নাট্যশালাই অসমৰ নাট আৰু মঞ্চ আন্দোলনত এক বিশিষ্ট ভূমিকা লব পাৰিব। এই নাট্য-শালাই অসমৰ পৌৰাণিক নাটকসমূহ, অঙ্কীয়া নাট ভাওনা, পুতলা নাচ, নৃত্য নাট্য, বিহু নাচকে আদি কৰি বিভিন্ন থলুৱা গীত মাত আদিৰো চৰ্চ্চা কৰিব পাৰিব। জাতীয় নাট্যশালাক কেন্দ্ৰ কৰি এটা সাংস্কৃতিক আন্দোলন গঢ়ি উঠাৰ সম্ভাৱনা আছে।

**আঁনাতাৰ কেন্দ্ৰ** ঃ- আজি কিছুদিনৰ ভিতৰতে ভাৰত চৰকাৰে অসমৰ কেইবা ঠাইতো আঁনাতাৰ কেন্দ্ৰ স্থাপন কৰিছে। এই আঁনাতাৰ কেন্দ্ৰ বিলাক প্ৰতিষ্ঠা কৰাৰ মূলতে বৈদেশিক, সামৰিক আদি বিভিন্ন কাৰণ জড়িত আছে। তথাপি অসমত এই বিলাক প্ৰতিষ্ঠা কৰাৰ বাবে আমি ভাৰত চৰকাৰৰ শলাগ লৈছোঁ।

অসম--সংস্কৃতিৰ ক্ষেত্ৰতো সঁচাকৈয়ে অসম'। বিভিন্ন সংস্কৃতি একেলগে থুপ খাই ইয়াত এটা যাদুঘৰৰ সৃষ্টি কৰিছে বুলিব পাৰি। পাৰ্ব্বত্য জনজাতি লোকসকলৰ ( নেফা বাসিকো ধৰি ) লোক সংস্কৃতি সঁচাকৈয়ে বিভিন্ন ধৰণৰ আৰু বিচিত্ৰ ৰূপৰ। এনে এখন ৰাজ্যত আঁনাতাৰ কেন্দ্ৰ সমূহৰো দায়িত্ব বহুত। প্ৰধাণত এইটো মন কৰিব-লগীয়া যে বিভিন্ন কলা কৃষ্টিৰ সমন্বয়ে হৈছে অসম। অসমৰ সংহতি আৰু ঐক্য সংস্কৃতিৰ যোগেদিহে অক্ষুণ্ণ ৰাখিব লাগিব। সেয়েহে আমি আঁনাতাৰ কেন্দ্ৰ সমূহত বেছিভাগ অসমীয়া কৃষ্টিৰ কথা শুনিবলৈ বিচাৰো।

অসমৰ আকাশে বতাহে লোক সংস্কৃতিৰ "বেণু" উৰি ফুৰিছে। এইবিলাক সংগ্ৰহ কৰাৰ ক্ষেত্ৰত অঁনাতাৰ কেন্দ্ৰ সমূহ আৰু সক্ৰিয় হোৱাতো ভাল বুলি ভাবোঁ। নহলে বতাহতে উৰা 'বেণু' বতাহতে বিলীন হব। অসমীয়া ভাষা সংস্কৃতিৰ প্ৰচাৰৰ ক্ষেত্ৰতো অঁনাতাৰ কেন্দ্ৰই বহু কাম কৰিব পাৰে। অনা-অসমীয়া লোকক "অসমীয়া ভাষা" শিকোৱাৰ এটা প্ৰচেষ্টা অঁনাতাৰ কেন্দ্ৰই লব পাৰে। অসমীয়া ভাষাৰ শুদ্ধ আৰু নিৰ্ভাঁজ উচ্চাৰণৰ ওপৰত অঁনাতাৰ কেন্দ্ৰই গুৰুত্ব দিয়া উচিত। আৰু লগতে কব খোজো কলিকতা, মাদ্ৰাজ আদি অঁনতাৰ কেন্দ্ৰৰ দৰে আমাৰ অঁনাতাৰ কেন্দ্ৰটো আঞ্চলিক ভাষা সংস্কৃতিৰ ওপৰত অধিক গুৰুত্ব দি আচনি প্ৰস্তুত কৰিব লাগে।

অসমীয়া সাহিত্য প্ৰচাৰৰ ক্ষেত্ৰত অঁনাতাৰ কেন্দ্ৰই বৰ্ত্তমান থকা ব্যবস্থাৰ উপৰিও অন্যান্য ব্যৱস্থা অবলম্বন কৰিব পাৰে। বৰ্ত্তমান প্ৰচাৰিত কবি সন্মিলনৰ বাহিৰেও গল্পকাৰক, ঔপন্যাসিক, নাট্যকাৰ, নিবন্ধ লিখক আদি সাহিত্যিক সকলোৰে৷ন আৰু পুৰণিৰ মাজত এটা যোগাযোগ ব্যবস্থা কৰিবলৈ, "সাহিত্য চৰা" নাম দি এটা অনুস্থান প্ৰচাৰিত কৰিব পাৰি, য'ত অসমীয়া সাহিত্য আৰু তাৰ ধাৰাৰ বিষয়ে শ্ৰোতাসকলক পৰিচয় কৰি দিব পাৰি।

অঁনাতাৰ নাটক আৰু তাৰ পৰিচালনাৰ ক্ষেত্ৰত এটাই কথা কব পাৰি যে নাটক অসংখ্য সৃষ্টি হৈছে যদিও কোনো এখন নাটকেই আজিলৈকে শ্ৰোতাৰ মাজত অভূতপূৰ্ব্ব আলোড়নৰ সৃষ্টি কৰিব পৰা নাই। ভাল অসমীয়া গল্প, উপন্যাস বিলাকৰ নাটকীয় ৰূপ দিব পাৰি। বিশ্বৰ শ্ৰেষ্ঠ নাটক সমূহৰ অসমীয়া অনুবাদ এতিয়া'তকৈ বহুলভাবে অঁনাতাৰ কেন্দ্ৰই প্ৰচাৰ কৰিব পাৰে। নাটকৰ অভিনয় আৰু প্ৰয়োজনৰ মানদণ্ড এতিয়াতকৈ উচ্চ স্তৰৰ কৰিবলৈ যত্ন কৰা উচিত। গতানুগতিকতাই সকলো ক্ষেত্ৰতে

হেঙাৰ স্বৰূপ নতুন কলা-কৌশল, আঙ্গীক ভাব ভাষাইহে অঁনতাৰ নাটিকাক জনপ্ৰিয় কৰি তুলিব পাৰিব।

আনকি অসময় সুযোগ্য কৃতী সন্তান সকলৰ মৃত্যুত অঁনাতাৰ কেন্দ্ৰই পূৰ্ব্ব পৰিকল্পিত কাৰ্যক্ৰম প্ৰচাৰ কৰি যোগ্য পৰিচালনাৰ প্ৰমাণ দিব পৰা নাই। গীতা ভাগৱত, বৰগীত, কীৰ্ত্তনৰ মাধ্যমেৰে মৃতকৰ প্ৰতি শোক প্ৰকাশ কৰাটোহে সকলোৱে বিচাৰে। সময়োপযোগী কাৰ্য্যক্ৰমৰ পৰিবৰ্ত্তনতহে কৰ্ম্ম-কৰ্ত্তা সকলে নিজৰ দক্ষতাৰ পৰিচয় দিব পাৰিব।

যাদুঘৰ, পুৰাতত্ত্ব অনুসন্ধান সমিতি আদিঃ—যাদুঘৰক শিল্প, কলা-কৃষ্টিৰ সংগ্ৰাহালয় বুলি কব পাৰি। এনে সংগ্ৰাহালয়ৰ মূল উদ্দেশ্য হৈছে এটা জাতিৰ হেজাৰ বা শ-শ বছৰৰ সভ্যতা আৰু কৃষ্টি কেনেদৰে আগবাঢ়িছে তাৰ জ্ঞান দিয়া। বিভিন্ন কাৰণত যাদুঘৰৰ অবদান স্বীকাৰ কৰিবই লাগিব।

পৰ্ব্বতে কন্দৰে, গাৱেঁ-ভূঞে সিঁচৰিত হৈ থকা শিলৰ গাত খোদিত লিপি বা প্ৰতিমূৰ্ত্তিয়ে আমাক এটা সময়ৰ, এটা যুগৰ কলা কৃষ্টিৰ আৰু ঐতিহাসিক মূল্য থকা কথাৰ সম্ভেদ দিয়ে। আমাৰ দেশৰ যি ঐতিহ্য সি অতি পুৰণিকলীয়া। অতীতক লৈ আমি সততে গৌৰব কৰোঁ। গতিকে আমি যাদুঘৰ, পুৰাতত্ত্ব বিভাগ আদিক সৰ্ব্বতোপ্ৰকাৰে সহায় কৰা উচিত যাতে আমাৰ দেশৰ হাবিয়ে বননিয়ে লুকাই থকা বিবিধ বুৰঞ্জীৰ সমল সংগ্ৰহ কৰি ৰাজহুৱা বা জাতীয় সম্পত্তি কৰি ৰাখিব পাৰোঁ। আজি প্ৰকৃত অৰ্থত কবলৈ গলে প্ৰাক আহোম যুগৰ বুৰঞ্জীৰ সমল অসমত প্ৰায়েই ক্ষয় হৈ আহিছে। আহোম যুগৰ প্ৰতিচিহ্ন সমূহ ৰাজহুৱা উদাসীনতাৰ ফলত ধ্বংস হৈ যোৱাৰ উপক্ৰম হৈছে। বহুতো মৈদাম, গড়, মঠ, মন্দিৰ আজি যান্ত্ৰিক সভ্যতাৰ বলি হ'ল। এতিয়া জীৱনী শক্তি হীন হ'ল, দেবালয় আৰু বিবিধ সমল সমূহক আমি যদি

তাৰ ঐতিহাসিক মূল্য দিবলৈ পাহৰো—অতীতক অতীতৰ বুকুত লীন যাবলৈ এৰি দিও ভাৰতৰ অন্যান্য প্ৰদেশবাসীৰ আগত আমি নিজকে কি বুলি চিনাকি দিম? বহুতে এতিয়াও আমাৰ দেশখন 'জঙ্গলী দেশ আৰু "বুটিছৰ ৰাজত্ব কালতহে অসমলৈ সভ্য মানুহ আ'হল" বুলি কয়। অন্যান্য ভাৰতীয়ৰ অসমৰ প্ৰতি থকা এই অজ্ঞতা বা অনভিজ্ঞতাক দূৰীভূত কৰিবলৈ হলেও আমাৰ বুৰঞ্জীৰ সমল বাৰিক সম্পূৰ্ণৰূপে সংৰক্ষণ কৰা উচিত।

পুৰণি সাঁচি-পতীয়া পুথিবিলাক মানুহে ভালকৈ নৰখাৰ দোষত বহুতো নষ্ট হৈছে। চৰকাৰৰ সহায়ত '৯১২-'৩ চনতে স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই বহু'তা পুথি সংগ্ৰহ কৰিছিল। সেই পুথিবিলাক ৰক্ষা কৰিবলৈ আৰু পু'থ সংগ্ৰহ কৰিবলৈ "কামৰূপ অনুসন্ধান সমিতি" স্থাপিত হৈছিল। আমি জানো এতিয়াও বহুতো পুৰণি পুথি মানুহৰ ঘৰে ঘৰে আছে। সেইবিলাক নষ্ট হোৱাৰ আগতে আমি যাতে গোটাই আনিব পাৰো তাৰ বাবে চেষ্টা কৰিব লাগে।

পুৰণি দুষ্প্ৰাপ্য গ্ৰন্থ আলোচনী আদিক কোনো ব্যক্তিৰ ব্যক্তি-গত সম্পত্তি হবলৈ এ'ৰ দিয়া উচিত নহয়। এনে বহুমূলীয়া সম্পত্তিক সোনকালেই ৰাজহুৱা সম্পত্তি কৰা উচিত। চৰকাৰ আৰু ৰাইজৰ সহযোগিতাত "বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ" যোগেদি এই পুথি পত্ৰ সমূহ সংগ্ৰহ কৰি 'নেচনেল আৰ্কাইভচ" বা জাতীয় গ্ৰন্থাগাৰত থোৱাৰ দৰে জাতীয় সম্পত্তি কৰি ৰখা উচিত। একে ঠাইতে এই পুথি সমূহ থাকিলে গৱেষক সকলবো কাম কৰিবলৈ সুচল লাগিব।

পৰ্ব্বত ভৈয়াম সম্প্ৰীতিৰ ক্ষেত্ৰত একাষাৰ :—'অসম' শব্দটোৰ অৰ্থই হৈছে কাৰো সমান নহয়' আৰু দেশখন ওখ চাপৰ ভূমি-খণ্ডৰ কাৰণেও অসম বোলে। দুয়োটা অৰ্থৰে তাৎপৰ্য্য আছে।

বৃটিছৰ আগমণৰ আগলৈকে আমি "হিলছ" ( Hills ) আৰু "প্লেইনচ্' ( plains ) শব্দ কেইটা ব্যৱহাৰ কৰা নাছিলো। তাৰ কাৰণ আমি যে পৃথক জাতি বা আমাৰ মাজত যে প্ৰভেদ আছে সেই কথা আমাৰ মনে ঘৰেও নাছিল। এই ভেদাভেদ জ্ঞান সুস্পষ্ট কৰিলে বৃটিছ শাসনে। তেওঁলোকৰ ৰাজত্ব কালত যি বিহ গছৰ বীজ কই থৈ গ'ল তাক আজি আমি বহুত চেষ্টা কৰিও আলুৰে সৈতে উঘালিব পৰা নাই। খৃষ্টান ধৰ্ম্ম প্ৰচাৰকাৰী মিছনেৰী সকলেও পৰ্ব্বত ভৈয়ামৰ মাজত বিভেদ ভাবৰ সূচনা কৰিলে। ১৮৭৩ চনত প্ৰবৰ্ত্তিত কৰা ইনাৰ লাইন ৰেগুলেশ্যনৰ ফল স্বৰূপে পৰ্ব্বত ভৈয়াম সংস্কৃতিৰ যোগাযোগ বিচিন্ন হ'ল। পাৰ্ব্বত্য জিলা কেইখনত খৃষ্টান ধৰ্ম্ম প্ৰবৰ্ত্তন হোৱা হেতু সেই অঞ্চলৰ খ্ৰীষ্টিয়ান সকল সম্পূৰ্ণ পচিমীয়া সভ্যতাৰ প্ৰভাৱত পৰিল। এতিয়া আকৌ সেই সকলৰ মাজত হিন্দুধৰ্ম্ম প্ৰচাৰ কৰি অসমীয়া নীতিৰ লগত সেই জনজাতি লোকসকলক চিনাকি কৰি দিয়াৰ আশাও মিছা আৰু তেনে চেষ্টাও হয়তো সম্পূৰ্ণ নিৰৰ্থক হ'ব। গতিকে এনে ক্ষেত্ৰত ধৰ্ম্মীয় বা সাম্প্ৰদায়িক ভাবধাৰা নলৈ এই অঞ্চল সমূহত অসমীয়া সংস্কৃতি প্ৰচাৰৰ বাবেহে চেষ্টা চলোৱা প্ৰয়োজন। বহুল অৰ্থনৈতিক আৰু সামাজিক দৃষ্টিভঙ্গীৰ কালৰ পৰাও চালে পৰ্ব্বত ভৈয়ামৰ ঐতিহাসিক যোগাযোগ ব্যৱস্থাক পুনঃ প্ৰতিষ্ঠা কৰা অতি প্ৰয়োজন।

"অসম সাহিত্য সভা"ই আজি কেইবাবছৰো ধৰি আগৰ প্ৰীতিৰ ভাৱ ঘূৰাই আনিবলৈ চেষ্টা কৰিছে, কিন্তু কিছুদূৰ আগবাঢ়িছে যদিও নানা কাৰণত সম্পূৰ্ণ ভাৱে কৃতকাৰ্য্য হ'ব পৰা নাই।

এই খিনিতে এটা কথা চকুত পৰে, পৰ্ব্বত ভৈয়ামৰ সম্প্ৰীতি উন্নত কৰিবলৈ, আমাৰ ডেকা সকলে কামে-কাজে, ব্যৱসায় আদিত তেওঁবিলাকৰ মাজলৈ যাব লাগে। আমি গম পাইছো "নেফা"ৰ বাইজে তাৰ স্কুল বিলাকলৈ অসমীয়া ডেকাক আগ্ৰহেৰে বিচাৰিছে।

ডেকাসকল উৎসাহ উদ্যমেৰে যোৱা উচিত আৰু অসম চৰকাৰেও, "নেফা"লৈ আমাৰ ডেকাসকলক যাবলৈ উৎসাহিত কৰে যেন। আমাৰ শ্বিলং, আইজাল, ডিব্ৰু, তুৰা, সদিয়া, কহিমা, নেফা আদি ঠাইত যি চাকৰীয়া আমাৰ ডেকা আছে, তেওঁবিলাকে পৰ্ব্বতীয়া ভাই-ভনী সকলৰ লগত মিলিবলৈ সুবিধা পাইছে। এই সকল ডেকাই তেওঁবিলাকৰ ভাষাবিলাক যদি শিকে তেন্তে আমাৰ মাজত বহুতো ভুল বুজাবুজি দূৰ হ'ব আৰু সম্প্ৰীতিৰ ভাব দৃঢ় হ'ব। মিছ্যনৰী সকলৰ দৰে আমাৰ ডেকা সকলে পাৰ্ব্বত্য সমাজৰ লগত নিজক খাপ খুৱাই তেওঁলোকক আমাৰ সংস্কৃতিৰ লগত পৰিচয় কৰি দিব লাগে। একে সংস্কৃতি আৰু একে উদ্দেশ্য হলেহে আমাৰ মাজত থকা প্ৰভেদৰ আৰ-কাপোৰখন আঁতৰি যাব। সংস্কৃতিৰ এনাজৰি ডালৰ বান্ধোন তেতিয়া হয়তো কটকটীয়া হৈ পৰিব।

কিছু দিনৰ আগতে এই মহৎ উদ্দেশ্যেৰে "অসম সাহিত্য সভা"ই "ভাষা জ্ঞান পৰীক্ষা"ৰ শ্ৰেণী গুৱাহাটী, ডিব্ৰু আদি ঠাইত আয়োজন কৰিছে। ইয়াৰ মূল উদ্দেশ্য হ'ল অসমীয়া ডেকাক আন পাৰ্ব্বত্য লোকৰ ভাষা-ভাষীৰ লগত পৰিচয় কৰি দিয়াৰ আৰু সেইদৰে পাৰ্ব্বত্য জিলাৰ লোকসকলক অসমীয়া ভাষাৰ লগত চিনাকি কৰি দিয়াৰ। জন-জাতীয় লোক সকলৰ বাহিৰেও অসমত থকা বহুতো অনা-অসমীয়া ন'-অসমীয়াইও এই সুবিধা গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত অৱশ্যে ৰাইজ আৰু চৰকাৰৰ সক্ৰিয় সহযোগিতা লাগে। সকলোৰে সহানুভূতি আৰু সাহায্য পালে এই মহৎ কাৰ্য্যই পৰ্ব্বত ভৈয়ামৰ সম্প্ৰীতি গাঢ়তৰ কৰি তুলিব।

অসমৰ অৱস্থিতি ভাৰত বা দক্ষিণ পূব এচিয়াতে বৰ সঙ্কট-জনক। ইখনৰ পিছত সিখন কৈ দুখন ৰক্তক্ষয়ী যুদ্ধ লাগিল।

এই যুদ্ধৰ ধুমুহা শাম কাটোতেই প্ৰবল বানপানীয়ে প্ৰতি বছৰে আমাক জুলুকি জুলুকিকৈ শিকাইছে। তাৰ উপৰি আমাৰ মাজৰ কিছুমান পৰ্ব্বতীয়া ভাই-ভনীয়ে অ লুকশীয়া পৰিস্থিতিৰ সৃষ্টি কৰি আমাক আৰু আতঙ্কালত পেলাইছে। এই সকলোবোৰ বেমে-জালিৰ পৰা দেশখন উদ্ধাৰ কৰি সুস্থিৰ কৰিবলৈ হলে আমাৰ পৰ্ব্বত ভৈয়ামৰ জাতীয় সংহতি আৰু ঐক্য অক্ষুন্ন ৰাখিব লাগিব।

**কাছাৰৰ কথাঃ—**কছাৰী ৰাজ্য কাছাৰ। কছাৰী সকল হাড়ে হিমজুৰে অসমীয়া। ইতিহাসৰ বিপৰ্য্যয়ত কছাৰীসকলৰ নিজৰ ঐতিহ্য নিজৰ ঠাইতে প্ৰায় হেৰুৱাই পেলাইছে।

মানৰ আক্ৰমণত অসম উপত্যকাৰ বহুতো অসমীয়া লোকে প্ৰায় দেৰশ বছৰ আগতে কাছাৰত থাছ অসমীয়া ধৰণেৰে গাওঁ পাতি বসতি কৰিলেগৈ।

এই সকল অসমীয়া আমাৰ তেজ-মঙহৰ। তেওঁ বিলাকে বিচাৰিছে, মাতৃ ভাষা অসমীয়াৰ মাধ্যমে শ'ৰা ছোৱালীক শিক্ষা দিবলৈ। কেই বছৰ মানৰ আগতে, তেওঁবিলাকৰ আহ্বানত "অসম সাহিত্য সভা"ই অসমীয়া গাওঁ কেইখনত অসমীয়া মাধ্যমৰ কেইখন মান পাঠশালা স্থাপন কৰিছে। এই পাঠশালা বিলাকলৈ চৰকাৰৰ ফালে কিছু সহায় দিছে, সয়ে যথেষ্ট হোৱা নাই। তেজপুৰৰ ফুকন এণ্ড সন্স-ই স্কুলখনক "সভাই" আৰ্থিক সাহায্য দি আহিছে।

অসম উপত্যকাত বঙালী ভাষী লৰা ছোৱালীৰ শিক্ষাৰ বাবে, বঙালী ভাষাৰ মাধ্যমত চলা পাঠশালা আৰু হাইস্কুল বিলাকত চৰকাৰে যেনদৰে সহায় সহানুভূতি দিছে, সেই দৰেই, কাছাৰত থকা অসমীয়া ভাষী লৰা ছোৱালীৰ বাবে, অসমীয়া ভাষাৰ মাধ্যমত পাঠশালা আৰু হাই স্কুল স্থাপনত সহায় কৰাটো আমি বাঞ্ছা কৰো। কাছাৰৰ অসমীয়া গাওঁ কেইখনৰ মাজত,

এখন অসমীয়া মাধ্যমৰ গাই স্কুল স্থাপন হোৱাটো অতি প্ৰয়োজন। সময় বহুতো উকলি গ'ল। অসম সাহিত্য সভা" আৰু চৰকাৰে এই বিষয়টোৰ ওপৰত যেন সোনকালে বিবেচনা কৰে।

এই বিষয়ে, বহুখিনি আলোচনা নকৰি আগ বঢ়াওঁ, আমি কাছাৰত থকা অসমীয়া ভাষা ভাষী সকলৈলে কেতিয়াও নাপাহৰো।

**ৰাজ্যিক ভাষা আৰু অসমীয়া পৰিভাষা :**—অসম চৰকাৰে ১৯৬০ চনত অসমীয়া ভাষা ৰাজ্য ভাষা প্ৰসঙ্গত এখন অধিনিয়ম গ্ৰহণ কৰিছে। চৰকাৰে এই বিষয়ত জিলা পৰ্য্যায়ত অসমীয়া ভাষা প্ৰয়োগ কৰাৰ উপৰিও আদালত বিলাকত এই ভাষা প্ৰয়োগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। পলম কৰি হলেও চৰকাৰে যি সিদ্ধান্ত গ্ৰহণ কৰিছে সেয়া বাস্তৱত কিমান দূৰ ৰূপ দিব পাৰে তাৰ কাৰণে সকলোৱে সজাগ দৃষ্টি ৰাখিছে।

এই খিনিতে উল্লেখযোগ্য কথাটো যে অসম চৰকাৰে অলপতে প্ৰকাশ কৰা 'অসমীয়া পৰিভাষা' খন সকলোৰে বাবে গ্ৰহণযোগ্য হোৱা নাই। পৰিভাষাৰ শব্দ সমূহ সৰ্ব্ব সাধাৰণৰ বোধগম্য আৰু সহজ বোধ্য নোহোৱা গতিকে ই সৰ্ব্ব জনপ্ৰিয় হব নোৱাৰে। আশা কৰো অসম চৰকাৰে পৰিবৰ্দ্ধিত আৰু সংশোধিত পৰিভাষা এখন সোনকালে প্ৰণয়ন কৰি প্ৰকাশ কৰিব। পৰিভাষাৰ শব্দ সমূহ নিৰ্ব্বাচন কৰোঁতে শব্দ সমূহৰ চলন্তি আৰু জনপ্ৰিয়তা সম্পৰ্কত চকু দিয়া উচিত।

**আমি বিচাৰো কি ?**—অসমীয়া সাহিত্যৰ উন্নতি সাধন কৰিবলৈ আমাৰ এজন বুৰঞ্জি সকলো সাহিত্যিকে যথাসম্ভৱ চেষ্টা কৰি আহিছে। আমাৰ চিৰাচৰিত অসমীয়া ভাষাই স্বীকৃতি পাইছে। আমাৰ ভাষা যুদ্ধত আমি কিছু পৰিমাণে জয়ী হৈছো। আজি অসমীয়া ভাষা ৰাজ্যিক ভাষা ৰূপে গণ্য হৈছে। কিন্তু এই খিনিতে বৈ গলে নহব, আমাৰ সাহিত্যৰ আৰু বেছি উন্নতি সাধন প্ৰয়োজন হৈছে।

আমাৰ পাঠ্যপুথি বিলাকৰ অৱস্থা বৰ শোকলগা। আমি ভাল ভাল কিতাপৰ যোগান ধৰিব নোৱাৰাৰ বাবে আমাৰ ল'ৰা-ছোৱালীয়ে অন্যান্য উন্নত দেশৰ ল'ৰা ছোৱালীৰ দৰে আগবাঢ়ি যাব পৰা নাই বিভিন্ন বিষয়ত লাগতিয়াল পুথি লিখি প্ৰকাশ কৰিবলৈ সাহিত্যিকসকলে যাতে আৰ্থিক সাহায্য লাভ কৰিব পাৰে তাৰ বাবে আমাৰ চৰকাৰ সজাগ হোৱা অত্যাৱশ্যক।

মন কৰিলে দেখা যায় আমাৰ সকলো প্ৰচেষ্টা আধাবাটতে বৈ যায়। একোখন আলোচনী প্ৰকাশ হয় যি উদ্যমেৰে সেই উদ্যমত চেষ্টা চলোৱা পৰিবৰ্তনৈও বেছি সময় নালাগে।

আজি পৃথিৱীৰ প্ৰায় সকলো দেশৰ ভাষাতে বিশ্বকোষ ( Encyolopedia ) প্ৰকাশ পাইছে। কিন্তু অসমীয়া ভাষাত এতিয়ালৈকে ওলোৱা নাই। অতি শীঘ্ৰে তেনে ধৰণৰ বিশ্বকোষ প্ৰস্তুত কৰাৰ কাম "অসম সাহিত্য সভা"ই বা তেনে ধৰণৰ অনুষ্ঠানে হাতত লোৱা উচিত। এই ক্ষেত্ৰত চৰকাৰে মুক্ত হস্তে সাহায্য আগবঢ়াব লাগে।

আত্মজীৱনী আৰু জীৱনীমূলক সাহিত্যৰ এটা স্বকীয়া মূল্য আছে। এই ক্ষেত্ৰত আমাৰ সাহিত্যৰ ভঁৰাল এতিয়াও চালুকীয়া হৈয়ে আছে। জীৱনী বা আত্ম-জীৱনী গতানুগতিক ভাবে নিলিখি, জীৱনীৰ লগতে সেই সময়ৰ দেশখনৰ বাহিৰ ভিতৰৰ এটা ইতিহাস দিলে, এনে সাহিত্যও বৰ উপাদেয় বস্তু হৈ পৰিব কাৰণ কাল্পনিক কাহিনীতকৈ সঁচা কাহিনী জনসাধাৰণৰ বেছি আদৰৰ বস্তু। আমাৰ লিখক সকলে এই বিষয়ত অধিক মনোযোগী হ'ব বুলি আশা কৰিলো।

অসমত প্ৰায় চতুৰ্দ্দশ শতিকাৰ পৰাই অসমীয়া কবি সকলে তেওঁবিলাকৰ সমসাময়িক ৰজা-মহাৰজা সকলৰ পৰা কাব্য ৰচনা কৰিবলৈ অনুপ্ৰেৰণা আৰু অৰ্থসাহায্য পাইছিল। ৰজা

সকলে সংস্কৃত পুৰাণ আদি শাস্ত্ৰত থকা নৈতিক, আধ্যাত্মিক আৰু ধৰ্ম্ম কৰ্ম্ম সম্বন্ধীয় কথাবোৰ অসমীয়ালৈ অনুবাদ কৰাত গুৰুত্ব আৰোপ কৰিছিল। ৰাজকীয় অনুপ্ৰেৰণাত যি সাহিত্য ৰচিত হ'ল সি আজিও অমৰ হৈ আছে।

প্ৰাচীন পদ্ধতিৰ পৰম্পৰা অনুযায়ী বৰ্ত্তমান আমাৰ জাতীয় চৰকাৰে সাহিত্যিক সকললৈ সাহায্য আগবঢ়োৱাটো অত্যন্ত আৱশ্যক। অৰ্থনৈতিক আৰু ব্যক্তিগত নানা অশান্তিৰ পৰা মুক্ত হ'ব পাৰিলেহে সাহিত্যিকে একাগ্ৰতাৰে ভাৱে সাহিত্য চৰ্চ্চা ক'ৰিব পাৰিব।

আজীৱন সাহিত্য সেৱী সকলক আজি যি সাহিত্যিক "পেঞ্চন" দিয়া হৈছে, বৰ্ত্তমান সমাজৰ আৰ্থিক পৰিস্থিতিলৈ চাই সি কোনো লোকক সাহিত্য চৰ্চ্চা কৰিবলৈ উৎসাহ বা উদ্গনি নোযোগায়। অতি শীঘ্ৰেই এই পেঞ্চনৰ মান উচ্চ নিৰিখত নিৰ্দ্ধাৰিত কৰা উচিত।

চৰকাৰী-বেচৰকাৰী প্ৰকাশন প্ৰতিষ্ঠান সমূহ, বাতৰি কাকত, আলোচনী প্ৰকাশন বোৰেও সাহিত্যিক সকলক সাহায্য আৰু প্ৰেৰণা যোগোৱা উচিত। আজি বহুতো প্ৰতিভাবান সাহিত্যিকে একমাত্ৰ অৰ্থনৈতিক সমস্যাত জুৰুলা জুপুৰা হোৱা বাবেই সাহিত্য চৰ্চ্চালৈ পিঠি দিছে।

"চন্দ্ৰকান্ত অভিধান"ৰ তৃতীয় সংস্কৰণৰ কাম "অসম সাহিত্য সভা"ই হাতত লৈছে। এই কাম সৰ্ব্বাঙ্গ সুন্দৰ হৈ সুচাৰুৰূপে সমাধান হ'ব বুলি আশা ৰাখিছো। তাহানিৰ ৺হেমচন্দ্ৰ বৰুৱাৰ "ব্যাকৰণ" আৰু ৺সত্যনাথ বৰাৰ "বহল ব্যাকৰণ"ৰ পাচত আমাৰ ভাষাত আৰু নিৰ্ভৰযোগ্য ব্যাকৰণ ৰচনা কৰা হোৱা নাই। বৰ্ত্তমান বৈজ্ঞানিক পদ্ধতিত লিখা এখন ব্যাকৰণৰ প্ৰয়োজন সকলোৱে অনুভৱ কৰিছে।

বৰ্ত্তমান সময়ৰ আলোচনী আৰু বাহৰি কাকতৰ পাত মেলিলে কোনো কোনো ক্ষেত্ৰত দেখা যায় যে শব্দ প্ৰয়োগ, আখৰ জোঁটনী আদিত কোনো ব্যৱস্থা নিয়ম মানি চলা হোৱা নাই। আৰু এখন বৈজ্ঞানিক পদ্ধতিৰে যুগুত কৰা ব্যাকৰণ ৰচনা কৰি তাক মানি চলিলে এই অৰাজকতা দূৰ হ'ব যেন লাগে।

আমাৰ ভাষা সাহিত্যৰ প্ৰচাৰ বৰ প্ৰয়োজনীয়। এনে প্ৰচাৰৰ বাবে "অসম সাহিত্য সভা'ই উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত হ'ব লাগে।

অসমীয়া ভাষা প্ৰচাৰ আৰু সংগঠনৰ ক্ষেত্ৰত 'অসম সাহিত্য সভাৰ" শাখা সভা সমূহে সক্ৰিয় ভূমিকা লোৱা উচিত। "অসম সাহিত্য সভা"ৰ এটা সক্ৰিয় প্ৰচাৰ বিভাগৰ নিতান্ত প্ৰয়োজন। আমি জানো জাবন্ত সাহিত্যক কোনেও বাধা দি ৰাখিব নোৱাৰে লেখেছে কও —

"ভাষা সাহিত্যৰ লুইতক ভেটিব কোনে?"
"সংস্কৃতিৰ ৰবৈনক বোধিব কোনে?

মহিলা সকলে আমাৰ সাহিত্যক দিয়া অৱদান উল্লেখযোগ্য। যুগ পৰম্পৰা আলোচনা কৰিলে দেখা যায় আমাৰ সমাজত বিদুষী মহিলাৰ সংখ্যা নিচেই তাকৰ নহয় সময়ৰ লগত খোজ মিলাই তিৰোতা সকলেও আজি সকলো কামত পুৰুষৰ লগতে সমান অংশ লৈছে। বৰ্ত্তমান ক্ষেত্ৰত আমি দেখিছো গল্প, উপন্যাস যিবিলাক— তিৰুতাসকলে লিখিছে তাৰ সকলোতে মাৰ্জ্জিত ৰুচিৰ প্ৰকাশ পাইছে। কাকত আৰু আলোচনীত ওলোৱা 'মহিলা চ'ৰা' বিভাগ আৰু 'উকলি' 'সাৰথি' আলোচনীৰ যোগেদি মহিলা সকলে দেশ মাতৃক সকলো প্ৰকাৰে সেৱা কৰিছে আমাৰ সাহিত্যৰ জগত খনক সুন্দৰৰ পৰা সুন্দৰতম কৰি তুলিব পাৰিব মহিলা সকলেহে। স্বভাৱতে মহিলা সকলৰ অন্তৰত সৃষ্টিসুলভ কোমলতা নিহিত থাকে। আজিৰ এই দুৰ্যোগপূৰ্ণ অৱস্থাত মহিলা সকলে এনে ভাৱে গল্প,

কবিতা, উপন্যাস, নাটক, প্ৰবন্ধ [illegible] লাগে। যি অসমাৰ সমাজখনক সুস্থ কৰি তুলিব মনত প্ৰেৰণা দিব [illegible] চিনিবলৈ শিকাব। তাতৰ [illegible] ফুলৰ দৰে আমাৰ ভাষা সাহিত্যৰ [illegible] ফুল ওক, [illegible] আশা কৰিলো।

ভাষাটোক প্ৰাণ দি [illegible] আবশ্যক। [illegible] পোন্ধৰ-ষোল্ল [illegible] ভট্টিমা অৰু ঘোষাই [illegible] আগ-বঢ়াই আনিলে [illegible] সঙ্গীত [illegible] সাহি-ত্যৰ পৰিপুষ্টি [illegible]।

বোলছবিয়েও অসমীয়া [illegible] বৃষ্টিৰ প্ৰচাৰত কিছুদূৰ [illegible] যদিও 'জয়মতী' কে আদি কৰি আমাৰ [illegible] মান বোলছবিতে ওলাইছে, [illegible] এটা 'ষ্টুডিঅ' নিৰ্ম্মাণ [illegible] অসমীয়া কলা-শিল্প উদ্যোগত বৰঙণি যোগাব।

আমাৰ অভিজ্ঞ [illegible] আছে, বোলছবি পৰিচালনা [illegible] আমাক লাগে বাইজ আৰু চৰকাৰৰ সহায়।

সকলো দেশতে যুগে যুগে [illegible] প্ৰদৰ্শিত হৈছে। পুৰণি [illegible] কলা-বৃত্তি, [illegible] আদি চৰ্চ্চাত অসমীয়াই গুৰুত্ব দি অহাৰ [illegible] নিদৰ্শন [illegible] আছে। [illegible] কলাৰ অনুষ্ঠান বিলাক আৰু বেছি সক্ৰিয় হব লাগে। অসমীয়া [illegible]-ছোৱালী বহুতেই দিল্লী আদি ঠাইত নৃত্য [illegible] পাৰদ[illegible]।

আমাৰ জন-জাতীয় লোকসকলৰ নৃত্য-গীত, চাহ বাগিচাৰ শ্ৰমিক সকলৰ নৃত্য গীত আৰু [illegible] অবহেলিত হৈ থকা

আপুৰণীয়া সত্ৰীয়া নৃত্য-গীত সমূহ, সঙ্গীত অনুষ্ঠান বিলাকে সংগ্ৰহ কৰি পৰ্য্যন্ত দেশময় উভয়ত আৰু অধিক ভাৱে প্ৰদৰ্শন কৰিলে আমাৰ কলা-কৃষ্টিৰ উন্নতি হব।

আজি যুগ যুগ ধৰি আমাৰ চাহ বাগিচা বিলাকত ভাৰতৰ ইমুৰৰ পৰা সিমুৰলৈকে বিভিন্ন প্ৰদেশ সমূহৰ পৰা নানা জাতিৰ শ্ৰমিক সকল আহি বহুবছৰ পুৰণো বাস কৰিছেহি। তেওঁবিলাকে এই দেশত সকলো সা-সুবিধা পাবৰ কাৰণে পুনৰ নিজৰ দেশলৈ ঘূৰি নগৈ এই দেশক নিজৰ ঘৰ বুলি লৈছে। আজি আমি এই শ্ৰমিক সকলক কোনো প্ৰকাৰেই অসমীয়া নহয় বুলি ভাবিব নোৱাৰো।

বিশেষকৈ চাহ বাগিচাৰ হিন্দু শ্ৰমিক সকলৰ মাজত আমাৰ বৈষ্ণৱ ধৰ্ম্ম আৰু সংস্কৃতিয়ে যথেষ্ট প্ৰভাৱ পেলাইছে। শঙ্কৰী কলা-কৃষ্টিক তেওঁলোকে আদৰি লোৱা দেখি ভাল পাইছো। বৰ্ত্তমান এই লোকসকলৰ অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতিও এটা অনুৰাগ জন্মা দেখিবলৈ পাইছো। এই খিনিতে অসমীয়া বৈষ্ণৱ ধৰ্ম্মৰ গুৰিয়াল সকললৈ মোৰ এটি অনুৰোধ, তেখেত সকলে যেন চাহ বাগিচাৰ শ্ৰমিক সকলক বৈষ্ণৱ ধৰ্ম্মত শৰণ দিয়া আৰু শঙ্কৰী কৃষ্টিৰে সৈতে পৰিচয় কৰি দিয়াৰ দায়িত্বক পৰিহাৰ নকৰে। অন্যান্য অসমীয়া লোকেও শ্ৰমিক সকলক 'ভাবনা'ৰ সোৱাদ দিব পাৰে। এই ধৰণেও অসমীয়া কলা কৃষ্টি, ভাষা সাহিত্যেই বিস্তাৰ লভিব।

মুঠতে, একেষাৰ কথাত, অসমৰ সংহতিৰ উন্নতিয়েই, সৰ্ব্ব ভাৰতীয় সংহতিৰ উন্নতি। অসমখন ভাৰতৰ এটা প্ৰধান অঙ্গ। এটা অঙ্গৰ হানি বিঘিনিয়ে ভাৰতৰো হানি বিঘিনি কৰিব। গতিকে অসমৰ সংহতি অক্ষুণ্ণ ৰাখিবলৈ, আমাৰ সাহিত্য আৰু সংস্কৃতি সদায় সক্ৰিয় হৈ থাকিবই লাগিব।

ইয়াতে আৰু একেষাৰ কথা কলেও অবাস্তৱ নহব যে অসমীয়া জাতিটোৱে এতিয়াও পাহৰা নাই, অসমীয়াৰ প্ৰাণৰ জাতীয় বাণী—"পৰৰ অধীন থকাতকৈ মৃত্যুৱেই শ্ৰেয়"। আৰু পাহৰা নাই, এদিন ভাৰত দিগ্বিজয়ী মোগলকো অসমৰ শৰাইঘাটে পৰাজিত কৰিছিল।

সেই অসমীয়া জাতিৰ নিজৰ শক্তি আৰু চৰিত্ৰ পুনৰ উদ্ধাৰ কৰি, শান্তিৰ স্বাধীন নাগৰিক, অসমখন যে শ্ৰেষ্ঠ দেশ তাক প্ৰমাণ কৰি দেখুৱাব লাগিব। আৰু, এই দেশৰ সন্তান সকলোৱে আমাৰ ভাষা সাহিত্য, সংস্কৃতিৰ একতাৰে গঢ় দিব পাৰিব লাগিব—"অসম সভাপতিৰ"।

সামৰণিত—ভাষা, ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক দৃষ্টিভঙ্গীত একত্ব লাভ কৰা, সামাজিক উত্তৰপূৰ্ব-ভাৰত। এই ৰাজ্যখণ্ডত "অসম সাহিত্য সভা"ৰ দৰে জাতীয় অনুষ্ঠান এটাৰ দায়িত্ব বহুত। সাহিত্য সভা আজি কেৱল এমুঠি সাহিত্যিকৰে নহয়। অসমত থকা বিভিন্ন জাতি-উপজাতি সকলোৰে বাবেই ই মিলন ক্ষেত্ৰ স্বৰূপ হৈ পৰিছে। সাহিত্য আৰু সংস্কৃতিয়ে জাতীয় ঐক্য আৰু সংহতি সৃষ্টিৰ ক্ষেত্ৰত বিশেষ বৰঙণি যোগায়। সীমান্তবৰ্তী আৰু বিবিধ আভ্যন্তৰীণ সমস্যাৰে জৰ্জৰিত এই ৰাজ্যখনৰ জাতীয় ঐক্য, সম্প্ৰীতি আৰু সংহতিৰ বান্ধোন অটুট ৰাখিবলৈ হলে আমি আমাৰ ভাষা আৰু সাহিত্যৰ মাজেৰে পৰ্ব্বত-ভৈয়ামৰ, বিভিন্ন উপজাতিৰ মাজত আগবাঢ়ি যাবলৈ সক্ষম হব লাগিব।

ইংৰাজীৰ পৰিবৰ্তে আমাৰ দেশত হিন্দী ভাষাক ৰাষ্ট্ৰভাষা কৰাৰ আঁচনি ভাৰত চৰকাৰে লৈছে। হিন্দীৰ লগে লগে আঞ্চলিক ভাষা কেইটাৰো দায়িত্ব আৰু গুৰুত্ব বাঢ়িছে। কেন্দ্ৰীয় "লোক সেৱা আয়োগ" পৰীক্ষা আদি আঞ্চলিক ভাষা বিলাকৰ

মাধ্যমত কৰাৰ কল্পনা জল্পনা চলাই আছে। গতিকে ৰাজ্যিক ভাষা সাহিত্যক আজি উচ্চ মানবিশিষ্ট কৰি তোলাৰো দায়িত্ব আহি পৰিছেহি।

অসম সাহিত্য সভাৰ সভ্য হওঁক বা নহওঁক সকলোৱে আৰু নথকা সকলে। সাহিত্য সেৱাৰ যোগ্য অনুৰাগী সাহিত্য সেৱক পৰ্য্যায়ে সমানে গৌৰৱ বৰ্দ্ধন কৰি আহক। চিৰ চেনেহী ভাষা জননীৰ পূজা আপোনালোকে নিষ্ঠাৰে পালন কৰক। উদীয়মান নবীন সাহিত্যিক সকল আহক। নতুনৰ বাট ভাঙি দিছো, ভাঙি দিছো আপোনালোকৰ আগত থকা পুৰণি আধুনিকতাৰ প্ৰাচীৰ, দেশৰ বৃহত্তৰ স্বাৰ্থৰ বাবে। চিন্তা কৰি সকলোৱেই এই ভাষা সাহিত্যৰ মহান অনুষ্ঠানত যোগদান দিও আহক। ভাষা সাহিত্য মন্দিৰত আজি সকলোৰে অতিথ্য নাই।—লাগে সকলোৰে সক্ৰিয় সহযোগিতা। নিষ্ক্ৰিয় আৰু উদাসীনৰ দৰে নিৰ্ব্বাক দৰ্শকৰ ভাও নিদি পৰ্য্যায়ক্ৰমে ভাষা সাহিত্যৰ উন্নতি চেষ্টা কৰক। সময়ে আপোনালোকৰ সৃষ্টি মূল্যায়ণ কৰিব—আপোনালোকৰ অৱদানে অসমীয়া সাহিত্যৰ সমৃদ্ধিৰ গতিধাৰা বৃহত্তৰ কৰি তোলক।

যি মহান আদৰ্শ লৈ ভাষা-জননীৰ বেদীত নৈবেদ্য দিবলৈ আগবাঢ়ি আহিছোঁ সেই আদৰ্শক সাফল্যমণ্ডিত কৰিবলৈ, আহক, আমি আজি এই যজ্ঞত জাতি-বৰ্ণ-ধৰ্ম্ম নিৰ্ব্বিশেষে প্ৰতিজ্ঞাবদ্ধ হওঁ। পাঞ্চজন্য শঙ্খৰ বজ্ৰ-গম্ভীৰ শবদেৰে নিনাদিত হওক, আমাৰ মাতৃভূমি অসমৰ নাম। সূৰ্য্যৰ প্ৰখৰ কিৰণৰ দৰে আমাৰ ভাষা-সাহিত্যৰ পোহৰ চৌদিশে বিয়পি পৰক, ভৰ বাৰিষাৰ লুইতৰ দৰে আমাৰ সাহিত্য ভঁৰালৰ সামগ্ৰীৰ উপচি পৰক।

নিজৰ মাতৃ ভাষাত যি সুখ-শান্তি আৰু তৃপ্তি আছে, তেনে সুখ-শান্তি তৃপ্তি ক'তো পাবলৈ নাই।

সেই কাৰণেহে কবিয়ে গাইছিল —

সাতোখন সাগৰত সাতুৰি নাতুৰি
লুইতত মাৰিলো বুৰ।
পানীৰ তলতে বৰগীত শুনিলো।
চাকনৈয়াত শুনিলো সুৰ॥

সুধীবৃন্দ ইমানপৰ এই নিঃকিনৰ কথা আপোনালোকে যে ধৈৰ্য্য ধৰি শুনিলে, তাৰ বাবে মই কৃতজ্ঞ। ভোৱাই-নোহোৱাকৈ মোৰ মনৰ কথা দু-আষাৰ আপোনালোকৰ আগত ব্যক্ত কৰিলোঁ। ইয়াতে যদি কোনোবা খিনিত কিবা দায় দোষ হৈছে, তাক যেন নিজ গুণে ক্ষমা কৰে।

আপোনালোকে যি সন্মান মোক দিছে সেই সন্মান ৰক্ষা কৰাৰ শক্তি যেন পৰমেশ্বৰে মোক দিয়ে।

সৰ্ব্বে ভৱন্তু সুখিন, সৰ্ব্বে
সন্তু নিৰাময়ঃ।
সৰ্ব্বে ভদ্ৰানি পশ্যন্তু মা কশ্চিৎ
দুঃখ ভাক ভৱেৎ॥

ওঁম-শান্তি, শান্তি, শান্তি।

# ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু অসম বিষয়ক আলোচনা-চক্ৰৰ সভাপতিৰ অভিভাষণ

অভ্যৰ্থনা সমিতিৰ সভাপতি মহোদয়,

শ্ৰদ্ধেয় শ্ৰী[illegible] ডেকা [illegible],

প্ৰতিনিধি আৰু সাহিত্যৰ সতীৰ্থ সকল,

নিখিলৰ প্ৰথম [illegible] [illegible] [illegible] কৰা [illegible]

গৌৰি [illegible] বিশু [illegible] [illegible] বা [illegible]

[illegible]

[illegible] কি [illegible]

[illegible]

[illegible]

মাহেশে বোলন্ত—হে গৌৰী তুমি কিবা [illegible] বসন [illegible] গৌৰী বোলন্ত—আমি যদি নাজানো আন কোনবা [illegible] জানে [illegible] বোলন্ত—যদি জানা তেবে কহা [illegible] [illegible] কিছক [illegible] গৌৰী বোলন্ত—দুই [illegible] গৌৰী বোলন্ত— পূৰ্বকাৰ আন সোধা। মাহেশে বোলন্ত—

কৰ্তব্য [illegible] এবাৰ [illegible] কিন্তু [illegible] এই [illegible] হস্ত আনিবা গোৱী [illegible] [illegible] ৭।৭নম গোবীক হাত [illegible] চুম্বন কৰিছো [illegible] যদাপি [illegible]।


আপোনালোকক সকলোকে ওলগিছো। অভ্যৰ্থনা সমিতিক শলাগিছো অসম সাহিত্য সভাৰ নলবাৰী-চ'ৰাত ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু অসম সম্পৰ্কীয় এই আলোচনা-চক্ৰৰ সভাপতিৰ আসন্দী পীৰাত বহুৱাই সন্মানিত কৰি চেনেহ যচা বাবে।

ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু তাত অসমৰ স্থান—এইটি অতি বিপুল বিষয়। এখনি ভাষণিকাৰ ভিতৰত তাৰ ক্ষুদ্ৰতম আভাস দিবলৈ চেষ্টা কৰাটো স্বাভাৱিক হ'ব। তাতে আকৌ তাৰ বাবে অভ্যৰ্থনা সমিতিৰ সম্পাদকদেৱৰ পৰা মোৰ ওচৰ পাইছিলগৈ চিঠি মাত্ৰ দিনৰ আগতে। ঠিক যেন বিনন্দ কানাই তাঁৰ ওচৰলৈ গৈ ক'লে, "আজি ৰবিবাৰৰ ৰাতিৰ পৰা অহা ৰবিবাৰে কাপোৰ লওঁ।" তাঁতী বিনন্দ বিস্ময়।—শিৱসাগৰ সেউতী মৰবা মধাহ, চম্পা নাগেশ্বৰ পদ্মৰ কলি, লৱঙ্গ মালতী বাবৰি তগৰৰে দৈৱকী আই নন্দৰ কানাই, বলো দাদা কংস মামা, নেজাল ম'ৰা অসংখ্য ডিজাইনো থাক দিন সাতৰাতত তুলি কাপোৰ বোৱা হয় কেনেকৈ? ভাৰতীয় তথা অসমীয়া সংস্কৃতি এই বিচিত্ৰ কাপোৰৰ দৰেই বিচিত্ৰ।

ভাৰতীয় সংস্কৃতিৰ দীঘ-বাণিত অসমীয়া সংস্কৃতি বৰ ধুনকৈ গোঁঠ খাই আছে, যদিও আমি জানো যে অসম-কামৰূপৰ ভৌগোলিক অৱস্থান এনে সাংস্কৃতিক সংমিশ্ৰণৰ পৰিপন্থী। কিন্তু ইতিহাসবো স্মৰণাতীত কালৰেপৰা আসামত আৰু ভাৰতৰ আন আন প্ৰান্তৰ লগত প্ৰাচীন কামৰূপৰ সম্বন্ধ। কামৰূপৰ বুকেদি চীন আৰু দক্ষিণ-পূৰ এছিয়াৰ ৰাষ্ট্ৰসমূহলৈ বাণিজ্য-পথ আৰু অন্যান্য ভাৱৰ আদান-প্ৰদানৰ পথো প্ৰাচীন কালৰেপৰা আছিল বুলি বিজ্ঞসকলে কয়। খ্ৰীষ্টপূৰ্ব প্ৰথম সহস্ৰিকাৰ শেষৰ শতিকাবোৰৰ পৰা অন্তত এফালে ব্ৰহ্ম

আৰু দক্ষিণ-পশ্চিম চীনৰ লগত আনকালে ভাৰতৰ যোগাযোগৰ ৰাজপথ-স্বৰূপ হৈ পৰিছিল সেইসময়ৰ অসম। খ্ৰীষ্টপূৰ্ব ২২১ৰ পৰা ৰাজত্ব কৰা চিন ৰাজবংশৰ নামৰ পৰা আজিৰ চীন নামটো ওলাইছে বুলি ধৰা হয়, আৰু ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ মতে সেই নাম অসমৰ মাজেদি ভাৰতত সোমাইছিল। যজুৰ্বেদ অথৰ্ববেদত কিৰাতসকলৰ উল্লেখ পোৱা যায়। এই সময়ৰ পৰাই ভাৰতৰ আৰ্য-সমাজৰ মাজত সোমাবলৈ ধৰে। এই কিৰাত বা মংগোলইড সকলৰ ভাৰতৰ ভিতৰত প্ৰধান থাই হৈ পৰিছিল প্ৰাচীন প্ৰাগ-জ্যোতিষ। মহাভাৰত যুদ্ধত ভগদত্তৰ দলত বিপুল সমাবেশ হৈছিল কিৰাত আৰু চীন সৈন্যৰ (স কিৰাতৈশ্চ চীনৈশ্চ বৃতঃ প্ৰাগজ্যোতিষোঽভবৎ। অন্যৈশ্চ বহুভিঃ যোধৈঃ সাগৰানূপবাসিভি)। এই কথাযে ভাৰতৰ সংস্কৃতিলৈ বহুত বিশিষ্ট দানৰ কথা সোঁৱৰাই দিয়ে। সেই দান হ'ল ভাৰতীয় আৰ্য ৰক্ত আৰু সভ্যতাত কিৰাত ৰক্ত আৰু ভাষা সংস্কৃতিৰ সংমিশ্ৰণ। আজিও অসমত ভোট ব্ৰহ্ম ভাষা-ভাষীৰে প্ৰাধান্য। অসমীয়া বা পিছৰ কালত অহা নব্য ভাৰতীয় আৰ্য ভাষা এৰি অসমত প্ৰচলিত সকলো ভাষাই এই গোষ্ঠীৰ। মাথোন খাছি ভাষা তাৰ বাহিৰত, সেই ভাষা কওঁতাসকলো আকৌ একে নৃতাত্ত্বিক গোটৰে। সেইদৰে কোঁচ ভোট বৰ্মী। আজিৰ ভাৰতীয় জীৱনৰ সকলো ক্ষেত্ৰতে কিৰাতবংশজ সকলৰ দান স্মৰণীয় হৈ পৰিছে। এই কালৰ পৰা ভাৰতীয় সাংস্কৃতিক ঐতিহ্যত অসমৰ দান আৰু স্থান অতুলনীয়।

কিৰাত-অধ্যুষিত প্ৰাগজ্যোতিষৰ আৰ্যীকৰণ বা ভাৰতীয়ীকৰণৰ এটি প্ৰতীকৰ দৰে হ'ল নৰকৰ কাহিনী। কালিকা পুৰাণৰ মতে নৰক হ'ল মিথিলাৰ ৰজা জনকৰ ঘৰত বৰাহ-বিষ্ণু আৰু ভূমিদেবীৰ সন্তান সীতাৰ দৰে জনক ৰজাৰ দ্বাৰা পালিত আৰু কৃষ্ণৰ দ্বাৰা কামৰূপত স্থাপিত। চতুৰ্থ শতিকাৰ পৰা কামৰূপ ক্ৰমিকভাৱে



ডক্টৰ মাহেশ্বৰ নেওগে আলোচনা চক্ৰৰ সভাপতিৰ ভাষণ পাঠ কৰিছে।



মাত্ৰ ছবৰ ভূতপূৰ্ব্ব ৰাজ্যপাল শ্ৰীবিষ্ণুৰাম মেধিয়ে প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰিছে। তাৰ খেতৰ কাষত অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত।

শাসন কৰা পুষ্যবৰ্মা, শালস্তম্ভ আৰু ব্ৰহ্মপালৰ ৰাজবংশৰ নৰপতিসকলে নিজক নৰক আৰু ভগদত্তৰ বংশৰ সন্তান বুলি ঘোষণা কৰিছে। সেই দেখিহে ডক্টৰ বাণীকান্ত কাকতিয়ে মহাভাৰতৰ যুগৰ নৰক আৰু এই তিনি ঐতিহাসিক ৰাজবংশৰ প্ৰতিষ্ঠাপক নৰক, এই দুজন নৰক দেখা পাইছে আৰু দ্বিতীয়জনক দ্বিতীয় শতিকাত স্থাপন কৰিবলৈ প্ৰয়াস পাইছে। সি যি হওক নৰকৰ কাহিনী আদিবাসী কিৰাতসকলৰ লগত সহজ ভাৱে সংশ্লিষ্ট হৈ পৰিছে।

হৰ্জ্জৰবৰ্মাৰ তাম্ৰফলি শাসনত নৰক আৰু তেওঁৰ বংশধৰ সকলক ম্লেচ্ছ অভিধা দিয়া হৈছে—অৱশ্যে ম্লেচ্ছাভিধা যাস্ত প্ৰবিষ্ট হ'ব পাৰিব। ৰত্নপালৰ বৰগাঁও শাসনত শালস্তম্ভৰ বিষয়ে কোৱা হৈছে—ম্লেচ্ছাধিনাথো বিধি-চলনা বশাদ এব জগ্ৰাহ ৰাজ্যং। একো ৰজাৰ নাম হেতো সাত্বও প্ৰালম্ভ (সালম্ভ) শব্দাৎ যো শাস-ৰচয়িতা হৈ খাই উঠিছে প্ৰালম্ভ ইংৰাজুক-নাম ধৰ। এতেকে উপৰত কামৰূপৰ হিন্দু ৰজাসকলক ম্লেচ্ছ বুলিবৰ যত্ন পণ্ডিতসকলে দেখা পাইছে। এই ৰজাসকল প্ৰকৃততে কোনো ভোট-ব্ৰহ্ম পৰীৰ লোক হোৱাৰ সম্ভাৱনা নাই, অ' কৰাই খেদাৰ গোবাৰি।

অসমত নিগ্ৰোইড ৰক্তৰ পৰা ছিলেও, অষ্ট্ৰো-এচিয়াটিকসকলে খাচী কিমানেইবা দীৰ্ঘস্থায়ী বসবাস কৰিছিল, দ্ৰাবিড়ৰ আগমনৰ স্পৰ্শ ইয়াত পৰিছিল নে নাই, এই বাৰে প্ৰশ্নই মাজে মাজে গুৰু কোৱেল, কিন্তু কাকো বৰ বেছি বিব্ৰত নকৰে। নিগ্ৰোইড তেজৰ চিকিৎসনি ক'ৰবাত অকণমান থাকিলেও পাবিব পাৰে। অষ্ট্ৰো-এছিয়াটিক মোন খমেৰ গোষ্ঠীয়ে এই প্ৰান্ত প্ৰৱেশ কৰা প্ৰথম ভোট-বৰ্মীসকলৰ মাজত তেওঁলোকৰ ভাষা এৰি এৰি হৈ যায়। দ্ৰাবিড়ৰ প্ৰবেশ প্ৰাচীন কালত এই প্ৰান্তত নঘটিছিল।—এইবিলাকেই পণ্ডিতসকলৰ মাজত বৰ্তমান চলিত মত।

পুষ্যবৰ্মা, শালস্তম্ভ আৰু ব্ৰহ্মপালৰ বংশৰ ইতিহাস হিন্দু ৰাজনীতি আৰু সংস্কৃতিৰ ইতিহাস। তেওঁলোকৰ তাম্ৰশাসনবোৰৰ পৰা আমাৰ চকুৰ আগত স্পষ্ট হৈ উঠা প্ৰশাসন-ব্যৱস্থা ভাৰতীয় নীতি আৰু ব্যৱহাৰৰ পৰা পৃথক নহয়। এই কালছোৱাত কামৰূপৰ শাসননীতি অতি উন্নত হৈ পৰিছিল। বিশেষকৈ ভাস্কৰবৰ্মাৰ ৰাজত্বত কামৰূপৰ স্থান উত্তৰ ভাৰতৰ সম্ৰাট হৰ্ষবৰ্ধনৰ ৰাজত্বৰ থানেশ্বৰ আৰু কনৌজৰ সমকক্ষ হৈ পৰিছিল। নতুন এটা মতবাদ হৈছে গৌড়ৰ শশাঙ্কৰ বিৰুদ্ধে হৰ্ষ আৰু ভাস্কৰবৰ্মাৰ মিত্ৰতা বন্ধন সৰ্বভাৰতীয় ৰাজনৈতিক শক্তিৰ ভাৰসাম্য ৰক্ষাৰ এটা চেষ্টা মাথোন। এইকালৰপৰা ৰাজনীতিৰ ক্ষেত্ৰত প্ৰাচীন কামৰূপে ভাৰতৰ ইতিহাসত বিশিষ্ট স্থান অধিকাৰ কৰি ৰহিছিল।

প্ৰকৃততে, ঐতিহাসিক কালৰ ভিত্তিত ভাস্কৰবৰ্মাৰ ৰাজত্বতে কামৰূপে ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত প্ৰথমবাৰলৈ সৰ্বভাৰতীয় ৰূপ পৰিগ্ৰহ কৰে। অকল সেয়ে নহয়। আন্তৰ্জাতিক সংযোগৰ বিষয়েও তদানীন্তন কামৰূপে নিজৰ স্বাক্ষৰ স্পষ্টভাৱে ৰাখিছিল। য়ুৱান চৱাঙে ভাস্কৰৰ ৰাজধানীলৈ অহা কথাটোত ৰাজনৈতিক সাংস্কৃতিক দুয়োবিধৰ তাৎপৰ্য বৰ্তমান। এই সাৰ্থকতাৰ আৰু এটা নিদৰ্শন পৰাক্ৰমী অৰ্জুন কনৌজ দখল কৰাৰ পিছত চীনৰ পৰা অহা ৰাজ হেউৱেন-চাঙৰ দৌত্যৰ সময়ত ভাস্কৰবৰ্মাই সেই দৌত্যক অৰ্জুনৰ বিৰুদ্ধে গৰু, ঘোঁৰা আদি দি সহায় কৰা কথাও প্ৰকাশ পায়। য়ুৱান চৱাঙে কামৰূপত থকা সময়ত ভাস্কৰবৰ্মাই সম্মানিত অতিথিক নিজেই নৃত্য-গীতেৰে আপ্যায়িত কৰিছিল। ৰজাই মহাশ্ৰমণগৰাকীক এটি বাৰ্তা দিছিল—চীনত চীনৰ টাং বংশৰ ৰাজকোঁৱৰ এজনে সম্ৰাট কাও-ৎসং বিৰুদ্ধে বিদ্ৰোহ কৰা লোকসকলক দমন কৰা ৰণৰ কথাৰে এটি গীত ভাৰতৰ সকলো ৰাজ্যত ৰাষ্ট্ৰ হৈ পৰিছিল। বাণভট্টৰ মতে যদিও ভাস্কৰবৰ্মাই শৈশৱৰ পৰা প্ৰতিজ্ঞা কৰিছিল

শিবৰ-পদ যুগলৰ বাহিৰে আন এবাৰ আগত মূৰ নোদোৱায় তথাপি তেওঁ বৌদ্ধ চুৱান চৱাঙক আতিথ্য দিয়া এটি চমৎকাৰ কথা। তাতোকৈ আনন্দ আৰু বিস্ময়ৰ বিষয় হয়বধনৰ ৰাজসভালৈ প্ৰেৰিত দূত বা [illegible] হেউৱেন-চাঙ আৰু লি-নি পাওক [illegible] ভাও তহ-কি [illegible] সংস্কৃত অনুবাদ এটি আৰু লাও সৰ মূৰ্তি এটি পঠিয়াবলৈ কৰা ভাস্কৰবৰ্মাৰ অনুৰোধ যদি পণ্ডিতসকলৰ অনুমান [illegible] হয় ভাস্কৰবৰ্মাৰ মৃত্যুৰ এশবছৰ বিশ্বাসিনাৰ [illegible] [illegible] নহয় [illegible] প্ৰবেশ কৰিছিল। [illegible] নৃত্য-সঙ্গীত আদিৰ প্ৰতি অনুৰাগৰ এটি নিদৰ্শন। [illegible] কামৰূপৰ [illegible] ধৰ্মী [illegible] আৰু [illegible] জ্যোতিময় ৰূপ [illegible] ধৰে বাণভট্টৰ হৰ্ষচৰিতত [illegible] ভাস্কৰবৰ্মাৰ দূত-ৰূপে হংসবেগে লৈ যোৱা উপঢৌকনৰ [illegible] তাৰ প্ৰধান পদ বস্তু [illegible] কামৰূপ-[illegible] বংশ পৰম্পৰাত [illegible] জ্বাল্যমান [illegible] চৌপাশ [illegible] অলংকৃত শিখৰ [illegible] উবো উবো [illegible] শোভিত, [illegible] বস্ত্ৰৰ আবৰণ [illegible] ইয়াৰ [illegible] আছিল [illegible] পৰা [illegible] (সোণ [illegible] ) [illegible] চিন্তামণি আদি [illegible] (আনৰ [illegible]-ৰচিত [illegible] ) [illegible] ( [illegible] নিৰ্মিত [illegible] আৰু [illegible] পান পাত্ৰ ( [illegible] শিল্পি-[illegible] [illegible] প্ৰমুখানা [illegible] ভাজন নিচয়ান), দাঁতিত পত্ৰ সোণ [illegible] চাল ( [illegible] কচিৰ [illegible] [illegible] পৰিবেশনা [illegible] [illegible] দাৰ কোমল-স্পৰ্শৰ পাতল পাট কাপোৰ ( [illegible] কামলা [illegible] জাতিপৰ্ণ টুকা), চৰাই পহুৰ নোম ভৰোৱা চিত্ৰপটেৰে শোভিত পট্ট

বাণ্ডেৰে কৰা শাক (সম্পূৰক উপাদান), প্ৰিয়ঙ্গমঞ্জৰীৰ স্পৰ্শ-যন্ত্ৰ বেতৰ আসন (প্ৰিয়ঙ্গ-প্ৰসন পিঙ্গুড়ি আসনানি বএমযানি), পাঁচি-পাতত লিখিত সুভাষিতাবলী, বৰা আৰু সেইজাতে বৰে, দেৱীৰ দৰে বাসাৰ পাৰ কাৰমালাৰ থোৰ (পৰি পত শাচল-পাটোৰ্স্থি, তুৰগ-জালাত-হৰিৎ ... বিৰা সুনালী পৰ্য্য পত্ৰানি সসাৰ গন্ধানি, বাপোতিকা গাত ... বন্ধা গাঁইৰ চোতত ভৰোৱা সুগন্ধি লইকাৰ বা অমলৰ ... কম্ভী, কাৰাল-ফল লবঙ্গ-পুল, বলাত বাহত ... পাত্ৰ জ্যক ... চিত্ৰ-ফলক (অবলম্বমান প্লিবাৰ ... লিখিতা ... আলেখ্য ফলক ম পুটাল) সোণৰ পাৰা চৰাই, লেতু মণ্ড পোৰ শুৰ সাৰিকা ইত্যাদি ইত্যাদি। ঐশ্বৰ্যময় এই তালিকাই ভাস্কৰবৰ্ম্মাৰ কামৰূপৰ অৰ্থ-নৈতিক সমৃদ্ধি, কলা আৰু শিল্পৰ উন্নত বিকাশৰ চিত্ৰ আমাৰ আগত দাঙি ধৰে।

সেই দিনা অসমীয়া ... জানিছিল থাকিব জানিছিল পিন্ধিব জানিছিল। জীৱনেই আছিল উচ্ছল সমৃদ্ধ। কলম ধৰি বোৱা আম-গছক লতাৰ দৰে বগাবলৈ শিকাই তাৰপৰা সন্মান্ত শ্ৰেণীৰ ঘৰা সম্বাসিত কৰিব পৰা বস উলিয়াইছিল। মাটিৰ কলহত ৰাখিছিল মধুৰস আৰু অৰ্দ্ধ টাকাবাৰ শৰ্কৰে কৰিছে দাক্ষাৰস। উপৰোল্লিখিত অনেকবোৰ সামগ্ৰী আহিছিল দ্বীপ-দ্বীপ-ন্তৰৰপৰা। ছিলালেখৰ লেবিব মতে দ্বীপময় ভাৰত ইণ্ডোনেছিয়াৰ টিমোৰ দ্বীপৰপৰা পোৱা চন্দনক গোশীৰ্ষ চন্দন বোলা হৈছিল। 'কাৰ্দবঙ্গ চাউ'ৰ অৰ্থ ভাষ্যকাৰ শঙ্কৰৰ মতে কাৰ্দবঙ্গ-দেশোদ্ভৱ, লেবি আৰু ডক্টৰ প্ৰবোধচন্দ্ৰ বাগচীৰ মতে কাৰ্দবঙ্গ বা কৰ্মবঙ্গ হ'ল ইণ্ডোনেছিয়াৰ আন এটি দ্বীপ। কক্কোল-ফল বা টাকোল-ফল আহিছিল এনেকুৱা দেশৰে তৃতীয় এটি দ্বীপ কাক্কোল বা টাক্কোলৰ পৰা। পান-ভাজন প্ৰস্তুত কৰা পদাৰ্থ গৰ্বক শব্দৰ অৰ্থ শঙ্কৰৰ

মতে মনাৰ টুইৰ চেটাৰ্জীৰ মতে পশ্চিম বঙ্গ পাইছে আৰু মসাৰ চানক্য। প্ৰেম দাৰ আনুদিন চণ্ডীদাসৰ পদাৱলী জাতি-পটিকা আদি বিভিন্ন পাচৰ উপাখ্যান বৰ্ণনা কৰি [illegible] যায়। সৰ্বশো পচলাসৰ আদিত। নিগম [illegible] চীন [illegible] কথা [illegible] আদি শব্দৰ লগ চীন ভাষাত। [illegible] পাতত লিখা সুভাষিত-ৰ গ্ৰন্থ উপাখ্যান সাহিত্য বুদ্ধ কাল পৰা তাৎপৰ্যপূৰ্ণ। সহৈদাৰ তুলিকা আৰু অলাপৰ [illegible] সম্পূৰ্ণ কথাটি তৃতীয় তথা পূৰ্ণভাৱে [illegible] মুঠতে বাণভট্টৰ এই বাণীত [illegible] শক্তি। [illegible] সংস্কাৰ উচ্চ স্তৰত অৱস্থিত হৈছিল [illegible] পাইছিল সাংস্কৃতিক অগ্ৰগতিৰ প্ৰধান [illegible] অসমীয়া বৰ্ণমালাৰ ইতিহাসৰ এই এটি উল্লেখ্য পৃষ্ঠা।

ভাৰতৰ ধৰ্ম বুৰঞ্জীত অসমীয়া বিশেষ দান দেখা পোৱা যায়। আৰ্য বৈদিক ধৰ্ম-পৰম্পৰাৰ লগতে ভাগৱত ধৰ্ম, বৌদ্ধ, জৈন আদি ধৰ্মৰ উদ্ভৱে নতুন নতুন সমাজ সৃষ্টি কৰিছিল। এই নতুন সৃষ্টিধাৰাৰ জন্মস্থান ভাৰতৰ বিভিন্ন প্ৰান্ত। পূৰ্ব প্ৰান্তত অৰ্থাৎ বৰ্তমানৰ দুই বঙ্গৰ সৈতে অসম ধৰি প্ৰাচীন কামৰূপত ধৰ্ম জগতৰ নতুন উদ্ভৱে দেখা দিছিল পৰম শাক্তসকলৰ পৰা। এই উদ্ভাৱনাত্মক দিশটোকে তান্ত্রিকতা বুলিব পাৰি। তন্ত্ৰ এটা ধৰ্ম্ম নহয়, এটা ধৰ্ম-পদ্ধতিহে। ই প্ৰথম দেখা দিয়ে বৌদ্ধ ধৰ্মত। বজ্ৰযান সহজযান মন্ত্ৰযান কালচক্রযান, তন্ত্ৰযান আদিৰ উদ্ভৱৰ পৰা বৌদ্ধ ধৰ্মই যোগৰূপ গ্ৰহণ কৰিলে সেই ৰূপ হ'ল প্ৰথমৰ আয় আনুষ্ঠানিক মাধ্যমৰ পৰা বহু আঁতৰৰ। তান্ত্রিক পদ্ধতি তাত লোকাচাৰ পশিল আৰু সেই পদ্ধতি শক্তি-পূজাৰ ৰূপত পোনাতে হিন্দু ধৰ্মত প্ৰৱেশ কৰিলে। বজ্ৰযানী সকলৰ প্ৰধান সাধন ক্ষেত্ৰ চাৰিটা কামাখ্যা । কামৰূপ শিৰিহট্ট, ওড়িয়ান, পূৰ্ণগিৰি - শাক্ত মহানিৰ্বাণতন্ত্ৰ'ৰ চাৰি পীঠ কামৰূপ,

উড্ডীয়ান, পূৰ্ণ-শৈল আৰু জালন্ধৰ। ইয়াতে আৰু কাল-ক্ৰমত কামৰূপেই হ'ল শাক্তসকলৰ প্ৰধান কেন্দ্ৰ আৰু দেশ বিদেশৰ নানা ঐন্দ্ৰজালিক বিশ্বাসৰ ঠাই ... নানা লোকে আজিও কামৰূপ-কামাখ্যা ...

অসমৰ বৈশিষ্ট্যপূৰ্ণ এৰশৰ ... সাংস্কৃতিক জগতলৈ এটি পবিত্ৰ দান এই যে প্ৰচাৰ যোগেদি অন্তৰ্দকলা শঙ্কৰদেৱে প্ৰৱৰ্তন কৰি অসমৰ ... জীৱনৰ লগ লগাই দিলে ... introduced India to Assam, কাৰণ ইতিহাসৰ এক পৰ্ব ... দক্ষিণ আৰু উত্তৰ ভাৰতৰ ... প্ৰায় প্ৰাণ্য বোধৰ বৰ্ত্তিছিল ... নতুন জীৱন, নতুন সংগীত ... দিলে। উত্তৰ চেটাৰ ... এক দেৱত শৰণৰ ... নতুন ... জটিল ... ধৰ্ম আৰু তাৰ অৰ্থহীন ... অসমক মুকলি কৰিলে আৰু সৰল ... এটি সৰল আৰু পোনপটীয়া বস্তু দি ... অসমক এক পবিত্ৰ আধ্যাত্মিক জীৱন দিওঁতা শঙ্কৰদেৱ ... স্থান দিলো। ... গুৰু ৰূপে তেওঁ যে ভাৰতৰ শ্ৰেষ্ঠসকলৰ ভিতৰত ... প্ৰশ্নই উঠিব নোৱাৰে।...শঙ্কৰাচাৰ্য, ৰামানুজাচাৰ্য, বাসৱ, ৰামানন্দ, কবীৰ, চৈতন্য, মীৰাবাই, গুৰু নানক আৰু তুলসীদাসৰ দৰে তেওঁৰ নাম স্মৰণীয়।' এই অসমতে বহু ৰজা আৰু ৰাজ শক্তিৰ পতন হ'ল, কিন্তু শঙ্কৰদেৱ আৰু তেওঁৰ সাংস্কৃতিক ৰাজ্যখন আজিও থিয় হৈ আছে আৰু চাৰি শ বছৰ অতীতৰ গৰ্ভত বিলীন হোৱা সত্ত্বেও শঙ্কৰদেৱে অসমীয়া জীৱন জীয়াই আছে।

সংস্কৃত ভাষা আৰু সাহিত্যৰ চৰ্চাত অসমে নিজকে পাহৰা

নাছিল। বাণভট্টৰ উল্লিখিত সুভাষিত ভাণ্ডাৰৰ কথা মনত পৰাওক। আৰু স্মৰণ কৰক আনৰ বাণিদাস আদিৰ প্ৰতিধ্বনি হোৱা তাম্ৰশাসন [illegible] শাসনৰ [illegible] আছিল [illegible] শক্তিকাৰ হস্ত্যায়ুৰ্বেদ বা গজচিকিৎসা ৰচা পালকাপ্যমুনিৰ স্থান হ'ল লৌহিত্য নদী হিমালয় আৰু সাগৰ অভিমুখে [illegible] ৰাজনৈতিক নাটক লিখা বিশাখদত্তক [illegible] কামৰূপৰ [illegible] বুলি আৰু [illegible] অষ্টম শতিকাৰ শ্ৰীহৰ্ষ কামৰূপৰ [illegible] সকলো পাইছে। [illegible] বিষ্ণু নিশ্চয় [illegible] কামৰূপত ৰচিত। প্ৰাচীন [illegible] ভৌগোলিক বিবৰণ থকা এই গ্ৰন্থ [illegible] পৰিচয় পাইছে। এইখিনি, ষোড়শ শতিকাৰ বিশ্বসিংহ [illegible] আৰু আন [illegible] পুথি [illegible] কৰিছিল। শ্ৰীধৰি ভাৰতীৰ মুখ-প্ৰদীপ, [illegible] দামোদৰ-মিশ্ৰৰ স্মৃতি-গঙ্গাজল আদি পীতাম্বৰ সিদ্ধান্তবাগীশৰ প্ৰেত-কৌমুদী, দশকৰ্ম-কৌমুদী আদি গ্ৰন্থ হ'ল ভাৰতীয় [illegible] শাস্ত্ৰলৈ অসমৰ দান। জ্যোতিষ, আয়ুৰ্বেদ আৰু অঙ্কশাস্ত্ৰৰ চৰ্চাও পূৰ্বতে অসমত হৈছিল আৰু এইবোৰ বিষয়ত সংস্কৃত আৰু অসমীয়াকৈ দুই এখনি গ্ৰন্থও ৰচিত হৈছিল [illegible] চৰ্চা অসমৰ বাহিৰত [illegible] হৈছে ক'তা? শঙ্কৰদেৱৰ ভক্তি ৰত্নাকৰ আৰু নাটকীয় শ্লোকসমূহ, বৈকুণ্ঠনাথৰ ভক্তি-বিবেক আৰু [illegible] গীতগোবিন্দৰ টীকা সাৰবতী অতি সৰু এছোৱা কালৰ ভিতৰত অসমত হোৱা সংস্কৃত চৰ্চাৰ সুন্দৰ নিদৰ্শন।

আধুনিক ভাৰতত পাশ্চাত্য অনুপ্ৰেৰণাত বিসকালৰ সংস্কৃতৰ

বৈজ্ঞানিক চৰ্চাত হাত দিছিল সেইসকলৰ ভিতৰত প্ৰাগজ্যোতিষপুৰ-সম্ভৱ আনন্দৰাম বৰুৱা হ'ল এজন অন্যতম। মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্যৰ পাণ্ডিত্য [illegible] অস্তু হৈছে। তেওঁৰ বৃত্তমঞ্জৰী-খন জানিবঁ। অসম চৰকাৰৰ ব্যয়ত মুদ্ৰিত আৰু প্ৰকাশিত হৈছে। স [illegible] চ [illegible] শাস্ত্ৰ [illegible] সমিদৰ্শনৰ দান পৃথিবীৰ পণ্ডিত-সমাজত সমাদৃত হৈছে।

[illegible] কথা অল্প নহয়। এই বিষয়ত নিৰত চৰ্চা যাৰ [illegible] অত্যন্ত অভাৱ বৰ্তমান [illegible] এটা [illegible] হৈছে। গণিতক আধাৰ [illegible] চিত্ৰ [illegible] সংগীতৰ ইতিহাস [illegible] হৈছে। অসমত আৰ্কিঅ'লজিকেল ডিপাৰ্টমেণ্ট, অসম সংগীত নাটক একাডেমি অসম ললিত কলা একাডেমি আছে [illegible] বিষয়ত অনুসন্ধান বা তাৰ নেতৃত্ব আমি এইবোৰ অনুষ্ঠানৰপৰাই ন্যায়সংগতভাৱে আশা কৰোঁ। গণিতক মই এই [illegible] এই ডিপাৰ্টমেণ্ট আৰু একাডেমি দুটিক উদ্বুদ্ধ জাগ্ৰত কৰা এটি [illegible] থব [illegible], তেহে যদি আমি কেতিয়াবাকৈ বৰ্ত্তমান নিৰ্বাপন ক'ৰব পাৰোঁ।

অসমৰ আৰ্কিঅ'লজিৰ স্থাপত্য আৰু ভাস্কৰ্য্য আমি প্ৰায় সকলো [illegible] আৰ্কিঅ'লজিকেল চাৰ্ভে অৱ ইণ্ডিয়াৰ পূৰ্ব্বৰ বাৰ্ষিক প্ৰতিবেদন [illegible] পাত [illegible] পাওঁ। [illegible] শতিকাৰ বনমালবৰ্মাই হিমালয় সদৃশ স্ফটিকশিলা-শিব-সৌধ পুনৰ্নিৰ্মাণ কৰিছিল, আৰু 'অত্যুন্নতাপি সতুলা জগতি বিশালাপি [illegible] অকৃত-বিচিত্ৰাপি সুচিত্ৰা' প্ৰাসাদ নিৰ্মাণ কৰিছিল [illegible] ৰত্নাই সুধা ধবলিত শম্ভু-প্ৰতিষ্ঠাস্পদ সজাইছিল। এইজনা ৰজাৰ ৰৰগাও শিলিপিত ৰাজধানী দুৰ্জ্জয়াৰ সৌধ সমূহ আৰু পৰমেশ্বৰাধিষ্ঠান অৰ্থাৎ শিৱ-মন্দিৰৰ কি মনোৰম বৰ্ণনাই দিয়া হৈছে। কিন্তু এই সাহিত্যিক উল্লেখৰ

দ'ল-কাৰেঙৰ আভাস পৰ্যন্ত আজি বাস্তৱত পাবলৈ নাই। তাৰফালে আৰ্কিওলজিকেল ছাৰ্ভেৰ বৰ্ণনাত যিবোৰ প্ৰাচীন ধ্বংসাৱশেষ পোৱা গৈছে সেইবোৰৰ কিছুৰ তাৰিখ পঞ্চম শতিকামানতে ঠিক কৰা হৈছে। দ্বিতীয় কথা, অসমৰ স্থাপত্য আৰু ভাস্কৰ্যত নানাভাৱনাৰ সমন্বয় এটিকে দেখা পোৱা যায়। তৃতীয় কথা সদিয়া, ডিমাপুৰ আদিৰ কাৰুকাৰ্যত ভোট ব্ৰহ্ম প্ৰভাৱ স্পষ্ট হৈ উঠিছে, এই কথাটি, বৰুৱা আৰু ডক্টৰ হাৰ্মান গোৱেটজ আদিয়ে পাছ'লৈ যাই দেখুৱাইছে। তেজপুৰৰ দহ পৰ্বতীয়াত প্ৰাপ্ত দুৱাৰডলিখনক প্ৰায় ৬০০ খ্ৰীষ্টাব্দ বুলি অনুমান কৰা হৈছে, যিবোৰ গুপ্ত কলা চাতুৰ্যৰ অতি উৎকৃষ্ট নিদৰ্শন। আৰু তাত বেনাৰ্জীয়ে গঙ্গা যমুনাৰ মূৰ্ত্তি নিচিনা থকা ছৱাৰ দুৱাৰখন পাটলিপুত্ৰ শৈলীৰ অন্তৰ্গত বুলি আৰু কিছু লক্ষণ গুপ্ত যুগৰে বুলি ধাৰ্য্য কৰিছে। গুৱাহাটীৰ নীলাচলৰ গাত পোৱা কিছুমান নিদৰ্শনক সপ্তম শতিকামানৰে বুলি অনুমান কৰা হৈছে। ইয়াৰ বেণু-গোপাল মূৰ্ত্তিটি a rare specimen of anatomical perfection বুলি টি. ৰামচন্দ্ৰনে উদাৰভাৱে কৈছে। নীলাচলৰ প্ৰাচীনতম স্থাপত্য ভাস্কৰ্যত ভাৰতৰ গৌৰৱ স্বৰূপ খজুৰাহোৰ শৈলীৰ স্পৰ্শ সন্দেহ কৰা হৈছে। তেজপুৰৰ ওচৰৰ বামুণী পৰ্ব্বতৰ ভগ্নাৱশেষ কাৰু-কাৰ্য্যবোৰ অষ্টম-নৱম শতিকামানৰ, এইবোৰৰ বৰ্ণনা দীক্ষিত বেনাৰ্জী আৰু আনে দিছে। প্ৰায় এই সময়ৰে যোগীঘোপাৰ ঘোপাবিলাক অতি প্ৰণিধানযোগ্য এই 'ঘোপা'ই উৰিষ্যাৰ উদয়গিৰি খণ্ডগিৰিৰ ৰাণী গুম্ফা, হাতী গুম্ফা আদিৰ কথা সোঁৱৰায়। দেওপানীৰ হাবিৰ মাজত পোৱা উঠঙা চকুৰ কীৰ্ত্তিমুখবোৰৰ লগত যৱ-দ্বীপৰ কীৰ্ত্তিমুখৰ সাদৃশ্য মন কৰিব লগীয়া। আনুমানিক ১০০০ খ্ৰীষ্টাব্দমানত নিৰ্মিত তেজপুৰৰ ওচৰত আবিষ্কৃত শিলা-স্তম্ভবোৰৰ লগত পুৰণি বোম্বাই প্ৰেছিডেঞ্চিৰ অন্তৰ্গত পশ্চিম চালুক্য যুগৰ স্তম্ভৰ সাদৃশ্যৰ কথা বেনাৰ্জীয়ে আঙুলিয়াই দিছে। অসমৰ স্থাপত্যত সেই ভাৰতীয় কলাৰ প্ৰায় সকলো লক্ষণ

আৰু অঙ্গকে দেখা পোৱা গৈছে।

ভাৰতবৰ্ষৰ ভাস্কৰ্য ক্ষেত্ৰলৈ আহিলেও অসম ঐশ্বৰ্য-সমৃদ্ধ প্ৰদেশ বুলিয়ে পৰিগণিত হয়। অসমত প্ৰাপ্ত মূৰ্ত্তি-সমূহৰ ভিতৰত বিষ্ণু-মূৰ্ত্তিয়েই সবাতো চকুত লগা। তাৰ ভিতৰত লিপি খোদিত থকা আনুমানিক নৱম শতিকাৰ দেওপানীৰ নাৰায়ণ-মূৰ্ত্তি, উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্তৰ অনন্ত শয়ান বিষ্ণু, নীলাচলৰ বেণু-গোপাল আৰু নানা ঠাইত পোৱা বাসুদেৱ-মূৰ্ত্তিৰ উল্লেখ কৰিব পাৰি। লকুলীশ, ঈশান, শূলপাণি ত্ৰিপুৰাৰি, নটৰাজ, উমালিঙ্গন আদি বিভিন্ন ভঙ্গীৰ শিৱ-মূৰ্ত্তি বিভিন্ন স্থানত পোৱা গৈছে। ব্ৰহ্মা, সূৰ্য, লক্ষ্মী, সৰস্বতী, শক্তি দেৱীৰ বিভিন্ন ৰূপ বিদ্যাধৰ কিন্নৰ আদি অনেক ভাস্কৰ্য আবিষ্কৃত হৈছে।

কিন্তু স্থাপত্য-ভাস্কৰ্যৰ নিৰ্শন পাইছো সিমান অসমৰ দৰে প্ৰদেশৰ কলা-ঐশ্বৰ্য প্ৰতিষ্ঠা কৰিবৰ বাবে যথেষ্ট নহয়। আমাৰ ৰাজ্যত আৰ্কিওলজিস্টৰ খনন-কাৰ্য আজিও ক'তো হোৱা নাই। সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ আসনৰ পৰা কিছু দিন আগতে ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাই খননৰ আৱশ্যকতাৰ বিষয়ে কৈছিল। যোৱা অক্টোবৰত আলিগড়ত বহা অখিল ভাৰতীয় প্ৰাচ্য-বিদ সন্মিলনৰ উপবেদ আৰু সুকুমাৰ কলা শাখাৰ সভাপতিৰ আসনৰ পৰা আমিও ভাৰতৰ প্ৰত্নতাত্ত্বিকসকলৰ ওচৰত একেটি আবেদনেই কৰিছিলো। আমাৰ কলা সংস্কৃতি মাটিৰ বুকত নীৰৱে শুই আছে, কোন শ্ৰীৰামচন্দ্ৰই সেই অহল্যাক জগাব আপোনালোক কোনো-বাই ক'ব পাৰেনে?

আমাৰ সঙ্গীত-জগতলৈ আহোঁ। তাতো গৱেষণা আৰু চৰ্চাৰ অভাৱত হুমুনিয়াহ এটা শ্মশানৰ ছায়াৰ দৰে ঘূৰি ফুৰিছে। তাহানিতে জ্যোতিপ্ৰসাদ আগৰৱালাই অসমৰ এটা প্ৰবাদৰ কথা লিখিছিল। অসমীয়া কলা-শিল্পৰ দেৱতা বিহুকৰম হেনো তাহানি কোনোবা দিনা

উপজি পুৰাতে লুইতৰ পানীত পৰি কৰবকাই উটি বুৰি গৈ আছে, মোক ভোলা মোক ভোলা বুলি চিঞৰিছে, কিন্তু দেশৰ মানুহবোৰ বোলে টোপনি চিকুণ পুৰা বুলি শুয়ে থাকিল হুটিল। বিহুকৰম দেৱতা লুইতৰ পানীত উটি ভটীয়াই গ'ল। আমাৰ সঙ্গীতো এইদৰে ভটীয়নী পানীত উটি গৈ আছে, একোটা চীৎকাৰ কৰিছে। কিন্তু কাণ পাতে কোনে? পদে পদে আমাৰ হেৰোৱা সম্পদবোৰৰ কথা ভাবক। অসমৰ শক্তি আৰু শিৱৰ মন্দিৰবোৰৰ গীত-বাদ্যৰ ছায়া মন্দিৰটোক আজি কোনোবাই ক'ৰবাত দেখা পাইছেনে? হাজোৰ হয়গ্ৰীৱ-মাধৱৰ মন্দিৰৰ, বিশ্বনাথঘাট আৰু দেৰগাঁৱৰ শিৱ-মন্দিৰৰ নটীৰ নাচ আজি স্তব্ধ হ'ল। কিন্তু তাৰ আভাসটো ক'তো কেনিও পাবলৈ নাই। আমি সেই মন্দিৰ-সমূহৰ নৃত্য-পটীয়সীসকলৰ কুৎসা ৰটনা কৰি তেওঁলোকৰ সেই কলাক ডিঙি চেপি মাৰি পেলালো। ভৰত নাট্যমো এনে মন্দিৰৰ নৃত্যই আছিল তাৰ চাৰি পাশেও এনে কুৎসা ৰটনা গোট খাইছিল, কিন্তু দক্ষিণত প্ৰকৃত কলা-প্ৰেমী আছিল বুলিয়েই ভৰত নাট্যম জীয়াই থাকিল আৰু আজি পৃথিৱীৰ সৰ্বত্ৰ প্ৰদৰ্শিত হৈছে, সন্মানিত হৈছে। মণিপুৰী-সকলৰ নিষ্ঠাই মণিপুৰী নৃত্যক জগতৰ আদৰণীয় কৰিছে। কিন্তু আমি মাথোন বুলি আওৰাওঁ —'আমি অসমীয়া, নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম? কিন্তু 'সকলো আছিল সকলো আছে' বাবে তাৰ 'গুৰুজনা নলও গম' কৰি বিহুকৰম দেৱতা লুইতৰ পানীত উটি যোৱাৰ গম নোপোৱাকৈয়ে আমি সংস্কৃতি ধনত সৰ্বস্বান্ত হৈ গৈ আছো। দুদিনৰ পিছত সংস্কৃতিৰ 'সকলো আছে' বুলি ক'বলৈকে একো নোহোৱা হ'ব। এই মহা আকাল পূৰ হৈ আহিছে দিনক দিনে।

এই আগন্তুক মহা আকালৰ সূচনা এটিলৈ আঙুলিয়াওঁ। কামৰূপৰ ডুবি গাঁৱৰ পৰিহৰেশ্বৰ শিৱ-মন্দিৰ আজি ভাগি গ'ল,

যদিও সি এব পুৰণি নাছিল। সেই মন্দিৰটিত পুৰা বুঢ়া গোসাঁইৰ স্নানৰ বেলা আৰু সাঁজৰ আৰতিৰ সময়ত নৃত্য কৰা দুগৰাকী নটী আজিও জীয়াই আছে। কিন্তু তেওঁলোকৰ নাচৰ ভঙ্গি-তাল বজাৰ পৰা গায়নৰ অন্তৰত তেওঁলোকেও প্ৰধান—পদ নাচ অৰ্থাৎ আৰতি নৃত্যটি হেৰুৱাই পেলাইছে, মাথোন তেওঁলোকৰ পৰা বাৰ পালচ বাজনাৰে স্নানৰ সৰু নাচটি পাঠশালাৰ শ্ৰীৰত্নকান্ত তালুক-দাৰে উদ্ধাৰ কৰিছে। এইটিযেইনো কি মনোৰম lyrical com-position! দেখিলে দীঘল হুমুনিয়াহ ওলাই আহে—আৰু বা কিমান কি অজস্ৰ সম্পদ আমি হেৰুৱালো!!

নৃত্যৰ ক্ষেত্ৰত ভাৰতীয় ঐতিহ্য অসমে ইমান দিনে অতি সুন্দৰ-ভাৱে ৰক্ষা কৰি আহিছে। ভাৰতীয় নৃত্য-কলাৰ যি কোনো ঐতিহাসিকে সেই কথা স্বীকাৰ কৰিব লাগিব। আমি ভাৰতীয় ক্লাছিকেল বা শাস্ত্ৰীয় নৃত্য বুলিলে কথক, কথাকলি, ভৰত নাট্যম আৰু মণিপুৰী নৃত্যকে বুজো। কিন্তু প্ৰথম কথা, এই চাৰিটা শৈলীৰ এটাও শাস্ত্ৰীয়তাৰ ফালৰপৰা স্বতসম্পূৰ্ণ নহয়। দ্বিতীয় কথা, এই চাৰিটাৰ বাহিৰে পোন্ধৰ-কুৰিটা এনে পৰ্যায়ৰ নৃত্য-শৈলী ভাৰতৰ বিভিন্ন প্ৰান্তত আছে। তৃতীয় কথা, ভাৰতৰ বাহিৰৰ 'বৃহত্তৰ ভাৰত'ৰ যব দ্বীপ আদিত ভাৰতীয় উচ্চাঙ্গৰ নৃত্য-শৈলী বৰ্ত্তমান। চতুৰ্থ কথা, চাৰিটা স্বীকৃত শৈলীতকৈও প্ৰাচীন অন্য শৈলী ভাৰতত আছে। উদাহৰণ-স্বৰূপে, মণিপুৰী শৈলীতকৈ অসমৰ সত্ৰীয়া আৰু ওজা-পালি নৃত্য স্পষ্ট ৰূপেই প্ৰাচীন। তদুপৰি মণিপুৰী ৰাস নৃত্যত সত্ৰীয়া শৈলীৰ প্ৰভাৱ আমি দেখা পাওঁ, শ্ৰীশান্তি দেব ঘোষৰ দৰে এজন কলাবিদে এই কথা মুক্তকণ্ঠেই সকলোকে কৈ দিছে। কিন্তু আমাৰ এনে কোন নৃত্য-বিশাৰদ আছে যি সেই কথা মুখত ল'বলৈ সাহ কৰে? কাৰণ আমাৰ নিজৰ নৃত্য-সম্পদৰ আমি 'মুৰুজো নলওঁ গম।' ১৯৫৮ চনত ভাৰতীয়

সঙ্গীত নাটক একাডেমীৰ সেই জন্যে এক গোষ্ঠীৰ নৃত্য সংসদ (ছেমিনাৰ) বহিল দিল্লী মহানগৰত। কথাকলি আহিল, ভাগৱত মেলা আহিল, কুচিপুড়ি আহিল কুৰৱনজি আহিল, নক্সান আহিল আৰু সত্ৰত আহিল মিছিল কৰিবলৈ। আমিও গ'লো ত'লৈ আমাৰ সত্ৰীয়া নৃত্য আৰু ৰ গোবা ওজাপালিৰ দুপদমান লৈ। সবালোবে বিষয়ে বক্তৃতা হ'ল, সকালোবে প্ৰদৰ্শন হ'ল। আমিও দুৰ্গীৰ দুখা অবস্থাৰে কথা ক'লো, দেখুৱালো। কিন্তু আমাৰ বস্তু কেইপদ দেখি কলামোদী বলঙ্গছে যেন নতুন পৃথিবী আবিষ্কাৰ কৰিলে। এনে নৃত্য সম্পদ অসমত আছিল বুলি তেওঁলোকৰ মনত কথা নাছিল। নাট্যৰ একাডেমীয়ে স্বীকৃত চাৰি শৈলীৰ বাহিৰে আন নৃত্যৰ সম্পৰ্কে বিচাৰ কৰিবলৈ আঠজনীয়া বিশেষজ্ঞ সমিতি পাতি তেওঁলোকৰ হাতত এজন কৰি ধৰিলে। তেতিয়া আমি অসমৰ নৃত্য শৈলীৰ স্বীকৃতিৰ অৰ্থে অসমৰ চৰকাৰ আৰু নাইক্য সাহায্য বিচাৰিছিলো। কিন্তু সেয়া প্ৰায়ে অৰণ্য-ৰোদন হ'ল। আমাৰ মাননীয় শ্ৰীবিষ্ণু প্ৰসাদ চলিহাদেৱে হ'লে একনমাণ অতি লাগতিয়াল সহায় দিলে। কমলাবাৰী সত্ৰই যেতিয়াই যি লাগে আমাক দিলে। আমাৰ সৌভাগ্যৰ বিষয়, "আজি সত্ৰীয়া নাচ আৰু সত্ৰৰ বাহিৰৰ ওজা-পালি, দুইপদ নৃত্যাই তাৰ শাস্ত্ৰীয় ঐতিহ্যৰ গৌৰৱত ৰাষ্ট্ৰীয় পুৰস্কাৰৰ বাবে স্বীকৃত হৈছে আৰু এই পৰ্যায়ত যোৱা মাহত চাৰি কুৰি সাত বছৰ বয়সত নৱনাট সামৰা কমলাবাৰীৰ শ্ৰীমণিৰাম বায়ন মুক্তিয়াৰে ১৯৬২ চনত ৰাষ্ট্ৰ-পতিৰ হস্ত-কমলৰপৰা প্ৰথমবাৰলৈ পুৰস্কাৰ গ্ৰহণ কৰে। বোধ হয়, আমি এইবোৰ কথাৰো খবৰ নাৰাখোঁ। কিন্তু যিসকলে ভাৰতীয় সাংস্কৃতিক ঐতিহ্যত অসমৰ স্থানৰ বাতৰি বিচাৰে, সিসকলক মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ কলা-পণ্ডিত ডক্টৰ ভি, ৰাঘৱনৰ কথাৰে আশ্বাস দিওঁ, তাতেই সিসকলে বিচাৰিলে পথৰ সন্ধানো পাব পাৰে। ৰাঘৱনে সাধাৰণ ভাবে স্বীকৃত চাৰিটি নৃত্য-শৈলীৰ কথা কৈ

লিখিছে, "ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ ঐতিহ্য এই চাৰি শৈলীৰ কোনো এটাত সম্পূৰ্ণৰূপে দেখা পোৱা নাযায়, সেই নৃত্যৰ কিছুমান লক্ষণ এটা শৈলীত লীন হৈ লোপ পাইছে আৰু আন এটাত জীৱিত হৈ আছে বাবে সকলোবোৰ শৈলীৰ সমন্বয়-যুক্ত অধ্যয়নেহে মাথোন ভাৰতীয় নৃত্য-কলাৰ সম্পূৰ্ণ পুনৰ্নিমাণত সহায় কৰিব পাৰে। যোৱা কিছু দিনত মহেশ্বৰ নেওগৰ লেখীয়া অসমৰ পণ্ডিতৰ লেখাই তাত থকা মূল্যবান কিছুমান নৃত্য-ৰূপৰ অৱস্থিতিলৈ আমাৰ চকু মুকলি কৰি দিছে, সেইবোৰৰ লগত দক্ষিণ ভাৰতৰ নৃত্যৰ লক্ষণ আৰু ৰূপৰ সাদৃশ্য দেখিলে আশ্চৰ্য মানিব লাগে।" উত্তৰ-দক্ষিণ পূব-পশ্চিম, সকলো অঞ্চলতে যে ভাৰতবৰ্ষখন অবিভাজ্য তাৰ এক সেই কথা নৃত্য-কলাৰ দ্বাৰা আন একোৱে বোধ হয় সোঁনৰাই নিদিয়ে। ভৰত, কোহল মতঙ্গ নন্দিকেশ্বৰ আদিয়ে সাৰ্ব্বজনীন কলাৰ ভাষা ভাৰতক দি থৈ গ'ল, আমাৰ সত্ৰীয়া আৰু ওজা পালি নৃত্যই তাৰেই কৈ আছে ইন্দ্ৰ ইত্যা ভাৰত বৰিষ বুলি।

নৃত্যৰ কথা ক'লো গীতৰ কথা কোৱা নহ'ল। অসমীয়া মাৰ্গ সঙ্গীতে ভাৰতীয় শাস্ত্ৰীয় ঐতিহ্যকে বহন কৰি আহিছে। পূব প্ৰান্তৰ আধুনিক ভাৰতীয় ভাষাত ৰাগ-সঙ্গীতৰ প্ৰচলনৰ নিদৰ্শন চৰ্চ্চাবোৰেই দিয়ে। কিন্তু সিবোৰৰ কোনো প্ৰচলন আজি নাই। তাৰ পিছত কেবাশতিকাৰো ব্যৱধানৰ পিছত ষোড়শ শতিকাৰ দুৰ্গাবৰ, পীতাম্বৰ আৰু শঙ্কৰদেব আদি বৈষ্ণৱ গীতকাৰসকলৰ গীতত ৰাগৰ প্ৰযোগ দেখা পাওঁ। পীতাম্বৰা গীত আজি আৰু ক'তো শুনা নাযায়। দুৰ্গাবৰী ঢেকো লাহে লাহে নিমাত হৈ আহিছে। ৰং গোৱা আৰু সভা গোৱা ওজা পালিৰ অনাদৰ মাৰাত্মক হৈ উঠিছে। শঙ্কৰদেৱ মাধৱদেৱ আদিৰ বৰগীত আৰু অঙ্কীয়া পৰ্যায়ৰ গীতৰ চচাৰ ক্ষেত্ৰ সঙ্কীৰ্ণৰ পৰা সঙ্কীৰ্ণতৰ হৈ আহিছে। আজি কালি সাধাৰণ সভা এখনতে বৰগীত গাবলৈ গায়ক এজন বিচাৰি পোৱা নাযায়। এনে অৱস্থা হৈছে

আমাৰ সাংস্কৃতিক দুৰ্ভিক্ষৰ, আমাৰ নিজৰ ঐতিহ্য নিজৰ কাৰণেই যেন অনাৱশ্যকীয় হৈ পৰিছে। বৈষ্ণৱ সঙ্গীতৰ গৱেষণা অতি আৱশ্যকীয় হৈ আছে। কিন্তু ক্ষেত্ৰত অন্তৰায় হৈছে বহুতো। প্ৰথম অন্তৰায় হ'ল প্ৰশিক্ষণ প্ৰাপ্ত উপযুক্ত গৱেষকৰ অভাৱ। দ্বিতীয়তে, এই সম্পদবোৰৰ অন্তত বৈজ্ঞানিক আলোচনাৰ সম্বল হিচাপেই আৱশ্যকীয়, এনে অৱশ্যম্ভাৱী বিশ্বাস আৰু শ্ৰদ্ধাৰ অভাৱ। তৃতীয়তে, আমাৰ সত্ৰীয়া গায়ন-বায়ন সকলৰ মাজত বৈজ্ঞানিকভাৱে সঙ্গীতজ্ঞানৰ অভাৱ। কাশীৰ ঠাকুৰ শ্ৰীজয়দেৱ সিংহে আমালৈ এখন চিঠিত লিখিছিল, মই ১৯৫০-৬১ চনত গুৱাহাটীলৈ যাওঁতে বৰগীতৰ আচাৰ্যসকলক তেওঁলোকৰ ব্যৱহৃত তাল-লয় সম্পৰ্কে প্ৰশ্ন কৰিছিলো। তেওঁলোকে কিন্তু এখন তালত কেইটা মাত্ৰা বা তাৰ ভৰী আৰু খালি ক'ত পৰিছে, একো ক'ব নোৱাৰিলে। এবাৰ তেওঁলোকে একতালত ২৪ মাত্ৰা বুলি ক'লে, এবাৰ ক'লে ২৮ মাত্ৰা বুলি। মই যেতিয়া তেওঁলোকক হাত-চাপৰি বজাই তালখন দেখুৱাবলৈ ক'লো, তেওঁলোকৰ খেলি-মেলি লাগিল। তেওঁলোকে ক'লে, তেওঁলোকে খোল বজাই ৰাগ তাল সবাকো গাই যাব পাৰে। সিমানেই।' কিন্তু আমাৰ গায়ক-বাদক সকলৰ বৈজ্ঞানিক জ্ঞানৰ এই অভাৱ গৱেষকৰ জ্ঞানে পূৰণ কৰিব লাগিব। বৰগীত গৱেষণা সমিতিৰ গৱেষক মোৰ বন্ধু শ্ৰীকেশৱ চাংকাকতীয়ে দুখন সত্ৰৰ তালৰ বোল ভাঙি লিখি উলিয়াইছিল, আৰু সেইমতে তালৰ আৰু সমিতিৰ পুথি Rhythm in the Vaishnava Music of Assam অত সন্নিবিষ্ট হৈছে। তাকে দেখি শ্ৰীজয়দেৱ সিংহে ভাল পাই লিখিলে, 'মই দেখি বং পাইছোঁ যে এই বিষয়ত আপোনালোক মোতকৈ অধিক ভাগ্যবান হৈছে। আপোনালোকে আচাৰ্যসকলৰ পৰা তালৰ মাত্ৰাৰ সংখ্যা আৰু ভৰী আৰু খালিৰ স্থান নিৰ্ণয় কৰিব পাৰিছে।' কষ্ট স্বীকাৰ আৰু আত্ম প্ৰয়োগহে এই

বিষয়ত আচল কথা। এটি সৰু উদাহৰণ দিওঁ। আমাৰ উদ্যোগত অসম সঙ্গীত নাটক একাডেমিৰ বৰগীত গৱেষণা সমিতিয়ে যেতিয়া পোনতে বৰগীতৰ ৰাগ আৰু তালৰ প্ৰাথমিক গৱেষণাৰ ভাৰ দুজন ভাল সঙ্গীতজ্ঞক দিলে, তেওঁলোকক সত্ৰীয়া বাদকে বিপাকত পেলালে, তেওঁলোক দুজনে প্ৰতিবেদনত লিখিলে, হিন্দুস্থানী সঙ্গীতৰ ঠেকাৰ তুল্য সত্ৰীয়া তালৰ বোল বাজনা বা খোলৰ লগত ভাগকৰা (উত্তৰ ভাৰতৰ বোলা পৰণ ঢকৰাৰ নিচিনা) ঘাতবোৰৰ মাত্ৰাৰ অমিল। ঘাতৰ ছন্দ বিভাজন তেওঁলোকে সেই দৰি নকৰিলে। সেইদিনমান পিছত দক্ষিণ ভাৰতৰ তালৰ গৱেষণাত ৰত এজন বিদেশী অধ্যাপক (এতিয়া ডক্টৰ) ৰবাৰ্ট ব্ৰাউন কমলাবাৰীলৈ আওহত গৱেষক দুজনে ঢুকি থোৱা অবিভাজিত তালৰ বোলখিনি আনি দি পঠালো। ডক্টৰ ব্ৰাউনে ওৰাহাটীলৈ ঘূৰি আহি মূল বাজনা অনুসৰি কেনেকৈ ঘাতবোৰৰ ছন্দ ভাঙিব পাৰি আৰু ভাঙিব লাগে, হাতে মুখে বজাই-গাই দেখুৱালে। গবেষণা সমিতিৰ দ্বিতীয় পৰ্যায়ৰ বেলা শ্ৰীচা কাকতীৰ সত্ৰীয়া তালৰ অৰ্থাৎ গা-মান আৰু ঘাতকে নহয় তাতোকৈ জটিল চোকবোৰো স্পষ্টভাবে বিশ্লেষণ কৰাত সক্ষম হৈছে। তেওঁ স্বৰ্গত মণিৰাম গায়নৰপৰা নাচৰ ভঙ্গি-তাল প্ৰায়খিনিৰ তাল লিপি লিখি উলিয়ালে, কিন্তু দুৰ্ভাগ্যৰ বিষয়ে গায়ন মুক্তিয়াৰদেবৰ কাল হোৱাৰ আগতে সকলোখিনি তাল লিখা আৰু ৰেকৰ্ড কৰাৰ সুযোগ আমাৰ নহল। কোনোবাই সেইখিনি এতিয়া দিব পাৰিবনে, নাজানো। স্বৰ লেখাৰ ফালৰ পৰা বৰগীত অঙ্কীয়া গীতৰ গবেষণা কৰি অসম সঙ্গীত নাটক একাডেমিক সহায় কৰিব পৰা সঙ্গীতজ্ঞ এতিয়া ওলোৱা হৈছে। এইখিনি কাম কৰিব পাৰিলেহে সত্ৰীয়া সঙ্গীতক বৈজ্ঞানিক ভিত্তিত থাপনা কৰিব পৰা যাব। এই সঙ্গীতত শাস্ত্ৰীয় ৰাগ তালৰ প্ৰয়োগ ৰাগৰ ধ্যান আৰু আলাপন আদি

বিকৃত ৰূপত হ'লেও আছে। সেইখিনি পুনঃসংস্থাপিত হ'লে দেখা যাব, শঙ্কৰদেৱে অসমত ভাৰতীয় সাঙ্গীতিক ঐতিহ্যত প্ৰতি-ষ্ঠিত কৰিছিল মাৰ্গো, যদিও 'মোম মেগুৰ-ৰঞ্জিত সিও গায় বৰগীত।

আমি পাব পৰা নিদৰ্শনেৰে ভাৰতীয় চিত্ৰকলাৰ ইতিহাসৰ পাতনি হয় তাৰ প্ৰাচ্যশৈলীৰ পাল ৰাজত্বৰ কালত। সেই সময়ৰ বঙ্গ, বিহাৰ আৰু নেপালত গৌতম বুদ্ধৰ জীৱনৰ আৰু বৌদ্ধ দেব-দেবীৰ চিত্ৰিকাৰে কিছু কাষ্ঠফলক আবিষ্কৃত হৈছে। ইয়াৰ লগত আগৰ সপ্তম শতিকাৰ কামৰূপৰ আলেখ্যালক্ষণসম্পুটৰ কথা আমি আগতে কৈ আহিছো, কিন্তু সেই যুগৰ বা তাৰ অব্যৱহিত পিছৰ কোনো চিত্ৰপটৰ নিদৰ্শন আজি নাপাও। দ্বাদশৰপৰা সপ্তদশ শতিকালৈকে গুজৰাটী চিত্ৰ-শৈলী মহাযোগ৷ গুৰ্জৰ ইকাৰণৰ পথত আগ বাঢ়িছিল। পঞ্চদশ শতিকাত অৱশ্যে কবি উত্তৰ ভাৰত প্লাবিত কৰা বৈষ্ণব আন্দোলনৰ ফলত বুলিব পাৰি, নৱ শক্তি লৈ ৰাজপুত-মোগল-চিত্ৰ-শৈলীৰ উদ্ভৱ হয়। পাৰ্সিক লক্ষণেৰে মোগল চিত্ৰ-শৈলীৰ প্ৰভাবে গুজৰাটী শৈলীৰ প্ৰথমতে আক্ৰমণ কৰি শেহান্তৰত সপ্তদশ শতিকাত ঠাক সম্পূৰ্ণ ঢাকি পেলায়। অষ্টাদশ শতিকাত ৰাজপুত মোগল শৈলীয়ে বাসোহলী, পাহাৰী আৰু প্ৰভৃতি সৰু সৰু শৈলীৰ ঠাল-ঠেঙুলি মেলে। সমস্ত উত্তৰ ভাৰত জোৰা চিত্ৰ-কলাৰ এই আন্দোলনে সম্ভৱত সপ্তদশ শতিকাতে অসমকো আলোড়িত কৰে। অসমৰ সত্ৰসমূহৰ বৈষ্ণৱ খনিকৰসকলেই তাক পোনতে গ্ৰহণ কৰে, পিছত সি আহোম ৰজা আৰু দৰঙী কোঁৱৰৰ ৰাজধানীকো অনুপ্ৰাণিত কৰে। অসমীয়া চিত্ৰ সম্পদৰ লগত ওড়িয়া পট-অঙ্কন, নেৱাৰী সুৰা বন্ধা পট ( scroll ) আৰু জৈন চিত্ৰাৱলীৰ সাদৃশ্য চকুত পৰে, কিন্তু সিবোৰৰ নজা আনৰ বৈশিষ্ট্যই সিবোৰক এক স্বতন্ত্ৰ অসমীয়া শৈলী-ৰূপে প্ৰতিষ্ঠিত কৰে। ডক্টৰ মোতীচন্দ্ৰই নগাঁৱৰ বালি-সত্ৰত প্ৰাপ্ত মহাপুৰুষৰ দশম স্কন্ধ ভাগৱতৰ

চিত্ৰকলাৰ বিশেষত্ববোৰলৈ আঙুলিয়াইছে—lyrical draughtmanship, simple composition, dramatic narration and splendid colours বৰ্ণিকাভঙ্গত অসমীয়া চিত্ৰকৰৰ জ্ঞান আৰু সাহস চকুত লগা। 'হস্তীবিদ্যাৰ্ণৱ'ৰ চিত্ৰতে অসমীয়া শৈলীয়ে শীৰ্ষবিন্দু পাইছে বুলি ক'ব পাৰি।

ভাৰতীয় আৰু অসমীয়া সাংস্কৃতিক ক্ষেত্ৰৰ বহুতো পথাৰৰ ওপৰে মোৰ দ্ৰুত ভ্ৰাম্যমান চলিল্যালো, আৰু আপোনালোকেও হয়তো মোক পিছে পিছে খেদি আছিল। ইয়াৰ ভিতৰত সাৰ্থক কিবা কাম্য হলে নাই, আপোনালোকক বিচাৰ কৰিবলৈ দিলো। ইফালে সেই ক্ষেত্ৰ ইমান বিস্তৃত যে মোৰ বাবে দুৰূহ বস্তু এটি হৈ গ'ল—গুৰুদেৱ ৰবীন্দ্ৰনাথৰ ভাষাত অকথিত বাণী, অগীত গান, আৰু বিফল বাসনা-ৰাশি। তথাপি মোৰ এই শত ত্ৰুটি-বিচ্যুত-পূৰ্ণ অভিভাষণ সামৰিবৰ লাগিল প্ৰথম কাকতি স্মাৰক বক্তৃতাবলীৰ শেষত ডক্টৰ চেটাৰ্জীয়ে উচ্চাৰণ কৰা মন্ত্ৰটিৰে—

জয় কামৰূপ, জয় ভাৰত।



# বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ

**অভ্যৰ্থনা সমিতিৰ সভ্যসকল, প্ৰতিনিধি বন্ধুসকল আৰু উপস্থিত ভদ্ৰমহিলা আৰু ভদ্ৰ মহোদয়সকল**

আপোনালোকে অসম সাহিত্য সভাৰ [illegible] বছৰ এই ৩৪তম অধিৱেশনত বুৰঞ্জী শাখাৰ সভাপতি হিচাবে এই অভাজনক মনোনীত কৰি যি সন্মান কৰিছে তাৰ বাবে আপোনালোকে মোৰ আন্তৰিক কৃতজ্ঞতা গ্ৰহণ কৰিব। সঁচা কথা কবলৈ গলে অসমৰ সাংস্কৃতিক বুৰঞ্জীৰ মোৰ [illegible] নাই বুলি কব [illegible] হয়। তথাপি আপোনালোকে মোক [illegible] পদ [illegible] একমাত্ৰ কাৰণ মোৰ প্ৰতি থকা আপোনালোকৰ মৰম আৰু শুভেচ্ছা। মোৰ অতি সীমাবদ্ধ ক্ষমতা আৰু একপ্ৰকাৰ বিক্ষিপ্ত প্ৰচেষ্টাৰ এই সুমহান আৰু সুপ্ৰাচীন দেশখনৰ বিশাল বুৰঞ্জীৰ মাত্ৰ এটি অংশৰ—ইয়াৰ আধুনিক অংশৰ—কোনো কোনো শাখাৰহে অধ্যয়ন আৰু অনুশীলন যৎকিঞ্চিৎ সম্ভৱ হৈছে। অৱশ্যে বুৰঞ্জীৰ ঐক্যলৈ আওকাণ কৰি আংশিক দৃষ্টিৰে বুৰঞ্জীৰ সত্য অনুধাৱন কৰিবলৈ বিচৰা বৰ যুক্তিসঙ্গত নহয়। কিন্তু বুৰঞ্জীক খণ্ড খণ্ডকৈ ভাগ কৰি দেখুওৱা নীতি হিচাবে অযৌক্তিক হলেও অধ্যয়ন অধ্যাপনা আৰু গৱেষণাৰ সুচলৰ অৰ্থে সেয়ে বৰ্ত্তমান ৰীতি হৈ পৰিছে।

নতুন যুগৰ সূচনা—পোনতে এটি সামান্য সতৰ্ক বাণীৰে মোৰ এই সৰু অভিভাষণখনি আপোনালোকৰ ওচৰত নিবেদন কৰিব খুজিছোঁ। জাতীয় জীৱনৰ যি কাল ছোৱা আমি সম্প্ৰতি অতিবাহিত কৰিবলৈ ধৰিছোঁহঁক সেই কাল ছোৱা নানা ভাবে সঙ্কটপূৰ্ণ

আৰু জটিল সমস্যাৰে ভৰপুৰ হোৱাৰ কথা আপোনালোক সকলোৱে জানে। আমাৰ চকুৰ আগত এখনি পুৰণি সমাজ আৰু পুৰণি আদৰ্শৰ ঠাইত নতুন সমাজ আৰু নতুন আদৰ্শ গঢ়লৈ উঠিব ধৰিছে। স্বাধীনতা পোৱাৰ পিচত এতিয়া দেশৰ কোটি কোটি নৰনাৰীৰ ভবিষ্যত সুখ আৰু সমৃদ্ধিৰ যি আশা আৰু আকাংক্ষা জগাই তোলা হৈছে আমি তাৰ ভাগ লৈছো আৰু আন ফালে কোটি কোটি লোকৰ অভাৱ নোৱাৰা দুখ-দুৰ্গতিৰ বাবে যি হতাশাৰ সৃষ্টি হৈছে তাৰো ভাগ লৈছো। দেশে স্বাধীনতা পোৱাৰ কুৰি বছৰো সম্পূৰ্ণ হোৱা নাই। স্বাধীনতাৰ পিচৰ পৰিবৰ্ত্তন সূচক এই কাল ছোৱা ভবিষ্যত বুৰঞ্জী লিখকে এক নতুন যুগৰ সূচনা বুলিয়ে মন কৰিব। ইতিমধ্যে বৈদেশিক আক্ৰমণে দেশবাসীক এই কথাকে সোঁৱৰাই দিছে যে পৰাধীনতাৰ শৃংখলৰ পৰা দেশ মুক্ত কৰিবলৈ যি ত্যাগ আৰু সাধনাৰ আৱশ্যক হৈছিল দেশৰ স্বাধীনতা ৰক্ষা কৰিবলৈ তাতোকৈ বেছি ত্যাগ আৰু সাধনা, বেছি ঐক্যবদ্ধ যত্ন আৰু দৃঢ়তাৰ আৱশ্যক। আভ্যন্তৰীণ ক্ষেত্ৰত প্ৰতিক্ৰিয়াশীল আৰু বিভেদকামী শক্তিসমূহে সময়ে সময়ে দেশৰ ভবিষ্যত অনিশ্চিত কৰি তোলাৰ আশংকাও নোহোৱাকৈ থকা নাই। এফালে জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে এক বিৰাট ঐক্যবদ্ধ জাতি গঠনৰ গণতান্ত্ৰিক প্ৰচেষ্টা, আনফালে মধ্য যুগৰ উপযোগী ধৰ্ম্ম বিশ্বাসৰ বা আন সংকীৰ্ণ মতবাদৰ ভীতি সূচক অস্ফালন, নাইবা উপজাতীয় বা উপদলীয় সংহতিৰ স্বাতন্ত্ৰ্য আৰু স্বাধীনতাৰ হাবিয়াস। ইতিহাসৰ এক অভূতপূৰ্ব্ব সন্ধিক্ষণত নানা বাধা বিঘিনি অতিক্ৰম কৰি দেশে প্ৰগতিৰ পথত আগুৱাই যাব লগাত পৰিছে। লগতে এই কথাও আমাৰ সকলোৱে হৃদয়ঙ্গম হোৱা উচিত যে পুৰণি ঐতিহ্যৰ ভিত্তিতেই নতুন নিৰ্ম্মাণৰ পথ বাছি লব লাগিব। কাৰণ সেই জাতিয়েহে পৃথিৱীত ডাঙৰ হয় যি জাতিৰ এক গৌৰৱময় প্ৰাচীন ঐতিহ্য আছে আৰু সেই ঐতিহ্য জীয়াই ৰাখিবলৈ জাতিৰ

প্ৰাণত অদম্য হেপাহ আছে। আজি জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতে ৰাজনীতিৰেই প্ৰাধান্য দেখিবলৈ পোৱা যায়। কিন্তু ক্ষমতাৰ মোহত পৰি সাময়িক সুযোগ লাভৰ হেপাহত ৰাজনীতিবিদ সকলে যদি বুৰঞ্জীৰ নির্দ্দেশ মানিবলৈ অপাৰগ হয় কিম্বা দেশৰ গতিহে পাহৰি যায় তেনেহলে বুৰঞ্জীয়ে তেওঁবিলাকক ক্ষমা নকৰিব। মানৱ সমাজৰ প্ৰগতি সূচক আৰু প্ৰগতিৰ বিৰোধী শক্তি সমূহৰ ক্ৰিয়া প্ৰতিক্ৰিয়াৰ বিৱৰণী বুৰঞ্জীয়ে বহন কৰি আনে। ভৱিষ্যতৰ পথ দেখুৱাত বুৰঞ্জীৰ কাৰ্য্য সেই কাৰণে স্পষ্ট নহ'ব কৰিব পাৰে।

বুৰঞ্জীৰ সতর্ক বাণী। সাহিত্য আৰু বুৰঞ্জীৰ সম্পৰ্ক অতি ঘনিষ্ঠ। দেশ আৰু জাতিৰ গৌৰৱ কীৰ্ত্তি সাহিত্যত ৰূপায়িত হয়। বুৰঞ্জীৰ সমল যোগাৰ ক্ষেত্ৰত সাহিত্যৰ দান সেই কাৰণে যথেষ্ট বেছি। আমাৰ দেশৰ প্ৰাচীন সাহিত্যতো সেই একে কথাই খাটে। যি সকলে ৰাজনীতি আৰু সমাজ নীতিৰ যোগে দেশ আৰু জাতিৰ মঙ্গল সাধন কৰিবলৈ বিচাৰে সিবিলাকৰো সাহিত্য আৰু সংস্কৃতিৰ উপযুক্ত জ্ঞান থকা আৱশ্যক। নহলে সিবিলাকৰ কার্য্য কলাপ সঙ্গতিবিহীন হোৱাৰ আশঙ্কা থাকে আৰু আচলতে তেনে সঙ্গতি বিহীন কার্য্য কলাপ আজি কালি বহু ক্ষেত্ৰত দেখিবলৈ পোৱা যায়। দেশৰ নেতৃত্ব কৰা লোকসকলে মনত ৰখা উচিত যে তেওঁলোকৰ 'বর্ত্তমান' এদিন 'অতীত'ত পৰিণত হব আৰু তেওঁবিলাকৰ কৃতকর্ম্ম হয় বিস্মৃতিৰ অতল গর্ভত লীন হব আৰু নহলে বুৰঞ্জীৰ পাতত জীয়াই থাকি তেওঁ বিলাকৰ দুষ্কৃতি নাইবা সুকৃতিৰ সাক্ষ্য বহন কৰিব। আৰু এটা কথা, বুৰঞ্জীক ৰাজনীতিৰেই লগৰীয়া বুলি গণ্য কৰা দৃষ্টি-ভঙ্গী এটাও নোহোৱা নহয়। কিন্তু বুৰঞ্জীৰ এই দৃষ্টি-ভঙ্গী অর্থাৎ বুৰঞ্জী যে অতীতৰ ৰাজনৈতিক ঘটনাবলীৰহে বিবৰণী কিম্বা শাসক শ্ৰেণীৰ জয়-পৰাজয়ৰহে কাহিনী এতিয়া আৰু ঠাই নাই। বুৰঞ্জীয়ে এতিয়া বিচাৰে

দেশৰ ৰাজনৈতিক ভাৱধাৰা আৰু ৰাজনৈতিক উন্নতিৰ লগে লগে জন সমাজৰ সামাজিক অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনৰ এটা সম্পূৰ্ণ চিত্ৰ দিবলৈ। অন্যান্য বহুখিনি বেসামৰিক ক্ষেত্ৰতো গণতন্ত্ৰ সন্মত এই লক্ষ্য আগত ৰখা দৰ্শান।

বুৰঞ্জীৰ নিমাত সাক্ষী সিন্ধু আৰু গঙ্গা নদীৰ উপত্যকাত গঢ়ি উঠা প্ৰাচীন ভাৰতীয় সভ্যতাৰ দৰে মহাবাহু ব্ৰহ্মপুত্ৰৰ উপত্যকাতো কোনোবা সুদূৰ অতীতত এটা স্বকীয় সভ্যতা গঢ়ি উঠি কালক্ৰমত আৰ্য্য হিন্দু সভ্যতাৰ লগত মিলি গৈছিল বুলি বা আদিম প্ৰস্তৰ যুগৰ মানৱ মানুহ এই ঠাইত বাস কৰিছিল বুলি আজিলৈকে কোনো প্ৰমাণ পাবলৈ পোৱা নাই। বৈজ্ঞানিক পদ্ধতিৰে বিস্তৃত ভাবে তেনে কোনো খনন কাৰ্য্য অসমত আজিলৈকে অনুষ্ঠিত হোৱা নাই। কিন্তু দেশখনৰ কেউফালে মঠ-মন্দিৰ, পুতা গড়ৰ, দেৱালয় দেব-দেবীৰ মূৰ্ত্তি আৰু আন নানা ভগ্নাৱশেষ অতীত মানৱৰ কীৰ্ত্তিৰ নিমাত সাক্ষী হৈ এনেভাৱে সিঁচৰতি হৈ পৰি আছে যে দেখিলে স্বভাৱতে জানিবলৈ ইচ্ছা হয় এই বিলাক কাৰ কীৰ্ত্তি আৰু কেতিয়াৰ। কৌতূহল পূৰ্ণ মনৰ অনুসন্ধিৎসা আৰু জ্ঞান লিপ্সাৰ ফলতেই জ্ঞানৰ পৰিসৰ বৃদ্ধি পায়, নিমাত সাক্ষীযো নিগূঢ় তথ্যৰ সন্ধান দিব পৰা হয়। যোৱা পঞ্চাশ বছৰৰ ভিতৰত বুৰঞ্জীৰ গৱেষণা ক্ষেত্ৰত ভাৰতীয় বুৰঞ্জীবিদ সকলে গৱেষণাৰ নতুন নতুন পথ বিচাৰি উলিয়াই বহু নতুন তথ্যৰ সমাবেশ কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ ফলত ঊনৈশ শতিকাত ভাৰতৰ বুৰঞ্জী আৰু সংস্কৃতি চৰ্চ্চাৰ হকে আগবঢ়া হৈ পাশ্চাত্য পণ্ডিত সকলে যি বহুমূলীয়া অবদান বিলাক দিলে আধুনিক সমালোচনাৰ দৃষ্টিৰে চালি-জাৰি চাই আৰু নতুন সমলৰ ভিত্তিত সেই বিলাকৰ ওপৰতো নতুন আলোকপাত কৰা সম্ভৱ হৈ উঠিছে। নতুন নতুন গৱেষণাৰ ফলত আঞ্চলিক বুৰঞ্জী বিলাকো পৰিপুষ্ট

হবলৈ সুযোগ পাইছে। তেনে সুযোগৰ পৰা অসমো বঞ্চিত হোৱা নাই, কিন্তু তাৰ সদ্ব্যৱহাৰ আৰু বেছি পৰিমাণে হোৱা উচিত।

**সিন্ধু সভ্যতাৰ নিদৰ্শন** —প্ৰাগ্ বৈদিক সিন্ধু সভ্যতা বা বৈদিক যুগৰ ভাৰতীয় সভ্যতা সম্বন্ধে বহু তথ্য পণ্ডিত সকলৰ সমবেত চেষ্টাৰ দ্বাৰা উদ্ঘাটিত হৈছে আৰু হ'ব ধৰিছে। সিন্ধু সভ্যতা সচাকৈয়ে প্ৰাকঐতিহাসিক বা প্ৰাকবৈদিক হয়নে নহয় সেই সম্পৰ্কেও সম্প্ৰতি কোনো কোনোৱে সন্দেহ প্ৰকাশ কৰিছে। সিন্ধু উপত্যকাৰ সুদূৰ অতীত কালৰ শীলমোহৰ আদিত লিখিত চিত্ৰ লিপিৰ এতিয়াও সম্যকভাৱে আৰু সৰ্ব্বসন্মত পাঠোদ্ধাৰ সম্ভৱ হৈ উঠা নাই—কিন্তু সেই যুগৰ ইয়াৰ অধিবাসী ভাৰতীয় সকলৰ জীৱন নিৰ্ব্বাহ প্ৰণালী সম্পৰ্কে হাজাৰ বিচিত্ৰ আৰু অসংখ্য উপকৰণ ভূগৰ্ভৰ পৰা উদ্ধাৰ কৰা হৈছে। ইতিহাসকৰ সম্যক অনুশীলনৰ দ্বাৰা সিন্ধু উপত্যকাৰ অধিবাসী সকলৰ ধৰ্ম্ম সমাজ, আৰু সংস্কৃতি সম্পৰ্কে এতিয়া [illegible] জানিব পৰা হৈছে। বৈদিক আৰু তাৰ পিছৰ ভাৰতীয় ঐতিহাসিক যুগৰ পৰা সিন্ধু সভ্যতাৰ যি হেজাৰ বা তাতোকৈ বেছি ব্যৱধান থকা বুলি আগতে ঠাৱৰ কৰা হৈছিল, প্ৰত্নতাত্বিক খনন আৰু গৱেষণাৰ ফলত সি ক্ৰমে দূৰীভূত হব ধৰিছে। পঞ্জাবৰ ৰূপৰ নামে ঠাইত মাটিৰ তলত পোৱা হৰপ্পাৰ সমসাময়িক নিদৰ্শনৰে পৰা আৰম্ভ কৰি গুপ্ত আৰু গুপ্তোত্তৰ যুগ পৰ্য্যন্ত বিভিন্ন কালৰ শিল্পকলাৰ নিদৰ্শন পোৱা হৈছে তাৰ পৰা বুজা যায় যে পঞ্জাবৰ এই অংশত প্ৰাগবৈদিক সিন্ধু সভ্যতাৰ দিনৰে পৰা গুপ্ত আৰু তাৰ পিচৰ কাললৈকে ভাৰতবাসী সকলে ক্ৰমান্বয়ে বসবাস কৰিছিল। এই নিদৰ্শন সমূহৰ বেছি ভাগেই মাটিৰ পাত্ৰ বা তাৰ ভগ্নাংশ। বুৰঞ্জী ৰচনাত সাধাৰণ মৃত পাত্ৰৰ টুকুৰা এটাযো যথেষ্ট ৰৰঙণী যোগায়। আচলতে মৃত পাত্ৰৰ শিল্পীয়ে হওক বা ভাস্কৰ্য্য আৰু স্থাপত্যৰ শিল্পীয়ে

হওক অৰ্দ্ধসভ্য আৰু সভ্য মানৱৰ জীৱন ধাৰাৰ লগত নিগূঢ় সম্বন্ধ থকা শিল্প সৃষ্টি কৰি শিল্প প্ৰতিভাৰ পৰিচয় দি গৈছে আৰু সেইবিলাক শিল্পৰ নিদৰ্শন সমূহেই সেই সেই সভ্যতাৰ মাপ-কাঠি হিচাবে পৰিগণিত হৈছে। সুপৰিকল্পিত তথ্যানুসন্ধান আৰু গৱেষণাই এইদৰে আমাৰ ঐতিহাসিক জ্ঞানৰ পৰিসৰ ক্ৰমাৎ বৃদ্ধি কৰিব বুলি আশা কৰিব পাৰি।

বহু জাতিৰ মিলন ভূমি অসম—গৌৰৱ মণ্ডিত আমাৰ এই দেশখন ভাৰতৰ একুকত অৱস্থিত হ'লেও ইয়াৰ সাংস্কৃতিক ঐতিহ্য অতি পুৰণি বুলি বিশ্বাস হয়। আৰ্য্য সভ্যতা আৰু সংস্কৃতিৰ লীলাভূমি ভাৰতবৰ্ষৰ একুকত অৱস্থিত হোৱা গুণেই যে অসমে সুদূৰ অতীতৰ পৰাই আৰ্য্য অনাৰ্য্য মিলন ভূমি হৈ সাংস্কৃতিক বৈশিষ্ট্য লাভ কৰিব পাৰিছিল এই কথাও মন কৰিবলগীয়া। অষ্ট্ৰিক মঙ্গোলীয়, আৰ্য্য, দ্ৰাবিড় প্ৰভৃতি নানা জাতিৰ আৰু নানা কৃষ্টিৰ বহুকাল ব্যাপি সংযোগ আৰু সংমিশ্ৰণৰ কেন্দ্ৰ হিচাবে যে অসমে ৰামায়ণ, মহাভাৰত আদি মহাকাব্যৰ যুগৰে পৰা ভাৰতীয় দৃষ্টি আকৰ্ষণ কৰি আহিছে এই কথা আপোনালোক সকলোৱে জানে। অৱশ্যে তেতিয়া এই দেশ প্ৰাগ্‌জ্যোতিষ বা কামৰূপ নামেহে খ্যাত আছিল। কিন্তু সেই যুগ অতীতৰ দেওনা ঠেলি কিমান দূৰলৈ গৈছে সেই কথাহে আজিও সঠিকভাবে নিৰূপিত হোৱা নাই। কেৱল অসমৰ কিয় সমগ্ৰ ভাৰতবেই প্ৰাচীন ইতিহাসৰ এটি মুখ্য সমস্যা হ'ল—কাল নিৰূপণ। মহাকাব্য মহাভাৰতৰ যুগ খৃষ্ট পূৰ্ব্ব এহেজাৰ বছৰ আগৰ বুলি কোনো কোনো ভাৰতীয় বুৰঞ্জী গৱেষকে ঠাৱৰ কৰে আৰু কোনো কোনো পণ্ডিতে খৃ পূ তিনিহেজাৰ বছৰৰো আগৰ বুলি কব খোজে। ৰামায়ণ তাৰো আগৰ আৰু ঋগ বেদ ৰচনা কাল এওঁবিলাকৰ দ্বাৰা খৃঃ পূ ৬০০০ বছৰলৈকে আগুৱাই নিয়া হৈছে। পাশ্চাত্য পণ্ডিত সকলে থিৰ কৰা মতে ঋগ্‌বেদৰ কাল খৃঃ পূঃ

২৫০০ৰ পৰা ১৭০০ লৈকে। বেদ, উপনিষদ, মহাভাৰত ৰামায়ণ আৰু পুৰাণ আদিত প্ৰাচীন ভাৰতৰ ধৰ্ম্ম, সমাজ, ৰাজনীতি আদিৰ আৰু অসুৰ দৈত্য দানৱ দাস প্ৰভৃতি নামেৰে অভিহিত অন্যান্য জাতিৰ লগত আৰ্য্য সকলৰ সংঘৰ্ষ সংযোগ আৰু সংমিশ্ৰণৰ যি সাক্ষ্য দিয়ে আৰু বহু শতাব্দি ধৰি কেৱল ভাৰতবৰ্ষৰ ভিতৰতে নহয় বাহিৰতো বহু বিস্তৃত লাভ কৰা যি এক বিৰাট সংস্কৃতিৰ উত্থানৰ ইঙ্গিত তালৈ চাই ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ আদিগুৰি যে অতি পুৰণি অৰ্থাৎ পাশ্চাত্য পণ্ডিত সকলে নিৰ্দ্ধাৰণ কৰা সেই সভ্যতাৰ প্ৰাচীন [illegible] বুলি অনুমান কৰিবলৈ [illegible]

অসমৰ মিশ্ৰ সভ্যতা আৰু সংস্কৃতি — [illegible] ভাৰতৰ বাকী [illegible] সম্বন্ধ ঘটি মহা অসমৰো সভ্যতা [illegible] সেই কথা অসমৰ [illegible] উপলব্ধি [illegible] থকা নাই। অসমৰ সংস্কৃতিৰ মৌলিক উপাদান বিলাক হিন্দু বা আৰ্য্য সংস্কৃতিৰ দান। অতীতৰ কোনো এক যুগত আৰ্য্য বা আৰ্য্য ভাবাপন্ন লোকসকল প্ৰথমতে সোমাই এই দেশত আহি ইয়াত বসতি স্থাপন কৰে তেতিয়া ইয়াত আগৰে পৰা থকা লোকসকল সভ্যতাৰ আদি অৱস্থাত আছিল যেন অনুমান হয়। হিন্দু বা আৰ্য্য সভ্যতাৰ সোঁত অসমলৈ বৈদিক যুগতেই বৈ আহিছিল নে তাৰো আগতে এদল আৰ্য্য গোষ্ঠিৰ লোক আহি অসমত সাংস্কৃতিক প্ৰভাব বিস্তাৰ কৰিছিল এই প্ৰশ্নৰ সঠিক মীমাংসা হোৱা টান। কিন্তু অসমৰ প্ৰাগৈতিহাসিক যুগৰ আখ্যান-কাহিনীৰ পৰা, নৰক ভগদত্ত আদি প্ৰাগৈতিহাসিক ৰজা সকলৰ বিবৰণীৰ পৰা অসমত আৰ্য্য সভ্যতা বিস্তাৰৰ প্ৰাচীনত্ব সম্পৰ্কে এক প্ৰকাৰ নিশ্চিত ভু পোৱা যায়। পুৰণি অসমৰ ৰজা সকলৰ হিন্দু নাম গ্ৰহণত, হিন্দু শাসন

ব্যৱস্থাৰ অনুৰূপ শাসন প্ৰবৰ্ত্তন আৰু সংস্কৃত ভাষাক ৰাজকীয় ভাষা হিচাপে গ্ৰহণ কৰাৰ পৰা আমাৰ প্ৰভাৱৰ বিস্তৰ প্ৰমাণ পোৱা যায়। ইয়াৰ অধিবাসী সকলে শৈৱ শাক্ত বৈষ্ণৱ প্ৰভৃতি ভাৰতীয় ধৰ্ম আৰু এনেকি বৌদ্ধ ধৰ্ম্মৰো অনুগামী হৈ পৰে আৰু ভাৰতীয় প্ৰায় সকলো দেৱ দেৱীৰ মূৰ্ত্তিয়ে দেশ ভৰি পৰে। ভাৰতীয় কলাকৃষ্টিৰ প্ৰভাৱ ইয়াৰ ভাস্কৰ্য্য, স্থাপত্য আদিতো প্ৰকাশ পাবলৈ ধৰে। কিন্তু বিশেষ মন কৰিবলগীয়া কথা এই যে অসমৰ প্ৰাচীন অধিবাসী সকলে এই দৰে সম্পূৰ্ণ ধৰ্ম আৰু সভ্যতা আৰু সংস্কৃত গ্ৰহণ কৰিলেও বাস্তৱত ভাৰতীয় হিন্দু আৰু ইয়াৰ প্ৰধান অধিবাসী বড়ো নাইবা এনে অন্য গোষ্ঠী লোকৰ সৈতে ভিতৰত ভাব আৰু আদৰ্শৰ এক [illegible]। সংমিশ্ৰণ সংঘটিত হৈ উঠাৰ ফলত নানা বিষয়ত স্থানীয় বৈশিষ্ট্য লাভ কৰি অসমীয়া সংস্কৃতিয়ে নিজ ৰূপত প্ৰকাশ পাবলৈ সক্ষম হৈছিল। পিছলৈ শাক্ত আৰু তান্ত্ৰিক মতবাদ, প্ৰাচীন বেদ বিচাৰ কামৰূপ কামাখ্যাৰ নাম কেউফালে বিয়পি পৰাটোৰে কোনো বৈশিষ্ট্যৰ ইঙ্গিত দিয়ে। সুৰ সঙ্গীত, ধৰ্ম্ম বিশ্বাস আৰু সামাজিক আচাৰ নীতি আদি নানা বিষয়ত এই সংমিশ্ৰণৰ নিদৰ্শন চিনাকী অসমত আজিও পোৱা যায়। অসমীয়া সংস্কৃতিৰ বিশেষত্ব সেই বাবে সংযোগ আৰু সংমিশ্ৰণত, উদাৰতা আৰু সহনশীলতাত

**অতীতৰ আধুনিক গবেষণা**:—এই সংস্কৃতিৰ গতি আৰু প্ৰকৃতিৰ পূৰ্ণৰূপ নিৰ্ণয়ত আৰু আহোম সকল অহাৰ আগলৈকে অসমৰ অতীত বুৰঞ্জীৰ পুনৰ্গঠনত আধুনিক গৱেষণাই যথেষ্ট সহায় কৰিছে। এই শতিকাৰ আগ ভাগৰ পৰা অসমৰ অতীত গৌৰৱৰ ওপৰত বুৰঞ্জীৰ পোহৰ পেলাবলৈ কেবা গৰাকীয়ো সুপণ্ডিত ব্যক্তিয়ে নিঃস্বাৰ্থ ভাৱে যত্নশীল হোৱা বাবে আজি আমাৰ নিজ দেশৰ

বুৰঞ্জীৰ জ্ঞান বহুখিনি আগ বাঢ়ি গৈছে। অসমত Indology বা প্ৰাচ্য বিদ্যা চৰ্চ্চাৰ প্ৰথম অনুষ্ঠান কামৰূপ অনুসন্ধান সমিতি। এই শতিকাৰ দ্বিতীয় দশকতে প্ৰতিষ্ঠিত হৈ অসম বুৰঞ্জীৰ তথ্য অনুসন্ধান আৰু সঙ্কলনত এই অনুষ্ঠানটোৱে কৃতকাৰ্য্যতা দেখুওৱাৰ উপৰিও শিক্ষিত সমাজৰ মাজত [illegible] প্ৰতি শ্ৰদ্ধা সূচক এটা জাগৰণৰ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল। বুৰঞ্জী চৰ্চ্চাৰ সুচনৰ অৰ্থে তৃতীয় দশকত অসম চৰকাৰে [illegible] পুৰাতত্ত্ব বিভাগ আৰু তাৰ পিচত অসম সংগ্ৰহালয় বা মিউজিয়ম প্ৰতিষ্ঠিত হয়। দেশে স্বাধীনতা লাভ কৰাৰ পিছত [illegible] অসমৰ প্ৰথম বিশ্ববিদ্যালয় আৰু [illegible] বিদ্যালয় স্থাপন হোৱাত [illegible] বুৰঞ্জীৰ [illegible] বৈজ্ঞানিক গৱেষণাৰ সুবিধা ঘটিছে।

[illegible] পদ্মনাথ ভট্টাচাৰ্য্য সম্পাদিত কামৰূপ শাসনাৱলী। [illegible] অসমৰ [illegible] ৰায়বাহাদুৰ কনকলাল বৰুৱাৰ Early History of Kamrup নামৰ গ্ৰন্থই অসম বুৰঞ্জীৰ আদি সোঁৱাল এটি সুসংবদ্ধ চিত্ৰ জগতৰ আগত দাঙি ধৰিবলৈ সমৰ্থ হয়। প্ৰাচ্যবিদ্যামহাৰ্ণব নগেন্দ্ৰ নাথ বসুৰ Social History of Kamrup বা কামৰূপৰ সামাজিক বুৰঞ্জীও বহু তথ্য সম্বলিত এখন উল্লেখযোগ্য গ্ৰন্থ।

ডঃ বাণীকান্ত কাকতীৰ The Mother Coddess Kamakshya (মাতৃদেৱী কামাখ্যা) Vishnuite Myths & Legends নামৰ গ্ৰন্থত পুৰণি অসমৰ ধৰ্ম্ম বিশ্বাস আৰু পূজা পাতল সম্পৰ্কীয় আলোচনাত সংশ্লিষ্ট বিষয়ৰ আৰু অধিক গৱেষণাৰ আৱশ্যকতালৈ আঙুলিওৱা হৈছে। অসমৰ সাংস্কৃতিক ঐতিহ্যৰ ইতিহাসলৈ এটা মুখ্য অৱদান ড বিৰিঞ্চি কুমাৰ বৰুৱাৰ Cultural History of

Assam (Vol I সুবিখ্যাত ঐতিহাসিক পণ্ডিত নীলকণ্ঠ শাস্ত্রীয়ে ড প্ৰতাপ চৌধুৰীৰ History of the Civilization of the People of Assam নামৰ মূল্যবান গ্ৰন্থটিকও ড বৰুৱাৰ কিতাপৰ অধিক প্ৰশংসা কৰিছে। শেষোক্ত গ্ৰন্থ সিদ্ধান্তবোৰক সম্ভাবনাই বেছি ঠাই পাইছে যেন অনুমান হয়। ইয়াৰ বাহিৰেও অসমৰ ঐতিহ্যৰ ওপৰত বহু প্ৰবন্ধাদি ঐতিহাসিক আৰু আন আলোচনী আদিত প্ৰকাশ পাইছে। প্ৰাচীন ভাৰতৰ সংস্কৃতি আৰু ইতিহাস লৈ নতুন গৱেষণাৰ পথ পণ্ডিত সকলে বিচাৰি উলিয়াইছে আৰু তেওঁলোকৰ শ্ৰম আৰু গৱেষণাৰ নতুন নতুন তথ্য সম্ভাৰ পোহৰলৈ আনিবলৈ সক্ষম হৈছে। অসমত গৱেষণাৰ অনুষ্ঠান থাকিলেও সিহঁতৰ কাৰ্য্যকৰী বেছি নাই আৰু গৱেষকৰ সংখ্যাও অতি তাকৰ। বৰ্ত্তমান অসমৰ কলেজসমূহত অধ্যাপনা কৰি থকা শিক্ষক সকলে আৰু এক্ষেত্ৰত থকা ছাত্ৰসকলে ঐতিহাসিক অনুসন্ধান আৰু গৱেষণাৰ প্ৰতি আগ্ৰহী হ'লে দেশৰ মঙ্গল হব।

প্ৰাচীন সাহিত্যত বুৰঞ্জীৰ সন্ধান—বুৰঞ্জী সম্পৰ্কত অসমৰ চহকী। আহোম আৰু আন বুৰঞ্জী চৰ্চাৰ কাৰণে অসমত যথেষ্ট সামগ্ৰী পোৱা যায়। সেই কথা কৰ নোৱাৰি। প্ৰাচীন ভাৰতীয় সকলৰ পৰা সেই সময়ৰ প্ৰাচীন অসমীয়া সকলেও বুৰঞ্জী লিখা প্ৰথা নাছিল বুলি কোৱা হয়। কিন্তু প্ৰাচীন শাস্ত্ৰকাৰ সকলে ইতিহাসক পঞ্চম বেদ মৰ্য্যাদা দি এই বিদ্যা ব্যাপক সংজ্ঞা নিৰ্দ্দেশ কৰিছিল। ইতিহাসৰ এনেকুৱা মৰ্য্যাদা দিও সেই যুগৰ পণ্ডিত সকলে ইতিহাস ৰচনাত প্ৰচাৰকৰ উদাসীনতা দেখুৱাইছিল নেকি? আধুনিক বুৰঞ্জীবিদ সকলৰ বহুতৰেই ধাৰণা মহাকাব্য পুৰাণাদিত বৰ্ণিত বিষয়সমূহ কল্পনা-প্ৰসূত। ইয়াৰ ভিতৰত সত্যানুসন্ধানৰ চেষ্টা বৃথা। আন হাতে আধুনিক কোনো কোনো

বুৰঞ্জীৰ তথ্য অনুসন্ধানকাৰী ব্যক্তিয়ে উক্ত গ্ৰন্থ সমূহত বৰ্ণিত ৰজা আৰু বীৰত্বৰ কাহিনীৰ সত্য নিৰ্ণয়ত আৰু মুখ্য ব্যক্তি সকলৰ প্ৰাদুৰ্ভাৱৰ কাল ইত্যাদিৰ দৰে তাৰিখ নিৰূপণত অতি [illegible] যত্নশীল হৈ পৰা দেখা গৈছে। প্ৰাচীন ইতিহাসৰ সুবিজ্ঞ অধ্যাপক ড জিতেন্দ্ৰ নাথ বন্দোপাধ্যায়ৰ মতে এই কাৰণে [illegible] বুৰঞ্জীৰ প্ৰকৃত স্বভাৱৰ প্ৰতি সুবিচাৰ কৰা নাই। বুৰঞ্জী ব্যক্তি বিশেষৰ বা তেওঁৰ আভিজাত্য বংশৰ বিৱৰণী মাথোন নহয় ৰাজনৈতিক সামাজিক, ধৰ্ম্মনৈতিক তথা সাংস্কৃতিক জীৱনৰ সৰ্ব্বাংশ ব্যাপী জাতিৰ ইতিহাসৰ পটভূমিকা বিস্তৃত। সমাজগত জাতিগত [illegible] বুৰঞ্জীৰ সম্বন্ধ [illegible] ইয়াত ব্যক্তি সমষ্টিৰ প্ৰতীক মাথোন। অৱশ্যে জাতীয় জীৱনৰ বা পৰ্ণাঙ্গ ইতিহাসত ব্যক্তিৰ দান উপেক্ষা কৰিব নোৱাৰি। বিভিন্ন যুগৰ বিভিন্ন ব্যক্তিৰ প্ৰবৰ্ত্তিত চিন্তা আৰু কৰ্ম্মৰ দ্বাৰাই জাতীয় ইতিহাস গঠিত আৰু পৰিপুষ্ট হয় [illegible] দুটি উদাহৰণলৈ চাওক। মহাত্মা গান্ধী, [illegible] নেতাসকলে ভাৰতৰ জাতীয় জীৱনত [illegible] পৰিৱৰ্ত্তন আনিলে পৰাধীন দেশখনক শিপ্ৰগতিৰে স্বাধীনতাৰ পথত আগবঢ়াই নিলে সেই কথা আজি সমগ্ৰ জাতিৰ শ্ৰদ্ধাৰ বিষয় হৈছে। [illegible] এসময়ত মত কৰি চালেও সেই দেশৰ দৃষ্টান্ত পোৱা যায়। শ্ৰীশঙ্কৰদেৱৰ চিন্তাধাৰা আৰু কৰ্ম্মপ্ৰণালী যদি [illegible] কৰি নদিয়ালৈকে এই সুবিস্তৃত ভূভাগৰ সমগ্ৰ সমাজ জীৱনত মধ্যযুগীয় বিশৃঙ্খলা আৰু ব্যভিচাৰৰ অন্ত পেলাই নৱ [illegible] ধৰ্ম্মৰ প্ৰভাৱ পেলালে তাৰ সুফল অসমীয়া জাতিয়ে আজি পাঁচশ বছৰৰো ওপৰ কাল ভোগ কৰি আহিছে। কিন্তু ভাৰতৰ আৰু প্ৰাচীন যুগৰ বুৰঞ্জীক ৰূপদান কৰা মহাপুৰুষ সকল [illegible] আৰু পুৰাণাদি গ্ৰন্থ এক প্ৰকাৰ নৈৰ্ব্যক্তিক আদৰ্শবাদৰ ভিত্তিত চিত্ৰিত হৈছিল। আধুনিক কালৰ বুৰঞ্জীৰ মানদণ্ডৰ সহায়ত তেওঁবিলাকৰ আখ্যান বিলাক বিচাৰ কৰা

বোধ হয় সঙ্গত নহয়। কিন্তু সেই কাহিনী বিলাকৰ পাৰিপাৰ্শ্বিক হিচাবে দেশৰ সমাজ ধৰ্ম্ম আৰু সংস্কৃতিৰ যি ঐতিহাসিক উপাদান এই বিলাক সাহিত্যত সিচৰিত হৈ পৰি আছে, সেই বিলাক উপে- ক্ষাৰ বস্তু নহয়। এই বিলাক উপাদানৰ সহায়তেই দেশৰ আৰু জাতিৰ ইতিহাস ৰচিত হব পাৰে। লব্ধ প্ৰতিষ্ঠ ঐতিহাসিক ড° ভি, এছ, আগৰৱালে পানিনিৰ সুত্ৰবিলাক অবলম্বন কৰি 'পানিনিৰ ভাৰত' নামক গ্ৰন্থত খ্ৰীষ্টপূৰ্ব্ব পঞ্চম শতিকাৰ ভাৰতৰ এটা সুস্পষ্ট চিত্ৰ আঁকিবলৈ সমৰ্থ হৈছে। সাহিত্য আৰু তথ্যৰ ব্যাখ্যাত ভাস্কৰ্য্যৰ নিদৰ্শনে শিলালিপি মুদ্ৰা আৰু জনশ্ৰুতিয়ে কেনেকৈ সহায় কৰিব পাৰে ড° আগৰৱালে তাৰো পন্থা দেখুৱাইছে। এই দৰে আমাৰ দেশৰ মনীষি সকলে আজি কালি বিলাক ভাৰতীয় প্ৰাদে- শিক ইতিহাস ৰচনা কৰিছে আৰু এনেকুৱা ইতিহাস ৰচনাৰ ঐতিহাসিক দৃষ্টি ভঙ্গী সমালোচিত হৈ উঠিছে। এই ভাবেই ৰচিত হব ধৰিছে ভাৰতীয় ইতিহাস ভাৰতবাসীৰ ইতিহাস, অসমৰ ইতিহাস আৰু অসমৰ সাংস্কৃতিক ইতিহাস বা অসমীয়াৰ ইতিহাস। আৰু এনে ধৰণৰ গ্ৰন্থ ৰচনাৰ বিভিন্ন পৰ্য্যায়ভুক্ত সাহিত্যই যোগান ধৰা উপাদান উপৰি অসমৰ অসংখ্য শিলা বা তাম্ৰলিপি মঠ মন্দিৰ আৰু মুদ্ৰা প্ৰভৃতি নিদৰ্শন মৌলিক আৰু পৰিপূৰক উপাদান হিচাপে ব্যৱহৃত হৈছে। পুৰাণাদিৰ বাহিৰেও অসমৰ প্ৰাচীন সাহিত্যই অসমৰ অতীতৰ ওপৰত পোহৰ পেলোৱাত যথেষ্ট সহায় কৰিছে। অৱশ্যে ১৩শ শতিকাৰ আগৰ কোনো অসমীয়া বা কামৰূপীয় সাহিত্য এতিয়ালৈকে পোৱা হোৱা নাই। কিন্তু সময়ত তাতোকৈ পুৰণি সাহিত্যৰ নিদৰ্শনো ওলাব পাৰে।

স্বৰ্গীয় চন্দ্ৰনাথ পানিকৰৰ ওচৰত চীনৰ দাৰ্শনিক এজনে অভি- যোগ তুলিছিল যে ভাৰতীয় ইতিহাসৰ পাঠ্য গ্ৰন্থ সমূহ পঢ়িলে টেলিফোন ডাইৰেক্টৰী পঢ়া যেন লাগে। কেৱল ৰাজনামা আৰু

সময়ৰ নিৰ্ঘণ্ট আভ্যন্তৰীণ সম্পৰ্ক বিহীন কিছুমান বিৱৰণী। অতি-ৰঞ্জিত হলেও এই অভিযোগ কিছু পৰিমাণে যে সঁচা প্ৰাচীন ভাৰতীয় ইতিহাসত গৱেষণাৰত বুৰঞ্জীৰ ছাত্ৰ মাত্ৰেই স্বীকাৰ কৰিব। অসমৰ ক্ষেত্ৰতো সেই একে কথা। ভাৰতীয় কলা শিল্প আদিৰ গৱেষক [illegible] চন্দ্ৰই কৈছিল যে লিখিত বুৰঞ্জী নথকাত প্ৰাচীন ভাৰতীয় বা প্ৰাদেশিক [illegible] খোদিত লিপি, তাম্ৰ শাসন প্ৰচাৰ মুদ্ৰা বা লিখিত বিশ্বাস (tradition)ৰ ওপৰত নিৰ্ভৰ কৰিবলৈ প্ৰয়োজন [illegible] প্ৰকৃত বুৰঞ্জী বিষয়ক কথা আছে বুলি কব নোৱাৰি। [illegible] ভাৰতৰ প্ৰাচীন ইতিহাস ৰক্ত-মাংসহীন [illegible] চন তাৰিখ আৰু যুদ্ধ বিগ্ৰহৰ বোৱা [illegible] ভাৰতীয় সমাজৰ বিকাশমূলক সূত্ৰ বিচাৰি [illegible] আৰু [illegible] হলে ভাৰতীয় ইতিহাস সম্পূৰ্ণ হব নোৱাৰে।

বুৰঞ্জীৰ সমস্যা [illegible] আৰু বুৰঞ্জী ৰচনাৰ ত্ৰুটি বিচাৰ [illegible] বুৰঞ্জীবিদ সকলে নতুন নতুন গৱেষণাৰ পথ দেখুওৱাৰ কথা আগতে কোৱা হৈছে। কিন্তু যি কোনো [illegible] পাছতেই বুৰঞ্জীৰ শেষ কথা কৈ দিয়া টান। বিশেষকৈ [illegible] অভাৱ থাকে আৰু পুৰণিৰ ওপৰত নতুন [illegible] আৱশ্যক থাকে। বুৰঞ্জীৰ সমস্যা [illegible] উদয় হয় আৰু সিবিলাকৰ সমাধান কল্পে বিভিন্ন ঐতিহাসিকৰ বিভিন্ন পথ অনুসৰণ কৰি ভিন্ন [illegible] উপনীত হব পাৰে। অসমৰ ইতিহাসতো বহুত সমস্যা অধিকতৰ গৱেষণাৰ [illegible] পাৰে। তাৰে দুই এটালৈ ইয়াত [illegible] হব। অসমৰ প্ৰাগ ঐতিহাসিক যুগ ঘোৰ অন্ধকাৰ [illegible] কৰি নৰকাসুৰ, ভগদত্ত বাণ প্ৰভৃতি যি সকল পৌৰাণিক বা জনশ্ৰুতিৰ ৰজাৰ নাম পোৱা যায় সিবিলাকৰ

আখ্যান বাবত বেগা ঐতিহাসিক সত্য লুকাই আছে সেই বিষয়ে কোনো বিশ সিদ্ধান্তলৈ তেওঁলোক আহিব নোৱাৰিব। নৰকাসুৰ এজন নে কেইজনমান নাথাকিব উপাসনা প্ৰবৰ্ত্তক নৰকাসুৰ কোন জন, পিছৰ ঐতিহাসিক ৰজাৰ নাম বৰ্ম্মণ, শালস্তম্ভ আৰু পালবংশীয় ৰজাসকলে দিয়া তাম্ৰ শাসন বিলাকত নিজ নিজ বংশক নৰক-ভগদত্ত ৰ বংশৰ মূল কোৱাৰ কাৰণ কি হব পাৰে, আৰু নৰক ভগদত্তৰ ঐতিহাসিকতা ইয়াৰ দ্বাৰাও প্ৰমাণ হয় নে কি এই বিষয়ৰ প্ৰশ্নৰ সম্পূৰ্ণ সমাধান পোৱা হোৱা নাই। বাণৰ উপাখ্যান ভাৰতৰ অইন ঠাইত প্ৰচলিত আৰু মধ্যপ্ৰদেশৰ শোণিতপুৰ নামে ঠাইক বাণৰ ৰাজধানী বুলি কোৱা হয়। তেজপুৰ ... পাওঁতাই বাণাসুৰক এটি ... বাণৰ ৰাজধানী বুলি প্ৰমাণ কৰিবলৈ ... কামৰূপ ... আৰু শাক্ত ধৰ্ম্মৰ ... বৰ্ণনা কৰা হয়। এই বিষয়ে আৰু অনুসন্ধান কৰিব লাগে। ... ধৰ্ম্মবিশ্বাসৰ আদি-স্থিতি সম্পৰ্কে ... বহু কথা আছে।

ঐতিহাসিক যুগৰ 'প্ৰাগজ্যোতিষৰ ... ৰজা' বুলি খ্যাত কনৌজৰ হৰ্ষবৰ্দ্ধনৰ সমসাময়িক প্ৰশস্তিত কুমাৰ ভাস্কৰবৰ্ম্মাৰ ৰাজত্ব শেষ হোৱাৰ পাছত শালস্তম্ভ বংশৰ উত্থানলৈকে এই ছোৱা কালৰ বৰ্ণনা পোৱা নাযায়। ভাস্কৰবৰ্ম্মা ... গৌড়ৰ ৰজা শশাঙ্কক পৰাজয় আৰু ... সম্পৰ্কেও কোনো কোনো ঐতিহাসিক সন্দেহ তুলিছে। আকৌ শালস্তম্ভ বংশৰ কেনেকৈ ... আৰু পাল বংশৰ উদ্ভব হ'ল তাৰো ঐতিহাসিক সন্ধান বিচৰা উচিত। পাল ৰাজ্য ভাঙি যোৱাৰ পৰা আহোম সকলৰ অভ্যুত্থানলৈকে এই অন্ধকাৰ সময় ছোৱাৰ ওপৰতো বৰ বেছি পোহৰ পৰা নাই যি সময় ছোৱাৰ ভিতৰত

প্ৰাচীন অসমৰ লগত মধ্যযুগীয় অসমৰ সাংস্কৃতিক আৰু ৰাজনৈতিক সম্বন্ধ ছিন্ন হৈ পৰিছিল। বৰ্মতাপুৰৰ ৰজাসকলক লৈযো কিছুমান সমস্যা আছে। ছুটিয়া, বাৰভূঞা আৰু মটক মোৱামৰীয়া প্ৰভৃতিৰ বুৰঞ্জীতো গবেষণাৰ ঠাই আছে।

মধ্যযুগৰ বুৰঞ্জী সাহিত্য—অসমৰ বুৰঞ্জী সম্পদ যেনে সমৃদ্ধিশালী বুৰঞ্জী সাহিত্যও তেনে বৈশিষ্ট্যপূৰ্ণ। বুৰঞ্জী সাহিত্য বুলিলে আহোম যুগত আহোম ৰজা আৰু ডা-ডাঙৰীয়া সকলৰ নিৰ্দ্দেশত প্ৰণীত হোৱা আহোম ৰাজত্বৰ বিবৰণী থকা ঐতিহাসিক গ্ৰন্থসমূহক বুজায়। মধ্যযুগৰ বা আহোম যুগৰ বুৰঞ্জী গ্ৰন্থসমূহে ভাৰতৰ ভিতৰতে অসমক এক মৰ্য্যাদাপূৰ্ণ স্থান দিয়া বুলি সমৰ্থ ঐতিহাসিক সকলে স্বীকাৰ কৰিছে। টাইজাতীয় আহোম সকলৰ চোৱা বুৰঞ্জী জ্ঞানে তেওঁলোকৰ ৰাজকাৰ্য্য নিৰ্ব্বাহত আৰু ৰাজনীতি বিকাশত যথেষ্ট পৰিমাণে সহায় কৰিছিল। সদীৰ্ঘ ছশ বছৰীয়া আহোম ৰাজত্বৰ ধাৰাবাহিক বিবৰণী এই বুৰঞ্জী বিলাকত পোৱা যায়। অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক নব-নিৰ্ব্বাণত আহোম সকলে যি অমূল্য বৰঙণি যোগাইছিল প্ৰথমে আহোম ভাষাত আৰু পিছলৈ অসমীয়া ভাষাত ৰচিত হোৱা এই বুৰঞ্জী বিলাকে সমযে মহিৰ নোৱাৰাকৈ তাৰ সাক্ষ্য বহন কৰিছে আহোম সকলৰ লগত সম্বন্ধ ঘটা চুবুৰীয়া ৰাজ্য যেনে মণিপুৰ, জয়ন্তীয়া আৰু ত্ৰিপুৰাৰ ওপৰত দাঁতি কাষৰীয়া পৰ্ব্বত্য জাতিবিলাকৰ ওপৰত আৰু আহোমৰ লগত কূটনৈতিক আৰু ৰাজনৈতিক সম্পৰ্ক হোৱা বঙ্গ আৰু দিল্লীৰ মুছলমান শাসকসকলৰ ওপৰতো এই বুৰঞ্জী বিলাকে কৌতুহল সূচক পোহৰ পেলায়।

ভাষা আৰু সাহিত্যৰ ফালৰ পৰাও এই বুৰঞ্জী বিলাকৰ মূল্য বহুত। মধ্যযুগৰ বৈষ্ণৱ সাহিত্যৰ ৰীতি আৰু বুৰঞ্জী সাহিত্যৰ ৰীতিৰ ভিতৰত পাৰ্থক্য থাকিলেও এই দুয়োটাই অসমীয়া ভাষাৰ

ক্ৰমবিকাশৰ গতি অনুসৰণ কৰাত সহায় কৰে। বুৰঞ্জীৰ ভাষা প্ৰাঞ্জল আৰু ই কথিত ভাষাৰ পৰা বেছি পৃথক নহয়। এজন যোগ্য সমালোচকে কৈছে, 'বৈষ্ণব গদ্য কৃত্ৰিম আৰু সংস্কৃত প্ৰধান, কিন্তু বুৰঞ্জীৰ ভাষা অসমীয়া জতুৱা ঠাচৰ। তৎসম শব্দৰ প্ৰয়োগ কম।' সম্ভৱত ৰাজসভাৰ পৰিবেশত ৰচনা কৰা বাবেই বুৰঞ্জীৰ গদ্য অধিক প্ৰাঞ্জল হ'ল আৰু কথিত ভাষাৰ ওচৰ চাপিল। বুৰঞ্জীৰ গদ্যৰ ঐতিহ্যকে সমুখত লৈ সম্ভৱতঃ 'অৰুণোদয় যুগৰ ভাষাই গঢ় ললে, তালৈকে লক্ষ কৰিলে দেখা যায় এই দুযোটাৰ মাজত বিকাশৰ কালৰ পৰা এটি যোগ-সূত্ৰ আছে।'

**অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ** অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে স্বৰ্গীয় ড সূৰ্য্যকুমাৰ ভূঞাৰ পৰিচালনাত কেবা-খনো মূল্যবান আহোম বুৰঞ্জী সুযোগ্য সম্পাদনাৰে সৈতে প্ৰকাশ কৰি ইবিলাকৰ ঐতিহাসিক মূল্যলৈ সুধী সমাজৰ দৃষ্টি আকৰ্ষণ কৰিছিল। তাৰ উপৰি ড ভূঞাই আহোম যুগৰ ওপৰত কেবাখনো মূল্যবান গ্ৰন্থ লিখি আহোম শাসনৰ আৰু আহোমৰ দিনৰ বহু তথ্য পোহৰলৈ আনি আমাৰ বুৰঞ্জী জ্ঞান বঢ়োৱাত সহায় কৰিছিল। আহোম যুগত আৰু যে কাম কৰিব লগীয়া নাই এনে নহয়। এই দীঘলীয়া কালছোৱাৰ অৰ্থনৈতিক বুৰঞ্জী, সাংস্কৃতিক বুৰঞ্জী আদি নতুনকৈ ৰচি উলিয়াব পৰা সমল সেই যুগৰ বুৰঞ্জী বিলাকতেই আছে। ভাৰতৰ সভ্যতা আৰু সংস্কৃতিৰ বুৰঞ্জীলৈ মঙ্গোলীয় জাতি বিলাকৰ দান সম্বন্ধে অনুসন্ধান আৰু গৱেষণা আৰম্ভ মাথোন হৈছে, পূৰ্ণতা লাভ কৰা নাই। গৱেষণাৰ ইযো এটা বহল বিষয়।

ড ভূঞাৰ পিছত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে অসমৰ আৰু পুৰাতত্ত্বৰ গৱেষণাত আশানুৰূপ আগবাঢ়িব পাৰিছে বুলি কব নোৱাৰি। অবশ্যে গৱেষণা বাইজৰ দৃষ্টিত কৰা কাম নহয়। তাৰ উপৰি ই এটা চৰকাৰী বিভাগ। আজি কালি চৰকাৰী বিভাগ বিলাকৰ

অলসতা বা শিঠিলতা সংক্ৰামক বুলি কোৱা শুনা যায়। আৱশ্যকীয় চৰকাৰী সমৰ্থন আৰু দূৰদৃষ্টিৰ অভাৱত ঐতিহাসিক গৱেষণাৰ উপযুক্ত পৰিকল্পনা আৰু উৎসাহী গৱেষক আদি লব নোৱাৰি এই বিভাগটো এটা প্ৰায় এজনীয়া অনুষ্ঠান হিচাবে চলি আছিল। সম্প্ৰতি ডিষ্ট্ৰিক্ট গেজেটীয়াৰ সম্পাদনাৰ দৰে এটা গধুৰ দায়িত্বপূৰ্ণ আৰু জাতীয় স্বাৰ্থ নিহিত কাম এই বিভাগৰ ওপৰত খাম খেয়ালি ভাবে জাপি দিয়াত শিক্ষাদপ্তৰৰ হঠকাৰীতাহে প্ৰকাশ পাইছে। বুৰঞ্জী আৰু পুৰাতত্ত্বৰ অবহেলাক গেজেটীয়াৰ সম্পাদনাৰ ঢাওঁৰে ঢাকিব পৰা নেযাব। গেজেটীয়াৰ সম্পাদনাৰ বাবে থকা স্বতন্ত্ৰ বিভাগটো সেই দৰেই থকা উচিত আছিল। কিন্তু ব্যক্তি স্বাৰ্থ হেতু ৰাজহুৱা স্বাৰ্থৰ অৱজ্ঞা আৰু ৰাজহুৱা ধনৰ অপচয় আজি কালি এৰা নতুন কথা নহয়। প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে কিছু-দিন আগতে 'যি প্ৰশাসনীয় যাদুকৰ' ( administrative wizards ) সকলৰ কথা লৈছিল এই বিলাকো তেনে যাদুকৰৰে কাম।

আধুনিক যুগ—বহল দৃষ্টিৰে লক্ষ্য কৰিলে দেখা যায় যে স্বাধীনতা পোৱাৰ পিছৰ পৰা দেশৰ ভাগ্য আৰু ভবিষ্যৎলৈ চিন্তা কৰা লোক-সকলৰ মাজত ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ লগত আধুনিক গণতান্ত্ৰিক জীৱনধাৰাৰ সংযোগ সাধন কৰাৰ উদ্দেশ্য এটা নতুন স্পৃহাৰ সৃষ্টি হৈছে আৰু বুৰঞ্জীবিদ সকলৰ উচিত সেই ঐতিহ্যৰ স্বৰূপ নিৰ্ণয় কৰা। আধুনিক বুৰঞ্জীৰ কথালৈও এই কথা কব পাৰি যে ভাৰতৰ তথা অসমৰ জন সাধাৰণৰ আশা আকাঙ্খা শক্তি সাধনা, তেওঁ-বিলাকৰ মাজত বিদেশী শাসনৰ আৰু বিদেশী প্ৰভাৱৰ প্ৰতি-ক্ৰিয়া, যি শাসনে দুশ বছৰ ধৰি ( অসমৰ ক্ষেত্ৰত ১২০ বছৰ ) তেওঁ লোকক পৰাধীনতাৰ নাগপাশত আবদ্ধ কৰি ৰাখিছিল আৰু তেনেকৈ ৰখা স্বত্বেও জাতীয় জীৱনত এক নতুন জাগৰণৰ সূচনা হৈছিল, যি জাগৰণ কেৱল ৰাজনীতিৰ ক্ষেত্ৰতেই নহয় জীৱনৰ

অন্যান্য ক্ষেত্ৰতো অনুভূত হৈছিল আৰু যি জাগৰণৰ পৰিণতি ঘটিছিল ভাৰতৰ স্বাধীনতা সংগ্ৰামত—এই সকলো বিলাক অধ্যয়ন আৰু গৱেষণাৰ উপযুক্ত বিষয়। ইবিলাকৰ পৰিসৰ ইমান বহল আৰু জটিল আৰু প্ৰকাশিত গ্ৰন্থাদিৰ উপৰিও বৃটিশ শাসক সকলৰ দ্বাৰাই সংৰক্ষিত নথী পত্ৰত ( Records ) থকা তথ্য-সম্ভাৰ ইমান বেছি যে তাৰ ভিতৰত সুপৰিকল্পিত ভাবে গৱেষণা নচলালে পথ পোৱা কঠিন।

দৃষ্টি ভঙ্গীৰ পৰিবৰ্ত্তন—ভাৰতৰ আধুনিক যুগত অৰ্থাৎ বৃটিছ শাসনৰ কালছোৱাৰ আৰু এখা যুগৰো ঘটনাৰ ধাৰাবাহিক বিৱৰণী থকা অভাব নাই। কিন্তু বৃটিছ লিখক সকলে লিখা বেছিভাগ গ্ৰন্থতেই এটা সাম্ৰাজ্য-বাদী মনোভাব ফুটি ওলোৱা দেখিবলৈ পোৱা যায়। পৰাধীনতা সত্বেও দেশত সময়ে সময়ে যি স্বাধীন চিন্তাৰ উদ্ৰেক হৈছিল বা পৰাধীনতাৰ বাবে বিদেশী শোষণ নীতিৰ ফলত দেশৰ অৰ্থনৈতিক মেৰুদণ্ড যে ভাগি যাওঁ যাওঁ হৈছিল বা সাংস্কৃতিক ঐতিহ্য যে ম্লান হৈ পৰিছিল বৃটিছ লিখক আৰু শাসক সকলে সাধাৰণতে এই বিলাক বিষয়ত বিশেষ গুৰুত্ব নিদিছিল। তথ্যৰ অভাৱত বা তথ্য গোপণ আওকাণ কৰাৰ ফলত বহু বিষয় এই গ্ৰন্থ বিলাকত অস্পষ্ট হৈ ৰৈ গৈছে অথবা বৃটিছ শাসক সকলৰ মনঃপুত হোৱাকৈ বিকৃত আকাৰত প্ৰকাশ পাইছে। উদাহৰণ স্বৰূপে ১৮৫৭ সালৰ ঘটনাৱলীলৈকে আঙুলিয়াব পাৰি। এই ঘটনাৱলীক 'চিপাহী বিদ্ৰোহ' আখ্যা দি বৃটিছে ভাৰতীয় লোকৰ স্বাধীনতা লিপ্সা, আৰু ধৰ্ম্মবিশ্বাস, আৰু সামাজিক ৰীতিনীতিৰ প্ৰতি ঘৃণা সূচক অবজ্ঞা দেখুৱাইযে এৰা নাছিল, এই তথা-কথিত বিদ্ৰোহ দমনৰ অৰ্থে বৃটিছ বিষয়া সকলে যি অমানুষিকতাৰ আৰু যথেচ্ছাচাৰীতাৰ আশ্ৰয় লৈছিল তাৰো কলুষ লুকাবলৈ চেষ্টা কৰিছিল। ঝাঁন্সিৰ ৰাণী, ধন্দপন্ত নানা চাহাব, টান্তিয়া টোপি আহমদ চাহ, কোঁৱৰ সিং

মণিৰাম দত্ত দেৱান প্ৰভৃতি যিসকল লোকে এই আলোড়নৰ নেতৃত্ব কৰিছিল সেই সকলক বৃটিছ লিখক সকলে বিদ্ৰোহী, বিশ্বাস-ঘাটক, ষড়যন্ত্ৰকাৰী আদি আখ্যা দি, যিসকলক পাৰিলে ফাচি আদি চৰম শাস্তি দি, দেশবাসীৰ মনত তা সিদ্ধিলাকক চয় প্ৰতিপন্ন কৰাৰ চেষ্টা কৰিছিল। ১৮৫৭ চনৰ ফেব্ৰুৱাৰী মাহৰ ১৭ তাৰিখে স্পেচিয়েল কমিছনাৰ হিচাবে শিৱসাগৰৰ জিলা মেজিষ্ট্ৰেট হলৰয়দ চাহাবে মণিৰাম দেৱান আৰু পিয়লী বৰুৱাক বৃটিছ সাম্ৰাজ্যৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাৰ অপৰাধত ফাঁচিৰ হুকুম দি সেই মাহৰে ২৬ তাৰিখে জিলা মেজিষ্ট্ৰেট হিচাবে হলৰয়দ চাহাবেই সেই হুকুম তামিল কৰি অসমৰ দুজন সুসন্তানক প্ৰকাশ্যে ফাঁচিৰ কাঠত ওলমালে। এই মৰ্ম্মন্তুদ ঘটনাৰ অন্তৰালত নিজৰ আৰু ব্যক্তিগত আক্ৰোশে হলৰয়দক ৰক্তপিপাসু কৰি তুলিছিল তাৰ বিচাৰকত কোনো কথাই নাই তাৰ প্ৰকাশো তেতিয়া সম্ভৱ নহৈছিল। মণিৰাম-পিয়লীৰ এই শোকাবহ মৃত্যুত দেশবাসীৰ অন্তৰত যি হাহাকাৰৰ আৰ্ত্তনাদ তুলিছিল কেউপিনে পহৰা দি থকা গোৰা চিপাহী চক্ষুবীৰ প্ৰকোপত সিও তেতিয়া ভাষা নেপালে। বৰঞ্চ ইয়াৰ এবছৰৰ পিছত বঙ্গ আৰু অসমৰ লেফটেনাণ্ট গৱৰ্ণৰ বিডন চাহাব যেতিয়া শিৱসাগৰলৈ আহিছিল তেওঁক সম্বৰ্দ্ধনা জনাবলৈ গোট খোৱা সভাত মণিৰামৰ দৰে 'দেশদ্ৰোহীৰ' হাতৰ পৰা দেশৰ ৰক্ষা কৰাত হলৰয়দে যি দৃঢ়তা আৰু ক্ষিপ্ৰতাৰ নিদৰ্শন দেখুৱাইছি তাৰ বাবে হলৰয়দৰ ভূয়সী প্ৰশংসাহে কৰা হৈছিল। হলৰয়দৰ সহায়ক হৰনাথ দাৰোগাৰো যে পদোন্নতি ঘটিছিল এই নকলেও কথা হব।

সুখৰ কথা ১৮৫৭ চনৰ ঘটনাৱলী আজি কেবল চিপাহী-বিদ্ৰোহতে পৰ্য্যবসিত হৈ থকা নাই। বৃটিছ শাসন ভাৰতত অটুট থকা অৱস্থাতেই বীৰ সভাৰকাৰে চিপাহী-বিদ্ৰোহক 'ভাৰতৰ প্ৰথম স্বাধীনতা যুদ্ধ' আখ্যা দি ভাৰতীয় বুৰঞ্জীবিদ সকলৰ মনত চমক লগাই দিছিল। ভাৰতীয়

বুৰঞ্জীবিদ আৰু বুৰঞ্জীৰ গৱেষক সকলে বহু নতুন তথ্য পৰীক্ষা কৰি চাই ১৯৫৭ চনৰ জাগৰণৰ প্ৰকৃত স্বৰূপ নিৰ্ণয় কৰিবলৈ সমৰ্থ হৈছে। এই জাগৰণৰ নেতৃত্ব কৰা বীৰাঙ্গনা আৰু বীৰপুৰুষ সকলৰ পৱিত্ৰ স্মৃতিত দেশবাসীয়ে শ্ৰদ্ধা নিবেদন কৰিছে। বৃটিছ শাসক সকলে সংৰক্ষিত কৰি থোৱা চৰকাৰী নথী-পত্ৰতে এনে বহু তথ্য আছে যাৰ সহায়ত এই লোক সকলৰ স্বদেশ-প্ৰীতি, আত্মত্যাগ আৰু মহৎ হৃদয়ৰ নিশ্চিত প্ৰমাণ পোৱা যায়। শাসনৰ নামত অনুষ্ঠিত হোৱা হল বয়দ-ছৰনাথৰ ষড়যন্ত্ৰও এতিয়া ধৰা নপৰাকৈ থকা নাই, যি ষড়যন্ত্ৰৰ ফলত দেশৰহকে চিন্তা কৰাৰ অপৰাধত মণিৰাম-পিয়লীয়ে ফাঁচি-কাঠত মৃত্যু বৰণ কৰিব লগীয়া হৈছিল, চাৰি বৰুৱা কন্দৰ্পেশ্বৰ সিংহই বৃটিছৰ নজৰবন্দী হিচাবে থাকি অশেষ যন্ত্ৰণা ভোগ কৰিব লগীয়াত পৰিছিল আৰু ছত্ৰিৰাম বৰুৱা, বাহাদুৰ গাওঁবুঢ়া, ফৰ্ম্মুদ আলি, মধু মল্লিক প্ৰমুখ্যে বহুলোকে নিৰ্ব্বাসন কাৰাবাস আদি কঠোৰ দণ্ড ভোগ কৰিব লগীয়া হৈছিল। এইদৰে আৰু বহু বিষয় আছে য'ত নতুন গৱেষণা সহায়ত বুৰঞ্জীৰ নতুন পোহৰ পেলোৱা সম্ভৱ হৈ উঠিছে।

অসমৰ নতুন বুৰঞ্জী প্ৰণয়নৰ পৰিকল্পনা —ভাৰতীয় ঐতিহাসিক সকলে দেশে স্বাধীনতা পোৱাৰো আগৰে পৰাই এই কথা অনুভৱ কৰিছিল যে ভাৰতীয়ৰ দ্বাৰাই নতুনকৈ ৰচিত হোৱা আৱশ্যক। স্বাধীনতা পোৱাৰ পিছত সেই উদ্দেশ্যে নতুন নতুন পৰিকল্পনাৰ উদ্ভৱ হোৱাটো স্বাভাৱিক। তেনে দুটা পৰিকল্পনাৰ কাম সম্প্ৰতি 'ভাৰতীয় বিদ্যাভৱন' আৰু 'নিখিল ভাৰত বুৰঞ্জী কংগ্ৰেছৰ' তত্ত্বাৱধানত আগবাঢ়িব ধৰিছে আৰু ইতিমধ্যে কেইখন মান গ্ৰন্থ প্ৰকাশো পাইছে। আঞ্চলিক ভিত্তিত অসমৰো সুকীয়া বুৰঞ্জী নতুন গৱেষণাৰ পোহৰত নতুনকৈ ৰচিত হোৱাৰ আৱশ্যকতা আমাৰ সুধী সমাজে বিশেষকৈ এই সভাই অনুভৱ

কৰাৰ কথা আপোনালোক সকলোৱে জানে আৰু এই উদ্দেশ্য পৰিকল্পনা প্ৰস্তুতিৰ অৰ্থে উপযুক্ত কমিটী আদিও গঠন কৰা হৈছে। মোৰ বোধেৰে অসম সাহিত্য সভাৰ সৌজন্যত অসম বুৰঞ্জী সংশোধক পৰিষদ এখন গ্ৰহণ কৰি সেই পৰিষদৰ তত্ত্বাৱধানত নতুন অসম বুৰঞ্জী ৰচনাৰ পৰিকল্পনা কাৰ্য্যকৰী কৰিবৰ'ল যত্ন কৰা উচিত হব। এই দায়িত্ব-পূৰ্ণ কামত অসমৰ সুযোগ্য বুৰঞ্জীবিদ সকলৰ উপৰিও অসমৰ বাহিৰৰ বিশিষ্ট বুৰঞ্জীবিদ আৰু বুৰঞ্জী গবেষকৰো সহায় আৰু সহযোগিতা লোৱা আৱশ্যক হব পাৰে। ভাৰতীয় বিদ্যাভৱন বা ভাৰতীয় বুৰঞ্জী কংগ্ৰেছে ভাৰতীয় বুৰঞ্জী সংকলনৰ অৰ্থে লোৱা পৰিকল্পনাৰ অনুৰূপ পৰিকল্পনা আমাৰ উপযোগীকৈ লব পাৰি নেকি সেই কথাও বিবেচনা কৰি চাব পাৰি। এইখন এখন অসমৰ সম্পূৰ্ণ বিস্তাৰিত বুৰঞ্জী ( Comprehensive History of Assam ) হব আৰু ইয়াক তিনি খণ্ডতে নে তাতোকৈ বেছি খণ্ডত ভাগ কৰা হব এই কথা প্ৰস্তাৱিত পৰিষদে থিৰ কৰি দিব পাৰিব। বিষয় সূচী অনুসাৰে পৰিষদে লিখক আদি নিৰ্দ্ধাৰণ কৰি এটা সম্পাদকীয় বোৰ্ডো গঠন কৰি দিব পাৰিব। এনেকুৱা এখন বুৰঞ্জী প্ৰণয়নৰ কামত আৰু অলপো কাল বিলম্ব কৰা উচিত নহয়। এই বুৰঞ্জী ইংৰাজীতে লিখা হবনে বাজ্যিক ভাষা অসমীয়াত লিখা হব নে, দুয়ো ভাষাতে প্ৰকাশ কৰা হব সেই বিষয়েও বিবেচনা কৰা দৰকাৰ। তাৰ উপৰি এই বুৰঞ্জী লিখোতে সৰ্ব্বভাৰতীয় দৃষ্টিভঙ্গীৰ লগত আমাৰ আঞ্চলিক দৃষ্টিভঙ্গীৰ সামঞ্জস্য ৰাখি লিখিব পাৰিলেহে ই অসমৰ বাহিৰতো বিদ্বান মণ্ডলীৰ সমাধিক সমাদৰ লাভ কৰিব পাৰিব। এই গ্ৰন্থ প্ৰণয়নে অসম সাহিত্য সভাৰ নিচিনা এখন মহৎ জাতীয় অনুষ্ঠানে দেশৰ সাংস্কৃতিক ঐতিহ্য আৰু বুৰঞ্জী সাহিত্যৰ চৰ্চ্চা আৰু গবেষণাৰ প্ৰতি যি শ্ৰদ্ধা দেখুৱাই আহিছে সি সাৰ্থক হৈ উঠিব।

অসম আৰু ভাৰত—এটা কথা মন কৰিবলগীয়া এই যে ভাৰতৰ এচুকত অবস্থিত হলেও অসমে এতিয়া নিজৰ সংস্কৃতি সাহিত্য আদিৰ প্ৰচাৰ আৰু প্ৰসাৰ লাভ সম্পৰ্কে উদাসীন হৈ থকাৰ কোনো প্ৰশ্ন নাই। আমি আচুতীয়াকৈ থাকিব খুজিলে আমাৰেই হানি হোৱা সম্ভাৱনা। বিশ্বদৰবাৰত আমাৰেই ঠাই নহব। আচলতে কিন্তু ভাৰতৰ বহু মনীষীয়ে, বুৰঞ্জী ভাষাতত্ত্ব নৃতত্ত্ব প্ৰভৃতিত ব্যুৎপত্তি থকা বহু পণ্ডিত লোকে অসমৰ ঐতিহাসিক আৰু আন সম্পদৰ প্ৰতি শ্ৰদ্ধাশীল হৈ নিজৰ নিজৰ গৱেষণাও চহকী কৰি তুলিছে। আৰু অসমৰ বিষয়ে বাহিৰত প্ৰচাৰ লাভতো সহায় কৰিছে। গেইট, কনকলাল বৰুৱা, বাণীকান্ত কাকতি সূৰ্য্যকুমাৰ ভূঞা, বিৰিঞ্চি কুমাৰ বৰুৱা আদি কৃতবিদ্য লোকসকলে ভাৰতৰ ঐতিহাসিক মানচিত্ৰত অসমৰ বাবে গি স্থান আৰ্জ্জিবলৈ সক্ষম হৈছিল তাৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধিৰ হকে আন উদ্যোগী গৱেষক সকলে বৰঙণি যোগাই থকাতো নিতান্ত দৰকাৰ। নত বছৰ ধৰি ভাৰতীয় বুৰঞ্জী কংগ্ৰেছৰ সক্ৰিয় সভ্য আৰু কেইবা বছৰো কাৰ্য্যনিৰ্ব্বাহক সভ্য হিচাবে থাকি অসমৰ আধুনিক বুৰঞ্জী আৰু স্বাধীনতাৰ বুৰঞ্জী সম্পৰ্কীয় যিবিলাক মৌলিক প্ৰবন্ধ সেই কংগ্ৰেছৰ সভাত পাঠ কৰিবলৈ সমৰ্থ হৈছিলো সিবিলাকৰ প্ৰায় সকলো বিলাকেই কংগ্ৰেছৰ কাৰ্য্যাৱলী গ্ৰন্থত প্ৰকাশ পোৱাটোৱে ভাৰতীয় বুৰঞ্জীবিদ সকলৰ অসমৰ বুৰঞ্জী সম্পদৰ প্ৰতি সশ্ৰদ্ধ দৃষ্টি আকৰ্ষিত হোৱাটোকেই বুজায়। নিখিল ভাৰত প্ৰাচ্যবিদ্যা সম্মিলনতো তেনেকৈ অসমৰ প্ৰতিনিধিয়ে অসমৰ গৌৰৱময় ঐতিহ্যৰ প্ৰতি সৰ্ব্বভাৰতীয় দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে। এই দুয়োখন বৃহৎ সৰ্ব্বভাৰতীয় অনুষ্ঠানৰে একোখন সাধাৰণ অধিবেশন মহা সমাৰোহেৰে সৈতে যোৱা কেইবছৰ মানৰ ভিতৰত গুৱাহাটীত সম্পন্ন হৈ যোৱাত অসমৰ সৈতে ভাৰতীয় পণ্ডিত মণ্ডলীৰ ঘনিষ্ঠ

সম্পৰ্ক স্থাপিত হোৱা বুলি কব পাৰি। এই অনুষ্ঠান বিলাকে যোগোৱা অনুপ্ৰেৰণাৰ ফলত নতুন তথ্যাম্বেষণ মৌলিক গবেষণা আৰু মৌলিক গ্ৰন্থ প্ৰণয়নৰ এটা নতুন উদ্যম পৰিলক্ষিত হব বুলি আশা কৰিব পাৰি। এই অনুষ্ঠান বিলাকৰ লগত সক্ৰিয় সংযোগ ৰাখিবলৈ মই আমাৰ ডেকা শিক্ষাৰ্থী আৰু ভৱিষ্যৎ গবেষক সকললৈ আবেদন জনালোঁ।

**চৰকাৰী নথিপত্ৰ** - বৃটিশ শাসনকালৰ যিবিলাক চৰকাৰী নথি-পত্ৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ সমূহৰ সংৰক্ষণত আছে সিবিলাকৰ অধ্যয়ন আৰু গবেষণাই নই বাৰ্তাৰ আৰু দ্বাৰ আগৰ বহু বিষয়ৰ ওপৰত নতুন পোহৰ পেলাব পাৰে। অসম সম্পৰ্কে বহু ৰাজনৈতিক তাৎপৰ্য্যাপূৰ্ণ নথিপত্ৰ পশ্চিমবঙ্গ সচিবালয়ত আৰু নতুন দিল্লীৰ নেচনেল আৰ্কিভছত' সংৰক্ষিত আছে। গমধৰ কোৱৰৰ বিচাৰ, পিয়লী ফুকন জিউৰাম ডুলিয়াবৰুৱাৰ বিচাৰ আৰু মণিৰাম দেৱানৰ বিচাৰ, সদান্তু বহু আৱশ্যকীয় দলিলপত্ৰও ইয়াৰ ভিতৰতে পোৱা গৈছিল। অসম সম্পৰ্কীয় সকলো বিলাক নথিপত্ৰৰে নকল অনাই ৰাজ্য চৰকাৰৰ 'ৰেকৰ্ড ৰুমত' সংৰক্ষণ কৰা উচিত যাতে যি কোনো গবেষকে অসম সংক্ৰান্ত কথাবিলাক এক ঠাইতে পাব পাৰে অসমৰ আদি বৃটিছ যুগৰ নথিপত্ৰ বিলাকৰ বিষয়-বস্তু আদিৰ সন্ধান দি আমি লিখা গ্ৰন্থই সুযোগ্য ভাৰতীয় সমালোচকৰ পৰা উচ্চ প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হৈছিল কাৰণ ইয়াৰ ভিত্তিত ইবিলাকৰ নতুন গবেষণাৰ পথ কিছু দূৰ সুগম হৈছে।

**স্বাধীনতাৰ বুৰঞ্জী**— কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত দেশৰ সাহিত্য সংস্কৃতি আৰু বুৰঞ্জী আদিৰ চৰ্চ্চাৰ হকে অনুষ্ঠিত হোৱা নানা সুচিন্তিত পৰিকল্পনাৰ ভিতৰত এটা ইয়াত উল্লেখযোগ্য—ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জী সংকলনৰ পৰিকল্পনা। এই পৰিকল্পনা কাৰ্য্যকৰী কৰিবলৈ যাওঁতে কোনো কোনো ৰাজ্য চৰকাৰে ৰাজ্যিক ভিত্তিতো

তেনে বুৰঞ্জী প্ৰণয়নৰ কাম হাতত লৈছিল। কিন্তু বুৰঞ্জী প্ৰণয়নৰ হকে আবশ্যকীয় আহিলা-পাতি দলিলপত্ৰ বহু ঠাইৰ পৰা বহু শ্ৰমৰ ফলত যথেষ্ট পৰিমাণে সংগৃহীত হলেও বুৰঞ্জী লিখাৰ কাম আশানুৰূপ হৈ নুঠিল। কেন্দ্ৰত কেন্দ্ৰীয় চৰকাৰে বিখ্যাত বুৰঞ্জীবিদ সেইগৰাকীমান লৈ যি সম্পাদনা বোৰ্ড গঠন কৰিছিল এই বোৰ্ডৰ লগত চৰকাৰৰ মতদ্বৈধ হোৱাত বোৰ্ড ভাঙি দিয়া হয় আৰু ৰাজ্যসভাৰ সদস্য বুৰঞ্জীবিদ ডাঃ তাৰাচন্দক বুৰঞ্জী লিখাৰ কামটো দিয়া হয়। এই বুৰঞ্জীৰ প্ৰথম খণ্ড যেতিয়া প্ৰকাশ হয় তাত বহু জানিব-লগীয়া কথা থাকিলেও ঠায়ে ঠায়ে তাৰ বিৰূপ সমালোচনা হবলৈ ধৰে। প্ৰস্তাবিত ২য় আৰু ৩য় খণ্ড বুৰঞ্জী এতিয়াও ওলোৱা নাই। ৰাজ্য সমূহৰ সকলো ৰাজ্যতে ৰাজ্যিক বুৰঞ্জী প্ৰণয়নৰ পৰিকল্পনা সম্ভৱত নাই। উত্তৰ প্ৰদেশত স গৃহীত দলিলপত্ৰ বিলাক সম্পাদন কৰি খণ্ড খণ্ডকৈ প্ৰকাশ কৰা হৈছে। আগৰ মধ্যপ্ৰদেশৰ স্বাধীনতাৰ বুৰঞ্জী এখন ৰাজ্য পুনৰ সংগঠনৰ লগে লগে প্ৰকাশ কৰা হৈছিল। কিন্তু ব্যক্তিগত ভাবে লিখা কেবাখনো স্বাধীনতাৰ বুৰঞ্জী ইংৰাজী বা অইন ৰাজ্যভাষাত প্ৰকাশ পাইছে। অসমত কংগ্ৰেছ মহাসভাৰ অধিবেশন হোৱা সময়ত বেচৰকাৰী ভাবে আমি যিখন স্বাধীনতাৰ বুৰঞ্জী লিখি উলিয়াইছিলো সেইখনে নেতৃস্থানীয় বহু লোকৰ আৰু বুৰঞ্জীবিদ সকলৰো সমাদৰ লাভ কৰাত তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱেশ্বৰ শৰ্ম্মা দেবে এখন বিস্তৃত অসমৰ স্বাধীনতাৰ বুৰঞ্জী লিখাৰ প্ৰস্তাব দিয়ে। এই প্ৰস্তাবে চৰকাৰী অনুমোদন লাভ কৰোতে ২।৩ বছৰ সময় লোৱাৰ পিছত অইন দায়িত্বপূৰ্ণ কামৰ লগত এই কামো আমাক কৰিবলৈ দিয়া হৈছিল, কিন্তু কাম সম্পূৰ্ণ হোৱাৰ আগতেই আমি অৱসৰ গ্ৰহণ কৰিব লগীয়া হয়। স্বাধীনতাৰ বুৰঞ্জীৰ আনুষঙ্গিক গ্ৰন্থ হিচাবে স্বাধীনতাৰ যুজাৰু সকলৰ চমু পৰিচয় শীৰ্ষক গ্ৰন্থ এখন যেনিবা ইতিমধ্যে তিনি খণ্ডত সমাপ্ত কৰি চৰকাৰক দিয়া হ'ল।

মোৰ বোধেৰে চৰকাৰী উদ্যোগত তথ্যানুসন্ধান আৰু তথ্য সংগ্ৰহৰ কাম সুচল হলেও চৰকাৰী নিৰ্দেশত স্বাধীনতাৰ বুৰঞ্জী লিখিবলৈ লোৱা উচিত নহয়। গণতান্ত্ৰিক শাসন ব্যৱস্থাত সংখ্যা গৰিষ্ঠ দলেই ক্ষমতাত অধিষ্ঠিত হয। দলীয় প্ৰভাৱত ঐতিহাসিকৰ নিৰপেক্ষতা ক্ষুন্ন হোৱাৰ আশঙ্কা থাকে আৰু বিৰোধী দল বিলাকে তেনে হোৱা বুলি ভাবিবৰ সুযোগ পায। বিশেষকৈ যেতিযা স্বাধীনতাৰ আন্দোলনত অংশ লোৱা বহু লোক এতিয়াও জীৱিত আছে। যি কোনো ঘটনা সম্পৰ্কে বা নেতৃস্থানীয় লোক সম্পৰ্কে দলীয় বা সমসামযিক ৰাজহুৱা অভিমতৰ লগত বুৰঞ্জীৰ অভিমত নিমিলিবও পাৰে। কেন্দ্ৰীয চৰকাৰৰ লোৱা প্ৰচেষ্টাৰ সন্দৰ্ভত হোৱা ওপৰত উল্লেখ কৰা প্ৰতিক্ৰিযা মন কৰিব লগীয়া। তাৰ উপৰি প্ৰশাসনীয দৃষ্টিৰে চাই ক্ষমতাপন্ন ওপৰৱালা বিষযাই হওক বা মন্ত্ৰীযে হওক যদি গবেষণাৰ তাৎপৰ্য্য নুবুজি যি কোনো অবস্থাতে হঠাতে কাম বন্ধ কৰি দিব পাৰে বা অইন প্ৰকাৰে কামত হস্তক্ষেপ কৰিব পাৰে তেনেহলে তাত অইন কিবা স্বাৰ্থ থাওক বা নাথাওক এই ধৰণৰ ক্ষমতাৰ অপপ্ৰযোগে বুদ্ধিজীৱিৰ প্ৰ ত প্ৰশাসনীয অবজ্ঞাকে সুচায। স গৃহীত সকলো বিলাক সমল চৰকাৰে ৰাজ্যিক 'ৰেকৰ্ড কমত' স‌ংৰক্ষণ কৰিলে যি কোনো আগ্ৰহ থকা গবেষকে সিবিলাকৰ সহাযত অইন বুৰঞ্জীৰ দৰে স্বাধীনতাৰ বুৰঞ্জীও লিখাৰ সুবিধা হয। আৰু নহলে চৰকাৰে এটা উপযুক্ত সম্পাদকীয বোৰ্ড গঠন কৰি দি সেই বোৰ্ডক স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জী লিখাৰ অৰ্থে সম্পূৰ্ণ ক্ষমতা দি দিব পাৰে। অসমৰ সুযোগ্য মুখ্য মন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাদেৱে এই পৰামৰ্শৰ কথা ভাবি চাব বুলি আশা কৰিলোঁ। বিচক্ষণ ৰাজনীতিজ্ঞ শ্ৰীচলিহাৰ দেশৰ ভাষা সাহিত্য আৰু বুৰঞ্জী সংস্কৃতিৰ প্ৰতি প্ৰগাঢ় শ্ৰদ্ধা থকাৰ কথা সকলোৱে জানে।

সুধী সকল, মোৰ এই অভিভাষণ খনত হযতো বহু অনাবশ্যক কথাই

ঠাই পাইছে। আপোনালোকে ইমান পৰ ধৈৰ্য্য ধৰি শুনা বাবে মই পৰম কৃতাৰ্থ মানিছো। অসমত সুকীয়া কোনো বুৰঞ্জী সন্মিলনৰ সংস্থা নাই। আপোনালোকে অসমৰ বুৰঞ্জীৰ বিষয়ে এই দুষাৰ কথা কবলৈ মোৰ সুযোগ দিয়া বাবে মই আকৌ এবাৰ আপোনা-লোকৰ নৈতে শলাগ লৈছোঁ।

—জয়হিন্দ—

# বিজ্ঞান শাখাৰ সভাপতিৰ অভিভাষণ

উপস্থিত সুধীবৃন্দ,

অসম সাহিত্য সভাৰ বিজ্ঞান শাখাৰ সভাপতি ৰূপে মোক নিৰ্ব্বাচন কৰাত মই কিছু পৰিমাণে বিমূঢ় হৈ পৰিছো। অসম সাহিত্য সভাৰ দৰে মহান অনুষ্ঠানৰ বিজ্ঞান শাখাৰ সভাপতি হবলৈ যিখিনি যোগ্যতাৰ প্ৰয়োজন সিমানখিনি যোগ্যতা মোৰ নাই বুলি মই জানো। পিছে মস্কিল এই খিনিতে যে মোক যিসকলে সভাপতি-ৰূপে নিৰ্ব্বাচন কৰিলে তেওঁলোকে মোৰ যোগ্যতা সম্পৰ্কে মোতকৈ কম জানে, মোৰ সমান বা মোতকৈ বেছি জনা হ'লে তেওঁলোকে মোক নিশ্চয় নামাতিলেহেঁতেন। তেওঁলোকৰ মৰমখিনি মই বহুতদিনলৈ সাঁচি ৰাখিম,—হয়তো এই স্নেহকণৰ স্মৃতিকে মূলধন কৰি কেতিয়াবা মোৰ মনৰ আকাশত ইন্দ্ৰজাল ৰচনা কৰিম। আগবাঢ়ি যোৱাৰ পথত এই স্মৃতিকণে মোক সাহস দিব, উৎসাহ দিব আৰু উজুটি খোৱাৰ বেদনা-খিনি পাহৰি যাবলৈ মনোবল দিব। এইবোৰ সম্ভাৱনাৰ পৰিবৰ্ত্তে সন্মুখতে আপোনালোকক দিবলগীয়া আছে মোৰ আন্তৰিক ধন্যবাদ আৰু অকৃত্ৰিম কৃতজ্ঞতা।

মই বৈজ্ঞানিক নহওঁ—আৰু প্ৰকৃত অৰ্থত বিজ্ঞান চৰ্চ্চা কৰিছো বুলি কলেও আজিৰ বিজ্ঞানক বহু তললৈ নমাই অনা হব। যোৱা পঁচিশ বছৰ ধৰি বিজ্ঞানৰ নামত বিজ্ঞানৰ বৰ্ণমালাৰ কথা অসংখ্য ছাত্ৰ-ছাত্ৰীৰ আগত কৈ আহিছো, আৰু তাকে কৰি তেওঁলোকক বিজ্ঞান শিক্ষা দিছো বুলি আত্মপ্ৰীতি লাভ কৰিছো মাথোন। মোৰ মুখেদি

প্ৰাণীবিজ্ঞানৰ পৰিচয় পোৱা বহু ছাত্ৰ ডাক্তৰ হৈছে, উকীল হৈছে, আৰু নানাৰকম চৰকাৰী বেচৰকাৰী কামত কমবেছি কৃতিত্ব লাভ কৰিছে। এচাম ছাত্ৰই প্ৰাণীবিজ্ঞানৰ শিক্ষক হৈ মোৰদৰেই স্কুল কলেজত শিক্ষকতা কৰিছে। কিন্তু এই ছাত্ৰসকলৰ মাজত এজনেও এই পৰ্য্যন্ত প্ৰাণীতত্বজ্ঞ হিচাপে আন্তৰ্জ্জাতিক খ্যাতি লাভ কৰিব পৰা নাই, বিজ্ঞান জগতত গঢ়ি উঠা প্ৰাণীতত্বৰ স্বৰ্ণমন্দিৰত এগছি বন্তি জ্বলাব পৰা নাই।

অসম দেশত হোৱা বিজ্ঞান চৰ্চ্চা সম্বন্ধে কেটামান কথা মন কৰিব লগীয়া। সেই বিষয়ে ব্যক্তিগত হিচাপে মই চিন্তা কৰিছোঁ আৰু যৎ সামান্য পঢ়া শুনাও কৰিছোঁ। ইতিমধ্যে কাগজ, পত্ৰই প্ৰকাশ হোৱা দুই চাৰিটা প্ৰবন্ধ আৰু সভাই সমিতিয়ে পঠিত হোৱা অপ্ৰকাশিত আলোচনাত মোৰ মনোভাব উল্লেখ কৰিছোঁ। আমাৰ ৰাজ্যখণ্ডৰ কৃষ্টি জগতৰ বহুতো বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যৰ কাৰণ সমূহ বহলাই আলোচনা নকৰি চমুকৈ ইয়াকে কব পাৰি যে অসমৰ আকাশত কেতিয়া ক'ৰ পৰা আহি মেঘ জমা হয় কব নোৱাৰি, কেতিয়া ধুমুহা আহে তাৰ বৈজ্ঞানিক আগবতৰা প্ৰায়েই ভুল হয়। এই মেঘ আৰু ধুমুহা আহে আৰু যায়, তাৰ পৰা উদ্ভৱ হোৱা বানপানী আৰু ধ্বংস লীলাই হলে আমাক নিঃশেষ কৰি দিব নোৱাৰে। অসমীয়া জাতি মৰিও নমৰে, পিচলি পৰিলেও খাদত পৰি নিশ্চিহ্ন হৈ নাযায়। অসমৰ ভৌগোলিক আৰু ভৌতিক জগত খনৰ এই বৈশিষ্ট্যৰ কাৰণ-বোৰ বিচাৰি আৰব সাগৰ, বঙ্গোপসাগৰ, হিমালয় পৰ্ব্বত, উপত্যকা আৰু শৈলভূমিৰ বিচিত্ৰ চক্ৰবেহু, কৰ্কট ক্ৰান্তি, মকৰ ক্ৰান্তি, আৰু বিষুবৰেখাৰ স্থিতি, ভূগৰ্ভত থকা ভয়ানক খাদ ইত্যাদি নানান বিষয়ে চিন্তা কৰিব লগীয়া হয়। আমাৰ কৃষ্টি জগত খন দৃশ্যমান নহয়, বিচাৰ আৰু যুক্তিৰ অনুবীক্ষণ দূৰবীক্ষণ লৈ মানস-চক্ষুৰ দ্বাৰা ঐতিহ্য, ইতিহাস, নৃতত্ব ইত্যাদিৰ মাজত আমাৰ কৃষ্টিগত বৈশিষ্ট্যৰ কাৰণ বিচাৰি চাব লাগিব। আমাৰ দেশত আধুনিক বিজ্ঞানৰ আৱিৰ্ভাব

বৰ পুৰণি কথা নহয়। মনৰ যিবোৰ সৃষ্টিপ্ৰয়াসী শক্তিয়ে সাহিত্য, কলা, সঙ্গীত, নাটকৰ জন্ম দিয়ে সেই একে শক্তি বিজ্ঞানৰো জনক আৰু প্ৰতিপালক। সেই বাবে বিজ্ঞান চৰ্চাৰ ক্ষেত্ৰত দেখা দিয়া পৰিস্থিতিবোৰৰ কেতবোৰ আমাৰ সামূহিক কৃষ্টিসংস্কৃতিৰ ক্ষেত্ৰতো দেখা যায়।

মানুহৰ সমাজত দুটা 'গতি' দেখিবলৈ পোৱা যায়। এটা হল স্তৰ বিনিময় গতি আৰু আনটো হল স্থান-বিনিময় গতি। শ্ৰমবিভাগৰ প্ৰয়োজনৰ কাৰণেই সমাজত স্তৰৰ সৃষ্টি হৈছিল। ক্ৰমে ক্ৰমে এই স্তৰবোৰ চলৎশক্তি ৰহিত হৈ নিগাজী হৈ পৰে। আমাৰ দেশত সামাজিক স্তৰবোৰ এতিয়াও কটকটীয়া হৈ আছে আৰু এটা স্তৰৰ পৰা আনটো স্তৰলৈ 'গতি' নাইকিয়া বুলিব পাৰি। এনেকুৱা গতি-শক্তিবিহীন সামাজিক স্তৰ মধ্যযুগীয় যুৰোপতো আছিল।

আটাইতকৈ নিম্নস্তৰৰ কৃষিজীবী মানুহবোৰ কৃষিপামৰ চিৰপ্ৰাচীন পৰিবেশৰ মাজতে বংশানুক্ৰমে কেবা শ বছৰ ধৰি আবদ্ধ হৈ আছিল। মাটি, নাঙল, কোৰ, সাৰ, শস্য আৰু শুকান নৰাৰ শোৱাপাটী, ইয়াৰ মাজতে তেওঁলোকৰ দেহ, মন, চিন্তা, ভাৱনা সকলোবোৰ সীমিত হৈ আছিল। এওঁলোকৰ শিক্ষা দীক্ষা নাছিল। এওঁলোকৰ আনন্দৰ হাঁহি খিলিকনিৰ শব্দ খেতিপথাৰৰ মাজতে মাৰ গৈছিল আৰু দুখ, মহামাৰী দুৰ্ভিক্ষত আৰু কান্দোনৰ চকুলোবোৰ মুকলি পথাৰৰ শুকান বতাহে নিমিষতে শুকাই পেলাইছিল।

এই স্তৰটোৰ অকণমান ওপৰত সাধাৰণ বুদ্ধিজীৱী সকল। হাতৰ কামৰ সামান্য পটুতা অথবা যৎকিঞ্চিৎ শিক্ষা দীক্ষা থকা বাবে এওঁলোকে খেতি পথাৰৰ কৃষিজীৱী সকলৰ পৰা নিজকে আঁতৰাই আনি এটা সুকীয়া স্তৰৰ সৃষ্টি কৰিছিল। এওঁলোকৰ নিজৰ সম্পদ বুলিবলৈ প্ৰায় একেবাৰেই নাছিল। আঢ্যবন্ত জমিদাৰ বা শিল্প-পতিসকলৰ পৰা পোৱা বেতন আৰু অনুগ্ৰহেই আছিল এওঁলোকৰ

জীৱিকাৰ একমাত্ৰ উপায়। এই বেতন আৰু অনুগ্ৰহৰ প্ৰত্যাশাই এই স্তৰৰ লোকসকলক তলৰ বৃত্তিজীৱী স্তৰটোলৈ নামি যোৱাত বাধা দিছিল। জমিদাৰ আৰু শিল্পপতিসকলৰ অনুগ্ৰহদানৰ আনন্দ, গৰ্ব্ব আৰু মাদকতাই এওঁলোকক ওপৰৰ ফালে যোৱাতো বাধা দিছিল।

সমাজৰ তৃতীয় স্তৰটো হ'ল অভিজাত সম্প্ৰদায়। এওঁলোকৰ জমিদাৰী আছে কাৰখানা আছে, দালান আছে, আৰু আছে সমাজৰ প্ৰয়োজনীয় সকলো সামগ্ৰীৰ মালিকী স্বত্ব। এই স্বত্ববোৰৰ অধিকাৰ আৰু উপভোগৰ মৰ্য্যাদাই এওঁলোকক মহিমান্বিত কৰি ৰাখিছিল। জন্মাধিকাৰপ্ৰাপ্ত আভিজাত্য, সমাজৰ স্তৰবিনিময় গতি নিৰ্ণয় কৰিব পৰা ক্ষমতা নিজৰ হাতত থকা বাবে এই স্তৰটোৱে যুগ যুগ ধৰি সমাজ নিয়ন্ত্ৰণ কৰি আছিল।

চতুৰ্থ স্তৰটো গঠন কৰিছিল ধাৰ্ম্মিক সম্প্ৰদায়ে। ভেটিকানৰ পোপক কেন্দ্ৰ কৰি এই স্তৰৰ পিৰামিডটো মধ্যযুগীয় যুৰোপৰ ভূখণ্ডত ইমান খিতাপেৰে প্ৰতিষ্ঠা লাভ কৰিলে যে ইয়াৰ ভিতৰত নিশঙ্ক নিৰাপত্তা আৰু বাহিৰৰ পৰিবৰ্ত্তনশীল জগতত আশ্ৰয় লোৱাত বাহিৰে সামাজিক মানুহৰ গত্যন্তৰ নাছিল। বাইবেলৰ পাণ্ডুপাত হাতত লৈ আৰু শক্তিমান দেৱতাৰ পৰা সহজে লাভ কৰা অনুগ্ৰহৰ বস্ত্ৰ গাত পিন্ধি এই স্তৰৰ আৰ্চবিশপ, বিশপ, পাদ্ৰী পুৰোহিত আদি সকলোৱে ৰজা, প্ৰজা ধনী নিৰ্ধনী, শাসক, শাসিত, জমিদাৰ ৰায়ত প্ৰভৃতি সকলোকে সমানে শাসন কৰিছিল।

একাদশ শতাব্দীৰ পৰা ত্ৰয়োদশ শতাব্দীৰ শেষলৈ যুৰোপ এটা অন্ধকাৰ যুগত ডুব গৈ আছিল। গ্ৰীক সভ্যতাৰ শিখৰত বহি ঋষি এৰিষ্টটলে জ্ঞান বিজ্ঞানৰ যি আলোক পৃথিবীৰ চাৰিও ফালে পেলাবলৈ আৰম্ভ কৰিছিল, সেই আলোকো এই যুগটোত স্তিমিত হৈ যাবলৈ ধৰিছিল। টমাছ একুইনাচ আৰু তেওঁৰ শিক্ষক

এলবার্টচ মেগাছে যেনিবা এয়োদশ শতাব্দীত য়ুৰোপত এৰিষ্টোটেলীয পদাৰ্থবিজ্ঞানৰ পুনঃ প্ৰতিষ্ঠা কৰিলে। এই পুন প্ৰতিষ্ঠাৰ পদ্ধতিৰ কথা পঢ়িলে আজিৰ বৈজ্ঞানিক আচৰিত নহৈ নোৱাৰে।

এটা উদাহৰণেৰে এই কথামাৰ বজ্ৰাত সুচল হব। এৰিষ্টোটেলৰ মতে কোনো 'গতি' বা মোচন নতুনকৈ উদ্ভৱ হব নোৱাৰে। কোনো পূৰ্ব্বসৃষ্ট গতিৰ পৰা যি কোনো 'গতিৰ' সৃষ্টি হয়। সময়ৰ হিচাপত কেতিয়া প্ৰথম গতিৰ সৃষ্টি হৈছিল কোৱা টান। ধৰ্ম্মীয মতবাদৰ মতে চৰাচৰ সকলো বস্তুৰে স্ৰষ্টা হৈছে ঈশ্বৰ। ঈশ্বৰ যদি অনাদি হয় তেন্তে গতি অনাদি হব নোৱাৰে। নব এৰিষ্টোটেলীয পণ্ডিত সকলে ধৰ্ম্মীয মতবাদৰ লগত পদাৰ্থ বিজ্ঞানৰ এই আদি সূত্ৰটোৰ এটা সন্ধি স্থাপন কৰিব লগীয়া হৈছিল আৰু তাকে কৰিবলৈ গৈ ঈশ্বৰৰ 'গতিমান' আখ্যাটো বৈজ্ঞানিকে নতশিৰে গ্ৰহণ কৰি ল'লে। জগতৰ সৃষ্টিকৰ্ত্তা নিজে গতিশীল হৈ পৰাত গতিৰ অনাদিত্বও প্ৰতিপন্ন হৈ পৰিল। আকৌ আজিৰ বৈজ্ঞানিকে গতি বুলিলে স্থান পৰিবৰ্ত্তনৰ কথাকে বুজে। এৰিষ্টোটলেও স্থান পৰিবৰ্ত্তনকে গতি বুলি কৈছিল। কিন্তু তেওঁৰ মতবাদক যুগোপযোগী কৰাৰ উদ্দেশ্যে মেগাচ আৰু একুইনাছে স্থানৰ ব্যাখ্যা কৰিবলৈ গৈ ইয়াক বৰ বেছি ব্যাপক কৰি পেলালে। প্ৰকৃতি বা গুণৰ পৰিবৰ্ত্তন, কোনো অস্তিত্বৰ সৃষ্টি আৰু ধ্বংস বা চৰিত্ৰৰ পৰিবৰ্ত্তন, আয়তনৰ বৃদ্ধি বা হ্ৰাসজনিত পৰিবৰ্ত্তন এই সকলো বোৰেই গতি। এৰিষ্টোটলে গতিৰ লগত স্থানৰ সম্বন্ধ বুজাবলৈ 'মোচন'ক 'লোকোমোচন' আখ্যা দিছিল। ত্ৰয়োদশ শতাব্দীত প্ৰকৃতি, গুণ, অস্তিত্ব বা চৰিত্ৰ আয়তন আদিকো আধ্যাত্মিক উপলব্ধিৰ সহায়ত স্থানৰ সংপৰ্ক কৰি লৈ ধৰ্ম্মীয় মতবাদৰ লগত আপোচ কৰিবৰ চেষ্টা কৰা হ'ল। সন্ধিয়া পৰত অস্তগামী সূৰ্য্য দিগ্বলয়ৰ ওচৰ পোৱাৰে পৰা ৰঙৰ যিবোৰ পৰিবৰ্ত্তন দেখা যায়

সেইবোৰ গতিসূত্ৰৰ দ্বাৰা ব্যাখ্যা কৰিব পাৰি নে? ত্ৰয়োদশ শতা-ব্দীৰ ন্যায়পাল চিন্তাশীল সকলৰ বাবে এই প্ৰশ্নটোৰ কোনো প্ৰয়োজন নাছিল। যদি এৰিষ্টোটলে সন্ধিয়াৰ আকাশত খেলা কৰা ৰূপালী হেঙ্গুলী গোলাপী সোণালী ৰক্তিম আদি ৰঙৰ পৰিবৰ্ত্তন বোধক গতি বুলি কৈছে তেন্তে সেই বিষয়ে প্ৰশ্ন কৰি কোনো পণ্ডিতে হাঁহিয়াতৰ পাত্ৰ হ'বলৈ সাহ কৰা নাছিল।

গতি আৰু পৰিবৰ্ত্তনৰ লগত থকা বৈজ্ঞানিক দৃষ্টিভঙ্গীটোক, ধৰ্ম্মীয় চিন্তাধাৰাই জটিলতৰ কৰি পেলোৱাৰ দৃষ্টান্ত অন্য ঠাইতো দেখিবলৈ পোৱা যায়। কোনো এটা বস্তু পৰিবৰ্তিত হৈ আন এটা ৰূপ লয়, যেনে এটুকুৰা সোণ পৰিবৰ্ত্তিত হৈ এটা ধুনীয়া আঙুঠি হৈ পৰে বা কেচুবা এটি ডাঙৰ হৈ এজন হটঙা মানুহ হয়। এই দুটা সহজ পৰিবৰ্ত্তনৰ কথা। সোণখিনি আঙুঠি হব পাৰে কিন্তু এগিলা পানী আঙুঠি হব নোৱাৰে। সেইদৰে কেচুবাটোত মানুহৰ সম্ভাৱনা বৰ্ত্তমান কিন্তু কাঠ এডোখৰত এই সম্ভাৱনা নাই। এই ক্ষেত্ৰত বাস্তৱতাৰ লগত সম্ভাব্যতা সানমিহলি হৈ আছে। সোণ আৰু আঙুঠি দুয়োটাই বাস্তৱ পদাৰ্থ। এই দুটা ৰূপৰ মাজত সম্ভাব্যতা খিনি নাথাকিলে পৰিবৰ্ত্তনটো নঘটে। বাস্তৱতা আৰু সম্ভাব্যতাৰ সম্বন্ধটো বুজাত একো অসুবিধা নাই, কিন্তু গতিসূত্ৰৰ লগত ইযাৰ সম্বন্ধ কি?

মধ্যযুগীয় য়ুৰোপত সমাজৰ স্থান-বিনিময় গতিও বৰ সীমাবদ্ধ আছিল। যান বাহন হয়তো নাছিল অথবা যি আছিল সিও আছিল দুৰ্ব্বল। দূৰৈৰ ঠাইবোৰলৈ যাতায়াত কৰা অসম্ভৱ নহলেও বিপদ সঙ্কুল আছিল। ইযাৰ ফলত ভাবৰ আদান-প্ৰদান, চিন্তাৰ প্ৰসাৰতা লাভ, অনুভূতিৰ ব্যাপকতা বা অভিজ্ঞতাৰ বৈচিত্ৰ্য সকলো-বোৰ সীমাবদ্ধ হৈ পৰিছিল।

সমাজৰ এই দুটা গতিৰ অভাৱত মানুহৰ চিন্তাশক্তি স্থবিৰ

হৈ পৰিছিল। অন্ধকাৰ যুগৰ শেষলৈ এই অৱস্থা চলিয়ে থাকিল। অন্ধকাৰ যুগৰ অৱসান ঘটিল, কিন্তু মোহাচ্ছন্ন মানুহে তন্দ্ৰাৰ জড়তা কাটি এভামুৰি দি উঠিবলৈ আৰু প্ৰায় দুশ বছৰ কৰিলে। এই খিনি সময়ৰ ভিতৰতে গেলিলিওকে আদি কৰি কেবাজনা বৈজ্ঞানিক সূৰ্য্যৰ জ্যোতি লৈ অন্ধকাৰ আকাশত দেখা দিছিল, কিন্তু সমাজ ব্যৱস্থাৰ আহুকলীয়া মেৰপাকত পাৰ হৈ শাক পলায়া তৰাৰ দৰে নিষ্প্ৰভ হৈ পৰিল। প্ৰকৃত নৱ-জাগৰণ আহিল পঞ্চদশ শতিকাৰ পৰা। সমাজত স্তৰ বিনিময় গতিয়ে স্বাধীনতা লাভ কৰিলে, কৃষিজীৱী আৰু বুদ্ধিজীৱী বন্ধনমুক্ত হৈ পৰিল আৰু অভিজাত সম্প্ৰদায়ৰ উপৰত শিৰ দাঙি থাকবলৈ আৰম্ভ কৰিলে। এই তিনিওটা স্তৰ যেতিয়া কঁপি উঠিল তেতিয়া ধাৰ্ম্মিক সম্প্ৰদায়ৰ সুবিশাল পিৰামিডত ফাট মেলিলে আৰু ই সৰু সৰু অনুষ্ঠানত বিভক্ত হৈ পৰিল।

মধ্যযুগীয় য়ুৰোপৰ সম্বন্ধে এই খিনি আলোচনা কৰাৰ কাৰণ এয়ে যে আমি বৰ্ত্তমানে বিজ্ঞান চৰ্চ্চা কথাষাৰৰ দ্বাৰা যি বুজোঁ তাৰ আটাইখিনিয়ে য়ুৰোপৰ পৰা অহা। বিজ্ঞানৰ এই পশ্চিমীয়া প্ৰবাহ পূৰমুৱা হৱৰ আজি আঠৈশ বা তিনিশ বছৰ হ'ল। এই প্ৰবাহৰ সোঁত এতিয়াও অত্যন্ত প্ৰবল। এই প্ৰবাহৰ লগত উটি যাবৰ বাবে নিজকে সাজু কৰিবলৈ পালে এতিয়াও আমি নিজকে ভাগ্যবান বুলি ভাবোঁ। ইয়াৰ কাৰণ এয়ে যে মধ্যযুগীয়া য়ুৰোপত বিজ্ঞান আৰু মানবীয় মূল্যবোধৰ যি সম্বন্ধ আছিল, আমাৰ দেশত সেই সম্বন্ধ এতিয়াও বিদ্যামান। পোমপটীয়া আৰু উপকৰণৰ চালে আমাৰ দেশত সামাজিক গঠনৰ পৰিৱৰ্ত্তন হোৱা যেন দেখি কিন্তু এই পৰিৱৰ্ত্তনে আমাৰ অন্তৰৰ সনাতন ৰূপ সলনি কৰিব পৰা নাই বুলি কলে অত্যুক্তি কৰা নহয়।

ওপৰত উল্লেখ কৰা সামাজিক গতি দুটাৰ বৰ্ত্তমান অৱস্থা

সম্পৰ্কে বিচাৰ কৰিলে আমাৰ দেশৰ বহুতো কৃষ্টি-সাংস্কৃতিক সমস্যাৰ প্ৰকৃত ৰূপ উপলব্ধি কৰাত সুচল হব। এই সমস্যাবোৰ বহুল অৰ্থত ভাৰতীয় ক্ষেত্ৰত আৰু বিশেষকৈ অসমীয়া সমাজত এই পৰ্য্যন্ত আছে।

মধ্যযুগীয় যুৰোপৰ সমাজৰ চাৰিটা শ্ৰেণীৰ মাজত থকা ব্যৱধান নৱজাগৰণৰ লগে লগে নাইকিয়া হবলৈ আৰম্ভ কৰিলে। এলিজাবেথান যুগৰ অভিজাত সম্প্ৰদায়ে ব্ৰিটেইনত কথিত ভাষাৰ পৰা দ্বিতীয় পুৰুষ বাচক 'ডাউ' শব্দৰ সলনি এটা মাত্ৰ 'ইউ' শব্দ গ্ৰহণ কৰি এই ব্যৱধানৰ বিলুপ্তি সাধনৰ পথত প্ৰথম পদক্ষেপ দিলে। পৃথিৱীৰ প্ৰায় একচতুৰ্থাংশ দেশত কম বেছি পৰিমাণে প্ৰচলিত হোৱা ইংৰাজী ভাষাত কথিত আৰু লিখিত ভাবে দ্বিতীয় পুৰুষৰ কৃষিজীৱী বৰ্দ্ধিজীৱী বা অভিজাতৰ মাজত কোনো পাৰ্থক্য নাই। ৰুচীয়াৰ মাৰ্ক্সীয় সাম্যবাদে ব্যৱহাৰিক দিশৰ পৰাও সমাজৰ শ্ৰেণী বিভেদৰ মূলতে কুঠাৰাঘাট কৰিলে। আমাৰ দেশত শ্ৰেণী ভেদৰ বিৰুদ্ধে আন্দোলন, বক্তৃতা, ৰচনা আদি বহুতো হৈছে আৰু তাৰ ফলত চকুৰ দৃষ্টিভঙ্গীৰ কিছু পৰিবৰ্ত্তন হৈছে হয়, কিন্তু হিয়াৰ ভাব ভঙ্গীয়ে এই পৰিবৰ্ত্তনৰ কিমানদূৰ অনুপন্থী হৈছে কোৱা টান। গীতাৰ পাটৰ পৰা 'বিদ্যাবিনয়সম্পন্নে ব্ৰাহ্মণে গবি হস্তিনি। শুনি চৈব শ্বপাকে চ পণ্ডিতা সমদৰ্শিনা ॥' বুলি আওৰাই বা শ্ৰীশঙ্কৰদেৱৰ "আছে যাতুব্ৰত যিটো ব্ৰাহ্মণৰ সি সে শ্ৰেষ্ঠ আত কৰি" পদ সুললিত সুৰে গাই আমাৰ সমাজৰ ধৰণীস্বৰূপ একশ্ৰেণীৰ ব্যক্তি বা ব্যক্তিগোষ্ঠীয়ে আনৰ ঘৰত হোৱা নামপ্ৰসঙ্গৰ মাহ-প্ৰসাদ গ্ৰহণ নকৰা বা গোসাঁই ঘৰত নিবলে নিজকে আঁতৰ কৰি ৰাখি স্বপাক খোৱা আৰু নিভৃতে শয়ন ভ্ৰমণ কৰা কথা কাকো নতুনকৈ কব নালাগে। মুঠতে আমাৰ দেশৰ সমাজৰ স্তৰ-বিনিময় গতি অন্ততঃ কাৰ্য্যকৰী ক্ষেত্ৰত এতিয়াও মন্থৰ গতিৰ প্ৰবাহে

আমাৰ শৰীৰ চঞ্চল নকৰিলেও এইতমা স্পৰ্শ নকৰাকৈ নাথাকে। সামাজিক ব্যক্তিক নতুনত্বৰ সোৱাদ লবলৈ ব্যাকুল কৰা মনোবৃত্তি এই স্পৰ্শৰ দ্বাৰা দুৰ্ব্বল হয় আৰু সেইবাবেই আমি এতিয়াও মধ্য-যুগীয় য়ুৰোপৰ বৃষ্টি জগত আচ্ছন্ন কৰি ৰখা পৰিবেশটোৰ পৰা নিজক সম্পূৰ্ণ ভাবে মুক্ত কৰিব পৰা নাই।

এই পৰিবেশৰ দুটা লক্ষণ হল বৌদ্ধিক ৰক্ষণশীলতা আৰু শ্ৰেষ্ঠানুবৰ্ত্তিতা। ডাৰউইনৰ তত্ত্ববাদৰ আলোচনা কৰোঁতে ক্ৰমবিকাশৰ কথা যেতিয়া উত্থাপিত হয় তেতিয়া আমাৰ এদল ৰক্ষণশীল লোকে এতিয়াও কয় যে ক্ৰমবিকাশৰ কথা বহুযুগ পূৰ্ব্বেই আমাৰ ঋষি মুনি সকলে কৈ গৈছে—'মৎস্যকূৰ্ম্মবৰাহশ্চ নৃসিংহো বামনস্তথা' ইত্যাদি। আকাশযান মিছাইল কৃত্ৰিম উপগ্ৰহ আদিৰ কথা ওলালে কুবেৰৰ পুষ্পক ৰথ, নাৰদৰ ঢকীযান, শাস্ত্ৰ নীতিৰ কথা কৈ সভ্যতাৰ প্ৰাচীনত্ব আৰু মানবিজ্ঞানৰ ঐতিহ্যৰ কথা সুঁৱৰি আত্মপ্ৰসাদৰ সন্তোষ লাভ কৰা সকলৰ প্ৰতি আমি শ্ৰদ্ধা প্ৰদৰ্শন কৰোঁতেও। এই বৌদ্ধিক ৰক্ষণশীলতা বৈজ্ঞানিক অগ্ৰগতিৰ পথত এটা ডাঙৰ অন্তৰায়। শ্ৰেণীভেদৰ গুণাগুণ বিশ্লেষণ কৰি যুগৰ পৰিবৰ্ত্তনৰ লগত খাপ নোখোৱা ধৰণৰ দোষবিলাকৰ বৈজ্ঞানিক আলোচনা কৰি তাৰ দূৰীকৰণৰ বাবে কৰা প্ৰচেষ্টাক মুহূৰ্ত্ততে শ্ৰীকৃষ্ণৰ মুখ নিঃসৃত "চাতুৰ্ব্বৰ্ণ্যং ময়া সৃষ্টং" কথাষাৰে অৰ্থহীন কৰি পেলাব পাৰে। গোহত্যা নিবাৰণৰ বিৰুদ্ধে যিমানে বৈজ্ঞানিক আলোচনা কৰা নহওক কিয় শিৱৰ বাহন হবলৈ নিৰ্দ্দিষ্ট বৃষভ ৰূপ ধাৰণ কৰা কথা, আৰু শ্ৰেষ্ঠ হিন্দু শঙ্কৰাচাৰ্য্যৰ উক্তি আৰু আচৰণৰ বাবে বেছিভাগ হিন্দুৰ মনত গোহত্যা সম্বন্ধে বিজ্ঞানসন্মত যুক্তিত প্ৰতীতি জন্মোৱা বৰ টান। কোনো'বা এজন লব্ধপ্ৰতিষ্ঠ বৈজ্ঞানিকে যদি কিবা এটা তথ্য আবিষ্কাৰ কৰে তেন্তে আবিষ্কাৰক ব্যক্তিত্বৰ হেঁচাত তথ্যৰ মাজত থকা দোষ-ত্ৰুটি লুকাই পৰে। এনেকুৱা শ্ৰেষ্ঠানুবৰ্ত্তী

মনোভাবে বিজ্ঞানৰ চৰ্চা কৰা ব্যক্তিক বৰ বেছি অনিষ্ট কৰে। বৌদ্ধিক ৰক্ষণশীলতাতকৈ এই শ্ৰেষ্ঠানুবৰ্ত্তিতা বিধ ভাৰতীয তথা অসমীয়া শিক্ষিত সম্প্ৰদায়ৰ বাবে বেছি ভয কৰিব লগীয়া লক্ষণ। সৌভাগ্যক্ৰমে কাব্য, সাহিত্য, দৰ্শন আদি বিষয়ত অসংখ্য শ্ৰেষ্ঠ ব্যক্তি আমাৰ মাজত আছিল। এইবোৰ বিষয়ত ভাৰতীয মনীষাক ভাৰতীয অন্নজলেৰে পৰিপুষ্ট কৰিবলৈ উপযুক্ত সম্বল আমাৰ আছে। কিন্তু বিজ্ঞানৰ ক্ষেত্ৰত এই কথা নাখাটে।

এনেকুৱা এটা অত্যন্ত ৰক্ষণশীল, পৰিবেশ চীন দেশতো আছিল, জাপানতো আছিল। ব্ৰিটিশ মহাৰাণী ভিক্টোৰিয়াৰ সমসাময়িক কালত চীনৰ ৰাজসিংহাসনত এগৰাকী মহাৰাণী অধিস্থিতা আছিল। মাঞ্চুৰ শৰ যাঁহোনালা ফৈদৰ এগৰাকী উপপত্নীয়ে পুত্ৰহীন চীনা সম্ৰাটক এটি পুত্ৰ দান কৰাৰ ফলত ৰাজকীয পঞ্চায় লাভ কৰে আৰু নিজৰ বিদ্যা বুদ্ধি আৰু পৰাক্ৰমৰ বলত এবেঁই সুদীৰ্ঘকাল চীনৰ সম্ৰাজ্ঞী হৈ থাকে। এওঁ নিজৰ সন্তানক বিলাতী পুতলাৰ লগত খেলিবলৈ সম্মতি দিয়া নাছিল। তেওঁৰ ৰাজধানীত দৈত্যৰ দৰে অশাস্ত্ৰীয শক্তিৰ দ্বাৰা পৰিচালিত বাস্পীয যানৰ প্ৰবেশ তেওঁ সহ্য কৰিব নোৱাৰিছিল, কেনেবাকৈ ইউৰোপীয ধৰ্ম যাজক আৰু বেপাৰীসকলে শিক্ষা আৰু ধনৰ প্ৰলোভনৰ দ্বাৰা বিদেশী বিজ্ঞানৰ আহিলা পাতি দেশত প্ৰচলন কৰে বুলি সেই সকলক আঁতৰাই পঠাবলৈ বা মৃত্যু দণ্ড দিবলৈ আদেশ দিছিল। সপ্তদশ শতিকাৰ এই ৰক্ষণশীলতা চীন দেশত বেছি দিন টিকিবলৈ নাপালে। চৈনিক সভ্যতাৰ ঐতিহাসিক মূল্য আছে। আজিৰ চীনত ঘটা ঘটনাই পৃথিবীৰ বেছিভাগ জাতিকে অনুপ্ৰাণিত কৰিব নোৱাৰে। কিন্তু এটা কথা স্বীকাৰ কৰিব লাগিব যে বিজ্ঞানৰ উৎকৰ্ষতাত তেওঁলোক বহু আগবাঢ়ি গৈছে। বৌদ্ধিক ৰক্ষণশীলতা আৰু শ্ৰেষ্ঠানুবৰ্ত্তিতাৰ বিষাক্ত বাহুবন্ধনৰ পৰা তেওঁলোকে নিজকে মুক্ত কৰিব পাৰিলে। এই মুক্তি সাধনৰ উপায সম্বন্ধে কৰলগীয়া

বহুতো থাকিব পাৰে আৰু সেই উপায়বোৰ কচিৎমাত্ৰ নহবও পাৰে। জাপানেও সেইদৰে প্ৰথম মহাসমৰৰ পিচৰ পৰা সমগ্ৰ জগত খোজ মিলাব পৰাকৈ নিজকে প্ৰস্তুত কৰাত লাগি গ'ল। এটা অদ্ভুত ধৰণৰ জাতীয়তাবোধত উদ্বুদ্ধ হৈ তেওঁলোকে গোটা অৰ্দ্ধশতাব্দীৰ ভিতৰত বিজ্ঞান জগতৰ প্ৰাচ্যখণ্ডত নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈ পৰিল।

বিজ্ঞান জগতত প্ৰাদেশিকতা নাই। ইয়াক ভৌগোলিক বিভাগত সীমায়িত কৰিব নোৱাৰি। কিন্তু ইয়াৰ সমগ্ৰ পৰিসৰত ব্যক্তিগত জাতিগত আৰু শ্ৰেণীগত অৱদানৰ স্থান আছে আৰু সেই স্থানৰ মূল্যও আছে। অসমীয়া বা ভাৰতীয় বৈজ্ঞানিকে বিশ্বৰ বিজ্ঞান মণ্ডলীত নিজৰ আসনৰ দাবী কৰক বা নকৰক তাৰ পৰা বিজ্ঞান চৰ্চ্চাৰ হানিবিঘিনি একো নঘটে। কিন্তু আমি যদি সেই আসনৰ অৰ্হতা লাভ নকৰোঁ তেন্তে ব্যক্তিগত ভাৱে নিজকে লজ্জিত কৰাৰ লগতে জাতিগত ভাৱেও আমি সন্মান হেৰুৱাব লাগিব। এই লোকচান আমি সহ্য কৰিবলৈ প্ৰস্তুত নহওঁ বুলি প্ৰতিজ্ঞাবদ্ধ হোৱাৰ বাহিৰে আমাৰ উপায় নাই। কাৰণ বিজ্ঞান বাদ দি আজিৰ সমাজ চলিব নোৱাৰে। "যথা নিযুক্তোঽস্মি তথা কৰোমি••'ৰ নিচিনা সনাতন সত্যই মানুহক পৌৰুষব্যঞ্জক প্ৰচেষ্টাত নিযুক্ত হবলৈ উদগাব লাগিব। সৃষ্টি স্থিতি আৰু অন্তৰাৰী বন্দক আদৰণি জনোৱাহে হব।

সুধীবৃন্দ, বিজ্ঞান সম্বন্ধে আলোচনা কৰিবলৈ গৈ সকলোকে বৈজ্ঞানিক হবলৈ কোৱাটো আমাৰ উদ্দেশ্য নহয়। গাত বল আৰু তুখন কান্ধ থাকিলেই যে ভাৰ বব পাৰি এই কথা বুজিব নোৱাৰা বাবেই নহুষ অজগৰ হবলগীয়া হৈছিল। মননশক্তিক নিজ গুণ আৰু অধিকাৰত প্ৰতিষ্ঠিত হোৱাৰ স্বাধীনতা সকলোকে দিব লাগিব। সেই স্বাধীনতা লাভ কৰাৰ পিচত চিন্তা যেতিয়া বন্ধনমুক্ত হৈ সত্যানুসন্ধী হবলৈ আগবাঢ়ে, তেতিয়া ব্যক্তিৰ অগ্ৰগতি ব্যাহত কৰিবৰ

সাহস আৰু শক্তি কাৰো নাথাকে। চিন্তাশীলক সেই স্বাধীনতা দিব লাগিব সমাজে আৰু সেই মুক্তি লাভ কৰিব লাগিব ব্যক্তিয়ে নিজে। এই পৰিবেশ সৃষ্টিৰ প্ৰচেষ্টাটোৰ বহুখিনি দায়িত্ব সাহিত্যিকে লব লাগিব। শাসনতন্ত্ৰৰ গতি স্থূল, লিখনিৰ গতি সূক্ষ্ম, শাসনৰ পৰশত টোপনি ভাঙে, কলমৰ পৰশত স্পন্দন উঠে। সেই সূক্ষ্ম গতিৰে সমাজৰ অন্তৰত জীৱনৰ স্পন্দন জগাই তুলি সাহিত্যিকে মানুহক প্ৰকৃত সত্যৰ সন্ধান দিব লাগিব আৰু মোৰ মতে বিজ্ঞানেই সন্ধানীৰ হাতৰ প্ৰদীপ।





সাংস্কৃতিক সমাৰোহত জনজাতীয় শিল্পী সকলে অংশ গ্ৰহণ কৰিছে।



বিদাযী সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই পতাকা উত্তোলনৰ পিছত ভাষণ দিছে। সন্মুখৰ শাৰীত প্ৰাক্তন সভানেত্ৰী নলিনীবালা দেৱীক দেখা গৈছে। সঙ্গীত শাখাৰ সভাপতি শ্ৰীজীবেশ্বৰ গোস্বামী, কবি সন্মিলনৰ সভাপতি শ্ৰী[illegible] লাল চৌধুৰী ( বাওঁ ফালৰ পৰা যথাক্রমে ২য়, ৫ম আৰু ৬ষ্ঠ )

# সাংস্কৃতিক শাখাৰ সভাপতিৰ অভিভাষণ

প্ৰাৰ্থনা —

"মঞি দুৰাচাৰ    কেৱল তোমাৰ    অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হৰি    লৈয়ো দাস কৰি    পশিলো হেৰা শৰণ॥
হে ব্ৰজস্বামী    তোমাৰ আগে আমি    কেৱল শৰণ চাওঁ।
কৰা অনুগত    নায়ানন্দিত    হে দাস প্ৰভু এৰাওঁ॥
হে গজপতি    মহিমা মূৰতি    নজানো সেৱা তোমাৰ।
কেৱল তোমাৰ    চৰণ পংকজ    শৰণ কৰিলো সাৰ॥
পুৰুষ-উত্তম    পৰম পুৰুষ    পৰম আনন্দ স্বামী।
তোমাৰ পাদপদ্ম    কৰি আশ    শৰণ পশিলো আমি॥"

হে সমবেত সংগীতানুৰাগী সুধীবৃন্দ, আজি এনে এটি পবিত্ৰ অনুষ্ঠানত আপোনালোকক দৰ্শন কৰিবলৈ সুবিধা দিয়াৰ বাবে অভ্যৰ্থনা সমিতিৰ সভাপতি, সম্পাদক আৰু সভ্য বৃন্দক মোৰ হিয়া ভৰা কৃতজ্ঞতা জনাইছো। আপোনালোকলৈকো মোৰ ভক্তিৰ অৰ্ঘ্য যাচিছো। পৰম ভাগ্য নহলে এনে এখন জনসমাজত [illegible] সুবিধা পোৱা কঠিন। নিজকে নিজে অযোগ্য বুলি ভাবিও যি দায়িত্বৰ ভাৰ অৰ্পণ কৰি আমাক ইয়ালৈ টানি অনা হৈছে—সেই দায়িত্বৰ গুৰুভাৰ এই বৃদ্ধৰ দ্বাৰা বহন কৰা যে একেবাৰে অসম্ভৱ কথা, কাৰণ,

নাই মোৰ বল শক্তি,    নাই মোৰ বুদ্ধি বৃত্তি
আৰু নাজানো একো সংস্কৃতি।

এনে স্থলত এনে এখন পবিত্ৰ আসনত বহি বহি মদন গোপাল হৈ কাঠৰ মূঢ়া বহাদি নহি থকাৰ বাহিৰে অসমৰ সংস্কৃতিৰ বিষয়ে যে কিবা গবেষণাপূৰ্ণ আলচ আপোনাসকলৰ আগত দাঙি ধৰিব পাৰিম, ই মোৰ সপোনৰো অগোচৰ কথা। কলা সৃষ্টিৰ বিষয়ে নতুন কথা কোৱা মোৰ পক্ষে নিতান্ত ধৃষ্টতা হব। তথাপি অ'ৰ ত'ৰ শুনি শুনি আপোনাসকলৰ অধিকেই জনা কথাকে দোহাৰি এই সভাজনক দিয়া দায়িত্বৰ ভাৰখন পুনৰ আপোনাসকলক ঘূৰাই নিদিলে আন উপায় নাই। অসমীয়া সংস্কৃতিৰ বাহক ৰূপে পৰিচয় দিয়া দুঃসাহস মোৰ নাই। অসমৰ কলা-সৃষ্টিৰ [illegible] এইটোৱে আমাৰ একমাত্ৰ পৰিচয়। [illegible] আশা বহুত বাদ দি লিখনি কৰ'লৈ আগ বাঢ়িছো—তাৰ সাৰমৰ্ম কিবা থাকিলে আপোনাসকলে তাকে গ্ৰহণ কৰে।

ভগৱানৰ সৃষ্টিত মানুহ শ্ৰেষ্ঠ জীৱ। এই মানুহেই একমাত্ৰ জীৱ যি কেৱল খাই বৈ জীয়াই থাকি সংসাৰ ধৰ্ম্ম পালন কৰাৰ উপৰিও কিবা এটা অপূৰণীয় হেঁপাহ লৈ বাবে বাবে সদায় ধপলিয়াই ফুৰিছে। সাধাৰণ দৃষ্টিত এই নোপোৱা বস্তুটি পাবলৈ প্ৰাণৰ যি আকুতি ইয়াক পাবলৈ মানুহৰ যি অশেষ চেষ্টা, সাধনা তপস্যা সেয়েই কলাৰ প্ৰাণ। এই সাধনা একে সময়তে স্বতঃস্ফূৰ্ত, আৰু যত্নকৃত। এইখিনিতে কলা প্ৰকৃতিৰ পৰা পৃথক। মানুহক বিবেক আৰু অনুভূতিয়ে জয় কৰাৰ যি প্ৰবল আকাংক্ষা তাতে কলা সাধনাৰ গূঢ় ৰহস্য সোমাই আছে। মানুহৰ প্ৰকৃতিক জয় কৰি ধৰ্ম্ম, শিক্ষা শিল্প, বাণিজ্য, ৰাজনীতি বিজ্ঞান আদি নানা বিষয়ত ক্ৰমোন্নতিৰ সূচনা কৰা কলাৰ নিজস্ব ধৰ্ম্ম। পণ্ডিত-সকলে কলাক দুভাগত ভাগ কৰিবলৈ বিচাৰে। যি কলা কোনো উদ্দেশ্য ধৰ্ম্মী নহয়, যি কলাই কেৱল অনুভূতিৰ বিনোদন সাধন কৰি নিজতে নিজেই প্ৰস্ফুটিত হয়—তাক সুকুমাৰ কলা আৰু আনভাগক উদ্দেশ্য ধৰ্ম্মী কলা বুলিব পাৰি। অনুভূতি কাল, স্থান,

অভিৰুচি সংস্কৃত আৰু পৃষ্ঠপোষকতাত সুকুমাৰ কলাই পূৰ্ণবিকাশ লাভ কৰিবলৈ সমৰ্থবান হয়।

মানুহ সামাজিক জীৱ। এই মানুহে যেতিয়া কলাৰ অন্বেষণত অশান্ত ভাবে আগুৱাই গৈছে তেওঁৰ প্ৰচেষ্টাই যেতিয়া নিমাত নিস্তব্ধ জগতত সুৰৰ সঞ্চাৰ কৰি সুন্দৰৰ জয় গান ৰচিছে তেতিয়া সেই মানুহেই শিল্পীৰূপে স্বীকৃতি লাভ কৰিছে। এই বিনদাৰা বৰ্ণিত ৰেঙণী শিল্পী নাটোৰে সাংস্কৃতিক সম্পদৰ সোণৰ পখিলৈ ধাপলি মেলিছে। এই কলাত সংস্কৃতিৰ, চিৰসুন্দৰৰ চিৰ মাধুৰী। সৌন্দৰ্য্য পিপাসু মানুহে কলা-শিল্পৰ মাজেদি সংস্কৃতিৰ সাধনা যুগ যুগান্তৰ ধৰি চলাই আহিছে। এই প্ৰচেষ্টাই মানুহৰ মনলৈ নতুন আনন্দ, নতুন তৃপ্তি যোগাইছে। মানুহৰ সাংস্কৃতিক ৰূপটোৰ কল্পনাতে কবিৰ কবিতা, কলাকাৰৰ কলা সৃষ্টি অন্তৰ্নিহিত আছে। জীৱনটো বাদ দি কলা-সাধনা কৰা সম্ভৱ নহয়। কলা সংস্কৃতি সেইবাবে মানৱ মনৰ দৰ্পণ্ বুলি কব পাৰি। ইয়াতেই সংস্কৃতি-ধৰ্মিতা বিচাৰি উলিয়াব পাৰি।

আমাৰ দেশ অসম কলা-কৃষ্টিৰ পুণ্যভূমি। বহু জাতি উপজাতিৰে ভৰপূৰ অসম ৰাজ্য—বিচিত্ৰ কলা কৃষ্টিৰ মিলন ক্ষেত্ৰ। জনজাতি সকলৰ বহু সংস্কৃতিয়ে অসমৰ সংস্কৃতিক এক অভিনৱ ৰূপ দান কৰি আহিছে। এইবোৰৰ সংমিশ্ৰণত অসমৰ সংস্কৃতিয়ে সৰ্বভাৰতীয় কলা কৃষ্টিত এক অপূৰ্ব্ব স্থান অধিকাৰ কৰিছে। ভিন ভিন জন-জাতীয় সকলৰ কৃষ্টিৰ সম্বন্ধে সম্যক জ্ঞান অৰ্জন কৰা এজন কলা-কাৰৰ জীৱনত সম্ভৱ নহয়। এই প্ৰত্যেকটি স্বকীয় কৃষ্টিৰ বিষয়ে পণ্ডিতসকলে গভীৰ অনুসন্ধান কৰিলেহে ইয়াৰ মূলসূত্ৰ বিচাৰি উলিয়াবলৈ সক্ষম হ'ব। এই বিষয়ে আমি মাত্ৰ ইয়াকে কব খোজোঁ যে অসমৰ এই বৈচিত্ৰ্যময় সাংস্কৃতিক সম্ভাৰৰ মাজত ঐক্যৰ ভেটি দৃঢ় কৰিবলৈ অসমৰ কলাকাৰ সকলে অক্লান্ত প্ৰচেষ্টা চলাবৰ

প্ৰয়োজন। অসমীয়াই সকলো জাতি উপজাতিৰ সংস্কৃতিক সন্মান আৰু শ্ৰদ্ধাৰে গ্ৰহণ কৰি ইয়াৰ বহুল প্ৰচাৰৰ পথ সুগম কৰিব লাগিব।

বোধকৰো এইটো কোনেও নুই নকৰিব যে আজি অসম কলা কৃষ্টিৰ ঘাই খুঁটি হ'ল—বৈষ্ণব ধৰ্ম্ম। অসমৰ বৈষ্ণব ধৰ্ম্মৰ লগত জড়িত নাম ঘৰ, বৰগীত, অঙ্কীয়া নাট আদি অসমীয়া কৃষ্টিৰ কীৰ্ত্তি স্তম্ভ। মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ আবিৰ্ভাৱে অসমৰ সাংস্কৃতিক জীৱনলৈ অভূতপূৰ্ব্ব [illegible] আনিলে। তেখেতৰ চৰিত পুথি পঢ়িলে তেখেতৰ বিৰাট প্ৰতিভাৰ কথা গম পাব পাৰি। শ্ৰীশ্ৰীশঙ্কৰদেৱ আছিল এজন বহু গুণসম্পন্ন শিল্পী। সাহিত্য সঙ্গীত নৃত্য, স্থাপত্য, ভাস্কৰ্য আদি সকলো বিষয়তে তেখেত আছিল অগ্ৰগণ্য ব্যক্তি। তেখেত আৰু তেখেতৰ শিষ্য শ্ৰীশ্ৰীমাধৱদেৱৰ প্ৰাচুৰ্য্য-ময় কলা কৃষ্টিয়ে অসমক নাম দিয়াৰ পৰা [illegible]লৈকে উজ্জ্বলায় ৰাখিছিল। এই জনা [illegible] অমূল্য লিখনি কীৰ্ত্তন, দশম, নাম ঘোষা প্ৰভৃতি অসমীয়া ভাষা সংস্কৃতিৰ প্ৰাণস্বৰূপ। মহাপুৰুষসকলৰ গীত-[illegible] আদিয়ে অসমীয়া কৃষ্টি-সভ্যতাক চহকী কৰি গৈছে। এইবোৰ লৈয়েই অসমীয়া সংস্কৃতি জীয়াই আছে, প্ৰাণৱন্ত হৈ আছে। তেখেতসকলৰ অঙ্কীয়া নাট, গীত মাতৰ সুৰ, নৃত্য আদিয়াই ভাৰতীয় সংস্কৃতিত অসমৰ নাম জাকত জিলিকা কৰি ৰাখিছে। অঙ্কীয়া নাটৰ আধ্যাত্মিক ভাব—ভক্তিৰসৰ পূৰ্ণ প্ৰকাশ, নৃত্য গীত সমূহ হৃদয়ঙ্গমৰ বস্তু।

ভগবান শ্ৰীকৃষ্ণক আমাৰ সংস্কৃতিৰ প্ৰতীক ৰূপে বৈষ্ণব ধৰ্ম্ম প্ৰচাৰক সকলে ৰসোময় ভাব ভাষাৰে বৰ্ণনা কৰিছে। মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ, শ্ৰীশ্ৰীমাধবদেৱ আৰু আন আন বৈষ্ণব ধৰ্ম্ম প্ৰচাৰক সকলে শ্ৰীকৃষ্ণক কেন্দ্ৰ কৰিয়েই ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰি ভক্তবৃন্দক মোহিত কৰিছিল। শ্ৰীকৃষ্ণৰ অৱতাৰৰূপতে এখেত সকলে পূৰ্ণ

আদৰ্শ উপলব্ধি কৰিছিল। অঙ্কীয়া নাটসমূহত ভগৱন্ত প্ৰেমৰ ৰস বোৱাবলৈ শ্ৰীমন্ত শঙ্কৰে শ্ৰীকৃষ্ণৰ আদৰ্শক ভক্তবৃন্দৰ আগত মধুৰ গীতমাত নৃত্যাৰে প্ৰদৰ্শন কৰিলে। শঙ্কৰদেৱৰ কেলি গোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, ৰাম-বিজয় আদি, মাধৱদেৱৰ পিম্পৰা গুচোৱা, চোৰধৰা আদি, গোপালদেৱৰ উদ্ধৱসম্বাদ আদি নাট সমূহত প্ৰায় বোৰ ৰসেই নিহিত আছে। উদাহৰণ স্বৰূপে কেলিগোপাল নাটকত গোপীসকলৰ সহিতে শ্ৰীগোপালৰ প্ৰাৰম্ভণ গীতত শান্তৰসৰ উদয় হৈছে। যথা—

(ৰাগ) নাট, একতালি

'হৰি আৱত গোবিন্দ গোপিনী পিউ।
সঙ্গে চলল গোপ তুলন জাউ॥
শ্যাম মূৰতি পীত-অম্বৰ বাসা।
নয়ন পঙ্কজ জ্যোতি লসত হাসা।
অধৰ মধুৰ বেণু ৰঞ্জা গান।
দৃশ কিঙ্কৰ এহু শঙ্কৰ ভান॥

আকৌ কৰুণ ৰসৰ উদাহৰণ দেখিবলৈ পোৱা যায় গোপীনী সকলৰ বিলাপ, পয়াৰ ইত্যাদি। যথা-

'ৰাগ বেলোৱাৰ, তাল ৰূপক।
চিন্তিত গোপিনী পেখল নৈৰাশা।
লম্বিত আনন ফোঁকাৰ নিশ্বাসা।
তনুমন ঝুৰবি নয়নে ঝুৰে বাৰি।
পদ-নখ খিতি লেখু দেখু ল্যাঙ্কিযাৰি॥
কুচ যুগ কুঙ্কুম লেপিত লোলে।
তাপিত শঙ্কৰ দাস ভোৰে॥'

পয়াৰ

'হৰি হৰি কৈৰ গৈলা প্ৰাণৰ কানাই।
সব গোপিনীক ধন নন্দ তনয়॥

কেলি গোপালত শঙ্খচূড় দুর্দ্দৈৱৰ প্ৰতীক। ভুবন ভুলোৱা ৰূপধাৰী চিৰ সুন্দৰৰ প্ৰতীক ভগবান শ্ৰীকৃষ্ণই দুষ্টক দমন হেতু গোপীসবক পাপী, কামাতুৰ শঙ্খচূড়ৰ হাতৰ পৰা ৰক্ষা কৰিলে সহিস শক্তিৰে। শঙ্খচূড়ৰ প্ৰবেশত বীৰ ৰস বিভৎসৰস ফুটি ওলাইছে বানাচা গীতটিত।

'আৰ শংখচূড় ধৰিবাহ
যেন চান্দ গিলিল ৰাহু
বাঁধা খুলি শংখ [illegible] লি হাতে।
কান্ধত [illegible] চড়া আঘাতে॥
নাৰকত নাখি চাহে দিশপাশ।
শংকৰ কহে তাহে কেশব দাস॥

বাল গোপালক উদ্দেশ্য কৰি লিখা মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ পিম্পৰা গুচোৱা নাটকত বাৎসল্য ভাবৰ প্ৰদৰ্শন অতি মনোগ্ৰাহী।

আলো মাই গালি তুমি নাপাৰিবা মোৰে।
য'ত অপমান মোৰে দিয়া আছা বাৰে বাৰে
ভালে আমি সৈয়া আছো তাক॥ ইত্যাদি

শ্ৰীশ্ৰীগোপাল দেৱৰো গীত ৰচনা প্ৰাচৰ্য্যপূৰ্ণ। এখেতৰ বলিষ্ঠ ৰচনা গোপী ভিতৰত উদ্ধৱ সম্বাদ নাট আতি মনোৰম।

গোপীসকলে কৃষ্ণ প্ৰেমত বিহ্বলা হৈ উধৱক কৈছিল—

"এ উদ্ধৱ বন্ধু মধুপুৰী ৰহল মাধৱ
যাহে নাহেৰ ৰহল অব জীৱন
বন ভয়ো ভৱন হামাৰ॥
যাহে বিয়োগে আগি অঙ্গ তাপয়
তিল্ এক ৰহয় নপাৰি।
সোহি ব্ৰজসুন্দৰ দূৰ ৰহল গোবিন্দ
দিশ দশ নিৰাস আন্ধাৰি॥ ইত্যাদি"

এই গীত কল্যাণ সুৰত ৰচনা কৰা হৈছিল—ইয়াত ভগৱন্ত প্ৰেমৰ গভীৰ অনুভূতি সৰল ভাৱে প্ৰকাশ পাইছে।

মহাপুৰুষ সকলৰ অঙ্কীয়া নাটৰ গীতসমূহৰ বাহিৰেও বৰগীত সমূহৰ সাংস্কৃতিক মূল্য অতি উচ্চ খাপৰ। ইয়াৰ প্ৰায়ভাগ গীততে আধ্যাত্মিক ভাব-ছান্দোগ্য, সঙ্গীতময় ভাষাৰে ফুটি উঠিছে। গীতৰ বিষয় বস্তুৰ লগত স্থান কালৰ আৰু সুৰ সংযোজনাৰ এক নিবিড় সম্বন্ধ আছে। প্ৰভাতৰ গীতৰ লগত দুপৰীয়া বা আবেলিৰ সুৰৰ প্ৰভেদ যথেষ্ট দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে পুৱা বেলাৰ গীত—

'তেজহৰে কমলাপতি পৰভাতে নিন্দ" শ্যাম গড়া সুৰত গোৱা হৈছে। আকৌ আবেলি—ৰাগ বসন্ত গোৱা হৈছে যেনে—

"নেৰিবা বান্ধৱ স্বামী জীৱনে মৰণে" ইত্যাদি

এই বসন্ত ৰাগৰ ধুৰাত ৰাস নৃত্য গানৰ ভলাগুৰি সত্ৰত দেখুওৱা হয়—"ৰময়া কৰু মদন খেলা খেলে সঙ্গে ৰঙ্গে গোপ ৰমনী মেলা ইত্যাদি"

মাল্লাৰ বাগৰ পুৰাত মহাৰাস নৃত্য দেখুওৱা হয়—

"ভুবন ভুলাই এ নাচে গোবিন্দ নাচে প্ৰভুচৰণ চলাই" ইত্যাদি।

ভাবৰীয়া সকলৰ বচন কথা কোৱা প্ৰাংশও অবস্থাবিশেষে পৃথক পৃথক।

আমাৰ সত্ৰসমূহে অঙ্কীয়া ভাওনা, বৰগীতৰ চৰ্চ্চা আজিও সজীৱ কৰি ৰাখিছে। কিন্তু সত্ৰভেদে সুৰ-লয় তালৰ তাৰতম্য ঘটিছে। উদাহৰণ স্বৰূপে নামনি অসমত প্ৰচলিত সুৰ-লয়-তালৰ লগত উজনি অসমৰ সুৰ-লয় তালৰ অনেক তাৰতম্য দেখিবলৈ পোৱা যায়। আমাৰ ধাৰণা, মূলতে এই বৰগীত বা অঙ্কীয়া নাটৰ গীত সমূহৰ সুৰ-লয় তাল একেই আছিল। কিন্তু ৰাগসমূহৰ কোনো লিপিবদ্ধ চানেকি নথকাত মুখে মুখে চলাত হলবা গীত মাতৰ প্ৰভাব পৰি-ৰাগ-তাল-লয়ৰ তাৰতম্য ঘটে। বৰগীতসমূহৰ ৰাগবোৰৰ শুদ্ধা-শুদ্ধ সহিতাবে নিৰ্ণয় কৰা কঠিন সমস্যা হৈ পৰিছে। আমাৰ বোধেৰে অঙ্কীয়া নাটৰ গীত আৰু বৰগীতসমূহৰ এখন বৈজ্ঞানিক পদ্ধতিৰে সুৰ চানেকি কৰি গবেষণাৰ বাবে প্ৰস্তুত কৰাৰ লাগে। সঙ্গীত নাটক একাডেমীৰ যোগেদি কিছুমান বৰগীতৰ সুৰ-চানেকি প্ৰস্তুত কৰা হৈছে। এই ক্ষেত্ৰত আমাৰ সম্মানীয় শ্ৰীমিত্ৰদেব মহন্ত ড° মহেশ্বৰ নেওগ শ্ৰীবীৰেন ফুকন শ্ৰীখগেন দাস, ৺মনিৰাম বায়ন, শ্ৰীযাদবচন্দ্ৰ পাঠক, শ্ৰীপুৰুষোত্তম দাস শ্ৰীগহনচন্দ্ৰ গোস্বামী শ্ৰীগিৰিকান্ত মহন্ত শ্ৰীচক্ৰধৰ মহন্ত প্ৰভৃতি লোকসকলৰ আন্তৰিক প্ৰচেষ্টা বিশেষ উল্লেখযোগ্য। শুদ্ধ প্ৰণালীত যাতে এইবোৰৰ চৰ্চ্চা হয়, তাৰবাবে বহুল গবেষণাৰ প্ৰয়োজন। কোনটো ৰাগ কেনেভাবে গাব লাগে ভাৰতীয় প্ৰাচীন গীত সমূহৰ লগত ইয়াৰ সমিলমিল কেনে ধৰণৰ সুৰ-সংযোজনাৰ বৈশিষ্ঠতা আদিৰ বিষয়ে

বিশেষ ভাবে অধ্যয়ন কৰা নিতান্ত প্ৰয়োজন। আশা কৰো সঙ্গীতানুৰাগী সুধী সমাজে বলিষ্ঠ পৰামৰ্শ আগবঢ়াই সহায় কৰিব। সাহিত্য সভাইও যেন এই বিষয়ত সঙ্গীত নাটক একাডেমীক সহায় সহযোগ আগবঢ়ায়। সত্ৰসমূহত সিঁচৰিত হৈ থকা এই গীতবোৰৰ এটি জৰিপ চলাব পাৰিলে বৰ সুবিধা হয়। সুৰ বিলাক সংগ্ৰহ কৰোঁতে 'টেপৰেকৰ্ড'ৰ সহায় ললে ভাল।

বৰগীত, অঙ্কীয়াগীত সমূহ গাওঁতে সচৰাচৰ খোল আৰু তাল ব্যৱহাৰ কৰা হয়। কোনো কোনো অঞ্চলত নাম প্ৰসঙ্গ কৰোঁতে, গীত গাওঁতে খোল তালৰ লগত নাগাৰা ব্যৱহাৰ কৰে। আগৰ কালত এইবোৰৰ বাদেও আমাৰ বৈষ্ণৱ গীতৰ লগত অন্যান্য বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হৈছিল। গুৰু চৰিতত উল্লেখ আছে যে গুৰুজনাৰ প্ৰিয় শিষ্য ভাস্কৰ বিপ্ৰই বীণা জাতীয় 'ৰবাব' নামৰ বাদ্য বজাই বুৎপত্তি অৰ্জ্জন কৰিছিল। চিলাৰায়ৰ পত্নীয়ে 'চাৰেঙ্গী' বজাই মহাপুৰুষৰ গীত গাইছিল। বৰ্ত্তমান এনে ধৰণৰ কোনো তাঁৰযন্ত্ৰ বৰগীত বা অঙ্কীয়া গীত গাওঁতে ব্যৱহাৰ কৰা দেখা নাযায়। মূল সুৰ অটুট ৰখাত এই ধৰণৰ তাঁৰ যন্ত্ৰই সহায় কৰে। আমি ভাবো যে আমাৰ বৰগীত অঙ্কীয়া গীতসমূহ গাওঁতে তানপুৰা এচৰাজ, চেতাৰ, বেহেলা, বাঁহী আদি ব্যৱহাৰ কৰিলে গীতৰ সুৰ লয় অধিক শ্ৰুতিমধুৰ হব। ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ সমপৰ্য্যায়ত উঠিবলৈ সহজ হৈ পৰিব। অৱশ্যে এইবোৰ গীতত 'তবলা' ব্যৱহাৰ কৰাটো ভাবি চাব লগা বিষয়। গীত সমূহ গাম্ভীৰ্য্যতা ৰক্ষা কৰাত খোল মৃদঙ্গৰ ভূমিকা বিশেষ উল্লেখযোগ্য। তবলাৰে বৰগীত জাতীয় প্ৰাচীন গীত গোৱা যুক্তি সঙ্গত নহব বুলি আমাৰ ধাৰণা। বৰগীত অঙ্কীয়া গীতৰ বাহিৰেও অসমৰ পৰ্ব্বত ভৈয়ামে প্ৰচলিত বিভিন্ন গীত মাতৰ লগত বীণ, টোকাৰী টকা, গগনা বাঁহী শিঙা, পেপা ঢোল, ডবা, বৰকাঁহ, নেগেৰা, কৰতাল, ৰামতাল,

আদি অলেখ বাদ্যযন্ত্ৰ ব্যৱহাৰ হৈ আহিছে। এই বাদ্যযন্ত্ৰ সমূহৰ বিষয়ে স্বৰ্গীয় বিৰিঞ্চি কুমাৰ বৰুৱাই তেখেতৰ লোক সংস্কৃতি নামৰ গ্ৰন্থত এখন তালিকা যুগুত কৰি গৈছে এই বিষয়ে বিতং চৰ্চ্চাৰ প্ৰয়োজন।

আগতেই উল্লেখ কৰা হৈছে যে অসমত বাস কৰা জাতি-জনজাতিৰ মাজত চলি অহা ধৰ্ম্ম, গীত মাত বাদ্য, নৃত্য, আচাৰ ব্যৱহাৰ আদিৰ সমন্বয়ত অসমীয়া সংস্কৃতি গঢ়ি উঠিছে। অসমীয়া সংস্কৃতিৰ প্ৰভাৱত বিভিন্ন জনজাতীয় কলা কৃষ্টিৰ বহুল উন্নতি সাধন হৈছে। অসমত প্ৰচলিত ধৰ্ম্মই জনজাতি সকলক আকৃষ্ট কৰিছিল তেওঁলোকৰ অনেকেই অসমীয়া আচাৰ ব্যৱহাৰ, পূজা পাতল আদি নিজৰ বুলি লৈছে। আনহাতে অসমৰ বিহু-উৎসৱৰ মূল উৎস জনজাতীয় প্ৰভাৱেৰে প্ৰভাৱান্বিত। বহুতো বাদ্য যন্ত্ৰ খোৱা বোৱা, খেল-ধেমালি, মাছমৰা জবাফুকা খেতি-বাতিত জনজাতীয় প্ৰভাৱ দেখিবলৈ পোৱা যায়। বিশেষকৈ কিৰাত সকলৰ বহুতো আচাৰ প্ৰথাই অসমীয়াৰ লোক সংস্কৃতি চহকী কৰি গৈছে। এই সন্দৰ্ভত বহুল আলোচনাৰ পৰিসৰ এতিয়াও পৰি আছে। অসমৰ নৃত্য আৰু সঙ্গীতানুৰাগী সকলে জনজাতীয় গীত-মাত নৃত্য-বাদ্য আদিৰ বিষয়ে অধিক চৰ্চ্চা কৰা উচিত। জনজাতীয় নৃত্য গীত সমূহৰ বৈশিষ্ঠতা অটুট ৰাখি আমাৰ লৰা-ছোৱালীয়ে এইবোৰ আয়ত্ব কৰিবলৈ আগবাঢ়ি অহাৰ লাগে। অসম সাহিত্য সভাই ইতিমধ্যে জনজাতীয় সন্দৰ্ভত কেইখনমান মধুৰ গ্ৰন্থ প্ৰকাশ কৰি এক ডাঙৰ অভাৱ দূৰ কৰিছে। এই কাম হাতত লৈ কৃতকাৰ্য্যতাৰে আগবাঢ়িব পৰাত ডক্টৰ মহেশ্বৰ নেওগ, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, অধ্যাপক প্ৰমোদ ভট্টাচাৰ্য্য, শ্ৰীলীলা গগৈ, শ্ৰীলুম্বেৰ দাই, শ্ৰীতৰুণ চন্দ্ৰ পামেগাম আদি সাহিত্যিক সকল আমাৰ প্ৰশংসাৰ পাত্ৰ।

অসমৰ নৃত্য গীতৰ অপূৰ্ব্ব সমাবেশ অতি চহকী আৰু বৈশিষ্ট্য-

পূৰ্ণ অসমৰ ঐতিহ্য, কলা-কৃষ্টি এইবোৰে জীৱন্ত কৰি ৰাখিছে। আমাৰ ধৰ্মীয় জীৱন, সামাজিক জীৱন এই নৃত্য গীতৰ লগত সাঙোৰ খাই আছে। লোক নৃত্য গীতে অসমৰ পৰ্ব্বত ভৈয়াম একত্ৰ কৰি সাংস্কৃতিক মিলনৰ পথ সুৰুপি কৰি ৰাখিছে। ইতিহাসে চুকি নোপোৱা দিনৰে পৰা অসমীয়া ডেকা-গাভৰু লৰা বুঢ়া জীয়াৰী বোৱাৰী সকলোৰে মুখে মুখে হাল বাওঁতে গৰু চৰাওঁতে তাঁত বওঁতে, ভূঁই ৰোৱতে বেছুৰা নিচুৱাওতে চলি অহা আমাৰ বাপতি সাহোনীয়া কৃষ্টি সম্পদ, আই নাম, বিয়া নাম, ৰবাগা নাম, হুচৰি নাম, বিহু নাম নিচুকনি নাম সাপ্ সুৰিপা নাম, ওজাপালি নাম মহংখেদা নাম, ফিৰিৰ আদি আৰু সিমানেই প্ৰাচীন ওজাপালি নৃত্য, দেওধনী নৃত্য দেৱদাসী নৃত্য বিহু নাচ, গোৱলা নাচ আদি। ভালকৈ চালে এইবোৰৰ মাজেদি আমাৰ সমাজত চলি অহা প্ৰাচীন ৰীতি-নীতি আচাৰ ব্যৱহাৰ বিশ্বাসবোৰ সোমাই আছে। ইয়াত আমাৰ সুখ দুখ প্ৰেম পিৰিতি, জল্পনা কল্পনা, আশা-আকাংক্ষা, হতাশ বিপৰ্য্যয় আদিৰ অপূৰ্ব্ব সমাবেশ দেখা যায়। এইবোৰৰ বিষয়ে আমি পুনৰ আলোচনা নকৰি কেৱল পৌৰাণিক গীত মাত সমূহৰ সুৰৰ বিষয়ে আমাৰ মনলৈ অহা দুই-এটি কথা চমুকৈ উল্লেখ কৰিম।

নিচুকনি নাম, বিয়া নাম আৰু আই নাম এই তিনিও বিধ নামৰ সুৰ বহু ক্ষেত্ৰত প্ৰায় একে যেন লাগে। যেনে—

বিয়া নাম:— "আগফাল শুৱনী কাৰিনী আমোলে
ঐ ৰাম, পাচফাল শুৱনী পানহে।
ঘৰ ঘৰ শুৱনী জীয়াৰী বোৱাৰী
ঐ ৰাম, উলিয়াই দিবলৈ টান হে॥"

নিচুকনি নাম:—"আমাৰে মইনা শুবলৈ ধৰিছে,
ঐ ৰাম নেখায় লোকে সনা ভাতহে॥"

আৰো আই নাম ঃ

'গান্ধ পুষ্প ধূপ দিপে
পূজে নৰনাৰী।
তুষ্ট হোৱা ভগৱতী
কৈলাশ ঈশ্বৰী॥"

বিয়া নাম —

"ওলাই আহা আইদেৱে
পাটিত মঙ্গল চাই
পোনাক গণিতা কাৰ
অংগ চৰি যাই॥"

ওপৰত উল্লেখ কৰা উদাহৰণবোৰৰ পৰা ধাৰণা কৰিব পাৰি যে এই সকলোবোৰ নাম গুলি প্ৰায় একে সময়ৰ পৰা প্ৰচলিত হৈ আহিছে। এইবিলাক বিশুদ্ধ অসমীয়া। আজি-কালি অনেক নামতীয়ে বিয়া নামত নন নাক, বিহু গীত আৰু আধুনিক গীতৰ সুৰ সানমিহলি কৰি গাবলৈ ধৰিছে।

আমাৰ পুৰণি সাধু কথাত বিননি সুৰৰ নামৰ অভাব নাই। এই সাধুকথাত কৰুণ সুৰ নিহিত আছে। যেনে ঃ—

(ৰমাই ডেকাৰ সাধুত)

ৰতনীয়ে কাউৰীক সুধিছে —

কাউৰী কাউৰী অজাতি কাউৰী
কি খায় বোলালি ঠোঁট,

কাউৰীয়ে উত্তৰ দিছে

বনৰে মাজতে ৰমাইকে কাটিলে
তেজ খাই বোলালোঁ ঠোঁট।

বিহু নামে বিহু নাচ কেনেকৈ ডেকা গাভৰুৰ মন "কমোৱা তুলাপাৰ" উৰুৱাদি উৰুৱাই তাক সকলোৱেই জানে। বিহু নচা

ছোৱালীয়ে অতিকৈ চেনেহৰ মুগাৰ ৰিহা মেখেলা পিন্ধি ধোল বগৰত পেঁপাৰ টিহিটি-টিহিটি সুৰত টকাৰ থকথক শব্দত তালৰ থম্-থমনিত খোপাত কপৌ ফুল পিন্ধি যেতিয়া জাক মাৰি মাৰি আপোন পাহৰা হৈ নাচে তেতিয়া ধুনীয়াই চালেহে ধোল বাব নোৱাৰিলে ধোলৰ মাৰিৰেই ধুনীয়াই নাচটি চিঁচিয়া বুলি ছাপ দিবলৈ কুণ্ঠিত নহয়

হুচৰী নাম গোৱাৰ প্ৰথাও স্থল বিশেষে বেলেগ বেলেগ। হুচৰি গাওঁতে কোনো কোনো অঞ্চলত বিহু নাচ আৰু বিহু গীত গোৱা নহয়।

ওজাপালি গীত সমূহত আধ্যাত্মিক ৰস ওপচি থাই আছে। মঙ্গলদৈ আৰু কামৰূপত যি সুৰত ওজাপালি গোৱা হয় নগাঁও অঞ্চলত সাধাৰণতে তেনে ধৰণেৰে ইয়াক গোৱা নহয়। অনেক গোত্ৰত বৃত্তান্তবো প্ৰভেদ লক্ষ্য কৰিব পাৰি।

মঙ্গলদৈ আৰু কামৰূপ অঞ্চলত গোৱা ওজাপালি, যেনে —

"ভেলা ভাহিল ৰে
বেউলা সতীৰ ভেলা ভাহিলাৰে,
মৰা স্বামী লই বেউলা ভাহিলাৰে'।

নগাওঁ অঞ্চলত প্ৰচলিত সুৰ—
( হৰিশ্চন্দ্ৰ উপাখ্যান )—

ঘোষা :—'হৰি হৰি বিধি কিমতে নমৰি,
আছো মই প্ৰাণ ধৰি।

পদ —বিষৰ পৰমে থৰ থৰি কম্পে
কুমৰৰ প্ৰাণ গৈল'।

বুড়িল বুড়িল বুলি পাটেশ্বৰী
পুত্ৰশোকে আউল ভৈল।

মনকৰৰ মনসা কাব্যৰ গীত সমূহত শিবৰ বৃত্তান্ত উপাদেয়। এইবোৰ আখ্যানে শিৱক অসমীয়া সমাজলৈ টানি আনিছে।

স্বৰ্গীয় ৰসৰাজ বেজবৰুৱা আৰু ৰূপকোঁৱৰ স্বৰ্গীয় জ্যোতি প্ৰসাদ আগৰৱালা অ দিন নাটকসমূহত ভাৱৰীয়া সকলৰ মুখেদি এই গীত মাত বোৰৰ বহুল প্ৰচাৰ কৰা এটা সাহিত্যিক প্ৰচেষ্টা চলিছিল। যেনে ৰসৰাজৰ জয়মতী নাটকত তৰবৰী লিগিৰীয়ে ৰাজ কোঁৱৰৰ টোপনী আহিবলৈ নিচুকনি গীত ধৰিছিল এই বুলি,

আমাৰে মইনা শুব এ,
বাৰীতে বগৰী ৰুব এ ইত্যাদি'।

যেনে ৰসৰাজে ৰ্মাষ্টমীৰ সন্ধ্যা নামো কোনো কোনো ঠাইত গোৱা হয়—

"সজি বাকি শিলা বৰষিলে এ
জুৰনি প্ৰজাৰ মাত।
পালা প্ৰহৰীয়া সবে
নন্দ্ৰা গৈল উপজিলে জগন্নাথ।

জ্যোতিপ্ৰসাদৰ শোণিত কুঁৱৰী নাটৰ বিয়া নামৰ সুৰৰ গীত সমূহত আছে মনোৰম যেনে- কোনে গছে গছে পাতি দিলে ফুলাৰ শৰাই বা। ৰাম কোনে শৰাই।

বিয়ানাম - আগত দিয়া পাছত দিয়া, পঞ্চ আয়তীয়ে ৰাম ৰাম' ইত্যাদি।

সমৰ সুৰ নৃত্য সত্ৰীয়া নৃত্যই অসমীয়া সংস্কৃতিৰ পৰিসৰ বৃদ্ধি কৰি আহিছে। ৰজা ঘৰ, প্ৰজাঘৰ উভয়ে নৃত্যক আদৰ কৰিছিল অসমীয়া জাতিৰ প্ৰাণত উৎসৱৰ মাদকতা এই নৃত্য সমূহে অটুট ৰাখি আহিবলৈ সক্ষম হৈছিল যুগ যুগান্তৰ ধৰি।

এই খিনিতে এটি কথা উল্লেখ নকৰি নোৱাৰি যে সত্ৰিয়া নৃত্য প্ৰদৰ্শনত অনেক শিল্পীয়ে শুদ্ধভাবে মুদ্ৰা প্ৰোয়োগ কৰিবলৈ

চেষ্টা নকৰাৰ কাৰণে নৃত্য ভঙ্গিমাৰ লয় ভাব নাম পায় গতিকে শ্ৰীমন্ত যুতাবলীৰ সমূহ আয়ত্ত কৰি ব্যৱহাৰ কৰিবলৈ চেষ্টা চলোৱা উচিত।

শুক্লধ্বজ নৃপতিৰ অনুৰোধত মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱে ৰাম বিজয় নাট ৰচিছিল মুক্তিমঙ্গল ভটিমাত উল্লেখ কৰা হৈছে—।

"ৰামক পৰম ভকতি ৰস জানা।
শ্ৰীশুক্লধ্বজ নৃপতি প্ৰধানা।
নাম বিজয় যো কৰাৱত নাট।
মিলহু তাহেক বৈকুণ্ঠক বাট॥ ইত্যাদি

আহোম ৰজা সকলেও নৃত্য গীতক ৰাজকীয় মৰ্যাদা দান কৰি ইয়াৰ ব্যাপক প্ৰচলনৰ বাবে ব্যৱস্থা কৰিছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ আমোলত নৃত্য গীতে ৰাজকীয় স্বীকৃতি লাভ কৰি জনপ্ৰিয়তা অৰ্জন কৰিছিল।

নৃত্যৰ প্ৰতি অসমীয়া মানুহৰ ৰাপ আজিও কমা নাই বৰং ইয়াৰ প্ৰতি ৰাপ অনেক বাঢ়িছে বুলি কব পাৰি। আজিকালি ঠায়ে ঠায়ে সঙ্গীত বিদ্যালয় স্থাপন হৈ সত্ৰীয়া নৃত্যৰ চৰ্চা হৈ থকাটো অতি আনন্দৰ কথা। সত্ৰীয়া নাচৰ অভিনয়ৰ ভিতৰেদি এইবোৰ জনপ্ৰিয় কৰি তুলিবলৈ অনেক নৃত্য শিল্পীয়ে আপ্ৰাণ চেষ্টা চলাইছে।

এই খিনিতে উল্লেখ কৰিলে বোধকৰো, অপ্ৰাসঙ্গিক নহব যে প্ৰায় দেড়কুৰি বছৰৰ আগেয়ে এই অভাজনে নিজৰ শিলপুখুৰীয়া বাসভৱনত ভাতৃস্থানীয় কেইজনমান উৎসাহী শিল্পী বন্ধুৰ লগলাগি "প্ৰাচীন কামৰূপী নৃত্য সঙ্ঘ" নামদি এটি অনুষ্ঠান খোলা হৈছিল। এই অনুষ্ঠানৰ শুভ ধাৰোতা সকল আছিল— স্বৰ্গীয় ৰায়বাহাদুৰ কনকলাল বৰুৱা, স্বৰ্গীয় গোপীনাথ বৰদলৈ, স্বৰ্গীয় চাৰু চন্দ্ৰকলা, স্বৰ্গীয় ৰোহিণী কুমাৰ চৌধুৰী, বিজনী ৰাণী স্বৰ্গীয়া নলিনী দেৱী আৰু তেওঁলোকৰ স্বামী শ্ৰীভৈৰবেন্দ্ৰ নাৰায়ণ ভূপ বাহাদুৰ আদি পোষক সকল।

এই সম্পৰ্কত সুপৰিচিত শিল্পী শ্ৰীবিষ্ণুপ্ৰসাদ ৰাভা শ্ৰীসূৰ্য্যকান্ত বৰদলৈ, শ্ৰীশৰৎ চন্দ্ৰ দাস আদিৰ যোগদি ইয়াৰ মৰ্য্যাদা বৃদ্ধি কৰিছিল। কামৰূপী লোকসংগীতৰ নৃত্যাভিনয় প্ৰদৰ্শন কৰোঁতে নগাওঁৰ ভোগালী আদিত প্ৰচলিত ওজাপালি নাচৰ গীত, পদ, ৰাগ প্ৰভৃতি পাত্ৰসকলে ব্যৱহাৰ কৰা হৈছিল আৰু ইয়াৰ লগত আধুনিক বাদ্যযন্ত্ৰ বেহেলা, এচৰাজ, বাঁহী, লগতে খোল মৃদঙ্গ, নাগেৰা, বৰকাঁহ, ভোৰতাল, পাতিতাল আদি ব্যৱহাৰ কৰি পৌৰাণিক সুৰ সমন্বয়ক আধুনিক ৰঙ্গমঞ্চৰ উপযোগী কৰি তোলা হৈছিল। এই ক্ষেত্ৰত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ উৎসাহ উদ্দীপনা আমাৰ পথ প্ৰদৰ্শক স্বৰূপ আছিল। তেখেতে নিজেও বাণাষ্টকত অভিনয়ৰ এৰাতান বাদ্যত আধুনিক সঙ্গীতৰ লগতে খোল, তাল, দবা বৰকাঁহ আদি পুৰণি বাদ্যৰ ব্যৱহাৰ কৰি সুৰৰ লহৰ তুলিছিল।

কিন্তু আলচা কথা নহয় সিদ্ধি নাটত আছে কণ্ঠাবিধি। গুৰুকবাক উধাৰবৈ নিদিয়াৰ দৰেহে হুজাৰ বিজাৰ জাহৰুৰিয়া মেজাজিয়ে কামৰূপী লোকগীতক উলাৰ নিদিলে যদি এই অনুষ্ঠানৰ হেপাহ তব নহ'ল। সেই কাৰণে সাধাৰণ বুজ নিজৰ সৰ্ত সন্তুষ্টিৰ আদি কৰি আমি সেই আপোনালোকৰ সহযোগী বন্ধু বান্ধৱৰ ল'ৰা-ছোৱালীক শিকাই লোকগীতৰ সমাজৰ সম্ভ্ৰীয়া এই গীতৰ চৰ্চা আজিকোপতি চলাই থকা হৈছে। ইয়াৰ ফলতেই মণিপুৰ নগৰৰ মন্দিৰ প্ৰতিষ্ঠা উৎসৱত মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ বিৰচিত কেলিগোপাল অঙ্কীয়া নাটৰ চমু নৃত্যাভিনয় প্ৰদৰ্শন কৰাবলৈ সক্ষম হোৱা হৈছিল। অঙ্কীয়া ভাওনাই যে অসমৰ বাহিৰতো সমাদৰ পাব পাৰে তাক মণিপুৰ সত্ৰৰ মন্দিৰ প্ৰতিষ্ঠা উৎসৱতে পৰিলক্ষিত হৈছিল। চিলঙৰ শ্ৰীমন্ত শঙ্কৰ কৃষ্টি কেন্দ্ৰৰ নাট্য সমাৰোহ কৰা হয়। বিজয় অঙ্কীয়া নাটৰ ভাওনাই দৰ্শক সকলৰ প্ৰশংসা অৰ্জন কৰিছিল।

এনে মহৎ দায়িত্ব পালন কৰোঁতে অসম প্ৰধান সভাৰ

অধ্যক্ষ শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীয়ে যি সহায় আৰু উৎসাহ যোগাইছিল— তাক নশলাগি নোবাৰো।

বৈষ্ণব ধৰ্ম্মৰ প্ৰচাৰৰ হেতু মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱে ভাওনা সৃষ্টি কৰে। এই ভাওনাই অসমৰ কলা-কৃষ্টি সাহিত্যৰ উন্নতি সাধনত বহুল সহায় কৰিছে। এইজনা মহাপুৰুষে ভাৰতবৰ্ষৰ নানা তীৰ্থস্থান ভ্ৰমণ কৰি মৌমাখিয়ে ফুলৰ ৰেণু আহৰণ কৰাৰ দৰে নানা ঠাইৰ পৰা নৃত্য গীত অভিনয়ৰ চানেকি সংগ্ৰহ কৰিছিল। ভাওনা হৃদয়ঙ্গম কৰিবলৈ ৰসবোধ, ভাববোধ, আৰু আধ্যাত্মিকবোধৰ প্ৰয়োজন। অসমৰ ভাওনাৰ এটা নিজস্বৰূপ আছে। ইয়াৰ ভিতৰেদি জনসমাজক আনন্দ দিব পাৰি, জ্ঞান দিব পাৰি। অভিনয়ৰ নৃত্যগীতে, বচনা ভঙ্গীয়ে শিক্ষিত অশিক্ষিত সকলো শ্ৰেণীৰ লোকক বৈষ্ণব ধৰ্ম্মৰ মূল আদৰ্শ হৃদয়ঙ্গম কৰিবলৈ সমৰ্থবান কৰে।

ভাওনাত সূত্ৰধাৰী, শ্ৰীকৃষ্ণ বা শ্ৰীৰামচন্দ্ৰ আৰু অন্যান্য ভাৱৰীয়া সকলৰ সমাৱেশ আকৰ্ষণীয় দৃশ্য আৰু অপৰিহাৰ্য্য অঙ্গ। ভাওনাত ওলোৱা সকলো ভাৱৰীয়াৰ নৃত্য, গীত, বচন-ভঙ্গীমাত বুৎপত্তি থকা নিতান্ত আৱশ্যক। তেওঁলোকৰ দৈহিক সৌন্দৰ্য্য, শিল্পী সুলভ মনোবৃত্তি, উদ্যম উৎসাহ, আশাসুধীয়া প্ৰচেষ্টা ভাওনা কৃতকাৰ্য্য কৰি তোলাত মূল্যবান অঙ্গ স্বৰূপ।

আৱশ্যক বুজি চোঁমুখা ব্যৱহাৰেও দৰ্শকৰ মনত আনন্দ দিয়ে আৰু চৰিত্ৰৰ শোভা বঢ়ায়।

নাটক আৰম্ভ হোৱাৰ আগতে খোল, মৃদঙ্গ, ভোৰ তাল, পাতি তাল আদিলে জোৰা বা গণিকা গোৱা হয়। পৰম পিতা ভগৱানৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনাই নাট মেলা ভাওনাৰ অৱশ্য কৰ্ত্তব্য। ভটিমা গাই সুললিত স্বৰে সূত্ৰই যেতিয়া ভাওনাৰ পাতনি মেলে দৰ্শক সকলোৱে গদ গদ হৈ ভগৱানৰ গুণ কীৰ্ত্তন শ্ৰৱন কৰে। সূত্ৰধাৰী নৃত্য আৰু শ্ৰীকৃষ্ণ নৃত্যত পাকৈত হলে অন্য সত্ৰীয়া

নৃত্য আৰম্ভ কৰিবলৈ পলম নালাগে। গাৱঁৰ উৎসাহী লোকসকলে জীয়াই ৰাখিছে ভাওনাত আখৰাৰ প্ৰয়োজন অত্যন্ত বেছি। কষ্ট স্বীকাৰ নকৰিলে ভাও আৰম্ভ কৰা বা নৃত্য ফুটাই তোলা দুৰূহ। আমাৰ ভাওনাত নাৰী চৰিত্ৰ সমূহ কম বয়সীয়া দেখনিয়াৰ ল'ৰাৰ দ্বাৰা প্ৰদৰ্শন কৰা হয়। জাতি বৰ্ণ নিৰ্বিশেষে সকলো ৰাইজৰে ভাওনা আদৰৰ বস্তু। উৎসৱ মেলা তিথি পৰ্ব আদিত ইয়াৰ আযোজন কৰি আনন্দ মুখৰ পৰিস্থিতিৰ অৱতাৰণা কৰা হয়।

ভাওনাৰ পৱিত্ৰ স্থান নাম ঘৰ আৰু সত্ৰসমূহ। নামঘৰৰ পুৰণি স্থপতি কলা আৰু ভাস্কৰ্য্যই অসমৰ গৌৰৱময় উদাহৰণ ডাঙি ধৰে। বৰ্ত্তমান অনেক সত্ৰৰ অৱস্থা লাহে লাহে শোক লগা হৈছে, অনেকৰ নামঘৰ উঠনলি গৈছে। উৎসাহৰ অভাব নে আধুনিক ৰুচিৰ প্ৰভাৱ আমি তত্ত ধৰিব পৰা নাই। অসমৰ সত্ৰসমূহ সাংস্কৃতিক বিষয়ত লাইখুটা স্বৰূপে অনেক গোসাই মহন্তই এইবোৰ ৰক্ষা কৰিব নোৱাৰি আৰ্থিক দুৰ্দশাৰ মাজত দিন অতিবাহিত কৰিছে। অনেকৰ আকৌ ৰক্ষণশীল মনোভাবে উন্নতিৰ ক্ষেত্ৰত প্ৰতিবন্ধক জন্মাইছে। অসমীয়া সংস্কৃতিৰ বিকাশত সত্ৰসমূহৰ বহল ভূমিকা আমি পাহৰি গলে নচলিব। এইবোৰ যাতে জীয়াই থাকে, প্ৰাণৱন্ত আৰু সুস্থ সবল হৈ অসমৰ সংস্কৃতিক পুনৰ জাগৰিত কৰিব পাৰে তাৰ বাবে চৰকাৰ অসমীয়া ৰাইজ সজাগ থাকিব লাগিব। অধিকাৰ প্ৰভুসকল প্ৰমুখ্যে শিষ্য ভকত সকলোৱে মহৎ উদ্দেশ্যৰ কথা উপলব্ধি কৰিব লাগিব।

সন্তোষৰ কথা যে আজি কিছুদিনৰ পৰা অসমৰ কেইবাখনো চহৰৰ শিক্ষিত লোকসকলে একো একোটি অনুষ্ঠানৰ জৰিয়তে আমাৰ পুৰণি কৃষ্টি কলাৰ বহুল প্ৰচাৰৰ কাম হাতত লৈ অনেক অগ্ৰসৰ হৈছে। ৰঙ্গমঞ্চ উপযোগী ৰূপে যুগুত কৰা নৃত্য নাট্য সমূহ—যেনে ৰুক্মিণীহৰণ, পাৰিজাত হৰণ সীতা সয়ম্বৰ, উষা পৰিণয় আদি যে

উপভোগৰ বস্তু তাত সন্দেহ নাই। এইবোৰৰ উদ্যোক্তা সকল অসমীয়া সংস্কৃতিৰ প্ৰতি গভীৰ ভাবে সজাগ থাকে যাতে বাহিৰা প্ৰভাবৰ থলুৱা গীত মাত, নৃত্য অভিনয়ত কেবোণ নালাগে অসমৰ সত্ৰীয়া নৃত্য গীতত যেন কৰ্দৰ্যতা নোসোমায়, কৃত্ৰিমতাই যেন ধ্বংস কৰিব নোবাৰে। অসমীয়া ঐতিহ্য পৰম্পৰা ৰক্ষা কৰোঁতে সংস্কৃতিৰ বাহক সকলে শিল্প ৰুচি, বেশভুষা, অঙ্গৰাগ, অলঙ্কাৰ পাতি নৃত্য গীত বচন-ভঙ্গী আদিৰ প্ৰতি লক্ষ্য ৰখা উচিত।

আধুনিক গীত মাতত নাটক অভিনয়ত অসমৰ শিল্পী সকলে জনপ্ৰিয়তা অৰ্জ্জন কৰিছে। নাটকৰ কৌশল বিষয়ত আৰু আধুনিক গীতত ৺জ্যোতি প্ৰসাদ আগৰবালাৰ যি বৰঙনি—তাক অসমীয়া ৰাইজে পাহৰিব নোবাৰে অসমৰ বোল ছবি আন্দোলনত তেখেতে আগনুবাই এক মহান কাম সমাধা কৰি গৈছে। সৰবাহী শ্ৰীভূপেন হাজৰিকাৰ বহুমুখী প্ৰতিভাৰে অসমৰ কলাকৃষ্টিৰ অনেক উন্নতি হৈছে। ইয়াৰ বাহিৰেও অসমৰ অনেক শিল্পী আছে—যিসকলৰ ত্যাগ আৰু কৰ্ত্তব্যনিষ্ঠাত অসমৰ ভিন্ন ভিন্ন কলা-শিল্পৰ বহুল উন্নতি পৰিলক্ষিত হৈছে।

কামৰূপ জিলাত যাত্ৰাভিনয়ৰ জনপ্ৰিয়তা লাহে লাহে পোৱাটো আনন্দৰ কথা। কামৰূপত অভিনয়ৰ বাবে কেইবাটাও দল গঠন হৈছে। এই প্ৰসঙ্গত নটৰাজ থিয়েটাৰ পাৰ্টিৰ নাম উল্লেখ কৰিব পাৰি। আধুনিক কৌশল প্ৰয়োগেৰে এই পাৰ্টিয়ে অসমৰ বিভিন্ন অঞ্চলত অভিনয় প্ৰদৰ্শন কৰি দৰ্শকমণ্ডলীক আমোদ দিবলৈ সক্ষম হৈছে। এই ধৰণৰ অনুষ্ঠানক চৰকাৰে আৰ্থিক সাহায্যৰে সুবিধা দি বহুল প্ৰচাৰত সহায় কৰিব পাৰিলে ভাল।

এইখিনিতে অসম চৰকাৰৰ প্ৰচাৰ বিভাগৰ নাম উল্লেখ কৰিব খোজো। ইয়াৰ যোগেদি অসমৰ থলুৱা গীত, মাত, নৃত্য অভিনয় সত্ৰীয়া নাচ আদিয়ে ভাৰতৰ বিভিন্ন নগৰত সাংস্কৃতিক প্ৰদৰ্শন

কৰিবলৈ সুবিধা পাইছে। এই বিভাগে নাট মহোৎসৱ পাতি নাটক-অভিনয় আদিত উৎসাহ প্ৰদান কৰিছে। অসমীয়া শিল্পীসকলৰ আন্তৰিক চেষ্টাৰ ফলত অসমত এটা পূৰ্ণাঙ্গ ষ্টুডিঅ'ৰ কাম দ্ৰুত ভাৱে আগ বাঢ়িছে। কেন্দ্ৰিয় চৰকাৰৰ সাহয্যত ৰবীন্দ্ৰ ভৱন তৈয়াৰ হৈছে। অসমৰ অনেক দিনিয়া অভাৱ এইবোৰ অনুষ্ঠানৰ দ্বাৰা পূৰ্ণ হব বুলি আমি ভৰসা ৰাখিছো।

অসম কলা কৃষ্টিৰ বহুল প্ৰচাৰত অল ইণ্ডিয়া ৰেডিঅ'ৰ বৰঙনি কম নহয়। অসমৰ বহু বহু নাটকক নতুন টেকনিক বা শৈলীৰে যুগুত কৰি মাজে সময়ে ৰেডিঅ'ত প্ৰচাৰ কৰাটো বৰ প্ৰশংসনীয় কথা। অনাতাঁৰ নাটৰ বহুল প্ৰচাৰৰ বাবে, গীত মাতৰ জনপ্ৰিয়তাৰ বাবে, অল ইণ্ডিয়া ৰেডিঅ'ই কৰা পৰিশ্ৰম সফল হব বুলি আশা কৰিছো। নতুন নতুন গীতিকাৰ, নাট্যকাৰ, প্ৰবন্ধ লেখক, ওলাই অসমীয়া সংস্কৃতিৰ বহুল উন্নতি সাধিব বুলি কামনা কৰিছো। দেশৰ কলা কৃষ্টি ৰক্ষা কৰি ইয়াৰ উন্নতিৰ উদাহৰণ বিকাশ কৰা অসমৰ ডেকা গাভৰু লৰা-ছোৱালী সকলোৰে মহান দায়িত্ব। বিশেষকৈ উঠি অহা ডেকা-গাভৰুৰ উৎসাহ উদ্দীপনা আন্তৰিকতা আৰু সাৰ্থকতাৰ ওপৰতে ইয়াৰ বহুল প্ৰচাৰ, বহুল জনপ্ৰিয়তা নিৰ্ভৰ কৰিছে। বয়স্কজনৰ স্নেহ আৰু উপদেশে এওঁলোক অসমীয়া সংস্কৃতিক আগুৱাই লৈ যাওক, তাকে কামনা কৰিলো।

আমাৰ উৎসাহ উদ্দীপনা বলশক্তি ক্ৰমে হ্ৰাস হৈ আহিছে। অসমৰ বুকুত জন্ম গ্ৰহণ কৰি ডাঙৰ দীঘল হৈ কলা-কৃষ্টিৰ যি অলপ সোৱাদ পাই আহিছো—সেয়ে এই অধমৰ জীৱন তৃপ্তিময় মধুৰ অভিজ্ঞতা, আনন্দ মহামেলা। এই পৰিতৃপ্তিৰে যেন অসমৰ বুকুত হাঁহি হাঁহি অসমীয়া বুলি গৌৰবেৰে শেষ নিশ্বাস ত্যাগ কৰিব পাৰো এয়েই পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা।

অসমী-আইৰ বুকুত সুন্দৰৰ সাধনাই, কলাকৃষ্টিৰ প্ৰতিভাই

ছুগুণে জেউতি চৰাওক। শঙ্কৰ-মাধৱৰ, মহান আদৰ্শ জ্যোতিৰ প্ৰসাদৰ মহান ত্যাগ, জ্ঞাত অজ্ঞাত শত সহস্ৰ অসমীয়া কলাসাধকৰ অপ্ৰাণ প্ৰচেষ্টা জীৱনৰ আশা-আকাঙ্খা অসমত জাগ্ৰত হওক, প্ৰতি-ফলিত হওক। চিৰ উন্নত হওক।

শেহত এই অভাজনক দিয়া গুৰুভাৰৰ বাবে আপোনাসকলৰ ওচৰত কৰপুতে মোৰ ভক্তি শ্ৰদ্ধা পুনৰ দোহাৰি মেলানি মাগিলো মোৰ দোষ যেন মৰিষণ কৰে— ।

“পতিত পাবন ৰামনাৰায়ণ
প্ৰসিদ্ধ সমস্তজনে।
আমি মহাপাপী শৰণে পশিলো
ৰাখিয়ো নিজ চৰণে॥”

শ্ৰীজীবেশ্বৰ গোস্বামী।



# কবি সন্মিলন শাখাৰ সভাপতিৰ অভিভাষণ

**বন্ধু সকল,**

আপোনালোকক মোৰ হিয়াৰ তুবাব মেলি অভিনন্দন জনাঁও। আজি মোৰ মনত পৰিছে, এই নগৰতে প্ৰাতস্মৰণীয় বেজবৰুৱাৰ চিতাভস্ম লুকাই আছে, ইযাৰ বতাহতেই তেওঁৰ অমৰ আত্মা এদিন অনন্তত লীন হৈ গৈছে, ইযাতেই এদিন বেনুধৰ ৰাজখোৱাৰ ভৌতিক দেহ লীন হৈ গৈছে—তেওঁক আমি পাহৰিলোঁবেই নেকি? কব নোৱাৰোঁ। কিন্তু তেও আছে, কাৰণ তেখেতৰ জয়মতী কবিতা আজিও মোৰ প্ৰাণত বাজি আছে। ইযাতেই কবি মফিজুদ্দিন আহমদৰ নিভাজ মিঠা অসমীয়াৰ সুৰ সুৰদি ঝঙ্কাৰ আজিও বাজি থকা যেন লাগিছে। ইযাতে ৰজনী বৰদলৈৰ স্মৃতি অমলিন হৈ আছে। আৰু সিদিনা বন্ধু ডিম্বেশ্বৰ নেওগৰ শেষ নিশ্বাস এতিযাও কঁপি কঁপি বতাহক ভাৰক্ৰান্ত কৰি ৰাখিছে। সেইবোৰ আকৰ্ষণে মোক দীন তীৰ্থ যাত্ৰীৰ দৰে ইযালৈ টানি আনিছে। নহলে ভাৰতৰ পুব-প্ৰান্তৰ এই শেষ নগৰ খনলৈ এই সঙ্কটপূৰ্ণ যাত্ৰাৰ সাহস মোৰ নাছিলেই বুলিব লাগে। যদিও মই বৰ দূৰ দেশৰ মানুহ নহয়। আৰু এফেৰি আশা মই বুকুত বান্ধি আহিছোঁ। সেযা কবি শৈলধৰ ৰাজখোৱাদেৱৰ সান্নিধ্য লাভ। যিজনে কদৰ্য্য চৰকাৰী বিষযবাৰ কৰিও, বৰপেটাৰ শঙ্কৰী প্ৰাণৰ কম্পন অনুভৱ কৰি কবিতা লিখিছিল। ফুলৰা চতলাই গোৱা জাতীয় সঙ্গীত ৰচনা কৰিছিল।

এই খিনি আশা বুকুত বান্ধিযেই মই সাহিত্য সভাৰ এই আহ্বান ভযে ভযে মূৰ পাতি লৈছোঁ। নহলে সাহিত্যিক সমাজৰ গুণী জনৰ ওচৰলৈ আহিবৰ সাহস ক'ত হলহেঁতেন—আৰু এতিযাও নাই।

অসমৰ কবিসকলৰ আগত ঠিয় হৈ মোৰ কবৰ কথা একো নাই। মই পুৰণি গোষ্ঠীৰ বুলি নাম পোৱা সকলৰ তলৰ শাৰীৰ মানুহ। সেই শাৰীতো নাম থকা বুলি কব নোৱাৰি। তথাপি অসমীয়াৰ এষাৰ কথা আছে, "মাতিলে ৰণলৈকো যাবা, নামাতিলে ভোজলৈকো নাযাবা।" গতিকে অন্য উপায় আৰু কি আছে।

কবিতাৰ বিষয়ে জনা বুজা লোক সকলে কয় যেনো, কবিতা কৈ বুজাব নোৱাৰি নকৈহে বুজাব পাৰি। এনে আচৰুণীয়া বিষয় এইটো। তাৰ উপৰি বহুত পণ্ডিতে পঢ়ি শুনি চিন্তা চৰ্চ্চা কৰি গাইপতি একোটা সূত্ৰ লিখি গৈছে। সেইবোৰ ভালকৈ চোৱা চিন্তা কৰি এনে ধাৰণা হয় যে, কোনোটো মতেই স্বয় সম্পূৰ্ণ নহয়, আংশিক ভাবেহে সকলোবোৰেই সঁচা। অৰ্থাৎ কণাই হাতী চোৱাৰ দৰে। এনে অবস্থাত সকলো খিনিকে হিয়াৰ আবেগ অনুভূতিৰ ওপৰত এৰি দি নিজে সাংখ্যৰ পুৰুষ হই থকাই উচিত যেন লাগে মোৰ শ্ৰদ্ধেয় গুৰুদেৱ ডা স্বৰ্যাকুমাৰ ভূঞাদেৱে লিখাৰ দৰে—

"আবেগৰ বন্দী কবি
নোহে নিয়মৰ।"

কাব্য ভাৰতীয় আমি এই আষাৰ মিনতিৰ কথাহে কব পাৰোঁ। দেৱী তুমি মোৰ ভিতৰেদি কি কথা কব খুজিছা ভালকৈ কোৱা কি সুৰ কি ছন্দ তুলিব খুজিছা আৰু স্পষ্ট কৰা, মোক বাক্য দিয়া ঝঙ্কাৰ দিয়া প্ৰাণ দিয়া, মই কবৰ প্ৰয়াস কৰোঁ, প্ৰকৃতি আৰু মানৱ যেন অনুপ্ৰাণিত হয় সেই গান জোনাকত মুগ্ধ হৈ থাকক। নিজৰাত বাজি উঠক, সূৰ্য্যালোকত কঁপি উঠক, ফুলত চাঁহি থাকক তেজত ৰঙা হওক, হিয়াত উতলি উতলি উঠক, স্নেহত মৰ্ম্মৰিত হওক, মৃত্যুত চিৰন্তন হওক। মই ভাবোঁ, ইয়াকেই আপোনালোকে কবি আছে। সেই চিৰন্তন বাণী যুগে যুগে মানুহৰ মনৰ তৰঙ্গে তৰঙ্গে নাচি নাচি আগুৱাই, ঢৌ তুলি, পাৰ ভাঙি পৰ্ব্বত গলাই

অনন্ত সমুদ্ৰৰ পিনে আগুবাই আছে। এদিন সি এনে ঠাই পাব যত আকাশৰ লগত এক হৈ যাব। কবিৰ বাণী মানুহৰ প্ৰাণৰ বাণী, ই স্থিতি-স্থাপক নহয় আগুবাই থাকে। মানুহ যিমানেই আগুবায় সি সিমানেই আগুবায়, সময়ত ই তাতোকৈ আগুবায়। কবি ভবিষ্যদ্বক্তাও। বেদত ই অগ্নিবাণী, ই ঊৰ্দ্ধমুখী ই ব্যাপি যায়, ৰৈ থাকিব নোৱাৰে। উপনিষদে কয়—'চাৰৈ বেতি' আগুবাই যোৱা, আগুবাই যোৱা। ঊষাৰ স্তুতিত ঋষিসকলে কয়—"কল্যাণময়ী ব্যাপনশীল"।

সেইটো হব লাগিলে কবি হব লাগিব, সংসাৰ ত্যাগী,সন্ন্যাসী নহয়—সংসাৰৰ বুকুত প্ৰাণ ঢালি দিয়া নিষ্কাম বীৰ। সবল দুই বাহুৰে সমুদ্ৰৰ বুকু ফালি সাতুৰিব লাগিব অথচ সেই সমুদ্ৰকে বুকে বুকে এক কৰি লবও লাগিব। সৰ্ব্ব জীৱৰ সৰ্ব্ব দেশৰ দুখ সুখ বেদনাৰ বোজা নিজৰ বুকুত সামৰিব লাগিব, অকল নিজৰ ব্যক্তিগত বেদনাতে কাতৰ হৈ থাকিলেই নহব, স্বাৰ্থ পৰতাৰ স্থান কবি হৃদয়ত নাথাকে—যদি সি বিশ্ব জনীন হব নোৱাৰে। কবি ওতপ্ৰোত ভাবে জড়িত দেৱতা আৰু মানৱৰ আশ্চৰ্য্য সমন্বয়, কবি হব লাগিব সহস্ৰ লোচন। তেওঁৰ সাহস নিৰঙ্কুশ, অন্তৰ কোমল, কণ্ঠত বজ্ৰৰ নিৰ্ঘোষ, বাক্যত ভাৰতী দেৱীৰ বীণাৰ ঝঙ্কাৰ, তেওঁক আগুৰি নটৰাজৰ অগ্নিগড়। তেওঁৰ দেশৰ বেদনাত যেনেকৈ প্ৰাণ গলি যায়, বিশ্বৰ ব্যথাতো তেওঁৰ উদাৰ কণ্ঠ বাজি উঠে। এনে ভাবৰ বশবৰ্ত্তী হৈয়ে বিশ্ব কবি ৰবীন্দ্ৰনাথে তেওঁ এটা অমৰ কবিতা লিখিছিল বিপ্লবী ঋষি অৰবিন্দ ঘোষক নমস্কাৰ জনাই। বিষয়টো বঙালী বা ভাৰতীয় বিষয়, কিন্তু তাৰ ৰচনাই সৰ্ব্বদেশ কাল পাত্ৰৰ প্ৰাণত ঢৌ তুলি দিয়ে। কেইটামান শাৰী তুলি দিওঁ।

অৰবিন্দ, ৰবীন্দ্ৰেৰ লহো নমস্কাৰ।
হে বন্ধু, হে দেশবন্ধু স্বদেশ আত্মাৰ
বাণী মুৰ্ত্তি তুমি। তোমা লাগি নহে মান।

নহে ধন, নহে সুখ, কোনো ক্ষুদ্ৰ দান
চাহে নাই কোনো ক্ষুদ্ৰ কৃপা।

+ + +

যিনি নানা কাণ্ডে ধন, নানা ইতিহাসে
সকল মহৎ কৰ্ম্মে সকল প্ৰয়াসে
সকল চৰম যাতে "শেষ কিছু নয়
হত মিথ্যা ক্ষতি মিথ্যা মিথ্যা সৰ্ব্বভয়
কোথা মিথ্যা ৰাজা কোথা ৰাজদণ্ড তাৰ
কোথা মৃত্যু অন্যায়ৰ কোথা অত্যাচাৰ।
ওৰে ভীৰু ওৰে মূঢ় তোলো তোলো শিৰ,
আমি আছি তুমি আছ সত্য আছে স্থিৰ'।

আমি কেইটা শব্দী কেনেকুৱা কবিতা লিখিছোঁ কব নোৱাৰো। আমি বোলে ৰোমাণ্টিক যুগ পাৰ হৈ সাম্প্ৰতিক। যুদ্ধোত্তৰ যুগত সোমাইছোঁ। কিন্তু যিদিনা আমাৰ চকুৰ আগত ভাৰতৰ পতাকা হাতত লৈ কুমাৰী কনকলতাই ইংৰাজৰ গুলিত বুক পাতি দিলে, তিনিৰ ডেকাই সেইখন পতাকাকে লই আগবাঢ়ি গৈ গুলিত প্ৰাণ দিলে। কওঁ আমি কেইশাৰী কবিতা লিখিলো সেই বীৰলোকক স্মৰি? কবিতা কিয় যাৰ তেজৰ ওপৰত খোজ দি আমি ভাৰতৰ স্বাধীনতাৰ বন্দনা দিয়া চলিলে সেই সকলৰ স্মৃতিত কি কৰিছে? কালৰ বুকু ভেদি উঠে কি। পৃথিৱীৰ পাৰত কনকলতাই বাগৰি পৰি গৈছিল তাত এখন চিন নাই। এজোপা সৰু কলপুলি কোনেবাই গজি আছে (বোধ হয় কোনো বিয়া উঠা হাতীৰ খাঁই এৰা গজ পৰা) কনকলতাৰ চিতাৰ ঠাইত এটা ইটাৰ সাধাৰণ ভেটি, বেৰ-খোৰ নাই, ওচৰত সাজিছে ভৱানী তেওঁৰ নামে এটা চোৰাশী স্কুল আছে। সেইটিৰ কি অৱস্থা ধনিৰ পৰা নগল। মুকুন্দ কাকতীৰ দেহ সদ্যস্ত অৱস্থাত ইংৰাজ পক্ষই নাই-কিয়া কৰিলে। বহু গুপ্তচৰৰ অধিকাৰী স্বাধীন চৰকাৰে তাৰ একো

উত্তৰাদিহ উলিয়াব নোৱাৰিলে বা মুখুজিলে, এনে কিবা হ'ল। আৰু আন আন বিপ্লৱৰ বলিৰ কথা আমি নজনাকৈ গ'ল। তেওঁলোকৰ কিছুমানৰ ছবি আছে বুলি বোধহয়, কিন্তু এখন পৰিচয় পুথি হলেও আজ পৰিমিত নোলাল। যি হক আমাৰ চাৰিওফালে যিবোৰ কথা হব লাগিছে সেযে আমাক অনুপ্ৰেৰণা বিশেষ দিয়া নাই যেন লাগে, আৰু সেযে মোৰ মনত পৰিছে মনীষী শ্ৰীযুত জ্ঞান বৰাদেবৰ অনুপমান কথালৈ তেখেতে কৈছে, "আমাৰ ভাষাত্তৰ বিতাৰ পুথি ওলাইছে চাৰি ভাগৰ তিনিভাগ এভাগহে গল্প"। সেইটো যুদ্ধৰ আগত সচা হলেও হব পাৰে, এতিয়া নোহোৱা যেন পাও। এতিয়া কবিতাৰ পুথি প্ৰায় নোলায, প্ৰকাশক তেনে কামলৈ মুঠেই আগ নাবাঢে। আগবাঢে গল্প উপন্যাস আদিৰ ফালে। অসমীয়া পাঠক শ্ৰেণীৰ কবিতাৰ প্ৰতি আগ্ৰহ কম, যদিও আলোচনীৰ পাতত কবিতা ওলায কিছু পৰিমানে, সেইবোৰ পুথিৰ আকাৰ পাবলৈ ভাঁযাই নাথাকে। পিছে মাজে মাজে নতুন কবিতাৰ গতিগত্ৰ ৰেহৰূপ আদি সম্পৰ্ক পাণ্ডিত্যপূৰ্ণ আলোচনা কেতিয়াবা কেতিযাবা ওলোৱা দেখোঁ। পিছে মোৰ অনুমান, শ্ৰীবৰাদেৱৰ কোৱা এই খিনি কথা সচাঁ। তেখেতে কৈছে "ইমান বিলাক কবিতাৰ পুথি লিখিও আমাৰ কোনোজন ভাৰত বিখ্যাত কবি হব পৰা নাই। (জগত বিখ্যাত হোৱা দূৰৰ কথা) আচলতে আমাৰ কবি নাই। আমাৰ অন্তৰৰ সুখ দুখ হৰ্ষ বিষাদ প্ৰকাশ কৰিবলৈ হলে আমি ইংৰাজী, সংস্কৃত বা বঙলা কবিতা আজিও আওঁৰাও। আমাৰ ৰচনা বোৰত কোনো কথা বুজাবলৈ কবিতা উদ্ধৃত কৰিব লাগিলে ইংৰাজী সংস্কৃত বা বঙলা কবিতা উদ্ধৃত কৰোঁ। এইবোৰে প্ৰমাণ কৰে যে আমাৰ অন্তৰ স্পৰ্শ কৰিব পৰা নাই"। অৱশ্যে তেখেতে কৈছে যে আমাৰ কবি সকলে "আমাৰ ভাষাৰ কোমল বিজ্ঞাপন শব্দবোৰ বৃদ্ধি কৰি কবিতাৰ ভাষা সৃষ্টি কৰিছে।" আমি অৱশ্যে এই খিনি কথাকে লই

বাক্ বিতণ্ডা কৰাতকৈ মৰ্ম্মস্পৰ্শী কবিতাৰ সাধনা কৰাই ভাল। যেনেকৈ স্বৰ্গীয় কবি দুৰ্গাধৰবৰাদেৱে আজীৱন নিজৰ কবিতাৰ সুৰ সাধনা কৰি কবিৰ কল্পনাক সৃষ্টি কৰিছিল, কোমল গনেশ গগৈয়ে সুকোমল ভাব তৰঙ্গত নিজৰ হিয়া উটুৱাই দি নিজেও অনন্তৰ পিনে উটি গ'ল। হায়! এই লৰাটি যদি জীয়াই থাকিলাহেতেন! বৰাদেৱে আৰু এৰেবি তথ্য কৈছে আধুনিক কবিতা নামে প্ৰচলিত নতুন গঢ়ৰ কবিতাৰ বিষয়ে। তেওঁ এই শ্ৰেণীৰ কবিতাৰ উদ্দেশ্য ভাল বুলিছে কিন্তু সেই লক্ষত উপনীত হ'ব নোৱাৰাত সাম্প্ৰতিক বেয়া দিশটোৰ কথাও কৈছে। তেওঁ কৈছে "তেওঁলোকে নতুন ছন্দ গঢ়িছে সচা কিন্তু সেই ছন্দত শুৱাই পৰা ভাব আৰু ভাষা দিব পৰা নাই। সেই গুণে তেওঁলোকৰ হাতত পৰি ভুৱন মোহিনী কবিতা কুৰূপা হৈছে, গঢ়িত কবিতা অগঢ়ী হৈছে।' মই অৱশ্যে বেজবৰুৱাই কোৱাৰ দৰে, কবিতাৰ যেন খাই গোটেই জীৱনটো উস উস আস আস কৰি ফুৰা বিধৰ লোক হয়। এসময়ত মোৰ ধাৰণা হৈছিল এনে কবিতাত ছন্দ নাইয়েই, বৰং তাক কবিতাৰ দৰে স্তম্ভত নোলেখি গদ্যৰ দৰেই লেখিলেই দেখোন কাকতৰ আয় হয়। এই ভাব মোৰ আজিও থাকিল হেতেন, হঠাৎ এদিন নবকান্ত বৰুৱাই তেওঁৰ ৰচিত "মই যে ফাগুন" নামৰ কবিতাটিৰ আবৃত্তি তেওঁৰ মুখৰ পৰা শুশুনিলোহেতেন। তেখেতৰ কবিতাটিয়ে মোৰ ধাৰণা বদলাই দিছে এই কথা স্বীকাৰ কৰোঁ, কিন্তু কি কবিতাই সাহিত্যৰ পাতনি মেলে, পঢ়োতাৰ সংখ্যা বঢ়ায়, ভাষাক জীয়াই ৰাখি জাতিকো প্ৰাণ ৰসেৰে অভিষিক্ত কৰে, বহুত আধুনিক কবিৰ হাতত তাৰ অপব্যৱহাৰ হৈছে। এফালে সি দুৰ্বোধ্য আৰু কৰ্কশ হৈছে, আনফালে অভিধান আৰু ব্যাকৰণৰ মূৰত মাৰমাৰ মাৰিছে। ফলত পঢ়োতাৰ সংখ্যা চপাই আনিছে, অৰ্থাৎ এই অলপীয়া মানুহৰ

অসমীয়া ভাষাৰ বিপদো ঘনায়মান কৰি আনিছে। বট তলাৰ বাজে মাৰ্কা উপন্যাসে বঙ্গালা ভাষাৰ পঢ়ুৱৈৰ সংখ্যা বঢ়াই দিছিল, শঙ্কৰ মাধৱৰ বৰগীতৰ ব্ৰজবুলি মিহলি ভাষাই সেই ভাষাৰ সম্পদ উত্তৰ ভাৰতত বিয়পাইছিল গীত বৰিন্দ্ৰগুণ শঙ্কৰদেৱৰ কীৰিতি গযো বহুদূৰ"। শঙ্কৰদেৱৰ সহজ সৰল অথচ প্ৰাণবন্ত সেই যুগৰ অসমীয়া কবিতাই তেতিয়া যেনেকৈ মানুহৰ হিয়া গলাইছিল আজিও তেনেকৈ গলাব যদি শ্ৰদ্ধাৰে পঢ়া বা শুনা যায়। ৰামৰ অশ্বমেধ সভা। লব-কুশে ৰামায়ন গাইছে,—

শুনি পাছে ৰামৰ আদেশ দুয়ো ভাই
দিলা ৰাগ ৰাঙ্গ পুৰি পঞ্চম উচ্চাই॥
তাৰ ঘোৰ মন্দ্ৰ নাদে দুয়ো গীত গাৱে।
একজনে তাল আটৰ জনে যন্ত্ৰ বাৱে।

× × ×

তালে মানে ভেদি দুয়ো ৰামায়ন গাৱে।
আজি যেন ভৈল গৈল কথাক দেখাৱে॥
কহিলা কাৰুণ্য কথা ৰাজাৰ মৰণ।
হাহাকাৰ কান্দে সমজ্যাৰ যতজন॥
আজি যেন দশৰথ গৈলা পৰলোক।
কৰয় সন্তাপ শোকে পাত্ৰ মন্ত্ৰী লোক॥

এই বৰ্ণনা মূলক কবিতা খিনিত কি অপৰূপ চিত্ৰ ৰামৰ সভাৰ। চকুৰ আগত ৰাঘৱ সবন্ধৱ ৰাজ মাতা সকলৰ, প্ৰজাসকলৰ প্ৰাণ যেন উথলি পৰে তাৰ পাচত ক্ৰমে যেন কাৰুণ্য ৰসৰ নদী লাহে লাহে ফেনে ফোটোকাৰে উপচি আহে।

তাৰ পিচত আশ্ৰমত সীতাৰ ছবি সম্পৰ্কে দিয়া বৰ্ণনাত বাস্তৱ চিত্ৰৰ ৰূপৰ কি সুন্দৰ চানেকি। কোনো নিৰ্য্যাতিতা ৰমনা বা

সদ্য বিধাই চিনাকী মানুহৰ লগত কিছু অচিনাকী এজনৰ আগত ইয়াংকৈ আন কি ধৰণে দেখা দিব পাৰে?

তাৰ পাচত বাল্মীকিৰ লগত সীতা আহিল।
শিলিখা বলিয়া বাম অঙ্গ ঢাকি ঘূৰি।
আগক নাবাঢ়ে ভৰি লৈ যাম আগুৰি॥
লাজে অপমানে যেন গাৱত লুকান্তি।
ঋষিৰ আগ্ৰাণে সমক্ষ্যাক লাগি থাকি॥ ইত্যাদি

আবেগময়—এই দৃশ্যটিত কিন্তু এটি কথা বাদ পৰা নাই। সেইটি, "ভৈলা বাজ সবে কৌশল্যাক আগ কৰি।" পুৰণাৰীসকল সদলবলে ওলাই নাহে কোনেকৈ যদি স্বয় কৌশল্যাই এই ৰাজাৰ সভাথলৈ ওলাই আহে। কাৰণ ৰাম ৰাজ্যত তেওঁতকৈ কাৰ স্থান ওপৰত?

তাৰ পাচত সীতাৰ পাতাল প্ৰবেশ? কি অলৌকিক সেই বৰ্ণনা। অতি সৰুৱা শব্দ, বহু বাক্যাংশ এতিয়া মাইকী মানুহৰ মুখত ফকৰা যোজনাত পৰিণত হৈছে। তাৰ পূৰ্ণ পাঠ পঢ়িলে হিয়াৰ করুণ অনুভূতি গলি চকুৰ পানী হৈ নামি আহিব। অ'ৰ ত'ৰ কেইটামান পদ তুলি নিদি নোবাৰিলো। অলপ শুনক।

তিনিও দেবৰে আসি বুলিলা বিনয়।
নবসন্ত সীতা শোকে দগধ হৃদয়॥
কৌশল্যা প্ৰভৃতি শাশু সকলে বুজান্ত।
আউৰ কাকো মাথা তুলি নেদন্ত সিদ্ধান্ত॥
লাজে অপমানে যেন হৃদয় বিদৰে।
বহয় লোতক তুযা নয়নৰ ধাৰে॥
জাজ্জল্য সমান কোপে চিত্ত সুহি শান্ত।
ঘনে ঘনে কটাক্ষে ৰামক লাগি চান্ত॥
সেহে জানকীক নিৰীক্ষন্ত ৰঘুনাথ।
সীতাৰ কটাক্ষ দেখি ছপৰান্ত মাথ॥

ৰামৰ ভিতিক পিঠি দিয়া ক্ৰোধ্ধ ভাবে
চাই সমস্ত্যাক লাজ এৰি জগমাবে ॥
বুলিবে লাগিলা অতি চিত্ত অসন্তোষ।
কথা শুনি সমাজে আমাক দিবা দোষ ইত্যাদি।

সীতাৰ পাতাল প্ৰবেশত বাল্মীকিয়ে লিখিছিল—
"ধ্ৰয়মানং শিৰোভিস্তু নাগৈঃ অমিত বিক্ৰমৈ" অমিত বিক্ৰম নাগ সকলে সীতাৰ সিংহাসন মূৰত তুলি ধৰিছে' শঙ্কৰদেৱে লিখিছে "চাৰি নাগ কন্যা ধৰি চতুৰ্ভিতি" সতীৰ আসনখন নাগসকলে বহন কৰাতকৈ কন্যাসকলে বহন কৰাত বৰ্ণিত বিষয়টোৰ কাৰুণ্য বাঢ়িছে। সীতাক যেন সমগ্ৰ নাৰী জাতিয়ে আদৰি নিলে—লগত আহিছে মাক আই বসুমতী। ধন্য শঙ্কৰদেৱ। এই সৌন্দৰ্য্য বেদি তোমাতেই সম্ভৱ।

এটা প্ৰশ্ন মনত জাগে—অসমীয়া কবিতাৰ এনে সুন্দৰ চানেকি থকাতো কিয় জোনাকী যুগৰ কবি সকলে ইয়াক গ্ৰহণ নকৰিলে, ৰোমন্টিক কবিতাতে মূৰপুতি লাগি গল? সম্ভৱতঃ ছপাৰ সেই আদিম যুগত পৰণি অসমীয়া পদ্য পুথি পোৱা সহজ নাছিল, দ্বিতীয়তে ইংৰাজী শিক্ষাৰ ভিতৰেদি অহা পাশ্চাত্য ভাবৰ পোহৰ জিলমিলনিয়ে এই ধোৱা-চাঙত থকা সাচিপতীয়া পুথিৰ পিনে বেছিকৈ মন দিবলৈ আজৰি নিদিলে। কিন্তু তেওঁলোকে পোনে পোনেই সুন্দৰ সৃষ্টি কৰি নতুন যুগৰ পাতনি মেলিলে। অসমীয়া সাহিত্যৰ করুণ ৰসৰ চানেকি ইয়াতকৈ মই দিব নোৱাৰোঁ। অৱশ্যে আছে সীতাৰ বিদায় গ্ৰহণ। মোৰ বৰ্ণাৱৰ সাহস নহয় আৰু সকলো ৰসৰ বৰ্ণনাৰে অসমীয়া সাহিত্য সমৃদ্ধ পৰশুৰামৰ দৰ্পচূৰ্ণ, ৰাৱণৰ অহঙ্কাৰ, দুৰ্ব্বাসাৰ ভোজন আদিৰ কথা কবলৈ সময় নাই। মহাভাৰতৰ "দ্ৰুপদ নন্দিনী মনে গুনি স্বামীসকলৰ বাক্যগুনি, ৰাজহংস গ'ত চলি গৈলা ধীৰে ধীৰে" এই বৰ্ণনা পঢ়িলে। দ্ৰৌপদীৰ অশ্ৰু স্নিগ্ধ ৰূপে যেন সচাকৈ ৰাজহংসৰ মায়া ধৰি

আপোনাৰ মানস পটত অৱতীৰ্ণ হব। আমাৰ কবিসকলে সেই প্ৰাচীন কাব্য তীৰ্থত অৱগাহন কৰি তাৰপৰা অপূৰ্ব্ব পদ্ম ফুল আহৰণ কৰি আজিৰ কাব্যালোক উদ্ভাসিত কৰক, ইয়াকে আশা কৰোঁ। কিন্তু কবলৈ দুখ লাগে শঙ্কৰদেৱৰ ৰুক্মিনী হৰণ পুথিৰ পাঠ দিওঁতে কোনো এখন বালেজৰ অধ্যাপক "বহুল জঙ্ঘানি কটি দেশ অতি সৰু" এই শাৰী কবিতা ব্যাখ্যা কৰোতে "জঙ্ঘনি" শব্দটোৰ অৰ্থ কৰিছে আঠুৰ "ঘিলা"। সৌভাগ্য আৰু আছে ইয়াৰ অৰ্থৰ টোকা দিছে "শঙ্কৰ বাক্যামৃত"ত (১৯৫৩ চনৰ প্ৰকাশিত পুথিত)—জঙ্ঘানী = জঙ্ঘাযুক্ত, দিঘলীয়া ডীমাযুক্ত। অৰ্থাৎ কলাফুল যুক্ত। অলপ বিচাৰ কৰি চালেই এইবোৰ যে কি অন্যায় কথা হৈছে জানিব পাৰি। জঙ্ঘিনী শব্দটো জঘন শব্দৰ অসমীয়া স্ত্ৰীলিঙ্গৰ গঢ় সংস্কৃত কিন্তু নপুংসক লিঙ্গ। অৰ্থ হয় hips অৰ্থাৎ তিৰোতাৰ কঁকালৰ তলভাগৰ বেঢটো। অসমীয়াৰ এতিয়া আগৰ অনুকাৰ শব্দ বাৰৰ বঙালী সাহিত্যৰ সোঁহৰত চকু মেলিব নোৱাৰা হ'ল। সোঁ ৰামায়নত উল্লেখ কৰা 'হুম হুমি' 'মকমকি', 'ভকভকি' 'হুযাৰ গুলগুলি' আদি শব্দ বান্ধনি ঘৰৰ চাংতলত লুকালগৈ। আজি কালি অসমীয়া জুইবোৰ 'দাউ-দাউ' কৈ জলে, বুকুবোৰে 'ঢুক-ঢুককৈ' কঁপে, অসমীয়া কবিয়ে লিখেঁ "জ্বলি যম যম পুৰি ভম ভম' আদি বাক্য আমাৰ কাণত নোপোৱা হ'ল। হায় কবি মফিজুদ্দিন আহমদ। এই দুৰ্ভাগ্যৰ কথা শুনি, কবৰত—যেন তুমি ডিঙাৰ খাই নুঠা। এইবোৰ তেনো ক্ষীণ ভাষাৰ চিন।

আপোনালোকৰ অমূল্য সময় মই খৰচ কৰিবলৈ দুখ পাইছোঁ। কিন্তু মই এনে সমাজ নত পাম। মোৰ দিন শেষ হৈ আহিছে, গতিকে অলপ সময়ৰ বাবে মোক ক্ষমা কৰিব।

মই সকলোকে সানুনয় খাটো আজি অসমীয়া প্ৰাণৰ কথা আপোনালোকে বুজক, অসমৰ কবিতা জননীৰ মুখত অসমীয়াৰ হিয়া

নিগৰি উঠা জলন্ত ভাষা দিযক, জীবন্ত ভাব দিযক, যাক সকলোৱে বুজে, যাব মন্ত্ৰ শক্তিত আপোন পাহৰা এই এমুঠি অসমীযা, যেযে এই থন দেশক 'অ মোৰ আপোনাৰ দেশ'। বুলি আজিও বিনাই আছে,—বাৰুদৰ দৰে জ্বলি উঠক, নাৰাযনী সংশপ্তক সেনাদলৰ দৰে সাজি উঠক, ৰণক্ষেত্ৰ পৰা যি নিবৰ্ত্তি যাহে জয লাভ নকৰে মানে। মই ছন্দৰ কোলাত ডাঙৰ হৈছো, আধুনিক বুলি লেখা কবিতা সহজে পান কৰিব নোৱাৰো। কিন্তু বঙলাত কোনো কোনো কবিতা পঢ়িছো। দেখিছো শুদ্ধ ৰচনা প্ৰণালী উপযুক্ত শব্দৰ গাঠনিত, ভাবৰ পাছে পাছে ছন্দ নাচি নাচি যায,—অৱশ শেষৰ শব্দটিত মিল নাথাকিলেও মনত একো আঘাত নালাগে। আমি কিয তেনে কবিতা লিখিব পৰা নাই?—সম্ভবত অসমীযা ভাষা আমি মনপুতি নপঢ়িলো। হিযাৰ আবেগৰ লগত আমি উটি নগলো, বুদ্ধিৰ ফালটো আমি বেছিকৈ চালো। দেশৰো প্ৰাণ স্পন্দন আমি বুজিলো। আমাৰ দেশৰ অৱস্থা আমাৰ কবিতাত আমাৰ কবিতাত অঙ্কণ কৰিব নোৱাৰি অৱশ্যে অলপ কবিতা লিখা হৈছে খোৱা মুঠিৰ কথাত সম্প্ৰতি কিন্তু ফৰাচী বিপ্লৱৰ মহা সঙ্গীত 'লা মাৰ্চিযেজ্ত' আজিৰ অৱস্থাটোৰ ৰূপ পাওঁ।

Ye sons of France, awake to glory,
Hark! hark what myriads bid yow rise,
Your children, wives and grand sires hoary,
Behold their tears and hear their cries
Shall hateful tyrants mischief breeding
With hireling hosts a ruffian band,
Affright and desolate the land
While peace and liberty lie bleeding
The dogs of war, let loose, are howling,
And lo! our fields and cities blaze,

And shall we basely view the ruin
While lawless force with guilty stride
Spreads desolation far and wide,
With crime and blood his hands embruing
With luxury and pride sorrounded,
The vile insatiate despots dare
Thier thirst of power and gold unbounded
To mete and vend the light and air ,
Like beasts of burden would they load us,
Like gods would bid their slaves adore ?
But man is man, and who is more ?
Then shall they longer lash and goad us ?
Oh liberty ! can man resign thee
Once having felt thy generous flame ?
Can dungeon bolts and bars confine thee,
Or whips thy noble spirits tame ?

আমাৰ কবিতাই আমাক প্ৰকাশ নকৰে, আমাক জগাই তুলিব নোৱাৰেনে কি? কিয় এই দীনতা আহিছে ভাবিবৰ কথা। জোনাকী যুগৰ পৰা আজিলৈকে আমাৰ কবিতাই বিশেষ ভাবে গা কৰিব পৰা নাই যেন পাওঁ। 'কেতেকী'— 'তুমি' 'হুবৰাৰ কবিতা,' 'সাগৰ দেখিছা' বেজবৰুৱাৰ অলপ মান কবিতা নলিনীবালা দেবীৰ আৰু গণেশ গগৈৰ কবিতাৰ বাহিৰে বৰ বেছি কবিতা দেখোন মনত নপৰে। আনকি আনন্দ বৰুৱাৰ কবিতাও কিতাপ আকাৰে পোৱা নাই যেন পাওঁ, হাফেজৰ সুৰৰ কিছুমান অৱশ্যে ভাল কবিতা পঢ়ো কেতিয়াবা কিন্তু একেলগে নছপোৱাৰ বাবে পাহৰণিৰ গ্ৰাহত পৰি যায়। অতুল হাজৰীকাৰ বালিচৰ, দেৱদাসী আদি কিয় বেছিকৈ নোশাল? আমাৰ কবিতাৰ দীনতাৰ কথালৈ আহো। আমাৰ কবিসকলে গুনো একোটা কবি গোষ্ঠী, বা একো জন

বিখ্যাত কবিৰ শ্ৰেণীভুক্ত হৈ লিখা আৰম্ভ কৰে। নিজা সুৰৰ সাধনা নকৰিলে আনৰ প্ৰতিধ্বনি তুলি কবিতা ৰচনা কৰিলে, সেই মহা কবি-জনৰ ছাঁয়াটো আমি পাম, কিন্তু আমাৰ মানুহজনৰ বুকৰ স্পন্দন, তেওঁৰ তেজৰ ঝঙ্কাৰ আবেগ, তেওঁৰ প্ৰাণৰ বাণী আমি নেপাওঁ। ফলত দেখো বহুতাৰ কিছু দিনৰ পাচত কবিতাৰ পু. শুকাই যায় মোৰ বোধেৰে কবিৰ প্ৰথম কাম নিজৰ সুৰ বিচাৰি উলিওৱা মোৰ শিক্ষাগুৰু সূৰ্যভূঞা ডাঙৰীয়াৰ "আপোন সুৰ" কবিতাটো ভালকৈ হৃদয়ঙ্গম কৰি লোৱা উচিত।

এই যে ৰচিলো গান সকলো মিছাই,
বীণাত আপোন সুৰ বাজি উঠা নাই।

পিছলৈ যিমানেই আগুৱাই যায়, সিমানেই বিষয়টো পোহৰ হৈ যায়। এইটোৱেই বোধহয় আমাৰ উচিত বাট, নহলে আপুনি যিমানেই লিখক চেলীও হব নোৱাৰে, ইলিযটো হব নোৱাৰে। এই গোষ্ঠীভুক্ত হোৱাৰ ফলত সম্প্ৰতি কবিতাৰ ক্ষেত্ৰত বিষম খেলি মেলিৰ সৃষ্টি হৈছে। আমাৰ কবিতা পঢ়া হৈছে চিনাকি লোকে চিনাকি লোকৰ। অমুকে কি লিখিছে চাওঁ বুলি, ৰস গ্ৰহন কৰাটো বেলেগ কথা। অথচ ফ্ৰান্সত শুনিছো কবিৰ স্বৰচিত কবিতা শুনিবলৈ আমাৰ চিনেমাত টিকত কৰাৰ দৰে বিপুল কিউ অৰ্থাৎ শাৰী পাতিব লাগে, তাকো পুলিচৰ তত্বাবধানত। মানুহৰ কি আগ্ৰহ। কবিতা আপুনি যি মাধ্যমতে নিলিখক সি মানুহৰ হিয়াপৰশি যাব লাগিব। গভীৰ পাঠস্পৃহা, গভীৰ মননশীলতা আৰু গভীৰ আবেগৰ ভিতৰত পমি আপোনাৰ ভাবগঙ্গা, আপোনাৰ বাণী, উতলি আহিব লাগিব। তেতিয়া উচিত শব্দ উচিত ছন্দ আপুনি 'ঢৌ খেলি' ভগীৰথৰ পাছে পাছে গঙ্গা নামি অহা দি আহিব, ভষ্মীভূত সগৰ বংশক উদ্ধাৰ কৰিব। নহলে দুই শাৰী লেখি অমুক কবিৰ ঠাইত পৰিলনে নাই, অমুক শব্দটো অমুক কবিযে লিখা শব্দটোৰ দৰে খাপ খালে নে

নাই— অমুকটো প্ৰতীক ভাল হলনে ইত্যাদি কৰিবলৈ গলে ফল কি হব পাৰে অবশ্যে কোৱা টান নহয়। কবিতা সাহিত্যৰ আদি জননী, মাতৃ স্তন্য ঈশ্বৰদত্ত সহজ বস্তু, কবিতাও তেনেকুৱা হব লাগে যেন পাওঁ। গদ্যত আপুনি যিমান যি ৰবে কৰিব পাৰে। পিছে এটা কথা কবৰ মন। আমি ৰোমাণ্টিক কবিতাৰ যুগ পূৰ্ণ নৌহওঁতেই নতুন কবিতালৈ আগবঢ়া যেন লাগে। সম্ভৱত এইটো হল বিশেষ দুটা কাৰণৰ বাবে। প্ৰথমটো হব পাৰে ওচৰৰ বঙলা সাহিত্যৰ লগত দীঘল খোজ মিলাই সময়ৰ লগে লগে আগবাঢ়িবা আগ্ৰহ, আৰু দ্বিতীয়টো হব পাৰে ৰোমাণ্টিক কবিতাৰ আধামৰা অৱস্থা। এতিয়াও ভাল উপায় হব, দুয়োবিধ কবিতা দুয়ো শ্ৰেণীৰ কবিয়ে চৰ্চ্চা কৰি গৈ থকা। কাকো কোনেও সমাজ চ্যুত নকৰাকৈ থকা। দুয়ো শ্ৰেণীয়ে দুয়োকো বুজিবলৈ চেষ্টা কৰা। নহলে গোষ্ঠী বহিস্কৃত কবিতাক ঠাই নিদিয়া নীতি অসমীয়া সাহিত্যৰ পক্ষে মুঠেই ভাল নহব। মনত ৰাখিব লাগিব অসমীয়া সাহিত্যহে আমাৰ প্ৰথম লক্ষ, নিজা নিজা পন্থা এটা পন্থা হে। আমাৰ কবিতাত এতিয়াও চাহিব কবিতা নাই, বজো গুণ প্ৰধান কবিতা নাই, যি অলপ আছে, অম্বিকাগিৰি আৰু জ্যোতি প্ৰসাদৰ। জাতীয় বুৰঞ্জীৰ গৌৰবৰ কাহিনী কবিতাত কমেই প্ৰকাশ পাইছে। বিনন্দ বৰুৱাৰ কবিতাত অলপ আছে মাত্ৰ। কিন্তু তাৰেই আমাৰ জাতিৰ শূন্যতা পূৰ্ণ হৈ উঠে। নীলমণি ফুকন ডাঙৰীয়াৰ "গড়মূৰ হল আজি গড়ৰ ভিতৰ" নামৰ কবিতা দেখোন আৰু পঢ়িবলৈ নাপালোঁ। সুধিবৰ মন যায় কিয়? কিয়? কিয়? আমাৰ কি হ'ল?

কিন্তু ভাবিলেও ভাল লাগে কবি দুৰৱাই কবিতা কুঁৱৰীৰ সেৱাত নিজৰ পাৰ্থিব সম্ৰাটোকে উটুৱাই দিলে, গণেশ গগৈয়ে প্ৰেমৰ হোমাগ্নিত নিজকে আহুতি দিলে, অম্বিকাগিৰিয়ে জ্বলন্ত শিল ভাঙিব দিওঁতে গালে, "ভই ভাঙিব লাগিব শিল" ঝাড়ুদাৰৰ কামত লগো-

ৰাত গালে— "ধৰ ঝাড়, ধৰ ভাই" জেলৰ শাস্তি সকলো খিনি ভোগ কৰি উঠি গালে— "আৰু কি দেখবি ভয় কাৰাগাৰ।" এই-বোৰ মৌখিক ৰচনা। সম্ভৱ আশী বছৰীয়া এই কবিৰ প্ৰাণে আজিও যুৱকৰ দৰে গাই আছে। অলপ দিন হল তেওঁৰ অপূৰ্ব্ব কবিতা শুনিছো, "কি কবিতা লেখো মই" এই দেশ প্ৰেমৰ কবিতা সকলোৱে এবাৰ পঢ়া উচিত। এইযেই আপোন সুৰৰ প্ৰকাশ। তেওঁৰ শতাধিক পৰমায়ু হওঁক। জগদ্বিখ্যাত সঙ্গীত ৰচক মোঝাৰ্টে তেনেকৈ কয়লা কিনিবলৈ ধন নোহোৱাত নাচি নাচি গাৰ গৰম ৰাখিছিল।

মই অকৃতজ্ঞ হম যদি অধ্যাপিকা লক্ষহীৰা আইটি আৰু ভূপেন হাজৰিকাৰ দুটা গানৰ গুন গ্ৰহণ নকৰোঁ। কবিতাও গানেই। মোৰ জীৱনটো অতি দুখ কষ্টৰ। তাৰ মাজতো কিন্তু যেতিয়া শুনো কৰবাত গাইছে "সাগৰ সঙ্গমত কতনা সাতুৰিলো" তেতিয়া মনলৈ শক্তি আহে, আশাই মনত ভুমুকি মাৰে। আৰু সিদিনা শেষ ৰাতি ৰোগ শয্যাত পৰি ছটু ফটাব লাগিছো—ওচৰত ঘৰৰ মানুহ গৰাকী, যাক কবি-জনৰ ভাষাত টানি-টুনি প্ৰিয়াই বুলিব পাৰি, তেওঁ মোক শান্ত কৰিবলৈ পাৰে মানে যত্ন কৰিছে, সেই সময়ত মোৰ মুখৰ পৰা গানৰ সুৰ ওলাব ধৰিলে, 'এৰি দিয়া প্ৰিয়া মই যাওঁ"—ইতো নশ্বৰ দেহ সজাৰ পৰা মুক্তি পাবলৈ আত্মাৰ বিননি। মোৰো সেযে হল মৰিলেই ৰক্ষা পাওঁ নেকি? সেই শাৰী গান আওৰাই ২ শান্তি পালো, ধৰফৰণি গল, লাহে লাহে পোহৰ আহিব ধৰিলে। এনেকুৱা যি সকল গায়ক গায়িকা আছে তেওঁলোকে আমাৰ প্ৰাণত অমৃত বৰ্ষণ কৰক। কবিতাযো তাকে কৰক, আমাক ঢৌৱাই দিযক অসমীয়া কবিতাৰ আজি বৰ দুৰ্দ্দিন। কবিতাৰ কিতাপৰ বজাৰত বিক্ৰী নাই প্ৰকাশকে প্ৰকাশ নকৰে। অৱশ্যে আমাৰেই এই দশা হোৱা নাই। মিল্টনৰ পেৰাডাইছ লষ্ট কাব্যৰ স্বত্ব পাচ পাউণ্ডত বেচি দিব লগীয়া হৈছিল এদিন। ওবৰ্ডচ ওবৰ্থে ধনৰ কাৰণে কবিতা

লিখিছিল। অসমীয়া কবিতাবো এই দিন ভালকৈ আহিব লাগে লাগে। মই ভাবো অমাৰ আই সকলে আমাৰ কবিতা তেজীমলাক ৰক্ষা কৰিব পাৰে, যদিহে আমি কবিতাক তেওঁলোকৰ মৰমৰ কোলাত সজাই পৰাই তুলি দিব পাৰোঁ। তেওঁলোকৰ হাতত অলপ অচৰপ ধন থাকে তাৰে সামান্য এটা ভাগ যদি কবিতা পুথিত খৰছ কৰে তেন্তে, তেওঁলোকৰ মনৰ আনন্দ হয়—জিৰণিৰ সময় খিনিৰ ভাল ব্যবহাৰ হয়, লগতে কবিসকলৰো উৎসাহ বাঢ়ে। তেখেত সকলৰ হাতত কবিতাৰ কিতাপ এখন দেখিলে কোন কবিয়েনো প্ৰেৰণা নোপোৱাকৈ থাকিব পাৰিবনে? কবিতা তেওঁলোকৰ স্বভাবজ প্ৰবৃত্তি, নহলে তেওঁলোকে কোনোবা অনামিকাই বিয়াৰ নব ঘৰলৈ আহিলে তাকে লক্ষ কৰি মুখে মুখে গীত বচনা কৰি গাব পাৰে নে? সুধিছে,—

— একলাই গৈছিলা বাপু, দুকলাই আহিলা,
কাৰণো বুকৰে বাছা হাৰিযা আনিলা?

ৰৰৰৈহে উত্তৰ এজনে দিছে—

হৰি নানো, ধৰি নানো নামাতিলো লাজে,
আপুনি বহিছে কাষত সমাজৰে মাজে।

হায় আমাৰ এনে গীতবোৰ আজি লুপ্ত হল। মই ভাবো কবিতাৰ ক্ষেত্ৰত আই সকলে যুগান্তৰ আনিব পাৰে। ৰবি ঠাকুৰে "যথাস্থান" নামে কবিতাত সচাকৈ লিখিছে-

কোন হাটে তুই বিকোতে চাস ওরে আমার গান,
কোথায পাবি ত্রাণ।
ভাণ্ডারেতে লক্ষ্মী বধূ যেথায আছে কাজে—
ঘরে ধায সে, ছুটি পায় সে যখন মাঝে মাঝে
বালিস তলে বইটি চাপা, টানিয়া লয় তারে—
পাতা গুলিন ছেড়া ছোডা শিশুর অত্যাচারে

কাজল আঁকা সিদূৰ মাখা চুলের গন্ধ ভরা
শয্যা প্রান্তে ছিন্নবেশে চাস কি যেতে ত্বরা।
বুকেৰ পরে নিশ্বসিয়া শুদ্ধ বাহু গান,
-- লোভে কম্পমান।

আমাৰো কবিতাই যেনেকৈ জখিমী সকলৰ ওচৰলৈ যাওঁ যাওঁকৈ আছে, মাত্ৰ আমিহে পঠিয়াব পৰা নাই হৰলা।

এটা কথা মনত পৰিছে। আমাৰ ৰৱকাৰতী দেৰে অলপ আক্ষেপৰ সুৰত লেখা যেন পাওঁ—

ৰাজ দৰবাৰত নাই নিমন্ত্ৰণ,
বুধি ভাৰষা নোসোধে হায়।

আই সৰস্বতীৰ কৃপাত সেইটো ভাগ্যৰেই কথা বুলি ভাবোঁ। কবি Southey ক ৰাজ কবি আখ্যা গ্ৰহণ কৰাত বায়ৰণে সুধিছিল কবিতাতে— And now my Epic Renegade!
What are you at?

মুক্তমনা, সত্যদ্ৰষ্টা কবিৰ পক্ষে ৰাজ দৰবাৰ বা ৰাজ অনুগ্ৰহ বৰ সুবিধা জনক নহয়। এবৰ মন যায়—

কবি তুমি কণ্ঠ ভৰা আছে বজ্ৰবাণী।
নয়নত দিব্য দৃষ্টি মৃত সঞ্জীৱণী
অন্তৰত অগিশিখা
ঠাৰতে বিজুলী লিখা,
বিপ্লৱৰ নটৰাজে তাণ্ডৱৰ ডম্বৰু বজায়—
লৰে যদি তোমাৰ তৰ্জ্জনী।

তুমি কিয় ৰাজ শক্তিৰ বহতীয়া হবা? বহু কথাকে কবৰ মন যায়, কিন্তু সময় কতা? ইমানতে বিদায় মাগো। মোৰ সকলো অপৰাধ মৰিষণ কৰিব।

জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী।

—০—

প্ৰবীণ সাহিত্যিক 'নিজৰা'ৰ কবি

# শ্ৰীশৈলধৰ ৰাজখোৱা ডাঙৰীয়ালৈ

# অভিনন্দন

পৰম শ্ৰদ্ধাভাজনেষু,

অসমীয়া সাহিত্যৰ বুকুলৈ সুধাৱৰ্ষী, অমৃতবৰ্ষী সুৰৰ যিটি কাব্য নিজৰাৰ সোঁত বোৱাই আনিলে, যিখিন নাট্য সম্ভাৰেৰে আপুনি অসমীয়া নাটঘৰ আৰু নাট্য সাহিত্যৰ ভঁৰাল চহকী কৰিলে, সেই অমূল্য কাব্যধাৰা আৰু নাট্য সম্ভাৰৰ বৰঙণিৰ কথা সুঁৱৰি আজি অসম সাহিত্য সভাই আপোনাক সাদৰ অভিনন্দন জনাইছে।

কাব্য সৃষ্টিৰ বাবে প্ৰয়োজনীয় শান্ত কোমল পৰিবেশৰ বিপৰীতে কঠোৰ চৰকাৰী কামৰ হেঁচাই শিলাময় কৰা দৈনিক জীৱন স্তূপৰ বুকুৰ মাজতেই আছিল -'নিজৰা'ৰ উৎস। ভাব আৰু ভাষাত চহকী আপোনাৰ নিজৰাই ধৰি ৰাখিছে "কোমল অনুভূতি আৰু কল্পনাৰ সৌষ্ঠৱ, ভাষাৰ সৌন্দৰ্য আৰু সুকুমাৰ গতি।'

প্ৰেম আৰু সৌন্দৰ্য্যৰ গৰাকী অদৃশ্য 'হৃদয় দেৱতা'ক বিশ্ব জগতৰ সৰু বৰ প্ৰত্যেক বস্তুৰ মাজত বিচাৰি-কৰা, আপোনাৰ অবিৰত মানসিক যাত্ৰাৰ খণ্ড খণ্ড চিত্ৰ আৰু আকুল সুৰ সন্নিৱিষ্ট হৈ আছে 'নিজৰা'ৰ বুকুত।

জাতীয়তাবাদী লেখক আপুনি। বিদেশী চৰকাৰৰ অধীনত চাকৰি কৰিও, দেশৰ লুপ্ত প্ৰায় অতীত ঐতিহ্যই আপোনাৰ মনত

তোলা অলোড়নৰ প্ৰতিধ্বনি ধৰি ৰাখিলে কাব্য আৰু নাট্য সম্ভাৰৰ বুকুৰ মাজত।

হে নীৰব সাধক, 'নিজৰা', 'বিদ্যাৱতী' আৰু 'স্বৰ্গদেউ প্ৰতাপসিংহ'ৰ উপৰিও হাতেলিখা অৱস্থাতে অসমৰ মঞ্চ জগতত আলোড়ন তোলা,—'ৰঙ্গি সিংহ', 'দেৱযানী', 'শকুন্তলা, আৰু 'মনৰ মানুহ" প্ৰকাশৰ পোহৰ নেদেখাকৈ লুকাই আছে। তেনেকৈ লুকাই আছে আপোনাৰ কবিতা সংকলন উৰ্ম্মি, নাটক 'অভিশপ্ত' আৰু 'মাধৱী নিশাৰ সপোন'। প্ৰকাশিত আৰু অপ্ৰকাশিত আঠখন নাটক আৰু দুখন কবিতা পুথিৰ উপৰিও অপ্ৰকাশিত হৈ থকা আপোনাৰ "অতীত সোৱৰণী'ৰ মাজতে আপোনাৰ সাহিত্য প্ৰতিভা আৰু ব্যক্তিত্বই কেৱল সোমাই থকা নাই, অসমীয়া সাহিত্যৰ এটি মূল্যবান অধ্যায়ো সোমাই আছে নিশ্চয়।

১৮৯০ চনতে জয়পুৰৰ সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰি ৭৬ বছৰ দেওনা পাৰ হোৱালৈকে নীৰৱে, অকলে, আপোন মনে অসমীয়া সাহিত্যৰ বেদীলৈ আগ বঢ়াই আহিছে মন কাননৰ পখা বুটলি অনা পুষ্পাঞ্জলি।

আপুনি আমাৰ পৰম শ্ৰদ্ধা আৰু আদৰৰ পাত্ৰ। আজি আপোনাৰ বাসস্থান ডিবৰু নগৰীত অসম সাহিত্য সভাৰ ৩৪ তম অধিবেশনৰ মহামেলা আৰম্ভ হোৱাৰ আগ মুহূৰ্ত্তত, ডিবৰুপৰীয়া 'নিজৰা কবি আপোনাক সম্বৰ্দ্ধনা জনাবলৈ পাই আমি পৰম গৌৰ-বান্বিত হৈছো।

আপোনাৰ 'হৃদয় দেৱতা' মঙ্গলময়ে আপোনাক সুন্দৰ স্বাস্থ্য আৰু সুদীঘ জীৱন প্ৰদান কৰক।

ইতি—

বিনীত,

অসম সাহিত্য সভাৰ হৈ
শ্ৰীহৰিপ্ৰসাদ নেওগ
প্ৰধান সম্পাদক।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট।
১৪ পুহ, ১৮৮৮ শক।

# অভিনন্দনৰ প্ৰত্যুত্তৰ

শ্ৰীশৈলধৰ ৰাজখোৱা

শ্ৰদ্ধেয়

সভাপতি ডাঙৰীয়া আৰু উপস্থিত সুধীবৃন্দ

আজি মোৰ জীৱনৰ সন্ধিয়া পৰত অসম সাহিত্য সভাই মোক কবি আৰু নাট্যকাৰ বুলি ৰাজহুৱা ভাবে সম্বৰ্দ্ধনা জনাই যি সন্মান দিলে সেই সন্মান ভগবানৰ আশীৰ্ব্বাদ নিৰ্ম্মালী বুলিয়ে মই শিৰ পাতি গ্ৰহণ কৰিছো আৰু তাৰ বাবে অসম সাহিত্য সভাৰ সভ্য সকলক আৰু উপস্থিত সমূহ ৰাইজক মই অশেষ ধন্যবাদ জনাইছো। কিন্তু এই সন্মান পাবৰ মই যোগ্য নহওঁ বুলি নিজেই জানো কাৰণে ৰাইজৰ আগত লাজহে পাইছো।

মোৰ চৰকাৰী চাকৰি জীৱনৰ আগছোৱা কালত সাহিত্য চৰ্চ্চাত যেনেকৈ মনপুতি লাগিছিলো, পিছৰছোৱা কালতো তেনেকৈ তাতে লাগি থাকিব পৰা হ'লে সাহিত্যৰ ক্ষেত্ৰত কিবা অলপ কৰিব পাৰিলোহেঁতেন বুলি মোৰ বিশ্বাস। কিন্তু জীৱনৰ ঘটনা চক্ৰই মোক বাধা দিলে।

ইংৰাজী ১৯১৭ চনত মই এই ডিব্ৰুগড় হাইস্কুলৰ শিক্ষকৰ কামত সোমাই সাহিত্য চৰ্চ্চাত মনপুতি লাগিছিলো। তেতিয়াৰ পৰা ১৯১৯ চনৰ ভিতৰত দুখন নাটক লিখি, ডিব্ৰুগড় ৰঙ্গমঞ্চত অভিনয় কৰিবলৈ দি 'বিদ্যাৱতী' নামে নাটকখন ১৯১৮ চনত ছপাই উলিয়ালো। 'ৰঞ্জিত সিংহ' নামে নাটকখন লিখিছিলো চেক্সপিয়েৰৰ 'ওথেলো' নামৰ নাটকখনৰ ছাঁ লৈ। সেইখনো তেতিয়া ছপাই

উলিযাবলৈ প্ৰস্তুত কৰি থৈছিলো। তদুপৰি স্কুল কলেজৰ পঢ়া কালৰে পৰা সেই সময়লৈকে যিবিলাক খণ্ড-কবিতা লিখিছিলো তাৰ ভিতৰৰ ৩৫ টা শিশুপাঠ্য কবিতা একত্ৰ কৰি উদগনি' নাম দি এখন কবিতা পুথিও ছপাই উলিযাবলৈ প্ৰস্তুত কৰি থৈছিলো। কিন্তু এই বেইখন কিতাপ মই ছপাই উলিযাব নোৱাৰিলো, কাৰণ ১৯২৯ চনত মোৰ ভাগ্য চক্ৰই মোক আন এফালে টানি নিলে। সেই বছৰতে চবডিপুটি কামত সোমাই বিছুমান বছৰৰ পাছত ই, এ, চি, কামলৈ প্ৰমোচন পাই ১৯৭৭ চনত মই চৰকাৰী কামৰ পৰা অৱসৰ ললো। এই কালছোৱাই আছিল মোৰ জীৱনৰ উৎকৃষ্ট কাল। ইফালে এই কালছোৱাই আছিল স্বাধীনতা আন্দোলনৰ যুগ। এই সময়ত চবডিপুটি কামত সোমাই মই কোনোকালে মুৰ পতি সাহিত্য-চৰ্চাত লাগিব পৰা নাছিলো। কাৰণ দায়িত্বপূৰ্ণ চৰকাৰী কামৰ হেঁচাৰ উপৰিও সেই আন্দোলনৰ কালত আৰু নানা বাধা বিধিনিৰ অধীন হৈ থাকিবলগাত পৰিছিলো।

শিৱসাগৰলৈ মই দ্বিতীয়বাৰ বদলি হৈ গৈছিলো। এই কাল ছোৱাৰ ভিতৰত শিৱসাগৰৰ মোৰ সমনীয়া বন্ধু সকলৰ পৰা আৰু তেওঁলোকৰ পিছৰ ডবপৰ নাট্যামোদী ডেকা সকলৰ পৰা উৎসাহ পাই মাজে মাজে খপিয়াই জপিয়াই বেলেগ বেলেগ সময়ত মই মুঠতে ৫ খন নাটক লিখিলো। তাৰ ভিতৰত 'লাচিত বৰফুকন' নামে নাটকখনৰ শিৱসাগৰৰ ৰঙ্গমঞ্চত অভিনয় চাই মোৰ ভাল নালাগিল। সেইখন ৰঙ্গমঞ্চৰ অনুপযুক্ত হ'ল যেন দেখি সেই নাটক খন মই পেলাই দিলো। আৰু তাৰে বিষয় বস্তুলৈ পিছৰ বছৰত 'স্বৰ্গদেউ প্ৰতাপ সিংহ' নামে নাটকখন লিখিলো। শিৱসাগৰলৈ দ্বিতীয়বাৰ বদলি হৈ যোৱাৰ কালত 'মনৰ মানুহ' আৰু 'দেৱযানী' নামে দুখন নাটক লিখি শিৱসাগৰৰ ডেকা সকলক অভিনয় কৰিবলৈ দিছিলো, 'মনৰ মানুহ' নাটকখন লিখিছিলো। চেক্সপিয়েৰৰ

'Twelfth Night' নামৰ নাটক খনৰ ছা লৈ। এইখন নাটকৰ অভিনয় ভালেই হৈছিল। শিৱসাগৰৰ ৰাইজেও ভাল পাইছিল। এই নাটকখনৰ অভিনয় কৰিবলৈ অসমৰ অন্যান্য ঠাইৰ ৰাইজেও মোক নাটকখন খুজিছিল। কিন্তু মই তেওঁলোকক নাটকখন দিব নোৱাৰিলো। কাৰণ মই শিৱসাগৰৰ পৰা বদলি হৈ আহিবৰ সময়ত সেই নাটকখন শিৱসাগৰৰ কাৰ হাতত থাকিল, মই আৰু তাক বিচাৰি নাপালো। এতিয়াও সেইখন নাটক শিৱসাগৰৰ কোনোবা এজনৰ হাতত পৰি আছে।

'শকুন্তলা' নামৰ নাটকখন লিখিছিলো, মোৰ চৰকাৰী চাকৰি জীৱনৰ শেষ কালত, এই শিৱসাগৰতে কাম কৰি থাকোতে। সেইখন নাটকৰ অভিনয় কৰিছিল আমাৰ 'চক্ৰ'চা আনন্দদায়িনী সভাৰ ছোৱালী বিলাকে। ছোৱালীয়েই পুৰুষৰ ভাও লৈছিল। তেওঁলোকৰ অভিনয় ভালেই হৈছিল। কিন্তু সেই কালৰ অমিত্ৰাক্ষৰ ছন্দৰ নাটকৰ আৰু আদৰ নোহোৱা হল। সেই কাৰণে এইখন নাটকৰো অসমৰ আন ঠাইত অভিনয় হোৱা নাই। এই তিনিখন নাটক বাদ দি বাকী থাকিল 'স্বৰ্গদেউ প্ৰতাপ সিংহ' আৰু 'দেৱযানী' নাটক, আৰু পূৰ্ব্ব লিখা 'বিতোপণী' আৰু 'বৰি সিংহ' নাটক। সেই কালত এই ৪ খন নাটকৰ অসমৰ প্ৰায় সকলো ৰঙ্গমঞ্চতে সুখ্যাতিৰে অভিনয় হৈছিল। আৰু এই নাটক কেইখন হাতে লিখা অৱস্থাতে অসমত বহুকাল ঘূৰি ফুৰিছিল। তাৰ কাৰণ, সেই কালত নতুন অসমীয়া নাটকৰ অভাৱত আমাৰ নাট্যামোদী ডেকা সকলে বঙালী নাটক বিলাকৰে অসমীয়ালৈ অনুবাদ কৰি অভিনয় কৰিব লগাত পৰিছিল। এই কেইখন নাটক তেতিয়াই ছপাই উলিয়াব পৰা হলে সাময়িক ভাবে অভাৱ মিটাব দিব পালেহেতেন। কিন্তু কিতাপ ছপাবলৈ সেই কালত সময়ো নাপালো, সুবিধাও নেপালো। এতিয়া আৰু সেইবিলাক নাটকৰ কোনো

মূল্যাই নাই। তথাপি 'স্বৰ্গদেউ প্ৰতাপ সিংহ' নাটকখন বুৰঞ্জীমূলক নাটক কাৰণে দেশ স্বাধীন হোৱাৰ পিছতহে সেইখন ছপাই উলিয়াব পাৰিলোঁ।

খণ্ড কবিতা বিলাকো কবিতা পুথিৰ আকাৰে ছপাই উলিয়াব পাৰিম বুলি ভাবি লিখা নাছিলোঁ। মাজে মাজে একোটা খণ্ড কবিতা লিখি সাময়িক আলোচনী তখন মানত প্ৰকাশ কৰিছিলোঁ। কিন্তু সেইটো কবিতা লিখা যুগ নাছিল। আমাৰ সাহিত্যিক সকলৰ ভিতৰত বহুতেই সেই কালত সাহিত্য চৰ্চ্চাৰ ফালে পিঠি দি ৰাজনীতি চৰ্চ্চাতহে ব্যস্ত হৈ আছিল। সেই কাৰণে কবিতা লিখিবলৈ উৎসাহ নাপাই মাজতে কিছুমান বছৰ মই খণ্ড কবিতা লিখাই নাছিলোঁ।

তাৰ পিছত আহিল আবাহন যুগ'। এই 'আবাহন যুগতে' মই পুনৰ খণ্ড কবিতা লিখিবলৈ আৰম্ভ কৰিলোঁ কাৰণ 'আবাহনৰ' সম্পাদক শ্ৰীদীননাথ শৰ্ম্মা দেৱে কবিতা পঠাব লাগে বুলি মোলৈ প্ৰায়ে চিঠি দি আছিল। তেওঁৰ চিঠি পালেই একোটা খণ্ড কবিতা লিখি "আবাহনত" ছপাবলৈ পঠাইছিলোঁ। পিছত এইবিলাক কবিতাৰ লগত আগ বয়সত লিখা কেইটামান কবিতা লগ লগাই ইংৰাজী ১৯৩৫ চনত মই 'নিজৰা'খন ছপাই উলিয়ালোঁ।

ইংৰাজী ১৯২৯ চনৰ পৰা ১৯৩৩ চনলৈকে মই বৰপেটাত কাম কৰি থকা কালতে স্বৰ্গদেউ প্ৰতাপ সিংহ' নাটকখন খণ্ড খণ্ডকৈ 'আবাহনত' প্ৰকাশ কৰিলোঁ আৰু সেই সময়তে 'পাষাণ প্ৰতিমা' নামে কবিতা এটা লিখি সেইটোও 'আবাহনত' প্ৰকাশ কৰিলোঁ। এই নাটক আৰু কবিতা 'আবাহনত' ছপা হৈ ওলোৱাৰ পিছত বৰপেটাৰ এজন পুলিচ অফিচাৰে এদিন মোক ক'লে— "আপুনি অলপ সাৱধান হ'ব, আপোনাৰ লিখাবোৰৰ ওপৰত আমাৰ চি, আই, ডিৰ বেকা চকু পৰিছে"। মই ক'লো—"মোৰ ওপৰত

চি, আই, ডিৰ বেকা চকু পৰিবৰ কি কাৰণটো হ'ল ? মোৰ নাটক আৰু কবিতাত স্বদেশ প্ৰেমৰ আভাস থাকিব পাৰে। কিন্তু অসহযোগ আন্দোলনৰ বিষয়ে বিম্বা ইংৰাজৰ বিৰুদ্ধে মইতো তাত একো লিখা নাই" । তেওঁ কলে —"পৰাধীন দেশৰ মানুহ স্বদেশ প্ৰেমিক হোৱাটোৱে আটাইতকৈ ডাঙৰ পাপ কাম বুলি আপুনি নেজানে নেকি ? এতিয়া তলে তলে আইন অমান্য আন্দোলন চলি আছে। এই সময়ত চৰকাৰী চাকৰীয়াল হৈ আপুনি স্বদেশ প্ৰেমৰ বিষয়ে কবিতা নিলিখি আপোনাৰ কোনোবা মানসী আছে যদি তেওঁৰে মুখখনি ধ্যান কৰি বিদ্ধমান প্ৰেমৰ কবিতাহে লিখক। প্ৰেমৰ কবিতা লিখিলে আমাৰ বিদেশী চৰকাৰে বেয়া নাপায়। আমাৰ শিক্ষিত সকলে প্ৰেম পীৰিতি কৰি আৰু কানি ভাং মদ খাই চকুমুদি বহি থাকিলেই তেওঁলোকে ভাল পায়। তাৰে ভিতৰৰ কোনোবা এজনৰ চকু মেলখোৱা যেন দেখিলে তেওঁৰে ওপৰত চি, আই ডিৰ বেকা চকু পৰে।'

এই পুলিচ অফিচাৰজনে কোৱা কথা কেইষাৰে মোৰ অন্তৰত দকৈ ছাব বহুৱালে। আমাৰ বিদেশী চৰকাৰে আমাক উচ্চ শিক্ষা দি অন্যান্য সভ্য জাতিৰ মানুহৰ লগৰ মানুহ কৰি এৰি যোৱা নাছিল। তেওঁলোকে সাম দান, ভেদ দণ্ড এই চাৰিবিধ ৰাজনীতি প্ৰয়োগ কৰি আমাৰ পৰাধীন জাতিটোক যিমান দূৰ সম্ভৱ ধৰ সৰ পথলৈ টানি নি তাতে এৰি গ'ল। দেশ স্বাধীন হোৱাৰ পিছত স্বাধীন ভাৰতে আজিলৈকে তাৰ বিষময় ফল ভোগ কৰিবলৈ পাইছে। এতিয়াও আমাৰ সমাজত দুৰ্নীতি, ক'লাবজাৰ, ব্যক্তিগত ক্ষুদ্ৰ স্বাৰ্থ লৈ দলাদলি আদি চলিয়ে আছে। ইফালে প্ৰাদেশিকতা আৰু ধৰ্মান্ধতা আছেই। এতিয়া জাতিটোক এই বিলাক দোষৰ পৰা মুক্ত কৰি নিৰ্ম্মল কৰিব পাৰিব সাহিত্যিক সকলে, কাৰণ 'The pen is mighter than the sword' বুলাই ৰাজশক্তি

প্ৰয়োগ কৰি যি কাম সমাধা কৰিব নোৱাৰে সাহিত্যিক সকলে একোটা কলমৰ খোচতে সেই কাম কৰিব পাৰিব বুলি মোৰ সম্পূৰ্ণ বিশ্বাস।

যি কি নহওক, সেই কালত এনেকুৱা অবস্থাত স্বাধীনভাবে কলম চলাই সাহিত্য চৰ্চ্চাত লাগো কেনেকৈ। তেতিয়া যিবোৰ কথা আপোনা আপুনি কলমৰ আগেদি ওলাই আহিবলৈ ধৰিছিল, সেইবোৰ লিখি প্ৰকাশ কৰা হলে মোকো ধৰি নি জেলত ভৰাই থলেহেঁতেন আৰু সেই দুদিনত মোৰ ল'ৰা ছিবোতা সংসাৰত উটি বুৰি গ'লহেঁতেন। সেইকাৰণে কলমটো চলাবলৈ বাধ্য হলো।

তথাপি আমাৰ ওপৰৱালা চাহাব কেইজন মানে বিশেষকৈ কমিচনাৰ গাৰ্ণি চাহাবে মোক কানৰ পৰা খেদিবলৈকে চেষ্টা চাই ফুৰিছিল। তাৰো এটা কাৰণ আছিল তেওঁলোকে কাম-কাজত বেয়া পোৱা নাছিল। ১৯৩৫ চনত চিলভাৰ জুবিলি মেডেল এটাও মোক দিছিল। যি সকল অফিচাৰৰ কাম কাজত ভাল নাম আছিল, সেই সকলকহে এই মেডেল দিছিল। কিন্তু মই বিদেশী চৰকাৰৰ তলত কাম কৰি আছিলো, যদিও শিৱসাগৰৰ মোৰ সমনীয়া বন্ধু সকলে আৰু নগৰৰ বাহিৰৰ ৰাইজে মোক কোনো কালে ঘৃণাৰ চকুৰে চোৱা নাছিল। অসহযোগ আন্দোলন চলি থকা কালতো শিৱসাগৰৰ ৰাইজে মোক আদৰ সাদৰকৈ মাতি নি তেওঁলোকৰ ৰাজহুৱা সভাত সভাপতি পাতিছিল। শিৱসাগৰৰ মুছলমান সমাজেও তেওঁলোকৰ মহৰম আদি উৎসব উপলক্ষে পতা ৰাজহুৱা সভাত মোক সভাপতি পাতিছিল। এইবিলাক ৰাজহুৱা সভাৰ অসহযোগ আন্দোলন কিম্বা ৰাজনীতিৰ লগত কোনো সমন্ধ নাছিল যদিও মই এনেকৈ ৰাইজৰ লগত মিলা প্ৰীতিৰে থাকি তেওঁলোকৰ ৰাজহুৱা সভাত বক্তৃতা দি ফুৰাটো আমাৰ বিদেশী চৰকাৰে ভাল নাপাইছিল। ইংৰাজী

১৯২৩ নে ২৪ চনত শিৱসাগৰৰ এচ, ডি অ, গাৰ্ণিং চাহাবে মোক এদিন ক'লে—'তুমি এজন নতুন অফিচাৰ। এটা কথা তুমি ভালকৈ মনত ৰাখিবা। যিসকল popular officer সেইসকল কেতিয়াও ভাল অফিচাৰ হব নোৱাৰে।' মই ক'লো—'তোমাৰ এই কথাষাৰৰ অৰ্থ মই বুজিব নোৱাৰিলো। আমাক বোলে public servant তাৰ মানে আমি ৰাইজৰ চাকৰ, ৰাইজে যদি আমাক ভাল পায়, তেন্তে আমি বেয়া অফিচাৰ হম কেনেকৈ?' চাহাবে মোৰ এই কথাষাৰৰ উত্তৰ নিদিলে। কিন্তু তেওঁৰ কাণ তুখন ৰঙা পৰি গ'ল। সাধাৰণ ভাৱে নিচিন্তাকৈ মই এই কথাষাৰ কোৱাৰ পিছত বুজিব পাৰিলো যে সেইদিনাৰ পৰাই গাৰ্ণি চাহাব মোৰ বিৰোধী হ'ল। বিশেষকৈ এই কাৰণেই কমিচনাৰ গাৰ্ণি চাহাবে মোৰ চৰকাৰী চাকৰি জীৱনৰ পিছৰ ছোৱা কালত মোক কিমান লটিঘটি কৰিলে, সেইবিলাক কথা 'অতীতৰ সোৱৰণী' নাম দি মোৰ জীৱন সোৱৰণীত লিখিছো। সেই কালত তেওঁ মোক একে ঠাইতে শান্তিৰে বেছিদিন থাকিবলৈকে দিয়া নাছিল। অ'ৰ পৰা ত'লৈ, ত'ৰ পৰা ত'লৈ বদলি কৰি ধুৰাই লৈ ফুৰাইছিল। তথাপি ৰাইজে মাতিলে মই কোনো কালে নোযোৱাকৈ থকা নাছিলো। অসমৰ যি ঠাইলৈকে বদলি হৈ গৈছিলো সেই ঠাইৰে ৰাইজে মোক আদৰ সাদৰেৰে মাতি নি তেওঁলোকৰ এখন নহয় এখন ৰাজহুৱা সভাত মোক সভাপতি পাতিছিল। ধুবুৰীৰ অসমীয়া সমাজৰ উপৰিও বঙালী সমাজেও তেওঁলোকৰ কেইবাখনো ৰাজহুৱা সভাত মোক সভাপতি পাতিছিল। পিছলৈ সেইবিলাক সভাত গাৰ্ণি চাহাবৰ লগত ফেৰ পাতিযে মই মুখৰ বান্ধ নোহোৱাকৈ বক্তৃতা দিছিলো। তথাপি গাৰ্ণিং চাহাবে, কমিচনাৰ হৈও মোক যে কামৰ পৰা খেদিব নোৱাৰিলে, তাৰ কাৰণ, সেই সময়ত স্বৰ্গীয় চাৰ চৈয়দ ছাদুল্লা চাহাব প্ৰধান মন্ত্ৰী আছিল। তেওঁ মোক কলেজত

পঢ়া দিনবে পৰা ভালকৈ চিনি পাইছিল আৰু ভাল পাইছিল। এসময়ত তেওঁ আছিল কটন কলেজৰ এজন প্ৰফেচাৰ। পিছত তেওঁ হ'ল গুৱাহাটীৰ এজন এডভোকেট। মই যেতিয়া কটন কলেজৰ খেল-ধেমালিৰ কেপ্তেইন আছিলো, তেতিয়া ছাদুল্লা চাহাব আছিল গুৱাহাটী টাউন ক্লাবৰ চেক্ৰেটেৰী। সেই সময়ত তেওঁ আমাৰ বিৰুদ্ধে প্ৰায়ে ক্ৰিকেট আৰু ফুটবল প্ৰতিযোগিতাত নামিছিল। তেওঁ আছিল এজন sports-man। মই সকলো প্ৰকাৰ খেল ধেমালিত পাকৈত আছিলো কাৰণে তেওঁ মোক ভাল পাইছিল। সেই কাৰণে চি, আই, ডিয়ে মোৰ বিৰুদ্ধে কিবা ৰিপোৰ্ট কৰিছিল যদিও ছাদুল্লা চাহবে সেইবোৰ আওকাণ কৰিলে। পাছে, চাহাবে বাধা দিয়া স্বত্বেও পিছত ছাদুল্লা চাহাবেই মোক ই, এ, চি কামলৈ প্ৰমোচন দিলে।

এনেকুৱা অৱস্থাত মোৰ চাকৰি জীৱনত মাজে মাজে থপিযাই জপিযাই কেইখনমান নাটক আৰু কিছুমান খণ্ড কবিতা লিখাৰ বাহিৰে মই সাহিত্যৰ ক্ষেত্ৰত আৰু একো কৰিব নোৱাৰিলো।

ইংৰাজী ১৯৪৭ চনত দেশ স্বাধীন হ'ল। সেই বছৰৰ ডিচেম্বৰ মাহত মযো চৰকাৰী কামৰ পৰা অৱসৰ ল'লো। তাৰ পোন্ধৰ দিনৰ পিচত কংগ্ৰেছ চৰকাৰে মোক পঠালে গুৱাহাটী বিশ্ববিদ্যালয়ত কাম কৰিবলৈ ভাত ছৰছৰ ট্ৰেজাৰৰ হৈ আছিলো। তেতিয়াও দায়িত্বপূৰ্ণ কামৰ ভাৰ মোৰ মূৰত পৰিছিল। বিশ্ববিদ্যালয়ৰ Account Branchটো মযে স্থাপন কৰিলো আৰু Gauhati University Account Code খন লিখি Executive Council ত pass কৰাই অফিচৰ কামত গট লগাই ল'লো।

বিশ্ববিদ্যালয়ৰ কাম কৰি থকা কালতে 'স্বৰ্গদেউ প্ৰতাপসিংহ' নামৰ নাটকখন মই ছপাই উলিযালো। তেতিয়াও মাজে মাজে একোটা খণ্ড-কবিতা লিখি সাময়িক আলোচনী দুখন মাৰত প্ৰকাশ

কৰিছিলো আৰু All India Radio ৰ কবি সম্মিলনত যোগ দি তাতো নিজে লিখা কবিতা আবৃত্তি কৰিছিলো। গুৱাহাটীৰ বাইৰেও মোক কেইখনমান বাজৰুৱা সভাত সভাপতিৰ আসনত বহুৱাইছিল।

'নিজৰা' ছপা হৈ ওলোৱাৰ পিছতো মই আৰু ভালেমান খণ্ড কবিতা লিখিলো। তাৰে কিছুমান আলোচনী বিলাকৰ পাতত পৰি থাকিল, কিছুমান মোৰ হাতত থাকিল আৰু কিছুমান হেৰাল। ইটোৰ লগত সিটোৰ সম্বন্ধ নথকা এই কবিতা বিলাক একেলগ কৰি আৰু এখন কবিতা পুথি ছপাই উলিয়াবৰ মোৰ মন নগ'ল। 'উদগনি' খনো মোৰ হাতত পৰি থাকিল। 'নিজৰা'ৰ কবিতাৰ লগত 'উদগনি'ৰ কবিতা খাপ নাখায় কাৰণে এই বিলাক কবিতা আতৰাই থলো। কিন্তু জীৱনৰ আগবয়সত লিখা এই কবিতাবোৰ পেলাই দিবৰ মোৰ মন নগ'ল। সেইখন এতিয়াও শিশুপাঠ্য কবিতা পুথি এখন হব বুলি ভাবি কেই বছৰ মানৰ আগতে গুৱাহাটীৰ শ্ৰীৰাধা গোবিন্দ বৰুৱাক দি আছিছিলো, তেওঁৰ সাহিত্য প্ৰকাশৰ যোগে ছপাই উলিয়াবলৈ। 'উদগনি'ৰ পাতনি লিখি দিছিল স্বৰ্গীয় ভিমেশ্বৰ নেওগে আৰু আমাৰ কাৰ্নে কলেজৰ অধ্যক্ষ ড যোগীৰাজ বসুৱে। কিন্তু বৰুৱাই সেইখন নছপালে। তাৰে পৰাই বুজিলো সেইবিলাক কবিতাৰ এতিয়া আৰু কোনো মূল্যই নাই।

বিশ্ববিদ্যালয়ৰ কামৰ পৰা অবসৰ লৈ অহাৰ পিছতো মই আৰু দুখন নাটক লিখিছিলো। তাৰে এখন লিখিছিলো সুৰাপান নিবাৰণৰ উদ্দেশ্যৰে। সুৰাপান নিবাৰণৰ উদ্দেশ্যৰে নাটক এখন লিখি দিব লাগে বুলি অসম চৰকাৰৰ পৰা এখন চিঠি পাই মই 'অভিশপ্ত' নামে নাটক এখন লিখি দিছিলো। সেই নাটকখনৰ বাবে অসম চৰকাৰে মোক নগদ ৫০০৲ টকা পুৰস্কাৰ দিলে,

২৩

আৰু নাটকখন চৰকাৰী খৰচত ছপাই উলিযাব আৰু তাৰ চিনেমা কৰিব বুলিও মোলৈ লিখিছে। কিন্তু এতিয়ালৈকে একো কৰা নাই। সেইখন শিলঙৰ কোনোবা এটা অফিচতে এতিয়াও পৰি আছে।

একেবাৰে শেহৰ নাটক 'মাধৱী নিশাৰ সপোন'। এই খন নাটক দি আহিছিলো শিলঙৰ মুকুল সজ্যক অভিনয কৰিবলৈ। কিন্তু তেওঁলোকে অভিনয নকৰিলে। তাৰে পৰা বুজিলো যে নাটক খন ভাল নহ'ল নাইবা আধুনিক ৰঙ্গমঞ্চত সেইখন খাপ নাখায।

এনেকৈ মাজে মাজে থপিযাই জপিযাই যি অলপ লিখিছিলো তাৰো সৰহ ভাগ অগানে গ'ল। 'লাঙ্গি বৰফুকন' নাটৰখন বাদ দিও মই আৰু ৮ খন নাটক লিখিছিলো। তাৰ ভিতৰত দুখন হে ছপাই উলিযাব পাৰিলো আৰু 'নিজৰা' খনো ছপাই উলিযালো।

দেৱতাৰ চৰণত ভক্তিভাবে দুবৰি এডাল দিলেও দেৱতা সন্তুষ্ট হোৱাৰ নিচিনাকৈ অসম সাহিত্য সভাই মোৰ পৰা সিমানকে পাই সন্তুষ্ট হৈ আজি মোক ৰাজহুৱা ভাবে সম্বৰ্দ্ধনা জনাই আশীৰ্ব্বাদ দিছে। ইযাৰ বিনিমযত মোৰ নিমিত্তে লাখ টকাৰ ধন সম্পত্তিও অতি তুচ্ছ।

এতিযা অসম সাহিত্য সভাৰ সভ্য সকলক আৰু উপস্থিত সমূহ ৰাইজক মোৰ আন্তৰিক কৃতজ্ঞতা জনাই, তেখেত সকলৰ ওচৰত আজিযে শেষ বিদায ল'লো। ইযাৰ পিছত অহা বছৰ অসম সাহিত্য সভাৰ বছেৰেকীযা অধিবেশনত তেখেতসকলক পুনৰ দেখা দিবলৈ যাব পাৰিম বা পাম বুলি আশা কৰিব নোৱাৰো।



# প্ৰধান সম্পাদকৰ প্ৰতিবেদন

[ '১৯৬৬ ৬৭ ]

শ্ৰীহৰিপ্ৰসাদ নেওগ

ভাৰতৰ উত্তৰ-পূব সীমান্তস্থিত অসমৰ পূবৰ দুৱাৰ এইখন মুখ স্বৰূপা এই চহৰ ডিব্ৰুগড নগৰীত অসম সাহিত্য সভাৰ চতুস্ত্ৰিংশতম্ সন্মিলন অনুষ্ঠিত হৈছে। এই মহান জাতীয় যজ্ঞ সম্পন্ন কৰাত অভ্যৰ্থনা সমিতিৰ দ্বাৰা সদৌ ডিব্ৰুগড় পৰীয়া বাসিন্দাক কৃতজ্ঞতা জনাইছোঁ।

এই বছৰতে যোৱা মাৰ্চ মাহত মাত্ৰ এবছৰ তিতালৈ উত্তৰ লক্ষ্মীমপুৰ চহৰত জিলাৰ ত্ৰয়স্ত্ৰিংশ সন্মিলন বহিছিল। গাতিকে কামত লেখোৱা আমি মাত্ৰ সভাৰ এখন আঠমহীয়া প্ৰতিবেদনহে দাঙি ধৰিবলৈ ওলাইছো। যোৱা সন্মিলনৰ এবছৰ নৌ মাৰ যাওঁতেই পুনৰ বাৰ্ষিক সন্মিলনৰ কাৰণে তৎপৰ হব লগা অৱস্থাত স্বাভাবিকতে বহুত কৰিব লগা কামো পিছ পৰি গৈছে। তথাপি আমি আমাৰ কাৰ্য্যকালত ঐকান্তিক নিষ্ঠাৰে চিৰ চেনেহী ভাষা জননীৰ নামত যিখিনি কৰিছো তাকে নিবেদন কৰিম। ইয়াত বঢ়া টুটা হলে ক্ষমা কৰে যেন।

১৯৬৬ চনৰ এই বছৰটো বাস্তৱিকতে শোকৰ বছৰ। এই বছৰটোত অগাপিছাকৈ আমাৰ ভাষা সাহিত্য সংস্কৃতি জগতৰ ধৰণী-স্বৰূপ কেবাগৰাকী কৃতী সন্তানক আমি হেৰুৱাইছো। এওঁলোক সকলৰ ভিতৰত জয়ে জয়ে স্মৰণ কৰিছো যোৱা ১২ নবেম্বৰ তাৰিখে ধলপুৱাতে এই ডিব্ৰুগড় চহৰতে শেষ নিশ্বাস ত্যাগ কৰা

অসমীয়া ভাষা সাহিত্যৰ আজীৱন সেৱক কবি সাহিত্যিক আৰু সমালোচক শ্ৰীডিম্বেশ্বৰ নেওগ ডাঙৰীয়াক। সাহিত্য সভাৰ এই গৰাকী প্ৰাক্তন সভাপতিয়ে অসম সাহিত্য সভাৰ একালত প্ৰত্ৰিকা সম্পাদকৰ আৰু প্ৰধান সম্পাদক স্বৰূপেও সেৱা কৰিছিল। অসম সাহিত্য সভাৰ সভাপতি হৈ তেখেতে আনুষ্ঠানিক জীৱন্ত আৰু গতিশীল কৰিবৰ বাবে দৃঢ়ভাবে নেতৃত্ব দিছিল। নেওগ ডাঙৰীয়াৰ বিয়োগ আমাৰ কাৰণে এক পূৰাব নোৱাৰা ক্ষতি।

আমি স্মৰণ কৰিছো এই ডিবুৰু পাৰত শেষনিশ্বাস ত্যাগকৰা আৰু এগৰাকী আজন্ম সাহিত্য সাধক ডা মহানন্দ বৰুৱা সাহিত্য ভূষণ ডাঙৰীয়া, প্ৰধান দেশকৰ্মী সাহিত্যিক গৌৰীকান্ত তালুকদাৰ, সু-সাহিত্যিক শিক্ষাবিদ কুমুদেশ্বৰ বৰঠাকুৰ ভাৰতৰ স্বাধীনতা যুদ্ধৰ নিৰ্ভীক যুজাৰু সিদ্ধিনাথ শৰ্ম্মা, মৌলানা মহম্মদ তৈয়বুল্লা, কামেশ্বৰ দাস, বিপ্লৱী বীৰ শঙ্কৰ বৰুৱা, সত্ৰীয়া সংস্কৃতিৰ সাধক মনিৰাম দত্ত মুক্তিয়াৰ, লোক সাহিত্য সেৱী যোগেশচন্দ্ৰ তামুলী, সাহিত্য সভাৰ আজীৱন সভ্য শিক্ষাবিদ জীৱনচন্দ্ৰ তামুলী, আন এগৰাকী আজীৱন সভ্য প্ৰখ্যাত আইনজীৱী গোলোকচন্দ্ৰ বৰুৱা, বিশিষ্ট নাগৰিক ডাঃ প্ৰমোদাভিৰাম দাস নীলকান্ত হাজৰীকা, হৰেশচন্দ্ৰ ৰাজখোৱা চন্দ্ৰনাথ বৰঠাকুৰ, শিক্ষাবিদ ৰিযাজুল হুছেইন, কালীন্দ্ৰ নাথ দত্ত, ক্ষীৰেশ্বৰ শৰ্ম্মা, সুকোমল গগৈ, ভূধৰ বৰঠাকুৰ, ধৰ্মনাথ শাস্ত্ৰী, শিল্পী জগদীশ শৰ্মা দিহিং সত্ৰাধিকাৰ শোভন চন্দ্ৰ গোস্বামী আৰু শ্ৰীশ্ৰীকমলাবাৰী সত্ৰাধিকাৰ গোস্বামী, চন্দ্ৰহাঁস গোস্বামী আদি বহুজন দেশৰ কৃতী সন্তানক।

এই সুযোগতে আমি ভাৰতৰ বিশিষ্ট পণ্ডিত ডঃ কালিদাস নাগ আৰু বিশিষ্টা মহিলা ৰামেশ্বৰী নেহৰুকো স্মৰণ কৰিছোঁ।

এই সকলোৰে প্ৰতি আমি শ্ৰদ্ধাৰ্পণ কৰিছো আৰু তেখেতসকলৰ বিদেহ আত্মাৰ চিৰশান্তিৰ উদ্দেশ্যে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

এইবছৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ অধিবেশন চাৰিবাৰ বহে। প্ৰথম অধিবেশন যোৰহাটত ১।৫।৬৬ ত, দ্বিতীয় খন তেজপুৰ ৯।৭।৬৬ ত, তৃতীয় নগাৱঁত ১২।১১।৬৬ ত আৰু চতুৰ্থ ডিব্ৰুগড়ত ২৯।১২।৬৬ তাৰিখে। যোৰহাটত বহা প্ৰথম অধিবেশনতে সভাৰ বিভিন্ন কাৰ্য্য-সূচী আৰু চলিত বছৰৰ বাবে ১০৯৫৫৪৭০ টকাৰ আয় ব্যয়ক গ্ৰহণ কৰা হয়।

সেবা সন্মিলনত গৃহীত আঠোটা প্ৰস্তাৱ যথাস্থানলৈ প্ৰেৰণ কৰা হয়। ৰাজ্যিক ভাষা সংক্ৰান্ত প্ৰস্তাৱৰ পটভূমিত চলিত বছৰত ৰাজ্যিক ভাষা প্ৰয়োগ সম্পৰ্কত পৰ্য্যবেক্ষণ কৰা হয়। ইতিমধ্যে চৰকাৰে যোৱা ১৫ এপ্ৰিলৰ পৰা জিলা পৰ্য্যায়ত প্ৰয়োগ আৰু ১ জুলাই তাৰিখৰ পৰা আদালতত প্ৰযোগৰ জাননী দিছে। কিন্তু প্ৰযোগ ক্ষেত্ৰত আশানুৰূপ ক্ষিপ্ৰতা পৰিলক্ষিত হোৱা নাই। এই বিষয়ে সঘনে চৰকাৰৰ দৃষ্টিগোচৰ কৰা হৈছে। কাৰ্য্যনিৰ্বাহক সমি-তিয়ে প্ৰধান সম্পাদক, শ্ৰীলীলা গগৈ আৰু শ্ৰীযোগেশ দাসেৰে গঠিত এটি উপসমিতিক পৰ্য্যবেক্ষণ কৰিবলৈ ভাৰ দিয়ে। তদুপৰি অসম সাহিত্য সভাৰ শাখা সভা আৰু আজীৱন সভ্য সকলৰ পৰাও মতামত সংগ্ৰহ কৰা হৈছে। পৰ্য্যবেক্ষণৰ পিছত দেখা গৈছে ৰাজ্যিক ভাষা প্ৰয়োগৰ ক্ষেত্ৰত লিখন যন্ত্ৰৰ অভাৱ, পৰিভাষাৰ অস্পষ্টতা আৰু অসম্পূৰ্ণতা আৰু উপযুক্ত প্ৰশিক্ষণৰ অভাৱ, কোনো ক্ষেত্ৰত বিষয়া সকলৰ আন্তৰিকতাৰ অভাৱৰ কথাও পৰিলক্ষিত হৈছে। এই সকলোখিনি বিষয় ৰাজ্য চৰকাৰৰ দৃষ্টিগোচৰ কৰা হৈছে। সাহিত্য সভাৰ ফালৰ পৰা পৰিভাষা সমূহৰ ওপৰত পৰামৰ্শ দিবৰ কাৰণে এটি উপসমিতি গঠন কৰি এই কাৰ্য্যত আগবঢ়া হৈছে।

কাৰ্য্যনিৰ্বাহক সমিতিয়ে চৰকাৰী কাৰ্য্যালয়ৰ উপৰিও বে-চৰকাৰী শিল্প- উদ্যোগ অনুষ্ঠানত অসমীয়া প্ৰযোগ নোহোৱাত গভীৰ উদ্বেগ প্ৰকাশ কৰে। বিষয়টো চৰকাৰৰ দৃষ্টি গোচৰ কৰা হৈছে।

প্ৰাকবিশ্ববিদ্যালয় শ্ৰেণীত অসমীয়া মাধ্যম দিয়া সম্পৰ্কেও বিষয়টো অসমৰ দুয়োখন বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক বিশেষ ভাবে অনুৰোধ কৰা হৈছে।

## জাতীয় গ্ৰন্থাগাৰ

অসম সাহিত্য সভাৰ উদ্যোগত জাতীয় গ্ৰন্থাগাৰ স্থাপন আৰু এখন গ্ৰন্থপঞ্জী তৈয়াৰ কৰাৰ আঁচনি হাতত লোৱা আৰু লেখক-প্ৰকাশক সকলক এই পুথি-ভড়ালটিলৈ প্ৰকাশিত পুথি দিবৰ বাবে বিধান কৰিবলৈ কৰা প্ৰস্তাব যথাস্থানলৈ পঠোৱাৰ উপৰিও এই আঁচনিত সঁহাৰি দিবলৈ লেখক আৰু প্ৰকাশক সকলক বিশেষ ভাবে অনুৰোধ জনোৱা হয়। কিন্তু দুখৰ বিষয় এই ক্ষেত্ৰত লেখক আৰু প্ৰকাশক সকলৰ পৰা উৎসাহজনক সঁহাৰি পোৱা নাই।

## প্ৰচাৰ বিভাগ

অসমৰ পৰ্ব্বত, ভৈয়াম, চাহ বাগিছা, আৰু ভিতৰুৱা অঞ্চল আদিত সম্প্ৰীতি সংস্থাপনৰ মানসে অসম সাহিত্য সভাৰ যোৰা অধিবেশনৰ ৫নং সিদ্ধান্ত অনুসৰি এটি প্ৰচাৰ বিভাগ আৰম্ভ কৰা হৈছে। প্ৰচাৰ সচিবৰ দায়িত্ব নিৰ্ব্বাহ কৰিছে সহকাৰী সম্পাদক শ্ৰীনগেন শইকীয়াই।

## ছাপাশাল

অসম সাহিত্য সভাৰ এটি নিজা ছাপাশালৰ অভাব অনুভৱ কৰি ছাপাশাল স্থাপনৰ সম্পৰ্কত চৰকাৰী বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰা হৈছে। কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে এই কাৰ্য্যৰ বাবে শ্ৰীৰমা বৰঠাকুৰক আহ্বায়ক স্বৰূপে লৈ এখন উপ সমিতি পাতি দিয়ে। সম্প্ৰতে ৫০,০০০ হাজাৰ টকা সংগ্ৰহ কৰিবৰ বাবে সিদ্ধান্ত কৰা হৈছে।

সভাৰ বাৰ্ষিক অনুদান দুহ হাজাৰৰ পৰা ৩০ ত্ৰিশ হাজাৰলৈ উন্নীত কৰিবৰ বাবে লোৱা প্ৰস্তাৱৰ সম্পৰ্কত বিভাগীয় যোগাযোগ কৰাৰ উপৰিও মুখ্যমন্ত্ৰীক বিশেষভাবে বিষয়টি নিবেদন কৰা হৈছে। বৰ্ত্তমান বিষয়টি বিশেষ ভাবে বিবেচনাধীন হৈ আছে বুলি জনাইছে।

উত্তৰ-পূব-সীমান্ত ৰেল বিভাগৰ দ্বাৰা পৰিচালিত উচ্চ ইংৰাজী স্কুলত অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম ৰূপে স্বীকৃতি নিদিয়াত এই বিষয়ে গ্ৰহণ কৰা প্ৰস্তাব যথাস্থানলৈ পঠোৱা হয়। বিষয়টি ভাৰত চৰকাৰৰ শিক্ষামন্ত্ৰী দপ্তৰে বিবেচনাধীন বুলি জনাইছে

## শিক্ষা বিভাগত অসমীয়া ভাষা

অসম সাহিত্য সভাই কেইবা বছৰো ধৰি দাবী জনাই অহা কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় পুনৰ উত্থাপনৰ কাৰণে কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সিদ্ধান্ত অনুসৰি সভাপতি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা, প্ৰধান সম্পাদক আৰু শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীৰ গঠিত সংক্ষিপ্ত দলে যোৱা ৬।৯।৬৬ তাৰিখে তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীদেবকান্ত বৰুৱাক শিলঙত লগ ধৰি প্ৰধানত তলত দিয়া বিষয় সমূহ উত্থাপন কৰে :—

(ক) অসমীয়া মাতৃভাষা মাধ্যমৰ পৰ্য্যায়ত শিক্ষা প্ৰাপ্ত পৰীক্ষাৰ প্ৰশ্ন অসমীয়াত কটা আৰু প্ৰাক বিশ্ববিদ্যালয় মহলাত অসমীয়া প্ৰয়োগ।

(খ) উচ্চমাধ্যমিক বিদ্যালয়ত অসমীয়া ভাষা বিষয় বাধ্যতামূলক ভাবে থকা স্বত্বেও সেই বিষয়ৰ শিক্ষকক উচ্চমাধ্যমিক শিক্ষকৰ পৰ্য্যায় দান।

(গ) কাছাৰৰ অসমীয়া স্কুলৰ উন্নয়ন আৰু এটি প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন।

(ঘ) ব্ৰহ্মপুত্ৰ উপত্যকাৰ অনা-অসমীয়া ভাষাৰ মাধ্যমৰ স্কুলতো অসমীয়া ভাষা বাধ্যতামূলক ভাৱে শিকোৱাৰ ব্যৱস্থা।

(৬) সাহিত্য সভাৰ প্ৰস্তাবিত ভাষা শিক্ষা শ্ৰেণীক চৰকাৰী স্বীকৃতি দান।

## উচ্চ মাধ্যমিক শিক্ষা সংসদ

উচ্চমাধ্যমিক শিক্ষা স সদৰ সচিবৰ লগত সাক্ষাৎ কৰি সংশ্লিষ্ট বিষযত আলোচনা কৰা হয়। সচিবৰ পৰা জনা গৈছে যে শিক্ষা সংসদৰ পাঠ্য পুথি নিৰ্ব্বাচন আৰু পাঠ্যক্ৰম প্ৰস্তুতি আদিত অসম সাহিত্য সভাৰ পৰা মতামত লোৱা হব।

বিশ্ববিদ্যালযৰ গবেষণাৰ মাধ্যম অসমীয়া আৰু প্ৰাক-বিশ্ব-বিদ্যালযৰ শিক্ষাৰ মাধ্যম অসমীয়া কৰা সম্পৰ্কত কৰ্তৃপক্ষ সমূহৰ পৰা একো জানিবলৈ পোৱা নাই।

## ভাষা শিক্ষা শ্ৰেণী

অনা-অসমীয়া ভাষী লোকসকলে যাতে কাম-কাজ কৰোতে শুদ্ধ অসমীয়া ব্যৱহাৰ কৰিব পাৰে আৰু সংশ্ৰৱত অহা অসমীয়া লোকসকলৰ লগত ভাবৰ আদন প্ৰদান কৰিব পাৰে আৰু অসমীয়া সকলেও যাতে অসমৰ পাৰ্ব্বত্য জিলা সমূহৰ ভাষা শিক্ষাৰ যোগে পাৰস্পৰিক ভাবৰ আদান প্ৰদানৰ সুযোগ লাভ কৰিব পাৰে এই উদ্দেশ্যে এটি ভাষা শিক্ষা শ্ৰেণী গুৱাহাটী, ডিব্ৰু, শ্বিলং, ধুবুৰী, আৰু শদিয়া আদিত আৰম্ভ কৰা উদ্যোগ উপলক্ষে মুখ্যমন্ত্ৰী চলিহা ডাঙৰীযাক লগ ধৰি দহ হাজাৰ টকাৰ আঁচনি দিয়া হয়। ইতি-মধ্যে অসমীয়া ভাষাৰ ছমহীযা পাঠ্যক্ৰম যুগুত কৰা হৈছে, খাচী, গাৰো আৰু মিকিৰ ভাষাৰ পাঠ্যক্ৰমো হাতত লোৱা হৈছে। আমাৰ সঁজাতি দলে যোৱা ৬।৯।৬৬ তাৰিখে শ্বিলঙত মুখ্যমন্ত্ৰীক লগ ধৰি ভাষা শিক্ষা শ্ৰেণীলৈ অনুদান আৰু চৰকাৰী বিষয়া সকলে এই পাঠ্যক্ৰমত

উত্তীৰ্ণ হলে বিভাগীয় পৰীক্ষাৰ পৰা ৰেহাই পোৱা সম্পৰ্কে পুনৰ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে এই বিষয়ে আশ্বাস দিয়ে। ইতিমধ্যে যোৱা ৫।১১।৬৬ তাৰিখে প্ৰধান সম্পাদক মুখ্যমন্ত্ৰী শ্ৰীশইলা চালিহাক সাক্ষাত কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰধান সম্পাদকক জনায় যে ভাষা শিক্ষা শ্ৰেণীৰ বাবে দহ হাজাৰ টকাৰ অনুদান বিবেচনাধীন হৈ আছে আৰু ভাষা শিক্ষা পৰীক্ষাৰ চৰকাৰী স্বীকৃতি সম্পৰ্কেও বিষয়টি গুৰুত্বসহকাৰে বিবেচনাধীন হৈ আছে।

ভাষা শিক্ষা শ্ৰেণী বৰ্তমান মাৰ্ঘেৰিটাত নিয়মিত ভাবে আৰম্ভ হৈছে। মিকিৰ পাহাৰৰ ডিফুত ... শ্ৰেণীৰ গুৰি ধৰিছে অসমীয়া ... উত্তীৰ্ণ হোৱা মিকিৰ ডেকা শ্ৰীৰ বং ... স্থগিত হোৱা শ্ৰেণীটো পুনৰ আৰম্ভ কৰিব বাবে প্ৰস্তুতি আৰম্ভ হৈছে। ... এই বিষয়ে প্ৰাথমিক কাৰ্য্য আৰম্ভ হৈছে।

## ভাষাজ্ঞান পৰীক্ষা

এইবছৰ ভাষাজ্ঞান পৰীক্ষা যোৱা ৫ আৰু ... তাৰিখে হয়। মুঠ ৭ জন পৰীক্ষাৰ্থীৰ ভিতৰত ... নাম দিয়া তিনিজন উত্তীৰ্ণ হয়।

(১) হৰেন্দ্ৰ লাল ৰায় চৌধুৰী—ধুবুৰী।

(১) আহমদ আলি খান—মৰাণহাট।

(৩) শ্ৰীমেৰী মুণ্ডা—তেজপুৰ।

## চৌধুৰী বঁটা

যোৱা বছৰ আৰু চলিত বছৰত (১৯৬৫ আৰু ১৯৬৬) উচ্চ-মাধ্যমিক পৰীক্ষাত অসমীয়া বিষয়ত শ্ৰেষ্ঠ স্থান লাভ কৰা ছাত্ৰ শ্ৰীহিপুকৰিমে (আলং) '৬৬ আৰু মুকুতা ছালে পাছিঘাট) '৬৭, এই দুজন ছাত্ৰক হৰিহৰ চৌধুৰী বঁটা প্ৰদান কৰা হৈছে।

## সাহিত্যিক সম্বৰ্দ্ধনা

কাৰ্য্য নিৰ্বাহক সমিতিৰ ১।৫।৬৬ তাৰিখৰ অধিবেশনৰ সিদ্ধান্ত অনুসৰি এই বছৰ অসমৰ দুগৰাকী প্ৰবীণ সাহিত্যিকক সম্বৰ্দ্ধনা জনোৱা হয়। ১০।৭।৬৬ তাৰিখে এটি গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত তেজপুৰত প্ৰবীণ সাহিত্যিক আৰু দেশকৰ্ম্মী শ্ৰীমহাদেৱ শৰ্ম্মা ডাঙৰীয়াক সম্বৰ্দ্ধনা জনোৱা হয়। তেজপুৰ সাহিত্য সভাই অভ্যৰ্থনাৰ আয়োজন কৰে। আন গৰাকী নিজৰাৰ কবি নাট্যকাৰ শ্ৰীশৈলধৰ ৰাজখোৱা ডাঙৰীয়াকো ডিব্ৰুগড়ৰ সম্মিলন মণ্ডপত ২০।১১।৬৬ তাৰিখে সম্বৰ্দ্ধনা জনোৱা হয়। ডিব্ৰুগড় সাহিত্য সভাই অভ্যৰ্থনা আদিৰ যথাযোগ্য ব্যৱস্থা কৰে।

দুয়োখন সম্বৰ্দ্ধনা সভাতে সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই। প্ৰধান সম্পাদকে সভাৰ হৈ অভিনন্দন দিয়ে আৰু সভাৰ প্ৰকাশন উপহাৰ দিয়ে। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সদস্য সকলে দুয়োখন সভাতে যোগদান দিয়াৰ উপৰিও বিভিন্ন শাখা সভাৰ প্ৰতিনিধি সকলেও সহযোগ কৰি সৌষ্ঠব বৃদ্ধি কৰে।

**লক্ষ্মীনাথ বেজবৰুৱা শতবাৰ্ষিকী** — ১৯৬৮ ত উদযাপন কৰিব লগীয়া বেজবৰুৱা শতবাৰ্ষিকী আঁচনি অনুসৰি কাৰ্য্য আৰম্ভ কৰা হৈছে। শতবাৰ্ষিকী সমিতি ৩।৯।৬৬ তাৰিখে পুনৰ্গঠিত হয়। সমিতিত প্ৰাক্তন সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, শ্ৰীবেণুধৰ শৰ্ম্মা, সাহিত্য সভাৰ সম্পাদক ড° হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্য আৰু সভাৰ প্ৰাক্তন ধনভঁৰালী শ্ৰীনবীন শৰ্ম্মা আৰু শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মাই বিশেষ ভাবে সহযোগ কৰে।

শতবাৰ্ষিকী আঁচনিৰ অগ্ৰগতিৰ আভাস এইদৰে দিয়া হ'ল

১। বেজবৰুৱা ডাক টিকটৰ বাবে বিভাগীয় যোগাযোগ কৰা হৈছে। বিষয়টি বৰ্ত্তমান বিবেচনাধীন হৈ আছে বুলি জনাইছে। এই

সম্পৰ্কত অসমৰ লোক সভাৰ সদস্য সকলকো অনুৰোধ জনোৱা হৈছে।

২। শাখা সভা আৰু বিভিন্ন সংশ্লিষ্ট অনুষ্ঠানসমূহৰ জ্ঞাতাৰ্থে যোৱা ২৬ মাচত বেজবৰুৱা শতবাৰ্ষিকী উপলক্ষে গ্ৰহণ কৰা আঁচনি প্ৰচাৰ কৰা হৈছে।

৩। মুঠ এক লাখ পাঁচ হাজাৰ টকাৰ এখন আয়-ব্যয়ক গ্ৰহণ কৰা হৈছে। খৰছৰ শিতানত বেজবৰুৱা ভৱনৰ বাবে সম্পূৰ্ণ খৰচ আৰু বেজবৰুৱা গ্ৰন্থাৱলী প্ৰকাশৰ ব্যয় ধৰা হোৱা নাই।

আঁচনি অনুসাৰে উল্লেখযোগ্য খৰচ হ'ব

প্ৰকাশনত ১২,৫০০, বেজবৰুৱা বঁটা ২৫০০, বেজবৰুৱা ভৱন নিৰ্মাণত আংশিক দান ১০,০০০, প্ৰচাৰত ৮,০০০, সোঁৱৰণী বক্তৃতা ১০,০০০। আয়ব্যয়ক বাকী চৰকাৰলৈ পঠোৱা হয়।

৪। প্ৰকাশনৰ ক্ষেত্ৰত (ক) বেজবৰুৱা গ্ৰন্থাৱলী প্ৰকাশৰ ক্ষেত্ৰত সাহিত্য প্ৰকাশৰ লগত হোৱা চুক্তি অনুসৰি সাহিত্য সভাই মাত্ৰ সম্পাদনাৰ দায়িত্ব লয়। এই কাৰ্য্যৰ বাবে [illegible] হাজৰিকাক মুখ্য সম্পাদক স্বৰূপে লৈ এখনি সম্পাদনা সমিতি গঠন কৰা হয়।

(খ) বেজবৰুৱা আলোচনা গ্ৰন্থ সম্পাদনাৰ দায়িত্ব দিয়া হৈছে অধ্যক্ষ মহেশচন্দ্ৰ দেৱ গোস্বামীক।

(গ) বেজবৰুৱা নিৰ্ব্বাচিত প্ৰবন্ধ সংকলন আৰু সম্পাদনাৰ দায়িত্ব দিয়া হৈছে শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ।

৫। অনুবাদ আদিৰ ক্ষেত্ৰত বিভিন্ন অনুষ্ঠানৰ লগত যোগাযোগ কৰা হৈছে।

৬। প্ৰতিযোগিতাৰ বাবে এইদৰে ঘোষণা কৰা হৈছে —

এখন [illegible]— [illegible]০০

এখন শিশু উপযোগী গ্ৰন্থ— ৫০০

এখন জীৱন আলেখ্য— ৫০০

৭। প্ৰচাৰৰ ক্ষেত্ৰত অহা নতুন বছৰত বেজবৰুৱা কেলেণ্ডাৰ প্ৰকাশ আৰু অহা মৃত্যু দিবসত প্ৰতীক বিক্ৰীৰ ব্যৱস্থা আৰু ইয়াৰ যোগে পুঁজি সংগ্ৰহ কৰাৰ উপৰিও ব্যক্তি কাকতৰ যোগে আৰু স্থানীয় বাহিৰৰ পৰা অনুমান ৬০ হাজাৰ দান সংগ্ৰহৰ অভিযান চলাবলৈ স্থিৰ কৰা হৈছে।

৮। শিৱসাগৰত স্মৃতি ফলক প্ৰতিষ্ঠাৰ নিৰ্দিষ্ট আঁচনি লোৱা হৈছে।

৯। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপকৰ আসনৰ নামকৰণ "বেজবৰুৱা আসন" কৰিবলৈ কৰ্তৃপক্ষক অনুৰোধ জনোৱা হৈছে।

১০। ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত ইতিমধ্যে আৰম্ভ কৰা বেজবৰুৱা ভৱন নিৰ্ম্মাণ সমিতিক কেন্দ্ৰীয় নিৰ্ম্মাণ সমিতিলৈ পৰিণত কৰি বেজবৰুৱা ভৱন প্ৰতিষ্ঠাৰ কাৰ্য্য হাতত লোৱা হৈছে। ভৱন নিৰ্ম্মাণ সমিতিয়ে ইতিমধ্যে মাটি অধিগ্ৰহণ আধাৰশিলা প্ৰতিষ্ঠা আৰু ভৱনৰ চৌহদ বেৰা দিয়া কাৰ্য্য সম্পূৰ্ণ কৰিছে।

১১। প্ৰধান সম্পাদকে গোৱা ৫।১১।৭৬ তাৰিখে বেজবৰুৱা শতবাৰ্ষিকী আঁচনি সম্পৰ্কে শ্ৰীশৰচন্দ্ৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰে। মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী আৰু শিক্ষা-সচিবৰ লগত হোৱা আলোচনাৰ পিছত মুখ্যমন্ত্ৰী শ্ৰীচলিহা ডাঙৰীয়াই সভাৰ কাৰ্য্যসূচীত সন্তোষ প্ৰকাশ কৰে আৰু প্ৰধান সম্পাদকক পত্ৰযোগে সহানুভূতিপূৰ্ণ সমিধান দিয়ে।

## চন্দ্ৰকুমাৰ আগৰৱালা শতবাৰ্ষিকী

১৯৬৭ত জোনাকী যুগৰ কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ শত-বাৰ্ষিকী উপলক্ষে প্ৰাথমিক প্ৰস্তুতি হৈছে। অধ্যাপক শ্ৰীশশী শৰ্ম্মাই আলোচনা গ্ৰন্থৰ সম্পাদনা কৰিছে।

## ৰজনীকান্ত বৰদলৈ শতবাৰ্ষিকী —

১৯৬৭ ত হব লগা ৰজনীকান্ত বৰদলৈ শতবাৰ্ষিকী উদযাপনৰ আঁচনিও কাৰ্য্যনিৰ্বাহক সমিতিয়ে গ্ৰহণ কৰিছে। এই উপলক্ষে এখনি স্মৃতি-গ্ৰন্থ প্ৰকাশ পাব। সম্পাদনাৰ দায়িত্বত আছে অধ্যাপক শ্ৰীবীৰেণ বৰকটকী। ৺বৰদলৈৰ খাম্‌বা থাইবীৰ সাধু' আৰু 'ৰাধা ৰুক্মিণীৰ ৰণ' নামৰ আলোচনীত প্ৰকাশিত দুখনি উপন্যাস সংকলন আৰু সম্পাদনাৰ ভাৰ দিয়া হৈছে অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্ম্মাৰ ওপৰত।

জোনাকী যুগৰ কবি সাহিত্যিক সকলৰ শতবাৰ্ষিকী সম্পালনীকৈ হব আৰু আশা কৰা হৈছে সেই যুগৰ প্ৰত্যেক জনাক লেখক-সকলৰ শতবাৰ্ষিকী দিবসত সাহিত্য সভাই নিয়মিতভাবে স্মৰণ কৰিব পাৰিব।

## সোণালী জয়ন্তী

অহা বছৰ সভাৰ সোণালী জয়ন্তী উপলক্ষে এখনি আলোচনা গ্ৰন্থৰ বিশেষ প্ৰকাশনৰ কাৰ্য্যসূচী হাতত লোৱা হৈছে।

## চন্দ্ৰকান্ত অভিধান

চন্দ্ৰকান্ত অভিধানৰ তৃতীয় সংস্কৰণৰ সংশোধন আৰু পৰিবৰ্দ্ধনৰ কাম আৰম্ভ হৈছে। ৩।১।৬ তা আৰু ৭।১০।৬১ তা অভিধান সমিতিৰ বৈঠক বহে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত সম্পাদনাৰ কাৰ্য্যালয় বহুৱাবলৈ সন্মতি পোৱা হৈছে। ডঃ মহেশ্বৰ নেওগক মুখ্য সম্পাদক আৰু ডঃ গোলোক গোস্বামী আৰু ড উপেন্দ্ৰনাথ গোস্বামীক সহকাৰী সম্পাদক হিচাপে লৈ সম্পাদনাৰ প্ৰাথমিক কাম আৰম্ভ হৈছে। এই কাৰ্য্যৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্ৰীযোগেন্দ্ৰনাথ শইকীয়াক নিবন্ধক হিচাবে নিযুক্তি দিয়া হৈছে। বৰ্ত্তমান দ্বিতীয় সংস্কৰণৰ সংশোধন কৰা হৈছে।

## অসমীয়া ভাষাত বিশ্বকোষ

অসমীয়া ভাষাত বিশ্বকোষ প্ৰণয়নৰ বাবে সভাৰ পুনৰপ্ৰেৰিত আঁচনি পুনৰ দোহৰা হয় আৰু ইয়াৰ নকল পুনৰ ৰাজ্য চৰকাৰক দিয়া হয়। এই সম্পৰ্কত যোৱা ৬।৯।৬[illegible] তাৰিখে শ্বিলঙত শিক্ষামন্ত্ৰীৰ লগত সাহিত্য সভাৰ সংজ্ঞাতি দলে আলোচনা কৰে। শিক্ষা-মন্ত্ৰীয়ে বিশ্বকোষৰ কাম গুৱাহাটী বিশ্ববিদ্যালয় আৰু বিজ্ঞান সমাজৰ দ্বাৰা আৰম্ভ হৈছে বুলি জনায়। পিছে এই বিষয়ে অনুসন্ধান কৰি জনা হয় প্ৰকৃত বিশ্বকোষৰ কাম চৰকাৰী বা বেচৰকাৰী পৰ্য্যায়ত আৰম্ভ হোৱা নাই। চৰকাৰক এই বিষয়ে এটি জৰুৰী কাৰ্য্যকৰী ব্যৱস্থাৰে এই আঁচনি কাৰ্য্যকৰী কৰিবলৈ পুনৰ দাবী জনোৱা হৈছে।

## অসমৰ সাংস্কৃতিক বুৰঞ্জী

যোৱা উত্তৰ লখীমপুৰ সন্মিলনত গৃহীত নগাঁও শাখাৰ প্ৰস্তাৱ অনুসৰি অসমৰ সাংস্কৃতিক বুৰঞ্জী এখনি বিস্তৃত আঁচনি উপসমিতিয়ে প্ৰণয়ন কৰে আৰু কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে সেই আঁচনি গ্ৰহণ কৰে। এই আঁচনি অনুসৰি অসমৰ প্ৰাচীন মধ্য আৰু বৰ্ত্তমান যুগৰ ওপৰত তিনিটা খণ্ডত এখন ব্যাপক গ্ৰন্থ প্ৰণয়ন কৰা হ'ব। এই সমিতিৰ সম্পাদক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড নগেন্দ্ৰ নাথ আচাৰ্য্য। সভাৰ বৰ্ত্তমান পুঁজিৰ অভাৱত এই কমিটীৰ কাম হাতত লব পৰা নাই। ইতিমধ্যে উক্ত আঁচনিও সাহায্যৰ বাবে ৰাজ্য চৰকাৰক অনুৰোধ জনোৱা হৈছে।

## প্ৰকাশন আঁচনি আৰু চৰকাৰ

ৰাজ্য চৰকাৰলৈ প্ৰেৰিত আমাৰ আঁচনি অনুসৰি আধুনিক ভাৰতীয় ভাষাৰ উন্নয়ন শিতানত অনুবাদ সাহিত্যৰ কাৰণে যোৱা ২৯।৭।৬৬ তাৰিখে গুৱাহাটীত বহা সমিতিৰ বৈঠকত অসম সাহিত্য সভাৰ নামত তলত দিয়া গ্ৰন্থ কেইখনৰ অনুবাদ আৰু প্ৰকাশৰ

বাবে কুৰিহাজাৰ টকাৰ আশ্বাস পোৱা গৈছে। সেইমৰ্মে হাতত লোৱা কিতাপ কেইখন হ'ল ,- (1) Serpent and the rope : Raja Rao (2) Cultural Heritage of India আৰু (3) শূদকৰ মৃচ্ছকটিকম '

কিন্তু অভিধানৰ দ্বিতীয় খণ্ডৰ নিৰ্দেশ আৰু মঞ্জুৰী নোপোৱাত কামত আগবাঢ়িব পৰা নাই।

কেন্দ্ৰীয় চৰকাৰৰ আঞ্চলিক ভাষা উন্নয়ন আঁচনিত সাহায্যৰ বাবে ৰাজ্য চৰকাৰৰ যোগে ১৯৭ এক লাখ সাতত্ৰিশ হাজাৰ টকাৰ আঁচনি পঠোৱা হয় এই আঁচনিত দ্বিতীয় বছৰতে এটি আংশিক অনুদান মঞ্জুৰ কৰা হৈছে।

## বিশেষ দান

শিশু সাহিত্য পুঁজি –অসমৰ প্ৰবীণ নেতা মাদ্ৰাজৰ ভূতপূৰ্ব ৰাজ্যপাল শ্ৰীবিষ্ণুৰাম মেধি আৰু পত্নী শ্ৰীযুতা শিশু সাহিত্যৰ উন্নয়ন কল্পে দহ হাজাৰ টকাৰ এটি অনুদান আগবঢ়াইছে। যোৱা ১২।১১।৭৮ তাৰিখৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিত এই উদ্দেশ্যে এটি ন্যাস সমিতি গঠন কৰা হৈছে।

## গোপালচন্দ্ৰ গোস্বামী পুঁজি

অসমীয়া শিশু সাহিত্যৰ পাণ্ডুলিপিৰ প্ৰতিযোগিতাৰ ওপৰত প্ৰতি তিনিবছৰে শ্ৰেষ্ঠ শিশু সাহিত্য ৰচকক তিনিশ টকাৰ পুৰস্কাৰ দিয়াৰ মানসে ৺গোস্বামী দেৱৰ পৰিবাৰ হিৰন্ময়ী গোস্বামী পুত্ৰ শ্ৰীঅৰুণ গোস্বামীয়ে পোন্ধৰশ টকা দানৰ প্ৰতিশ্ৰুতি দিছে।

## অসমীয়া সংস্কৃতি পুঁজি

উত্তৰ লক্ষীমপুৰ ৩০শ অভ্যৰ্থনা সমিতিয়ে বাহি পুঁজিৰ পৰা চাৰি হাজাৰ টকাৰ এককালিন দান –এই পুঁজিৰ উদ্দেশ্যে অসমীয়া

সংস্কৃতি বিষয়ক পুথি প্ৰকাশন বাবে দিছে। অসমীয়া সংস্কৃতি গ্ৰন্থ বৰ্তমান ওলাইছে। এই পুঁজিৰ পৰা এই শিতানত ভৱিষ্যত অসমীয়া সংস্কৃতি শিতানত বিভিন্ন আঁচনি গ্ৰহণ কৰিব পৰা হব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে অভ্যৰ্থনা সমিতিয়ে উত্তৰ লক্ষীমপুৰ বাৰ্ষিকী প্ৰকাশৰ বাবে দুহাজাৰ টকা দান দিছে।

## সাময়িক সাহায্য

(ক) অসম সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী পদ্মশ্ৰী নলিনীবালা দেবীৰ শেষ বয়সৰ কবিতাৰ এটি সংকলন প্ৰকাশ কৰিবৰ বাবে সাহিত্য সভাৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈ চাংৰীয়াই তিনি হাজাৰ টকাৰ দান আগবঢ়াইছে।

(খ) এটি বিশেষ পৰ্য্যায়ৰ ৰচনা প্ৰতিযোগিতাৰ বাবে পাঁচশ টকাৰ এটি দানৰ প্ৰতিশ্ৰুতি পাই কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ ৯।৭।৬৬ ৰ সিদ্ধান্ত অনুসৰি স্নাতক আৰু স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ৰচনা প্ৰতিযোগিতা অনুষ্ঠান কৰা হয়। কিন্তু নিৰ্দিষ্ট সময়ত প্ৰাপ্ত ৰচনাৰ ভিতৰত উপযুক্ত মান বিশিষ্ট নোহোৱাৰ হেতুকে এই বছৰ পুৰস্কাৰ দিয়া বন্ধ থাকে।

## সভাৰ প্ৰকাশন

সভাৰ সীমাবদ্ধ পুঁজিৰ প্ৰকাশন আঁচনি অনুসৰি প্ৰকাশন সম্পূৰ্ণ কৰাটো মুঠেই সম্ভৱপৰ নহয়। তথাপি আমি এইবাৰ নিচেই কম দিনৰ ভিতৰতে তলত উল্লেখ কৰা মুঠ পাঁচখন কিতাপ ৰাইজৰ হাতত দিবলৈ পাই আনন্দ প্ৰকাশ কৰিছোঁ। ইয়াৰ ভিতৰত বেজ-বৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ৰ দ্বিতীয় সংস্কৰণ মুদ্ৰিত হৈছে।

### প্ৰকাশিত নৱতম পুথি

(১) অসম সাহিত্য সভা বাৰ্ষিকী উত্তৰ লক্ষীমপুৰ সন্মিলন। (অভ্যৰ্থনা সমিতিৰ দানৰ সহায়ত প্ৰকাশিত)।

(২) অসমীয়া সংস্কৃতি : (অভ্যৰ্থনা সমিতিৰ বিশেষ পুঁজিৰ সহায়ত প্ৰকাশিত) প্ৰায় চাৰিশতকৈও অধিক পৃষ্ঠাৰ পুথি। সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগ আৰু শ্ৰীলীলা গগৈ।

(৩) মোৰ জীৱন সোঁৱৰণ ৺বেজবৰুৱা (দ্বিতীয় সংস্কৰণ)।

(৪) সেউজী পাতৰ মাজে মাজে : চাহ বনুৱাৰ লোকসাধুৰ সংকলন। সংকলন আৰু সম্পাদন কৰিছে অসম সাহিত্য সভাৰ প্ৰচাৰ সচিব শ্ৰীনগেন শইকীয়াই।

(৫) বিশ্বনাথ ৰাজবংশী (জীৱন পৰিচিতি আৰু কাছাৰৰ চমু বিৱৰণ)। লেখক শ্ৰীহৰিপ্ৰসাদ নেওগ।

ইয়াৰ ভিতৰত সেউজী পাতৰ মাজে মাজে আৰু বিশ্বনাথ ৰাজবংশী প্ৰচাৰ বিভাগৰ দ্বাৰা যুগুত কৰা হৈছে।

সভাৰ সাধাৰণ প্ৰকাশনত বিশেষ সাময়িক দানৰ সৌজন্যত শ্ৰীনলিনীবালা দেৱীৰ কবিতা সংকলন আৰু ৺ডিম্বেশ্বৰ নেওগ সোঁৱৰণী গ্ৰন্থ সোনকালে প্ৰকাশ পাব বুলি আশা কৰা হৈছে।

সভাই ইতিপূৰ্ব্বে যুগুত কৰিবলৈ লোৱা অসমীয়া সাহিত্য গ্ৰন্থ-সূচী প্ৰণয়নৰ কাৰ্য্য সম্প্ৰতি ড সত্যেন শৰ্ম্মাৰ ওপৰত ন্যস্ত কৰা হৈছে।

### পত্ৰিকা

যোগেশ দাস সম্পাদিত অসম সাহিত্য সভা পত্ৰিকা চাৰিটা সংখ্যা এইবাৰ প্ৰকাশ পাইছে। পত্ৰিকাৰ ৪ৰ্থ সংখ্যা ৺ডিম্বেশ্বৰ নেওগ স্মৃতি সংখ্যা নামেৰে প্ৰকাশ পাইছে।

### প্ৰচাৰ পত্ৰ

প্ৰচাৰ বিভাগৰ সৌজন্যত চলিত বছৰত যিখন প্ৰচাৰ পত্ৰ

প্ৰকাশ পাইছে ভিতকবা অঞ্চলত সাহিত্য সভাৰ প্ৰচাৰ কাৰ্য্য এই প্ৰচাৰ পত্ৰৰ যোগে সম্ভৱপৰ হৈছে।

প্ৰচাৰ

সাংস্কৃতিক সমন্বয় যোৱা উত্তৰ লক্ষীমপুৰ সন্মিলনৰ পিছৰে পৰা জনজাতীয বাইজৰ মাজত অসম সাহিত্য সভাৰ প্ৰতি আগ্ৰহ পৰিলক্ষিত হৈছে। টিৰাপত খুমচা সাহিত্য সভা স্থাপন কৰাৰ উপৰিও নামচাঙৰ ৰজা বাংমাই ৰাজকুমাৰ আৰু লাপটাঙৰ বাংকাপ ৰাজকুমাৰৰ প্ৰচেষ্টাত সেই অঞ্চলত নতুন জাগৰণ হৈছে।

এই উদ্দেশ্যে সভাপতি ডাঃ ৰীযাই লিডু নেফাৰ সীমান্ত অঞ্চললৈ যায। প্ৰধান সম্পাদকে গডগাওঁ আৰু নাজিৰা সাহিত্য সভাৰ কেইগৰাকীমান সহকৰ্মীৰ সহযোগত বাৰেঘৰ সত্ৰলৈ যাওঁতে সবিশেষ বুজবাজ লয। উল্লেখযোগ্য যে বাৰেঘৰ সত্ৰই নৰোত্তমৰ বংশধৰ বিভিন্ন ঠাইৰ ৫৫ হাজাৰ নগা শিষ্যলৈ পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ ধ্বজা বহন কৰি আহিছে।

বাৰেঘৰৰ কামৰ ভৈযামৰ নগা গাওঁত পৰিভ্ৰমণ কৰা হয। নগাগাওৰ উদ্যোগী ছাত্ৰ-ছাত্ৰীসকলৰ চেষ্টাত আৰু গডগাওঁ সাহিত্য সভাৰ উদ্যোগত এটি লাইব্ৰেৰী স্থাপন কৰিছে আৰু তালৈ সভাৰ প্ৰকাশনৰে সহায কৰা হৈছে। এই নগা গাওঁৰ সাংস্কৃতিক দল এটিযে ডিব্ৰুগড সন্মিলনত যোগদান কৰিছে।

নামচাং আৰু জযপুৰৰ জনজাতীয আৰু চাহবাগিছা অঞ্চলৰ কাৰ্য্যনিৰ্বাহক সদস্য শ্ৰীতিলকচন্দ্ৰনাথ মহন্তই সাংস্কৃতিক কাৰ্য্যসূচী হাতত লৈ প্ৰচাৰ কাৰ্য্য চলায।

যোৱা মে' মাহত প্ৰধান সম্পাদকে ডুমডুমাৰ শ্ৰীধৰ্মকান্ত গোহাঁইৰ লগত শদিযালৈ গৈ ছপাখোৱা, চুণপোৰা, পুৰণি শদিযা আদি ঠাই পৰিভ্ৰমণ কৰে। খামতিসকলৰ চৌপক গোহাঁই আজীৱন

সভ্য হয়। শদিয়াত এটি ভাষা শিক্ষা শ্ৰেণীৰো প্ৰস্তুতি হৈছে।

গাৰো পাহাৰৰ হাচাং অঞ্চলত অসমীয়া ভাষা প্ৰেমী ছাত্ৰ সকলে অসমীয়া আলোচনী প্ৰকাশ কৰিছে। টিক্ৰীকিল্লা পুথিভঁৰালৈ প্ৰকাশনৰ উপহাৰ আৰু টিক্ৰীকিল্লা হাইস্কুললৈ এটি সাহায্য আগ বঢ়োৱা হৈছে।

মিকিৰ পাহাৰতো সমন্বয়ৰ ক্ষেত্ৰত নতুন জাগৰণ হৈছে। মিকিৰ জাতিৰ পুনৰুত্থানত অসম সাহিত্যসভাক বুনিয়াদ স্বৰূপে লবলৈ বিচৰা মিকিৰ শিক্ষিত সমাজ মিকিৰ পাহাৰ জিলা সাহিত্য পৰিষদ নামত সংঘবদ্ধ হৈছে। প্ৰধান সম্পাদকে ইতিমধ্যে মিকিৰ পাহাৰ পৰিভ্ৰমণ কৰি আহিছে। প্ৰধান সম্পাদকৰ ঐচ্ছিক পুঁজিৰ পৰা ইতিমধ্যে ৫০ টকা ভাষা শ্ৰেণীৰ প্ৰাথমিক প্ৰস্তুতিৰ বাবে দিয়া হৈছে। চাহ মজদুৰ ছাত্ৰসকলৰ মুখপত্ৰ 'সেউজী পাতলৈ' ত্ৰিশ টকা সাহায্য আগবঢ়োৱা হৈছে।

অসমৰ ভালেখিনি ভিতৰুৱা অঞ্চলত বাতৰি কাকত আৰু আলোচনী বিতৰণ কৰা হৈছে।

### কাছাৰ প্ৰসঙ্গ

কাছাৰত অসম সাহিত্য সভাৰ সংগঠন, ৰাজ্যিক ভাষা আইন প্ৰয়োগৰ সন্দৰ্ভত কাছাৰৰ থলুৱা বাইজৰ মনোভাব, শিক্ষা সমস্যা আদিৰ বিষয়ে পৰ্য্যবেক্ষণ কৰিবৰ কাৰণে সহকাৰী সম্পাদক শ্ৰীনগেন শইকীয়াক পঠোৱা হয়। শিলচৰ সাহিত্য সভাই শিলচৰ সভাৰ প্ৰতিষ্ঠাতা কবিৰাজ হৰেশচন্দ্ৰ ভট্টাচাৰ্য্যক যোৱা ৯।১০।৬৬ তাৰিখে সম্বৰ্দ্ধনা জনায়। সহকাৰী সম্পাদকৰ যোগে অসম সাহিত্য সভাৰ প্ৰকাশন কবিৰাজ ভট্টাচাৰ্য্য ডাঙৰীয়ালৈ পঠোৱা হয়।

কাছাৰৰ অসমীয়া স্কুলত প্ৰকৃত অসমীয়া শিক্ষাৰ ব্যৱস্থা সন্তোষজনক নোহোৱাত আৰু উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা নোহোৱাত আৰু শিলচৰত থকা অসমীয়া মাধ্যমৰ দেশভক্ত তৰুণৰাম ফুকন

এম-ই স্কুলৰ পৰিপূৰক মঞ্জুৰী দিয়া সম্পৰ্কত বিষয় সমূহ ৰাজ্য-চৰকাৰৰ দৃষ্টি গোচৰ কৰা হৈছে।

যোৱা ১২।১১।৬৬ তাৰিখৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ অধিবেশনত এই বিষয়ে বিস্তৃত ভাবে আলোচনাৰ পিছত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি (১) কাছাৰত থকা অসমীয়া প্ৰাথমিক স্কুলত অসমীয়া ভাষাৰ অৰ্হতাপ্ৰাপ্ত শিক্ষক নথকাত এই বিষয়ে কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিবলৈ (২) শিলচৰত থকা অসমীয়া মাধ্যমৰ মধ্য ইংৰাজী স্কুলখনিক অতিশীঘ্ৰে পৰিপূৰক মঞ্জুৰী দিবলৈ চৰকাৰক টানি অনুৰোধ জনোৱা হৈছে। সদ্যহতে সাহিত্য সভাৰ পুঁজিৰ পৰা শিলচৰৰ দেশভক্ত তৰুণ ৰাম ফুকন মধ্য ইংৰাজী স্কুলৰ সাহায্যাৰ্থে ২৫০ টকাৰ এককালিন অনুদান দিয়া হৈছে। উক্ত বিদ্যালয়ৰ বাবে অহা বিত্তীয় বছৰৰ পৰা এটি সাহায্যকীয়া মঞ্জুৰী দিয়াৰ বাবেও বিবেচনা কৰা হৈছে।

কাছাৰৰ ভিতৰুৱা অঞ্চলত বাতৰি কাকত আৰু আলোচনা বিতৰণ কৰা হৈছে।

আমাৰ সহকাৰী সম্পাদক, কাছাৰ প্ৰতিনিধি শ্ৰীকুমাৰ মেধি আৰু কাছাৰৰ শাখা সভা সমূহৰ মতামতৰ পৰা কাছাৰত যে সাহিত্য সভাৰ এজন স্থায়ী প্ৰচাৰকৰ আৱশ্যক এই বিষয়ে গুৰুত্ব দিয়াৰ আৱশ্যক হৈছে। উল্লেখযোগ্য যে, সভাৰ প্ৰচাৰ বিভাগৰ সৌজন্যত ওলোৱা বিশ্বনাথ ৰাজৱংশীৰ জীৱনী পৰিচিতিৰ, আলমত কাছাৰ জিলা সম্পৰ্কে এটি সমীক্ষামূলক বিতৰণ প্ৰকাশ পাইছে।

## সপ্তাহ পালন

কাৰ্য্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত অনুসৰি এই বছৰ ১ নবেম্বৰৰ পৰা ' নবেম্বৰলৈকে অসম সাহিত্য সভা সপ্তাহ পালন কৰা হয়। পতাকা দিবস, স্মৃতি দিবস, সাহিত্য দিবস' সাংস্কৃতিক দিবস আৰু সংহতি দিৱস সপ্তাহৰ কাৰ্য্য সূচীত ধৰি পালন কৰা হয়। এই

সপ্তাহৰ কাৰ্য্যসূচী কেন্দ্ৰীয় কাৰ্য্যালয়ত পতাকা উত্তোলন কৰি উদ্বোধন কৰে প্ৰাক্তন সভাপতি শ্ৰীনীলমণি ফুকন ডাঙৰীয়াই।

সপ্তাহ পালন অসমৰ সকলো শাখা সভাই আন্তৰিকভাৱে পালন কৰাৰ বাতৰি পোৱা হৈছে। সপ্তাহ উপলক্ষে সভাৰ পতাকা আৰু প্ৰচাৰ পত্ৰ বিক্ৰী কৰা হয়। সপ্তাহ পালনৰ দ্বাৰা অসমৰ চাহবাগিছা অঞ্চল, ভিতৰুৱা অঞ্চল আদিত সভাৰ নৱজাগৰণৰ অনুভূত হৈছে।

## সভাৰ সংগঠন

সাহিত্য সভা আজি কেৱল যে সাহিত্যিক সকলতে আৱদ্ধ হৈ থকা নাই ইয়াৰ প্ৰমাণ সভাৰ বহল পৰিসৰেই নিশ্চয় দিব। চিৰচেনেহী ভাষাজননীৰ সেৱক মাত্ৰেই সাহিত্য সভাৰ প্ৰতি আকৃষ্ট আৰু এই সাহিত্য সভাক সক্ৰিয় আৰু গতিশীল অনুষ্ঠানত পৰিণত কৰাৰ পবিত্ৰ উদ্দেশ্য লৈ অসমৰ চুক-কোণে সংগঠন বৃদ্ধি পাইছে। এইবছৰৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ প্ৰথম অধিবেশনতে বিভিন্ন অঞ্চলত সংগঠনৰ বাবে সমিতিৰ সদস্য আৰু সভাৰ নবীন প্ৰবীণ কৰ্মী সকলৰ ওপৰত দায়িত্ব দিয়া হয়। উল্লেখযোগ্য যে বাৰিষাৰ বলীয়া বান আৰু ইয়াৰ পিছতে অভাৱনীয় খাদ্যসংকটে জুকলা কৰা ৰাইজৰ মাজত সাহিত্য সভাৰ প্ৰচাৰ আৰু সংগঠনৰ কাৰ্য্য যথা নিয়মে কৰাত স্বাভাৱিকতেই বাধা পৰিল। তথাপিতো দোৰ্ধোৰ আকালৰ সন্মুখীন হোৱা ৰাইজৰ মাজতো যে জাতীয় চেতনা আছে তাৰ প্ৰমাণ সাহিত্য সভাৰ বিভিন্ন দিশত হোৱা সংগঠন।

সভাপতি ডাঙৰীয়াই কাৰ্য্যভাৰ লোৱাৰ পিছৰে পৰাই লিডু, জয়পুৰ, সোণাৰী, ডিব্ৰুগড, টেঙাখাট, শিৱসাগৰ, তেজপুৰ, নগাওঁ আদিত পৰিভ্ৰমন কৰাৰ উপৰিও বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানৰ লগত যোগাযোগ ৰক্ষা কৰি সভাৰ সভ্য সংখ্যা বৃদ্ধি আজীৱন সভ্যভুক্তি আৰু শাখা সংগঠনৰ বাবে উদগনি যোগাই আহিছে।

প্ৰধান সম্পাদকে শদিয়া, চুণপোৰা, মাকুম, ডিব্ৰুগড়, গড়গাওঁ, বৰপেটা, হাউলী, বজালী, টিহু, বৰমা, নলবাৰী, ৰঙীয়া, গুৱাহাটী, খিলা, ডিফু আৰু গোলাঘাট মহকুমাৰ চাহবাগিছা অঞ্চলসমূহৰ সকলো উল্লেখযোগ্য ঠাইত পৰিভ্ৰমণ কৰে। গোলাঘাট মহকুমাৰ বিভিন্ন ঠাইত সহৰাৰী সম্পাদক শ্ৰীনগেন শইকীয়া আৰু গোলাঘাট আঞ্চলিক সাহিত্য সভাৰ সম্পাদক শ্ৰীপ্ৰেম শইকীয়াই বিশেষভাবে সহযোগ কৰে।

গোৱালপাৰা আৰু গাৰোপাহাৰত খলিলুৰ ৰহমাণ উত্তৰ কামৰূপত শ্ৰীশশী শৰ্ম্মা কামৰূপত শ্ৰীনন্দ তালুকদাৰ দক্ষিণ গুৱাহাটী অঞ্চলত শ্ৰীত্ৰৈলোক্যেশ্বৰ শৰ্ম্মা, মঙ্গলদৈ আৰু তেজপুৰত শ্ৰীভবানন্দ ৰাজখোৱা আৰু হৰকান্ত দাস, উত্তৰ লক্ষীমপুৰত শ্ৰীহৰেন্দ্ৰ দেব গোস্বামী আৰু শ্ৰীললিত শৰ্ম্মা বৰুৱা, ডিব্ৰুগড় আৰু উপকণ্ঠত শ্ৰীহেৰম্ব বৰদলৈ আৰু ডিব্ৰুগড় আঞ্চলিক পৰিষদৰ কৰ্মকৰ্ত্তা সকল, শিবসাগৰৰ সোণাৰীৰ আশেপাশে শ্ৰীনীল বৰুৱা শিৱসাগৰৰ ওচৰে পাজৰে শ্ৰীকমলা শইকীয়া আৰু শ্ৰীলীলা গগৈ মিকিৰ পাহাৰত শ্ৰীজয়সিং দলৈ, শ্ৰীপ্ৰফুল্ল মহন্ত কাছাৰত সহকাৰী সম্পাদক আৰু শ্ৰীকুমাৰ মেধিয়ে অঞ্চল বিশেষে সভাৰ সংগঠন বৃদ্ধিত বিশেষ তৎপৰতা অবলম্বন কৰে। শ্ৰীনাৰায়ণ ঘাটোৱাৰে চাহবাগিছাত শাখা সংগঠন কৰাত আগভাগ লয়।

ডিব্ৰুগড়ত আঞ্চলিক সংগঠন পৰিষদে গঠনসূচী লৈ সংগঠনত আগবাঢ়িব পাৰিছে। অলপতে আমাৰ সভাপতি ডাঙৰীয়াৰ পৌৰোহিত্যত ইয়াৰ অভিবৰ্ত্তনা হৈ যায় পৰিষদৰ বৰ্ত্তমান সভাপতি শ্ৰীধৰ্মকান্ত গোঁহাই আৰু সম্পাদক শ্ৰীমহেন্দ্ৰ বৰঠাকুৰ।

শেহতীয়াভাবে নেফাত সাহিত্য সভাৰ সংগঠন কৰাৰ সম্পৰ্কত কোনো বাধা নাই বুলি প্ৰশাসনৰ কৰ্তৃপক্ষৰ পৰা ডিব্ৰুগড় আঞ্চলিক

পৰিষদৰ সম্পাদক শ্ৰীতিলেশ্বৰ মহন্তৰ পৰা জানিবলৈ পোৱা গৈছে।

মিকিৰ পাহাৰ জিলাত সদৌ মিকিৰ পাহাৰতে আঞ্চলিক ভিত্তিত সংগঠন বৃদ্ধি পাইছে। অলপতে মিকিৰ পাহাৰৰ সভাসকলৰ অভিবৰ্তনত প্ৰধান সম্পাদকে যোগদান কৰে। আঞ্চলিক সংগঠনৰ গুৰি ধৰিছে সভাপতি শ্ৰীজয়সিং দলৈ, শ্ৰীধনীৰাম ৰংপী, অধ্যাপক প্ৰফুল্ল মহন্ত আৰু ৰংৰং টেৰণে।

এই বছৰ সভ্য সংখ্যা ১৮,০০০ জনলৈ উন্নীত হৈছে। নতুনকৈ হোৱা সভ্য হ'ল ৩৭০৬ জন।

আমাৰ মুঠ ১.১ খন শাখা আৰু স্বীকৃত সভাৰ ভিতৰত এই বছৰ তলত নাম দিয়া সভা কেইখন গঠিত হৈছে। সুখৰ বিষয় অসমৰ বাহিৰতো শাখা সভা গঠনৰ প্ৰচেষ্টা হৈছে। ইয়াৰ ভিতৰত কলিকতাত এখন স্বীকৃত সভা এই বিত্তীয় বছৰৰ ভিতৰতে গঠন হৈছে।

নতুন শাখা সভা

১। পুথিমাৰী সাহিত্য সভা ২। জালুকবাৰী সাহিত্য সভা ৩। কাকডোঙা সাহিত্য সভা ৪। মিছামৰা সাহিত্য সভা ৫। ...হপুৰ সাহিত্য সভা ৬। জৰাই আঞ্চলিক সাহিত্য সভা ৭। নামৰূপ শাখা সাহিত্য সভা ৮। বাউসী সাহিত্য সভা ৯। ডিব্ৰুগড় পূৰ্ব্বাঞ্চল সাহিত্য সভা ১০। বৰহাপজান শাখা সাহিত্য সভা ১১। ডিমৰীয়া শাখা সাহিত্য সভা ১২। প্ৰাগজ্যোতি শাখা সাহিত্য সভা ১৩। প্ৰাগজ্যোতিষপুৰ শাখা সাহিত্য সভা ১৪। সোনাপুৰ শাখা সাহিত্য সভা ১৫। উত্তৰ আঞ্চলিক শাখা সাহিত্য সভা ১৬। ফৰকাটিং শাখা সাহিত্য সভা ১৭। বুধবাৰী শদ্দৰ শাখা সাহিত্য সভা ১৮। সৰুপথাৰ সাহিত্য সভা ১৯ বৰভেটা শাখা সাহিত্য সভা ২০। গণকপুখুৰী সাহিত্য সভা ২১। কৈঠাপকুছী সাহিত্য সভা ২২। কমলাবাৰী সাহিত্য সভা ২৩। অনামী সাহিত্য পৰিষদ

২৪। আঞ্চলিক প্ৰগতি সাহিত্য সভা ২৫। সেউজী সাহিত্য কানন ২৬। দমদমা শাখা সাহিত্য সভা ২৭। কছাৰীহাট সাহিত্য সভা ২৮। ৰহমীয়া সাহিত্য সভা ২৯। বজাবাৰী সাহিত্য সভা ৩০। হাউলী সাহিত্য সভা ৩১। মেৰগাওঁ সাহিত্য সভা ৩২। লোহাজানী সাহিত্য সভা ৩৩। চাবুবা সাহিত্য সভা ৩৪। লক্ষীমপুৰ সাহিত্য সাভা ৩৫। ভুধনৈ সাহিত্য সভা।

## স্বীকৃত সভা

১। প্ৰগতি পৰিষদ

২। আসাম চছিযো লিটাৰেৰী ক্লাব কলিকতা।

সভাৰ বাটি অহা সাংগঠনিক দিশৰ প্ৰতি লক্ষ কৰিলে অহা ছুই বছৰৰ ভিতৰতে সভ্য সংখ্যা একশাধ জনলৈ আৰু আজীবন সভ্য এহেজাৰ জনলৈ উঠীত হব বুলি আশা কৰা হৈছে।

সভাৰ আজীবন সভ্য সংখ্যা আনুপাতিক ভাবে বৃদ্ধি পালেও আশাপ্ৰদ ভাবে উন্নতি হোৱা নাই। সভাৰ মুঠ ৩১৮ জন আজীবন সভ্যৰ ভিতৰত ৬ জন আজীবন সভ্য ভৰ্ত্তি হৈছে।

## আজীবন সভ্যসকল

সৰ্ব্বশ্ৰী পদ্মনাথ বৰঠাকুৰ, জীবনানন্দ চৌধুৰী, অৰুণ গোস্বামী কেশবচন্দ্ৰ লহকৰ, চৌপক গোঁহাই, নীলবান্ত গোঁহাই, বদনচন্দ্ৰ লহকৰ, অমিয়া চক্ৰবৰ্ত্তী, নবীন কাথ হাজৰিকা নগেন্দ্ৰ দত্ত, ষডানন বৰঠাকুৰ, শশীচন্দ্ৰ বৰবৰুৱা, মহাদেব শৰ্ম্মা ডম্বৰুধৰ মহন্ত, তৰুণচন্দ্ৰ লহকৰ, কৃষ্ণপ্ৰসাদ বৰঠাকুৰ, সুনীন্দ্ৰৰঞ্জন চৰকাৰ, মনিকান্ত গগৈ, জ্ঞাননাথ হাজৰিকা ডাঃ মাণিকচন্দ্ৰ খাউণ্ড, মহমদ চাহাদ আলি চৌধুৰী, আবিদুৰ ৰহমান, পূৰ্ণচন্দ্ৰ বড়া, ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামী, যতীন্দ্ৰৰাম খাউন্দ, কেশবচন্দ্ৰ সেন শৰ্ম্মা জানকীনাথ সন্দিকৈ, কৃষ্ণচন্দ্ৰ গোস্বামী, ভোগমন লস্কৰ বিবেকানন্দ তালুকদাৰ দেবেশ্বৰ শইকীয়া, প্ৰভুদয়াল দামানী, বিশ্বনাথ তালুকদাৰ,

মোহিনীনাথ ফুকন, তুবাৰাম দত্ত, শম্ভুনাথ ভট্টাচাৰ্য্য, মহেন্দ্ৰকুমাৰ ভূঞা বিনন্দচন্দ্ৰ বড়া, আবছুল কাদেৰ চৌধুৰী, যাদবচন্দ্ৰ দাস, পবনচন্দ্ৰ পাঠক সুৰেন্দ্ৰনাথ দাস, ব্ৰজগোপাল নাথ, মহেন্দ্ৰনাৰায়ণ অধিকাৰী, ৰজনীকান্ত সিংহ, ভবেন্দ্ৰনাৰায়ণ দত্তবৰুৱা, আব্দুল আজিম, মুকুন্দ মোহন তালুকদাৰ আৰু প্ৰতাপচন্দ্ৰ মহন্ত।

## শাখাসভাৰ কাৰ্য্যক্ৰম

আমাৰ শাখা আৰু স্বীকৃত সভা সমূহৰ মুঠ ২১০ খন শাখা সভাৰ লগত আমি যোগাযোগ ৰাখিব পাৰিছো। শাখাসভা সমূহ সম্পাদক বা কোনো বিষয়ববীয়াই পৰিদৰ্শন কৰাটো সম্ভবপৰ নহয়। তথাপি সাময়িক বিজ্ঞপ্তি আৰু যোগাযোগৰ দ্বাৰা আমি শাখাসভা সমূহৰ লগত সংযোগ ৰক্ষাৰ চেষ্টা কৰিছো। কিন্তু এইখিনিতে উল্লেখ কৰিব খোজো যে, শাখাসভা সমূহ তৎপৰ আৰু অধিক সক্ৰিয় নহলে মুলসভাৰ যে সৌষ্ঠৱ কেতিয়াও বৃদ্ধি পাব নোৱাৰে সেই কথা ল যেন বিভিন্ন শাখা আৰু স্বীকৃত সভাই দৃষ্টি ৰাখে। আমি পোৱা শাখা সভাৰ বিবৰণীৰ টোকা তলত নিবেদন কৰা হল.

শাখাসভাৰ পৰা মুল সভালৈ পঠোৱা বাৰ্ষিক প্ৰতিবেদন সমূহৰ পৰা পতীয়মান হ'ল যে, প্ৰত্যেক শাখাই তলত উল্লেখিত কাৰ্য্যসমূহ কমবেছি পৰিমাণে কৰিছে —

(১) আলোচনা চক্ৰৰ আয়োজন।

(২) মৃত সাহিত্যিক আৰু মহাপুৰুষ সকলৰ তিথি পালন।

(৩ যোৱা বছৰ শেষ নিশ্বাস পেলোৱা অসমৰ বিভিন্ন ক্ষেত্ৰৰ নেতৃস্থানীয় ব্যক্তি আৰু ভাৰতৰ নেতৃস্থানীয় ব্যক্তি সকলৰ মৃত্যুত শোক সভাৰ আয়োজন।

(৪) সাহিত্য সভাৰ সাধাৰণ সভ্য আৰু আজীৱন সভ্যৰ সংখ্যাবৃদ্ধি।

(৫) সাহিত্য সভাৰ সংগঠন শক্তিশালী কৰা।

(৬) সাহিত্য সভা সপ্তাহ বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা।

(৭) পুথিভঁড়াল প্ৰতিষ্ঠা বা পুথিভঁড়ালৰ অবস্থা টনকীয়াল কৰা।

(৮) বছেৰেকীয়া অধিবেশন অনুষ্ঠান বা প্ৰস্তুতি কৰা।

(৯) মূল সভাৰ জাননী মতে বিভিন্ন কামৰ ক্ষেত্ৰত সঁহাৰি জনোৱা।

(১০) ৺ডিম্বেশ্বৰ নেওগ সোঁৱৰণী দিৱস।

এই কেইদফা কাম কৰা শাখা সমূহ হ'ল ধুবুৰী শাখা সাহিত্য সভা আগমণি সাহিত্য সভা কোকৰাঝাৰ প্ৰগতিশীল সাহিত্য সভা, শিলচৰ সাহিত্য সভা, লাইশ্ৰমখুল হৰিনগৰ বহিমা ডিমাপুৰ, ডিফু, খিৰল মুকুল সংঘ মঙ্গলদৈ, ওদালগুৰি, কলাইগাওঁ হৰিশিঙা, টংলা, সূৰ্য্যোদয় সংঘ ভৰলাপৰীয়া, তেজপুৰ, বৰপেটা পাঠশালা, ভাৰতী অধ্যয়নচক্ৰ পলাশবাৰী সুন্দৰীদিয়া, মালিগাওঁ, গুৱাহাটী, সৱিতা সভা, বড়িয়া আলোচনী সভা নলবাৰী, মধ্যবঙালী জালুক-বাৰী, উত্তৰ গুৱাহাটী, প্ৰাগজ্যোতি ডিমৰীয়া, জ্ঞানোদয় সমাজ, সোণাপুৰ, জ্যোতি, কলিয়াবৰ, নগাঁও লামডিং, মনচুন কলা পৰিষদ, পূৱ কামপুৰ, ৰংপুৰ, সোণাৰী ডিমৌ নাজিৰা, জাজী, শংগুৰিমুকুল সাহিত্য সভা, বকতা জ্ঞানোদয় নিতাই পুখুৰী, ধ্ৰুবজ্যোতি বৰহাট, বৰপথাৰ, সাপেখাতী কানু সাহিত্য সভা, গড়গাঁও মৰাণ, কমাৰবন্ধা, প্ৰগতি অসম, পুৰতী সাহিত্য সভা, পূৱধিলাধাৰী, দেৰগাঁও, মিছা-মৰা, কুৱাশুৰি টীয়ক, যোৰহাট, মৰিয়না চাৰিগাঁও, বৰভেটা ন-আলি ঢেকিয়াজুলি উত্তৰ লক্ষীমপুৰ, ডিগৰৈ ডুমডুমা, তিনিচুকীয়া, খোৱাং, ডিব্ৰুগড় নাহৰকটীয়া টিংখা, মাকুম, চাৰ্চনী, ডাঙৰী ডুলিয়া-জান, বৰপথাৰ (ডিব্ৰুগড) টেঙাখাট উষাপুৰ, ভাদৈ পাঁচ আলি, কঠালগুৰি, নামৰূপ, লিডু, টিহু, কাকডোঙা আৰু কলাবাৰী।

ওপৰত উল্লেখ কৰা কামৰ উপৰিও ৰঙিয়া আলোচনী সভাই 'অতীত আৰু বৰ্ত্তমান' নামৰ এটি প্ৰবন্ধ সংকলন প্ৰকাশ কৰিছে।

জ্ঞানোদয় সাহিত্য সভাই হাতেলিখা আলোচনী 'জ্ঞানোদয়' প্ৰকাশ কৰিছে।

উত্তৰ লক্ষীমপুৰ সাহিত্য সভাই স্থায়ী কাৰ্য্যালয় নিৰ্ম্মাণৰ কাম আৰম্ভ কৰিছে।

পাঠশালা সাহিত্য সভাই 'আলিপনা' নামৰ আলোচনী প্ৰকাশ কৰে আৰু বুৰঞ্জী সমাদৃত চুবিৰ পৰিহৰেশ্বৰ দেৱালয়ৰ মূল তথ্য-পাতি সংগ্ৰহ কৰাৰ প্ৰচেষ্টা চলাইছে।

উত্তৰ গুৱাহাটী সাহিত্য সভাই বাণীকান্ত কাকতী আৰু প্ৰত্ন-তাত্ত্বিক সোণাৰাম চৌধুৰীৰ জীৱনী প্ৰকাশ কৰে।

ওদালগুৰি সাহিত্য সভাই হাতেলিখা আলোচনা প্ৰকাশ কৰে।

গুৱাহাটীৰ সবিতা সভাই চোভিয়েট দেশ নেহৰুৰ বঁটা বিজয়ী শ্ৰীসুৰেন্দ্ৰ মোহন দাসক আনুষ্ঠানিক ভাবে সম্বৰ্দ্ধনা জনায় আৰু বেজবৰুৱা প্ৰতিভাৰ পৰিবৰ্দ্ধিত সংকলনৰ প্ৰকাশ আৰু ডিম্বেশ্বৰ নেওগৰ স্মৃতিত 'তৰ্পন' গ্ৰন্থ প্ৰকাশৰ দিহা কৰিছে।

পলাশবাৰী সাহিত্য সভাই 'পলাশী' নামে হাতে লিখা আলোচনী প্ৰকাশ কৰে।

টিংখাং সাহিত্য সভাই উত্তৰ-পূব সীমান্ত অঞ্চল টিৰাপ, খুনচা, নামচাং আদি ঠাই ভ্ৰমণ কৰি পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ ওপৰত গুৰুত্ব দিয়ে।

নগাওঁ সাহিত্য সভাই এখনি সাহিত্য আলোচনামূলক পুথি সম্পাদনা কৰি প্ৰকাশৰ কাৰ্য্য গ্ৰহণ কৰিছে।

নলবাৰী সাহিত্য সমাজৰ দ্বাৰা 'মন্দাকিনী' নামৰ তিনিমহীয়া আলোচনী এখন অধ্যক্ষ ত্ৰৈলোক্য নাথ গোস্বামীৰ সম্পাদনাত প্ৰকাশিত হৈছে।

দবং ঢেকিযাজুলি শাখা' শিঙৰি চাহবাগিছাত নৈশ বিদ্যালয় প্ৰতিষ্ঠা ববিছে।

ববভেটা শাখা অসম সাহিত্য সভাই ভাষা শিক্ষা শ্ৰেণী মুকলি কৰাৰ আঁচনি লৈছে।

## বিবিধ

সভাৰ পুথিভডাল সাহিত্য সভাৰ কেন্দ্ৰীয় পুথি ভডালটি জাতীয গ্ৰন্থাগাৰলৈ ৰূপান্তৰিত কৰাব বাবে বিভিন্ন লেখক আক প্ৰকাশবব পৰা পুথি দান বিচৰা হয়। এতিযালৈকে ৬৭ জনৰ পবা সঁহাৰি পোৱা হৈছে। প্ৰবাশন পৰিষদে প্ৰকাশনৰ সমুদায কিতাপ এই উদ্দেশ্যে দান দিযাত আমি কৃতজ্ঞ। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে, ভাৰত চৰকাৰৰ জাতীয পুথি ভডালৰ তালিকাত অসমীযা প্ৰকাশিত পুথিৰ সংখ্যা নিচেই কম সংখ্যক নাম প্ৰবাশ হোবাত এই বিষয়ে কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰা হৈছে।

ডিম্বেশ্বৰ নেওগ দিবস যোৱা ১১ নবেম্বৰৰ দিনটো প্ৰবীণ সাহিত্যিক ডিম্বেশ্বৰ নেওগ সোৱঁৰণী দিবস হিচাবে পালন কৰা হয। অসম" শাখা সভাব উপৰিও বিভিন্ন শিক্ষা সাংস্কৃতিক অনুষ্ঠানেও এই দিবসত প্ৰাৰ্থনা সভা আদিৰ আযোজন কৰি আমাৰ আহ্বানত সহঁাৰি দিযে।

শ্ৰীগড়মূৰীয গোস্বামীব প্ৰতীক ° ৩ নবেম্বৰ অসম সাহিত্য সভাৰ সংহতি দিবসৰ দিনা অসমব জাতীয সংহতিব প্ৰতীক উদাৰমনা নেতা পীতাম্বৰ দেব গোস্বামীৰ এখনি প্ৰতিমূৰ্ত্তি চন্দ্ৰকান্ত সন্দিকৈ ভবনত সভাপতি ডাঙৰীযাই উন্মোচন কৰে।

আবক্ষ মূৰ্ত্তি প্ৰতিষ্ঠা গুৱাহাটীৰ পৌৰ সভাৰ পৰা পোৱা সাহিত্যৰথী বেজবৰুৱাৰ আবক্ষ মূৰ্ত্তি গুৱাহাটী ভগবতী প্ৰসাদ বৰুৱা ভৱনত স্থাযী ভাবে স্থাপন কৰা হৈছে।

উপসংহাৰ ° অসম সাহিত্য সভা অসমীয়া জাতিৰ কাৰণে

জীৱনী শক্তি। সৌ সিদিনা উত্তৰ লক্ষীমপুৰত সাহিত্য সভাৰ মজিয়াতো শেষবাৰৰ কাৰণে প্ৰাক্তন সভাপতি ৺ডিম্বেশ্বৰ নেওগে সেই একে আহ্বানেই কৰিছিল। "মাতৃভাষা আৰু মাতৃ-ভূমিৰ মৰ্য্যাদা ৰক্ষাৰ বাবে সকলো সময়তে সচেতন হৈ থকাৰ প্ৰয়োজন।" সচাঁকথা আজি অসমীয়া জাতিৰে ন-পুৰণি জাতি-উপজাতি সকলোকে সামৰি অসম সাহিত্য সভাৰ পতাকাৰ তলত সমবেত হৈ চিৰচেনেহী ভাষা জননীৰ সেৱাৰ পবিত্ৰ মন্ত্ৰ গ্ৰহণ কৰাৰ সময় হৈছে। অসমীয়া ভাষা সংস্কৃতিৰ ভেটিৰ মাটি জাহ খহি যাবলৈ এৰি দিব নিশ্চয় নোৱাৰি। বিৰাট জাতীয় সংহতিৰ আদৰ্শেৰে মাতৃভূমিক সেৱা কৰাৰ পবিত্ৰ অনুষ্ঠান অসম সাহিত্য সভাখনৰ অহা বছৰ আঠৈ কুৰি বছৰ হব সভাৰ সোণালী জয়ন্তীত অতীত, বৰ্ত্তমান আৰু ভবিষ্যতৰ গভীৰ সমীক্ষাৰ মাজেদি অসমীয়া ভাষা সাহিত্যৰ শ্ৰীবৃদ্ধি সাধনত দৃঢ় ভূমিকা লোৱাটো প্ৰয়োজন হব। এই ক্ষেত্ৰত সভাৰ জনবল বৃদ্ধি হৈছে হয়, কিন্তু এনে এটি বৃহৎ জাতীয় অনুষ্ঠানৰ গঠনমূলক বিভিন্ন আঁচনি কাৰ্য্যকৰী কৰি তুলিবলৈ আমাক লাগে এটি শক্তিশালী পুঁজি। আমি আন্তৰিকতাৰে ৰাইজ আৰু চৰকাৰৰ পৃষ্ঠপোষকতা কামনা কৰিছো। সভাৰ প্ৰচাৰ আৰু সংগঠনৰ ক্ষেত্ৰত এদল নিস্বাৰ্থ কৰ্মীৰ লগতে প্ৰকাশন আৰু সাহিত্য আলোচনাৰ মাজেদি অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰত প্ৰকৃত নেতৃত্ব দিব পৰা ন পুৰণি সাহিত্যিকসকল এই অনুষ্ঠানৰ মজিয়াত সমবেত হোৱাৰ প্ৰয়োজন হৈছে। ভাষাৰ জীৱনী শক্তি বৃদ্ধিৰ বাবে নিৰ্দ্দেশক এখনি অভিধান ব্যাকৰণ ভাষা আৰু সাহিত্যৰ বুৰঞ্জী। সংস্কৃতিৰ বুৰঞ্জীৰ নিশ্চয় অভাৱ পৰিলক্ষিত হৈছে। ইমান দিনে সভাৰ নিজা ছাপাশাল আৰু যান বাহনো নহ'ল। যাৰ অভাৱত গঠনমূলক কাৰ্য্যত সঘনে বাধাৰ সন্মুখীন হব লগা হৈছে। এই সকলোখিনি কাম একেবাৰে একেলগেই সম্পূৰ্ণ হোৱাটোও

সম্ভৱপৰ নহয়। তথাপি প্ৰথমতেই ইয়াৰ বাবে মানসিক প্ৰস্তুতিৰ প্ৰয়োজন। সেয়েহে গভীৰ আশাবাদী অন্তৰেৰে আমি সাহিত্য সভাৰ উজ্জ্বল ভবিষ্যতৰ প্ৰতি সজাগ দৃষ্টি ৰাখিছো।

প্ৰতিবেদন সামৰাৰ আগতে সভাৰ বিগত বিত্তীয় বছৰৰ বিত্তীয় অৱস্থাৰ আভাস দিলো। ইতিপূৰ্ব্বে অসম সাহিত্য সভা পত্ৰিকাত— ১৯৬৬ৰ ৩১ মাৰ্চ্চ পৰ্য্যন্ত বিত্তীয় বছৰৰ হিচাপ উদ্বৃত্ত পত্ৰ সহ প্ৰকাশিত আৰু প্ৰচাৰিত হৈ গৈছে। স্থানান্তৰত সেইখিনি পুনৰ দাঙি ধৰা হ'ল ১৯৬৬ৰ ৩১ মাৰ্চ্চ পৰ্য্যন্ত আমাৰ সভাৰ মুঠ আয় সাধাৰণ পুঁজিত মুঠ আয় হল ৪৪,৩১৯.৪ পইছা। ব্যয় ৩২৲১৭.৩৯ পইছা। তাতে জমা ১৫৭৩১ আৰু বেংকত থকা জমা হ'ল ১২৮৮৮.২৪ পইছা।

আমাৰ প্ৰতিবেদন ইয়ানতে সামৰিব খুজিছো। এই বছৰ মাত্ৰ কেইমাহমানৰ ভিতৰতে সভাৰ বহুতো আঁচনিৰ কাম একেলগেই সম্পন্ন কৰিব লগা হোৱাত স্বাভাৱিকতেই অনেক ত্ৰুটি-বিচ্যুতি ঘটিছে। ঐকান্তিক চেষ্টাৰে আমি কিছুমান কৰিব পাৰিছো সিও কাৰ্য্য নিৰ্বাহক সমিতিৰ সদস্যসকল আৰু শাখা সভাৰ ভাৰ ধৰোঁতা সকলৰ সহযোগতহে সম্ভৱপৰ হৈছে গতিকে ইয়াৰ বাবে সিসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

সভাপতি প্ৰাণি কবি বিনন্দ বৰুৱা দেৱৰ সৰজনপ্ৰিয়তা তেওঁৰ আন্তৰিক প্ৰচেষ্টা আৰু প্ৰয়োজনৰ ক্ষেত্ৰত দিয়া দিহা পৰামৰ্শই আমাৰ কামখিনি সম্পন্ন কৰাত সহায়তা কৰিলে। এই সুযোগতে মোৰ ব্যক্তিগত শ্ৰদ্ধা সভাপতি শ্ৰদ্ধেয় বৰুৱা ডাঙৰীয়ালৈ জ্ঞাপন কৰিছো।

প্ৰাক্তন সভাপতি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ডাঙৰীয়া আৰু নৱ-নিৰ্বাচিত সভাপতি শ্ৰীনকুলচন্দ্ৰ ভূঞা ডাঙৰীয়াৰ পৰা সততে সহায় সহানুভূতি আৰু দিহা পৰামৰ্শ পাই থকা হৈছে।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীযাৰ পৰাও মাজে সময়ে আৱশ্যকীয় ক্ষেত্ৰত তেখেতৰ দিহা পৰামৰ্শ পাই আহিছো। এই সদৌ সুধী-জনলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো।।

পৰিশেষত অজানিত ভাবে হোৱা এটি বিচ্যুতিৰ বাবে সুধী সমাজৰ ওচৰত ক্ষমা বিচাৰি আমাৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।।

শ্ৰীহৰিপ্ৰসাদ নেওগ
প্ৰধান সম্পাদক।

## অসম সাহিত্য সভা

# ৩৪শ সন্মিলন : ডিব্রুগড

শ্ৰীনগেন শইকীয়া

কেবল সাহিত্য সেৱী সকলৰ অনুষ্ঠান হোৱাৰ পৰিবৰ্ত্তে, অসম সাহিত্য সভা সমগ্ৰ অসমীয়া জাতিৰ মহা-মিলনৰ তীৰ্থক্ষেত্ৰ স্বৰূপ বুলি কলেও অকণো বঢ়াই কোৱা নহয়। সেইবাবেই এই বিশাল জাতীয় অনুষ্ঠানৰ বাৰ্ষিক অধিবেশনসমূহ নিমন্ত্ৰণ কৰাটো অসমৰ প্ৰত্যেক অঞ্চলেই গৌৰৱৰ কথা বুলি অনুভৱ কৰি আহিছে।

অসমৰ সাহিত্য আৰু সংবাদ জগতত উল্লেখযোগ্য বৰঙণি যোগোৱা 'ডিবৰু' নগৰে অসম সাহিত্য সভাৰ ৩৪শ সন্মিলন আহ্বান কৰি তৃতীয় বাৰৰ বাবে এই গৌৰৱৰ ভাগী হ'ল। ১৯৬৬ চনৰ ৩০ আৰু ৩১ ডিচেম্বৰ আৰু ১৯৬৭ চনৰ ১ জানুৱাৰী অধিবেশনৰ বাবে কাৰ্য্যসূচীৰ এইকেইটা দিন ডিব্রুগড নগৰত উৰুলি-মুৰুলি লাগি পৰিল। নিৰ্দ্দিষ্ট দিনৰ আগতে ধুবুৰীৰ পৰা শদিয়ালৈকে বিভিন্ন নগৰ-চহৰ, গাঁও ভুই, পৰ্ব্বত-পাহাৰৰ পৰা অহা প্ৰতিনিধি সকলেৰে ডিব্রুগড চৰকাৰী উচ্চতৰ মাধ্যমিক স্কুলত ব্যৱস্থা কৰা প্ৰতিনিধি শিবিৰ ভৰি পৰিশছি। ডিব্রুগড় বাসী বাইজে বেক্টৰ শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তক সভাপতি আৰু শ্ৰীঅশ্বিনীচৰণ চৌধুৰী আৰু শ্ৰীবিমলেশ্বৰ ফুকনক যুটিয়া সাধাৰণ সম্পাদক স্বৰূপে লৈ গঠন কৰি দিয়া শক্তিশালী অভ্যৰ্থনা সমিতিয়ে অক্লান্ত ভাবে অভ্যৰ্থনাৰ বাবে কৰা পৰিশ্ৰমৰ কথা সততাই পাহৰিব নোৱাৰি।

চৌকিডিঙিৰ জীবন ফুকন নগৰৰ খেল পথাৰত নালন্দাৰ তোৰণৰ আকৃতিত নিৰ্ম্মিত তোৰণে বিশাল সভামণ্ডপলৈ বাট উলিয়াই দিছে। মণ্ডপৰ গাতে লগাকৈ দক্ষিণত আছিল প্ৰদৰ্শনী মণ্ডপ। এই মণ্ডপ উচৰ্গা কৰা হৈছিল। 'জ্ঞান মালিনীৰ' কবিৰ পবিত্ৰ স্মৃতিত। ডিবৰু পাৰৰ প্ৰাতঃস্মৰণীয় সাহিত্যিক ৺বেজবৰুৱা, ৰজনীকান্ত বৰদলৈ, মফিজুদ্দিন আহ্‌মদ হাজৰিকা আৰু ডা মহানন্দ বৰুৱাৰ পবিত্ৰ স্মৃতিত অভ্যৰ্থনা সমিতিয়ে একোখন তোৰণ নিৰ্ম্মাণ কৰে। সভামণ্ডপৰ পৰা পূবে অনতিদূৰত অৱস্থিত 'চহৰীয়া হল'ত প্ৰতিনিধি সকলৰ বিষয় বাছনি সভাৰ বাবে স্থান নিৰূপিত কৰা হৈছিল।

## নিজৰাৰ কবি সম্বৰ্দ্ধিত

সন্মিলনৰ মহামেলাৰ আনুষ্ঠানিক বোধন কৰাৰ প্ৰাক্কালত, ৩০ ডিচেম্বৰৰ দিনা অসম সাহিত্য সভাই ডিবৰুপৰীয়া 'নিজৰাৰ কবি' শ্ৰীশৈলধৰ ৰাজখোৱা ডাঙৰীয়াক ৰাজহুৱা ভাৱে সম্বৰ্দ্ধনা জনাবলৈ আয়োজন কৰিলে। 'চহৰীয়া হলত' আয়োজিত এই সম্বৰ্দ্ধনাসভা যিদৰে বৈশিষ্ট্যপূৰ্ণ আছিল, ঠিক সেইদৰেই হৈছিল সু সম্পন্ন।

গায়নে-বায়নে কবিক নিজৰ বাসভবনৰ পৰা আদৰি আনি সভাগৃহত উপস্থিত কৰোৱাৰ লগে লগে সমবেত জনতাই শ্ৰদ্ধা নিবেদন কৰে আৰু এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত আবেলি ২ বজাত এটি সমবেত গীতেৰে সভাৰ কাৰ্য্য আৰম্ভ হয়। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকে অসম সাহিত্য সভাৰ সভাপতি ধ্বনি কৰি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা দেৱক সভাৰ পৌৰোহিত্য কৰিবলৈ আহ্বান জনায়—সভাপতিয়ে আসন গ্ৰহণ কৰাৰ পিছতে প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগে 'নিজৰাৰ কবি' শ্ৰীৰাজখোৱা দেৱক উদ্দেশ্যি অভিনন্দন পত্ৰ পাঠ কৰে।

এই সভাত অসম সাহিত্য সভাৰ দুগৰাকী প্ৰাক্তন সভাপতি বাগ্মীবৰ শ্ৰীনীলমণি ফুকন আৰু শ্ৰীনলিনী বালা দেৱীৰ উপস্থিত,

ডিব্রুগড় অধিবেশনৰ বাবে নিৰ্ব্বাচিত সভাপতি শ্ৰীনকুল চন্দ্ৰ ভূঞা ডাঙৰীয়াও উপস্থিত আছিল। কবি শ্ৰীনলিনী বালা দেৱীয়ে সম্বৰ্দ্ধিত কবি গৰাকীক উদ্দেশ্যি লিখা এটি স্ব-ৰচিত কবিতা পাঠ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীযাই আৰু বকুলবনৰ কবি শ্ৰীআনন্দ চন্দ্ৰ বৰুৱাই কবি শ্ৰীশৈলধৰ ৰাজখোৱা সম্পৰ্কে আৰু তেখেতৰ কবি প্ৰতিভা সম্পৰ্কে একেষাৰ কয়। সম্বৰ্দ্ধিত কবি শ্ৰীৰাজখোৱা ডাঙৰীয়াই সম্বৰ্দ্ধনাৰ উত্তৰত এটি লিখিত ভাষণ পাঠ কৰে। তেখেতৰ ভাষণত থকা অন্তৰ পৰশা অকপট প্ৰকাশ-ভঙ্গীয়ে আৰু চৰকাৰী কামৰ হেঁচাত মনে তৃপ্তি লাভ কৰিব নোৱাৰাৰ অতৃপ্তি আৰু কাৰুণ্যই শ্ৰোতা সকলৰ অন্তৰ চুই যায়। বাৰ্দ্ধক্য পীড়িত কবিয়ে তেখেতৰ ভাষণত অতীতৰ সোঁৱৰণ কৰি সাহিত্য সৃষ্টিৰ বাটত পোৱা নানা বাধা বিঘিনিৰ কথা উল্লেখ কৰে। তেখেতে সামৰণিত কয় "দেৱতাৰ চৰণত ভক্তি ভাবে দুবৰি এদাল দিলেও দেৱতা সন্তুষ্ট হোৱাৰ নিচিনাকৈ অসম সাহিত্য সভাই মোৰ পৰা সিমানকে পাই সন্তুষ্ট হৈ মোক ৰাজহুৱা ভাবে সম্বৰ্দ্ধনা জনাই আশীৰ্ব্বাদ দিছে। ইয়াৰ বিনিময়ত মোৰ নিমিত্তে লাখ টকাৰ সম্পত্তি অতি তুচ্ছ।"

সভাপতিৰ আসনৰ পৰা ধ্বনি কবি শ্ৰীবৰুৱাই শ্ৰীৰাজখোৱাৰ কবিতাৰ স্বকীয় বৈশিষ্ট্যৰ কথা উল্লেখ কৰি কয়—"অসমীয়া সাহিত্যত পাষাণ প্ৰতিমা, ৰবদোৱা, ৰৰ ন'হ'ব দৰে কবিতা স্ব-মহিমাৰে সদায় জিলিকি থাকিব"।

ডিব্ৰুগড় শাখা সাহিত্য সভা'ৰ সম্পাদক শ্ৰীদেবেশ্বৰ বৰদলৈয়ে সভাৰ অন্তত সকলোলৈকে শলাগৰ শৰাই আগবঢ়োৱাৰ পিচত 'অ' মোৰ আপোনাৰ দেশ'ৰে সভাৰ সামৰণি পৰে।

৩০ ডিচেম্বৰ সন্ধ্যা ৫-৩০ বজা। চহৰীযা হলত অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে থকা অসম সাহিত্য সভাৰ শাখা আৰু অনুষ্ঠ

সভাৰ পৰা প্ৰতিনিধি হৈ অহা লোকেৰে চহৰীয়া হৃদয়ত উছুপি-মুছুপি লাগি পৰিল। মুঠ ২১১ খন শাখা সভাৰ পৰা ৫৬০ (পাঁচশ ষাঠি) জন প্ৰতিনিধিয়ে ডিব্ৰুগড় সন্মিলনত যোগদান কৰি পূৰ্বৰ সকলো ৰেকৰ্ড ভঙ্গ কৰে।

অসম সাহিত্য সভাৰ নবনিৰ্ব্বাচিত সভাপতি শ্ৰীকৃষ্ণ ডাঙৰীয়া, বিদায়ী সভাপতি শ্ৰীবৰুৱা ডাঙৰীয়া, প্ৰাক্তন সভাপতি শ্ৰীনীলমণি ফুকন ডাঙৰীয়া, প্ৰাক্তন সভানেত্ৰী শ্ৰীমতী নলিনীবালা দেবী প্ৰমুখ্যে অসমৰ প্ৰবীণ আৰু নবীন সাহিত্য সেৱী সকলোৰে সভাঘৰ ভৰি পৰিল। সাহিত্য সভাৰ চলিত প্ৰথা অনুসৰি প্ৰধান সম্পাদকে নব-নিৰ্ব্বাচিত সভাপতিক বিষয় বাছনী সভা পৰিচালনা কৰিবলৈ আহ্বান কৰিলে। সভাপতিয়ে আসন গ্ৰহণ কৰাৰ পিছত প্ৰধান সম্পাদকে বিশিষ্ট ব্যক্তি সকলৰ পৰিচয় দিয়ে। সহকাৰী সম্পাদক শ্ৰীনগেন শইকীয়াই বিভিন্ন স্থানৰ পৰা অহা প্ৰতিনিধিবৰ্গক পৰস্পৰৰ লগত পৰিচয় কৰাই দিয়ে। সভাপতিয়ে বিদায়ী সভাপতিক সভা পৰিচালনাৰ দায়িত্ব দি প্ৰতিনিধিবৰ্গৰ পৰা বিদায় লয়। ধৰনি কৰি বিদায়ী সভাপতি শ্ৰীবৰুৱাই বিষয় বাছনী সভা পৰিচালনা কৰে। ইয়াৰ পিছত মূল সভাত উত্থাপন কৰিবলগীয়া প্ৰধান সম্পাদকৰ যোৱা বছৰৰ সাধাৰণ প্ৰতিবেদন আৰু আয়-ব্যয়ক দাঙি ধৰে। প্ৰতিবেদনৰ বিভিন্ন বিষয়ৰ ওপৰত প্ৰায় চাৰি ঘণ্টা জুৰি সজীৱ আলোচনা হয়। যোৱা বিত্তীয় বছৰৰ হিচাব সহ প্ৰতিবেদন সৰ্ব্বসন্মতিক্ৰমে গৃহীত হয়।

## পতাকা উত্তোলন

যথাৰ্থতে ৩১ ডিচেম্বৰ পুৱাৰ পৰাহে অসম সাহিত্য সভাৰ চতুঃত্ৰিংশ সন্মিলনৰ আনুষ্ঠানিক শুভাৰম্ভ হয়। পুৱা ৭-৩০ বজাত মূল সভামণ্ডপৰ সন্মুখত নিৰূপিত স্থানত 'চিৰচেনেহী ভাষা জননী'ৰ পতাকা উত্তোলন কৰিবৰ কাৰণে বিদায়ী সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা ডাঙৰীয়াক আগবঢ়াই অনা হয়। পতাকা উত্তোলিত হোৱাৰ

লগে লগে সমবেত সকলোৱে পতাকাক নমস্কাৰ কৰি আৰু গায়ক বৃন্দই "আমি অসমীয়া নহওঁ দুখীয়া" অসম সঙ্গীতেৰে পতাকা বেদীৰ চৌকাষ মুখৰিত কৰি তোলে। উত্তোলক শ্ৰীবৰুৱাই এটি চমু ভাষণ দি কয়— "অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ পূজাৰী সকলে পবিত্ৰ শক্তিশালী আৰু তেজী সাহিত্য শিল্পী সৃষ্টি কৰি অসমীয়া জাতিৰ নাম অমৰ কৰক।"

## প্ৰদৰ্শনী উদ্বোধন

পতাকা উত্তোলনৰ পিছতেই ৮ বজাত প্ৰদৰ্শনীৰ দ্বাৰ উদ্বোধন কৰিবৰ কাৰণে মাদ্ৰাজৰ ভূতপূৰ্ব্ব ৰাজ্যপাল, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়াক গাযনে-বাযনে আগবঢ়াই অনা হয়। শঙ্খ-ঘণ্টা-উৰুলীৰ মঙ্গল ধ্বনিৰ মাজত উদ্বোধন কাৰ্য্য সম্পাদন কৰা হয়। প্ৰদৰ্শনী দ্বাৰ উদ্বোধন কৰি শ্ৰীমেধি ডাঙৰীয়াই এটি লিখিত ভাষণ প্ৰসঙ্গত তেখেতে কয়—"অসম সাহিত্য সভাৰ অধিবেশনৰ লগত আপোনালোকে প্ৰদৰ্শনীৰ আয়োজন কৰিছে। প্ৰদৰ্শনী লোক শিক্ষাৰ এটা প্ৰধান মাধ্যম। সাহিত্যৰ প্ৰচাৰ আৰু জনপ্ৰিয় কৰি তোলাত প্ৰদৰ্শনীৰ প্ৰভাৱ কোনেও অস্বীকাৰ কৰিব নোৱাৰে। অসমত অতীজৰে পৰা প্ৰকাশিত আলোচনী, বাতৰি কাকত, সাঁচিপতীয়া পুথি আদি আপুৰুগীয়া সাহিত্য গ্ৰন্থবোৰ প্ৰদৰ্শন কৰিব লাগে। অসমীয়া সাহিত্য সৃষ্টিৰ গুৰি ধৰোঁতা স্বনামধন্য সাহিত্যিক সকলৰ ডাঙৰৰ আকাৰৰ প্ৰতিকৃতি তেখেত সকলৰ লিখা কিতাপ আদিৰ বৰ্ণনামূলক তালিকা আদিয়ে এই প্ৰদৰ্শনীত শোভা পোৱা উচিত।"

## আলোচনা-চক্ৰ

পুৱা ৮-৪৫ বজাৰ পৰা মূল সভামণ্ডপতে আয়োজিত হয় আলোচনা চক্ৰ। এটি গীতেৰে সভা আৰম্ভ হোৱাৰ পিছত নিৰ্ব্বাচিত সভাপতি ডঃ মহেশ্বৰ নেওগক আসন গ্ৰহণ কৰিবলৈ

আহ্বান জনোৱা হয়। আলোচ্য বিষয় আছিল 'ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু অসম।' সভাপতি ডঃ নেওগ এটি লিখিত ভাষণত প্ৰাগৈতিহাসিক কালৰ পৰা কামৰূপ তথা অসমে ভাৰতীয় সংস্কৃতিৰ লগত কি সম্পৰ্ক ৰাখি আহিছে আৰু কি অবদান দি আহিছে সেই সম্পৰ্কে মূল্যবান তথ্যপাতি অতি চমুকৈ উল্লেখ কৰি দৃষ্টান্ত দেখুৱায়। ভাষণ প্ৰসঙ্গত তেখেতে উল্লেখ কৰে—"ঐতিহাসিক কালৰ ভিতৰত ভাস্কৰবৰ্মাৰ ৰাজত্বতে কামৰূপ ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত প্ৰথমবাৰলৈ সৰ্ব্বভাৰতীয় ৰূপ পৰিগ্ৰহ কৰে। অকল সেয়ে নহয়। আন্তৰ্জাতিক সম্পৰ্ক বিষয়তো তদানীন্তন কামৰূপে নিজৰ স্বাক্ষৰ স্পষ্টৰূপে ৰাখিছিল।"

সভাপতিৰ ভাষণান্তত শ্ৰীলীলা গগৈয়ে আলোচনাত অংশ গ্ৰহণ কৰি কয় যে, "অসমীয়া সংস্কৃতি যথাৰ্থতে সমন্বয় সংস্কৃতি।" ভাৰতীয় সংস্কৃতিৰ লগত সম্পৰ্ক দেখুৱাই তেওঁখেতে এটি চমু তথ্য মধুৰ ভাষণ দিয়ে।

## মুকলি অধিবেশন

৩১ ডিচেম্বৰৰ দিনা ১১ বজাত ডিব্ৰুগড়ৰ "চাৰ্কিট হাউচ" বাহৰৰ পৰা অসম সাহিত্য সভাৰ ৩৭শ সন্মিলনৰ নিৰ্ব্বাচিত সভাপতি, প্ৰবীণ সাহিত্য সেৱী শ্ৰীনকুচন্দ্ৰ ভূঞা ডাঙৰীয়াক গায়নে-বায়নে সমদল যাত্ৰা কৰি সভা মণ্ডপলৈ আগবঢ়াই অনা হয়। সভাপতি সভামণ্ডপলৈ সোমোৱাৰ লগে লগে সমবেত হোৱা বিশাল জনতাই থিয় দি শ্ৰদ্ধা জনায়। সভাপতিয়েও প্ৰতিশ্ৰদ্ধা জনায় আগবাঢ়ে। সুসজ্জিত মঞ্চত সভাৰ সভাপতিৰ কাষত বহে বিদায়ী সভাপতি ধ্বনি কবি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত, প্ৰাক্তন সভানেত্ৰী শ্ৰীমতী নলিনী বালা দেৱী, প্ৰাক্তন সভাপতি সকল—শ্ৰীনীলমণি ফুকন, শ্ৰীপদ্মধৰ চলিহা, শ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীবেণুধৰ শৰ্মা আৰু কবি শ্ৰীশৈলধৰ ৰাজখোৱা,

ডঃ মহেশ্বৰ নেওগ, প্ৰধান সম্পাদকক মুখ্য কৰি সাহিত্য সভাৰ বিষয়ববীয়া সকল, বিশিষ্ট অতিথি সকল আৰু সভাৰ উদ্বোধক অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহাদেউ। মঞ্চত বিশিষ্ট লোক সকলৰ উপস্থিতিৰ লগে লগে "মঙ্গলা চৰণৰ" স্তোত্ৰ পাঠ হয়।

"চিৰ চেনেহী মোৰ ভাষা জননী" গীতটি সঙ্গীত বিদ্যালয়ৰ শিল্পী দলৰ সমবেত কণ্ঠত ধ্বনিত হোৱাৰ লগে লগে যথাৰ্থতে মুকলি অধিবেশনৰ শুভাৰম্ভ ঘটে।

উদ্বোধনী ভাষণ

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীহৰি প্ৰসাদ নেওগে শ্ৰীবিমলা প্ৰসাদ চলিহা ডাঙৰীয়াক সভা উদ্বোধন কৰিবলৈ আহ্বান জনায়। শ্ৰীচলিহা ডাঙৰীয়াই পোন্ধৰ মিনিট জোৰা উদ্বোধনী ভাষণত সাহিত্য আৰু সাহিত্যিকৰ সংশক্তিৰ কথা উল্লেখ কৰে। অসমৰ পৰ্ব্বত ভৈয়ামৰ মাইকৰ মাজত সমন্বয় আৰু সম্প্ৰীতিৰ বান্ধ দৃঢ় কৰি তুলিবলৈ তেওঁ আহ্বান জনায় আৰু "অসম সাহিত্য সভা অসম সাহিত্য মহাসভা হওক" বুলি আশা কৰে। ভাষণ প্ৰসঙ্গত তেখেতে কয় "অসমীয়া সাহিত্যৰ দায়িত্ব অতি গধুৰ। অসমীয়া সাহিত্যিক সকলৰ মহান অবদান হব পৰ্ব্বত ভৈয়ামৰ মাজত সংহতি স্থাপন কৰাটো, উত্তৰ পূৰ সীমান্ত অঞ্চলত অসমীয়া ভাষা সাহিত্যই সংহতি ৰক্ষা কৰিছে। অসমীয়া সাহিত্যক আৰু চহকী কৰিব লাগে য'তে এই ভাষা আৰু সাহিত্যৰ প্ৰতি কাষৰীয়া সকলোৰে আকৰ্ষণ বাঢ়ে। শ্ৰীমন্ত শঙ্কৰদেৱেও এই সংহতি বিচাৰিছিল।

"অসমীয়া ভাষাই অসমৰ লোকক বিভেদৰ মাজত ঐক্য আনিবলৈ শিকাইছে। এই সূক্ষ্ম সম্পৰ্ক চিগি গলে নিচেই আপোন মানুহো পৰ হব।" প্ৰতিক্ৰিয়াশীল শক্তিৰ কথা উল্লেখ কৰি তেওঁ কয়—"প্ৰতিক্ৰিয়াশীল শক্তিয়ে অসমীয়া ভাষা প্ৰচাৰত প্ৰতিবোধ কৰিবলৈ বিচাৰে। আমাৰ ভাষা সাহিত্যক ঐশ্চৰ্য্যশালী কৰি তুলিব

পাৰিলেহে এই প্ৰতিবন্ধ অন্ত হ'ব। ভাষা প্ৰচাৰ কৰিবলৈ হ'লে সাহিত্যক চৰ্চা কৰিব লাগে। বিভিন্ন উৎসৰ পৰা শব্দ সংগ্ৰহ কৰি ভাষাক উন্নত আৰু সাহিত্যক চৰ্চা কৰিব লাগে।" তেখেতে কয়—"ভাষাশিক্ষা শ্ৰেণীৰ পৰা যোগ হয় প্ৰয়োজনীয় হৈ পৰিছে সংহতি ৰক্ষাত?" "পঢ়ুৱৈ সমাজ সাহিত্যিকক সন্মান কৰা, সহায় কৰা সমাজ হ'ব লাগিব।" মুখ্য মন্ত্ৰীয়ে কয়—"সাহিত্য সভাৰ লগত সহযোগ ৰক্ষা কৰিবলৈ চেষ্টা কৰিম। সাহিত্য সভাৰ যোগেদি স্থায়ী সংহতিৰ ভেটি নিৰ্মাণ হ'ব বুলি আশা কৰিছো। অসম সাহিত্য মহাসভা হওক।' শ্ৰীচলিহাই এই ভাষণেৰে সভাৰ আনুষ্ঠানিক উদ্বোধন সমাধা কৰে।

## সভাপতি বৰণ

বিদায়ী সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই সভাপতি শ্ৰীভূপেন্দ্ৰ ডাঙৰীয়াৰ নাম প্ৰস্তাৱ কৰে আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তই উক্ত প্ৰস্তাৱ সমৰ্থন কৰি শ্ৰীভূপেন্দ্ৰ ডাঙৰীয়াক সভাপতিৰ আসনলৈ আহ্বান জনায়। যথানিয়মে সভাপতিৰ আসন গ্ৰহণ কৰাৰ পাছত এটি শোক প্ৰস্তাৱ লোৱা হয়।

"অগ্ৰণী কবি, সাহিত্যিক, গবেষক, পণ্ডিত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক আৰু প্ৰাক্তন সভাপতি শ্ৰীডিম্বেশ্বৰ নেওগ, সাহিত্য ভ্ৰমণ ড মহানন্দ বৰুৱা, সাহিত্য সংবাদ সেৱী দেশকৰ্মী শ্ৰীগৌৰীকান্ত তালুকদাৰ, সাহিত্যিক শিক্ষাবিদ শ্ৰীকুমুদেশ্বৰ বৰঠাকুৰ, স্বাধীনতা সংগ্ৰামৰ নিৰ্ভীক যুজাৰু সাহিত্যসেৱী মৌলানা তৈয়াবুল্লা, দেশকৰ্মী প্ৰাক্তন মন্ত্ৰী শ্ৰীসিদ্ধিনাথ শৰ্মা, সত্ৰীয়া সংস্কৃতিৰ সাধক শ্ৰীমণিৰাম দত্ত মুক্তিয়াৰ, বিপ্লৱী দেশকৰ্মী শ্ৰীশঙ্কৰচন্দ্ৰ বৰুৱা, লোক সাহিত্য সেৱী শ্ৰীযোগেশচন্দ্ৰ তামুলী, সাহিত্য সভাৰ আজীৱন সভ্য শ্ৰীজীৱনচন্দ্ৰ তামুলী আৰু শ্ৰীগোলোকচন্দ্ৰ বৰুৱা, শিক্ষাবিদ শ্ৰীকামেশ্বৰ দাস, ডা প্ৰমোদাভিৰাম দাস, শ্ৰীনীলকান্ত হাজৰিকা,

শ্ৰীহৰেশ্বৰ ৰাজখোৱা, ৰিযাজুল হুচেইন, শ্ৰীকালীপ্ৰসাদ শৰ্ম্মা, শ্ৰীক্ষীৰেশ্বৰ শৰ্ম্মা, শ্ৰীসুকোমল গগৈ, শ্ৰীভূধৰ বৰঠাকুৰ, শ্ৰীজগদীশ শৰ্ম্মা, ভাৰতৰ বিশিষ্ট পণ্ডিত ডঃ কালীদাস নাগ, বিশিষ্ট মহিলা শ্ৰীৰামেশ্বৰী নেওকৰ মৃত্যুত শোক প্ৰকাশ কৰা হয়। সমবেত ৰাইজে দুই মিনিত সময় থিয হৈ মৃতকসকলৰ আত্মাৰ চিৰশান্তিৰ বাবে মৌন প্ৰাৰ্থনা জনায। ইযাৰ পিছত প্ৰধান সম্পাদকে মঞ্চত থকা বিশিষ্ট ব্যক্তি সকলক জনতাৰ লগত পৰিচয কৰাই দিয়ে।

কাৰ্য্যক্ৰমানুসৰি অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীলক্ষ্মী প্ৰসাদ দত্তই অসম সাহিত্য সভাৰ বিষয ববীযা প্ৰতিনিধি বৰ্গ আৰু সমবেত জনতাক উদ্দেশ্যি এটি লিখিত অভিভাষণ পাঠ কৰে।

এটি গীতৰ অন্তত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগে তেখেতৰ সুদীৰ্ঘ প্ৰতিবেদন ডাঙি ধৰে। আৰু যোৱা বিত্তীয বছৰৰ হিছাপৰ থুল-মূল বিবৰণ দিয়ে। প্ৰতিবেদন আৰু বিত্তীৰ হিছাপ সৰ্ব্বসন্মতি ক্ৰমে গৃহীত হয।

## সভাপতিৰ ভাষণ

ডিব্ৰুগড বৈষ্ণৱ সমাজ কৃষ্টিশাখাৰ দ্বাৰা পৰিবেশিত বৰগীত এটিৰ পিছত প্ৰবীণ সাহিত্য সেবী, অসম সাহিত্য সভাৰ ৩৪শ অধিবেশনৰ সভাপতি শ্ৰীনকুল চন্দ্ৰ ভূঞা ডাঙৰীযাই তেখেতৰ ৪৪ পৃষ্ঠাজোৰা ছপা অভিভাষণ ডাঙি ধৰে। "ভাষা সাহিত্যৰ লুইতক ভেটিব কোনে? সংস্কৃতিৰ বৰনৈক বোধিব কোনে?" এই বাণীৰে তেখেতে এই কেইটা ছেদত ভাষণ দান কৰে। ইযাৰ পিছতে সঙ্গীত বিদ্যালযৰ দ্বাৰা পৰিবেশিত গীতেৰে প্ৰথম দিনৰ ৰাজহুৱা সভাৰো সামৰণি মৰা হয।

## বিজ্ঞান সাহিত্য সন্মিলন

সন্ধ্যা ৫ বজাৰ পৰা মূল সভা মণ্ডপতে বিজ্ঞান সাহিত্য সন্মিলন ডিব্ৰুগড অধিবেশনত নকৈ সন্নিবিষ্ট কৰাটোও উল্লেখযোগ্য বিষয়।

*"বিজ্ঞানে আনিলে জোৱাৰ" শীৰ্ষক তাৎপৰ্য্যপূৰ্ণ গীতেৰে সভা আৰম্ভ কৰাৰ পিছত এই শাখা সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঃ মথুৰানাথ ভট্টাচাৰ্য্যই সমবেত সুধীবৃন্দক আদৰণী জনাই এটি চমু আদৰণী ভাষণ পাঠ কৰে। তেখেতে ভাষণ প্ৰসঙ্গত কয় যে, বিজ্ঞান আৰু সাহিত্য দুয়োৰে অসীম শক্তিক অৰ্থ লিপ্সু, মানবতা বিৰোধী স্বাৰ্থান্বেষী দলে সমাজৰ অহিতাৰ্থে প্ৰয়োগ কৰাৰ চেষ্টা কৰি আহিছে। সত্য সুন্দৰৰ সাধক সাহিত্যিক সকলে তাৰ বিৰুদ্ধে যুঁজ দিব লাগিব। বিজ্ঞানে সমাজ জীৱনক প্ৰভাবান্বিত কৰিব অনিবাৰ্য্য ভাবে। গতিকে সাহিত্যিক সকলেও বিজ্ঞানৰ পোহৰত সমাজ জীৱনক চাব পাৰিব লাগিব।

আদৰণী ভাষণৰ পিছত এই শাখা সন্মিলনত পৌৰোহিত্য কৰিবৰ বাবে নিৰ্ব্বাচিত সভাপতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীতত্ব বিভাগৰ মুখ্য অধ্যাপক ড কাশীনাথ শৰ্মাক অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ দ্বাৰা আহ্বান জনোৱা হয় আৰু বিশিষ্ট অতিথি স্বৰূপে বৰণ কৰা হয় অসম কৃষি কলেজৰ উপাধ্যক্ষ সুসাহিত্যিক ড কনক চন্দ্ৰ মহন্তক।

সভাপতিয়ে তেখেতৰ ভাষণত বিজ্ঞানৰ বিভিন্ন দানৰ উপৰিও গুৰুত্ব দিয়ে সমাজ জীৱনলৈ বিজ্ঞানে আনি দিয়া বৃত্তি আৰু গতিৰ পৰিবৰ্ত্তনৰ ওপৰত। প্ৰাচীন সমাজ ব্যৱস্থাৰ পৰা আৰম্ভ কৰি বৰ্ত্তমান সময় পৰ্য্যন্ত থকা শ্ৰেণী আৰু বৰ্ণ বৈষম্যৰ বিজ্ঞানে কেনেভাবে ভাঙি দি নতুন সমতা স্থাপনত অৰিহণা যোগাইছে। ড শৰ্মাৰ ভাষণত তেখেতৰ সুন্দৰ গদ্য ৰীতিয়ে শ্ৰোতাক মুগ্ধ কৰিছিল।

বিশিষ্ট অতিথি ড কনকচন্দ্ৰ মহন্তই তেখেতৰ তথ্যপূৰ্ণ ভাষণত বিজ্ঞান সাহিত্যৰ বিষয়ে কয়। অসমীয়া ভাষাত বিজ্ঞান সাহিত্যৰ সংখ্যা আৰু গুণৰ স্বল্পতা উল্লেখ কৰি তেখেতে পৃথিবীৰ অন্যান্য বিজ্ঞান বিষয়ক উন্নত দেশসমূহৰ সাহিত্যৰ দৃষ্টান্ত দিয়ে।

কছু ভাষা, ইংৰাজী ভাষাত এই বিষয়ৰ সাহিত্যৰ আদৰ আৰু চাহিদা বৃদ্ধিৰ কথাও উল্লেখ কৰে।

সভাপতিয়ে তেখেতৰ মন্তব্যত "কম কথা কোৱা বেছি কাম কৰা"ৰ আদৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এটি গীতেৰে চক্ৰৰ সামৰণি মৰা হয়।

## সাংস্কৃতিক সন্মিলন

গধূলি ৯ বজাত সাংস্কৃতিক সন্মিলন আৰম্ভ কৰা হয় এটি সমবেত আদৰণী গীতেৰে। গীতান্তত প্ৰধান সম্পাদকৰ আহ্বান ক্ৰমে এই শাখা সন্মিলনৰ বাবে নিৰ্বাচিত সভাপতি শঙ্কৰী নৃত্য-গীত বিশাৰদ শ্ৰীজীবেশ্বৰ গোস্বামী ডাঙৰীয়াই আসন গ্ৰহণ কৰে আৰু তেখেতৰ সৰল ভাষণ পাঠ কৰে। কাকুতি ঘোষাৰে আৰম্ভ কৰি ঘোষাৰেই সামৰণি মৰা শ্ৰীগোস্বামী ডাঙৰীয়াৰ ভাষণত তেখেতে বিশদভাবে গুৰুত্ব দিয়ে অসমীয়া গীত মাতৰ স্বকীয়া বৈশিষ্ট্যৰ ওপৰত।

শ্ৰীগোস্বামী ডাঙৰীয়াৰ ভাষণে শ্ৰোতাক মুগ্ধ কৰাৰ অন্যতম কাৰণ আছিল তেখেতৰ সৰস কথনভঙ্গী আৰু দৃষ্টান্ত স্বৰূপে ব্যৱহাৰ কৰা গীত সমূহত ভাষণৰ মাজে মাজে দি যোৱা সুৰ। তদুপৰি লিখিত ভাষণ প্ৰসঙ্গত তেখেতে নানা মৌখিক দৃষ্টান্তৰে, সুৰৰ উদাহৰণেৰে শ্ৰোতাক মুগ্ধ কৰি ৰাখে।

ভাষণান্তত সাংস্কৃতিক শাখাৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীভৰত বৰপূজাৰীয়ে শলাগৰ শৰাই আগবঢ়ায়।

## সাংস্কৃতিক সমাৰোহ

সাংস্কৃতিক সন্মিলনৰ আনুষ্ঠানিক সভাৰ শেষত সমাৰোহ আৰম্ভ হয় নতুন প্ৰথাৰে। অসমৰ যশস্বী কথাশিল্পী চৈয়দ আব্দুল মালিকে এটি চুটি গল্প নিজে পাঠ কৰি শুনায়। গল্প পাঠান্তত আৰম্ভ হয় নৃত্যগীত নাটিকাৰ সমাৰোহ। এই সমাৰোহৰ বিশেষত্ব আছিল

দুবণিবটীয়া শিল্পীৰ পৰিবৰ্ত্তে অসমৰ বিভিন্ন ঠাইৰ স্থানীয় শিল্পী দল, পাঞ্জাব অঞ্চলৰ শিল্পী দলৰ সমাবেশ ডিব্রুগড স্থানীয় সঙ্গীত বিদ্যালয়, কৃষ্টি সমাজ আৰু ব্যক্তিগত সকলৰ উপৰিও যোৰহাটৰ ৰূপজ্যোতি সংঘ আৰু অন্যান্য দল সমূহেও যোগদান কৰে। গোলাঘাটৰ বৰকাঠনী বাগিচাৰ বনুৱা শিল্পী সকলৰ নিখুঁট ছচবি আৰু বিহু প্ৰদৰ্শনে দৰ্শকক আনন্দাপ্লুত কৰে দহ হেজাৰতকৈও অধিক দৰ্শকক সমুখত লৈ বিভিন্ন শিল্পী সকলে শেহ ৰাতিলৈকে তেওঁলোকৰ অনুষ্ঠান প্ৰদৰ্শন কৰি প্ৰথম দিনাৰ কাৰ্য্যসূচী সামৰণি মাৰে।

## বিষয় বাছনি সভাৰ স্থগিত অধিৱেশন

সাংস্কৃতিক সন্মিলনৰ আনুষ্ঠানিক সভাৰ পিছতে প্ৰতিনিধি বাহৰত ৰাতি ১০-৩০ বজাত বিষয় বাছনি সভাৰ দ্বিতীয় বৈঠক বহে। পৰিচালনা কৰে বিদাযী সভাপতি শ্ৰীবৰুৱা দেৱে। প্ৰতিনিধি সকলৰ উপস্থিতি সেৰেঙা আছিল। কিন্তু বিষয় বাছনি সভাৰ আলোচনা উত্তপ্ত হৈছিল। নিয়মাৱলী সংশোধন সম্পৰ্কীয় আলোচনাৰ বেলা এনে অৱস্থা বিশেষ ভাৱে লক্ষ্য কৰিবলগীয়া হৈছিল। প্ৰায় ৪ ঘণ্টা জুৰি অধিবেশন বহে।

## ১ জানুৱাৰী ১৯৬৭ দেওবাৰ বুৰঞ্জী সন্মিলন

পুৱা ৭-৩০ বজাত মূল সভা মণ্ডপত আৰম্ভ হয় বুৰঞ্জী সন্মিলন। এটি আদৰণী গীতৰ শেষত এই সন্মিলনৰ পৌৰোহিত্য কৰিবৰ কাৰণে বুৰঞ্জীবিদ অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীকেশৱ নাৰায়ণ দত্তক প্ৰধান সম্পাদকে আহ্বান জনায। সভাপতিযে তেখেতৰ সুচিন্তিত ভাষণত অসমৰ সভ্যতা, সংস্কৃতি আৰু বুৰঞ্জীমূলক গৱেষণাৰ উপৰিও অসমৰ নতুন বুৰঞ্জী প্ৰণযনৰ ওপৰত গুৰুত্ব দিযে।

ডিব্রুগড কানৈ কলেজৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা শ্ৰীস্বৰ্ণলতা বৰুৱা আৰু কমাৰ্চ কলেজৰ অধ্যক্ষ শ্ৰীনিৰ্ম্মল কুমাৰ বসুৱে বিষয়ত

অংশ গ্ৰহণ কৰি বুৰঞ্জী প্ৰণয়নৰ দায়িত্ব আৰু অসমত থকা প্ৰাচীন বুৰঞ্জীৰ সমলৰ ওপৰত ভেঁহ গধুৰ ভাষণ দিয়ে। সামৰণী গীতেৰে সম্মিলনৰ অন্ত হয়।

## বিষয় বাছনী সভাৰ সামৰণি অধিবেশন

পুৱা ১০ বজাত চহৰীয়া হলত বিষয় বাছনী সভাৰ তৃতীয় আৰু শেষ বৈঠক বহে। প্ৰতিনিধি বৰ্গৰ এই সভাও পৰিচালনা কৰে বিদায়ী সভাপতি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাদেৱে। এই সভাত অসম সাহিত্য সভাৰ নতুন বছৰৰ বাবে নতুন কাৰ্য্য নিৰ্ব্বাচন কৰা হয় উপ-সভাপতি, প্ৰধান সম্পাদক, কোষাধ্যক্ষ আৰু পত্ৰিকা সম্পাদক এই চাৰি বিষয় বাবৰ বাবে বিনা প্ৰতিদ্বন্দ্বিতাই নিৰ্বাচিত হয়— ক্ৰমে ডঃ মহেশ্বৰ নেওগ, অধ্যাপক শ্ৰীহৰিপ্ৰসাদ নেওগ, শ্ৰীদেব-প্ৰসাদ বৰুৱা, ডঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী। বাকী ৬ জন সদস্যৰ বাবে প্ৰস্তাবিত প্ৰায় ৬০ জন ব্যক্তিৰ নামৰ তালিকাৰ পৰা বাচি লৈ নিৰ্বাচিত কৰি বাজহুৱা সভাত ঘোষণা কৰিবলৈ বিদায়ী সভাপতি, নব-নিৰ্বাচিত সভাপতি, উপসভাপতি, প্ৰধান সম্পাদক, কোষাধ্যক্ষ আৰু পত্ৰিকা সম্পাদকক লৈ গঠিত সমিতিক ভাৰ দিয়া।

## ২য় দিনৰ মুকলি অধিবেশন

দ্বিতীয় দিনাৰ মুকলি অধিবেশনলৈ বিশাল জনতা সমবেত হয়। গীতেৰে সভা আৰম্ভ কৰাৰ লগে লগে সভাপতিয়ে নিজৰ আসন গ্ৰহণ কৰে আৰু মঞ্চত প্ৰাক্তন সভাপতি সকল, বিদায়ী সভাপতি, অভ্যৰ্থনা সমিতিৰ সভাপতি, সাংস্কৃতিক সম্মিলনৰ সভাপতি, বুৰঞ্জী সম্মিলনৰ সভাপতি, বিশিষ্ট অতিথি ডঃ যোগীৰাজ বসু, শ্ৰীচৌপক গোহাই, নেফাৰ শ্ৰীলুম্মেৰ দাই, শ্ৰীওবাংকাৰ লোবাং, শ্ৰীগোবা পাৰ্টিন, কাছাৰৰ শ্ৰীব্ৰজমোহন সিং, মিকিৰ পাহাৰৰ ডিফু কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক শ্ৰীৰংবং টেৰাং, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদককে প্ৰমুখ্য কৰি বিষয়ববীয়া সকল বহে।

বিষয় বাচনী সভাই গ্ৰহণ কৰা পাঁচটি প্ৰস্তাৱ সভাত উত্থাপন কৰে। ভৱনত সাহিত্য সভাৰ সংগ্ৰহত থকা পুথি পত্ৰ, কাকত ছবি, সাহিত্যিক শিল্পী সকলৰ ব্যৱহাৰ্য্য সামগ্ৰী চিঠি আৰু ভাষা সাহিত্য সংস্কৃতি সম্পৰ্কীয় সংগ্ৰহালয় প্ৰতিষ্ঠা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি অসমীয়া ভাষাত বিশ্বকোষ প্ৰণয়নৰ বাবে চৰকাৰী মঞ্জুৰী দাবী কৰি আৰু উচ্চতৰ মাধ্যমিক স্কুলত অসমীয়া বিষয়ৰ শিক্ষকক সমান মৰ্য্যাদা দিবলৈ চৰকাৰৰ ওচৰত দাবী জনাই গ্ৰহণ কৰা পাঁচোটি প্ৰস্তাৱ বাচনী সভাৰ সৰ্ব্বসন্মতিক্ৰমে গৃহীত হয়।

পৰৱৰ্তী কাৰ্য্যসূচী অনুসৰি সভাই সংশোধন কৰা নিয়মাৱলীৰ ছেদ কেইটিত সংশোধনী দি সভাত সম্পাদক শ্ৰীনগেন শইকীয়াই পাঠ কৰে।

বিশিষ্ট অতিথিৰ ভাষণ

এটি গীতৰ পাছত বিশিষ্ট অতিথি সকলক ভাষণ দিবলৈ সভাপতিয়ে আহ্বান জনায়। সভাপতিৰ আহ্বান ক্ৰমে প্ৰথমে পণ্ডিত ডক্টৰ যোগীৰাজ বসু ডাঙৰীয়াই এটি সাৰগৰ্ভ ভাষণ দিয়ে। তেখেতে যুগমীয়া সাহিত্য আৰু সাম্প্ৰতিক সাহিত্য এই দুটা ভাগত সাহিত্যৰ শ্ৰেণী বিভাগ কৰে। তুলনামূলক সাহিত্য সমালোচনাৰ সম্পৰ্কে ব্যাখ্যা কৰি অসমীয়া সাহিত্য এই বিভাগত অগ্ৰগতিৰ কথা কয়। অসমীয়া সাহিত্যত বিজ্ঞান সমাজ সাহিত্যৰ আৰু ধৰ্ম তথা দৰ্শনমূলক সাহিত্যৰ অনুবাদৰ বাবে বহুখিনি কাম কৰিবলগীয়া আছে আৰু তাৰ বাবে চোৰা শব্দ প্ৰস্তুত কৰাৰো সময় বেছিহে হৈছে। সংস্কৃত সাহিত্য তথা বৈদিক সাহিত্যৰ চৰ্চা আৰু অধ্যয়নৰ দ্বাৰা ভাৰতীয় দৰ্শন হৃদয়ঙ্গম কৰা আৰু তুলনামূলক জ্ঞান লাভ কৰাত ভাৰতীয় ছাত্ৰৰ যে বাবে অতি প্ৰয়োজনীয় কথা সেই কথা তেখেতে বিভিন্ন দিশৰ পৰা ব্যাখ্যা কৰে। অসমীয়া সাহিত্য সেৱী সকলক এই বিভিন্ন বিষয়ৰ প্ৰতি চকু ৰাখি অসমীয়া সাহিত্যৰ

সৰ্ব্বাঙ্গীন বিকাশ সাধনত ব্ৰতী হবলৈ আহ্বান জনায়। অনুবাদ সাহিত্যৰ প্ৰয়োজনীয়তা যে অসমীয়া ভাষাত যথেষ্ট আছে তাৰ প্ৰতিও চকু ৰাখি কাম কৰিবলৈ আহ্বান জনায়।

ড বসুৰ ভাষণত প্ৰাচ্য প্ৰাশ্চাত্য দৰ্শনৰ উপৰিও অসমীয়া সাহিত্য সম্পৰ্কে তুলনামূলক ভাবে কৰা ব্যাখ্যাই শ্ৰোতাক অভিভূত কৰে।

খামটি সকলৰ মাজৰ পৰা অহা শ্ৰীচৌপক গোহাঁই ডাঙৰীয়াক সভাপতিয়ে ভাষণ দিবলৈ আহ্বান জনায়। তেখেতে "জনজাতীয় ৰাইজৰ হৈ সাহিত্য সভাৰ সমবেত ৰাইজলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছো" বুলি আৰম্ভ কৰি ভৈয়াম আৰু পৰ্বতৰ লোকৰ মাজত যাউতি যুগীয়া সম্প্ৰীতি আৰু সমন্বয়ৰ কথা উল্লেখ কৰে। অসমীয়া ভাষাৰ প্ৰাচীনত্ব আৰু সাহিত্যৰ বিকাশৰ কথা উল্লেখ কৰি তেখেতে কয়— "অসমীয়া ভাষা নতুন আৰু পালি ভাষা নহয় ডঃ কাকতীয়ে তেওঁৰ গ্ৰন্থত সেই কথা বঢ়িয়াকৈ প্ৰমাণ কৰিছে। অসমীয়া সাহিত্যত মিৰিজীয়ৰী, ইয়াকইজম, জনজাতীয় সাধু আদি পুথি ৰচিত আৰু সংকলিত হৈছে। জনজাতীয় ৰাইজে এই বিষয়ত গোৰৱ কৰিব পাৰে। তেখেতে কয়—"অসমীয়া ভাষা লুইতৰ দৰে। দাঁতি কাষৰীয়া দোবানবোৰ সেই লুইতবে উপনৈ।" ভৈয়ামৰ ৰাইজে যাতে ভৈয়ামৰ আৰু পাহাৰৰ জনজাতীয় ৰাইজক সকলো বিষয়তে সমানে সহায় সহানুভূতি দেখুৱায়—তাৰ বাবে আহ্বান জনাই বক্তৃতাৰ সামৰণি মাৰে।

উদীয়মান অসমীয়া সাহিত্যিক নেফাৰ শ্ৰীলুম্মৰ দাইয়ে ভাষণ দি কয়, "অসমৰ বাহিৰৰ মানুহে অসমীয়া সাহিত্যৰ কথা ভালকৈ নাজানে। অসমীয়া ভাল পুথিসমূহ ইংৰাজী, হিন্দী আৰু অন্যান্য ভাষালৈ অনুবাদ কৰি প্ৰচাৰ কৰিব লাগে। অন্যান্য ভাষাৰ ভাল পুথি সমূহ অসমীয়ালৈ অনুবাদ কৰি নিজৰ ভাষা আৰু সাহিত্যক

চহকী কৰিব লাগে।” তেখেতে অসম সাহিত্য সভাৰ কৰ্মপন্থাৰ শলাগ লয় আৰু সমবেত জনতাক শ্ৰদ্ধা জনায় বক্তৃতা সামৰে।

নেফাৰ শ্ৰীবাংফা লোৱাং (টিৰাপৰ নামচাং ডেকা ৰজাৰ ভায়েক)এ এটি চমু ভাষণ দিয়ে। প্ৰবেশিকা পৰ্য্যন্ত অসমীয়া মাধ্যমত পঢ়া শ্ৰীলোৱাঙে উত্তৰ লক্ষীমপুৰ অধিবেশনলৈ যোৱাৰ কথা কয় আৰু সাহিত্য সভাৰ যোগেদি হোৱা আদান প্ৰদানৰ কথা উল্লেখ কৰে। টিৰাপৰ ডেকা ৰজা (তেওঁৰ ককায়েক) শ্ৰীবাংমাই ৰাজকুমাৰে সাহিত্য সভালৈ দিয়া 'নক্তে জাৰ্ঠা” আৰু টুপী তেওঁ সভাপতিৰ হাতত অৰ্পণ কৰে আৰু লগতে দিয়ে ৰাজকুমাৰে দিয়া এখন চিঠি। শ্ৰীবাংমাই ৰাজকুমাৰে লিখিছে 'অতি মৰমৰ অনুষ্ঠান অসম সাহিত্য সভাৰ লগত মোৰ আৰু টিৰাপবাসী ৰাইজৰ ইতিমধ্যে ওতঃপ্ৰোত সম্বন্ধ ঠন ধৰি উঠিছে। আমাৰ আন্তৰিক সহযোগিতা আৰু শুভেচ্ছা সদায় সজীৱ হৈ থাকিব। যোৱাবাৰ উত্তৰ লক্ষীমপুৰত বহা অধিবেশনত যোগ দিবলৈ সময় আৰু অবস্থাই সুবিধা দিয়াত নিজকে পৰম ভাগ্যবান বুলি ভাবিছিলোঁ। কিন্তু বৰ্ত্তমান মোৰ শাৰিৰীক অবস্থা সমূলি ভাল নহয়। সেয়েহে মই এই সুদূৰৰ পৰা এই অধিবেশনলৈ শুভেচ্ছা আগবঢ়ালোঁ। ভৈয়ামৰ ৰাইজৰ লগত আমাৰ টিৰাপবাসী, প্ৰধানকৈ নক্তেসকলৰ সম্প্ৰীতি আজিৰ নহয়, কৌটিকলীয়া। ভৌগোলিক পৰিবেশ আৰু সাংস্কৃতিক দিশত আমাৰ সম্বন্ধ অতি উচ্চখাপৰ।” “জয়তু ভাষা জননী” বুলি তেখেতে চিঠিৰ সামৰণি মাৰিছে।

আন গৰাকী নেফাৰ প্ৰতিনিধি শ্ৰীগোৱা পাটিনে ভাষণ দি কয় যে, জাতীয় স্বাৰ্থৰ খাটিৰত অসমৰ পৰ্ব্বত ভৈয়ামৰ বিভিন্ন সম্প্ৰদায়ৰ ৰাইজে অসমীয়া পঢ়িব লাগে। “ভাষাৰ যোগেৰে আমি সকলো মিলি একগোট হৈ থাকিম” বুলি তেখেতে কয়।

মিকিৰ পাহাৰৰ ডিফু কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক

শ্ৰীহৰেন টেবাঙে ভাষণ দি সাহিত্য সভাই অসমৰ অখণ্ডতাৰ বাবে লোৱা কাৰ্য্য পন্থা শলাগে। "অন্তৰৰ বুজা-বুজিৰেহে দেশৰ সংহতি সাধিত হয়" বুলি তেখেতে কয়। পাহাৰ অঞ্চলত দেখা দিয়া বিভিন্ন সমস্যা আৰু বিদেশী লোকৰ লগত সম্পৰ্ক সকিয়াই দি তেখেতে কয় যে পাহাৰৰ মাজত লুকাই থকা বিষয়লৈ অসমীয়া সাহিত্য চকু দিয়ক। আশাবাদী মনোভাবেৰে তেখেতে অখণ্ড অসম কামনা কৰি বক্তৃতাৰ সামৰণি মাৰে।

ইয়াৰ পিছত প্ৰাক্তন সভাপতি বাগীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াই এটি চমু ভাষণত দেশৰ তৰুণ সাহিত্যিক সকলৰ সকলো ভেদাভেদ পাহৰি অসমীয়া জাতীয় চেতনা জগাই তুলিব পৰাকৈ সাহিত্য সৃষ্টি কৰিবলৈ উদাত্ত কণ্ঠে আহ্বান জনায়। তেখেতে অনৈক্যৰ মাজত ঐক্য জীয়াই ৰাখিবলৈ সমাজ আৰু জাতিৰ শত্ৰুৰ মুখা খুলি দিবলৈ আবেগেৰে আহ্বান জনায়।

প্ৰাক্তন সভানেত্ৰী শ্ৰীনলিনী বালা দেবীয়েও অসমীয়া সাহিত্যক বিভিন্ন সময়ত চহকী কৰাৰ লগতে তৰুণ সাহিত্যিক সকলক আহ্বান কৰে—পৰ্বতে ভৈয়ামে এনাজৰীডাল কটকটীয়া কৰিবলৈ। কবিসুলভ, আবেগপ্ৰৱণ কোমল উচ্ছ্বাসপূৰ্ণ ভাষাৰে তেখেতে নেফাৰ বাইজৰ লগত থকা ভৈয়ামৰ লোকৰ সম্প্ৰীতিৰ কথা কয়। প্ৰাক্তন সভাপতি শ্ৰীবেণুধৰ শৰ্মা আৰু শ্ৰীপদ্মধৰ চলিহা ডাঙৰীয়াই জাতীয় চেতনা উদ্দীপক সাহিত্য সৃষ্টিত আগ ভাগ লবলৈ আৰু ভাষাটো বিকৃত নকৰিবলৈ তৰুণ সাহিত্যিক সকলক সঁকিয়াই দিয়ে।

বিশিষ্ট অতিথি সকলৰ বক্তৃতাৰ অন্তত অসম সাহিত্য সভাৰ পুৰণি কাৰ্য্যনিৰ্বাহক সমিতিয়ে পদত্যাগ কৰে আৰু নতুন কাৰ্য্যনিৰ্বাহক সমিতিৰ নিৰ্বাচন। পাছত সভাপতিৰ নাম ঘোষণা কৰা হয়।

ইয়াৰ পিছত তেজপুৰ শাখা সাহিত্য সভাৰ হৈ শ্ৰীহৰকান্ত দাসে পৰৱৰ্ত্তী বছৰৰ অধিবেশন বিপুল হৰ্ষধ্বনিৰ মাজত আহ্বান কৰে।

সভাপতিয়ে ডিব্রুগড়ীয়া ৰাইজ, বিশিষ্ট অতিথি সকল আৰু সমবেত ৰাইজৰ সলাগ লয়।

ডিব্রুগড অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীঅশ্বিনী চৰণ চৌধুৰীয়ে সভাপতিকে প্ৰমুখ্যে কৰি সকলোলৈকে আৰু প্ৰতিনিধি সকলৰ হৈ শ্ৰীদেবপ্ৰসাদ বৰুৱাই অভ্যৰ্থনা সমিতিলৈ শলাগ লৰাই আগবঢোৱাৰ পিছত "অ' মোৰ আপোনাৰ দেশ"ৰে সভাৰ সামৰণি মৰা হয়।

সংবাদ সাহিত্য সন্মিলন

ডিব্রুগড সন্মিলনত 'সংবাদ সাহিত্য সন্মিলন' নাম দি আন এখনি নতুন শাখা সন্মিলনৰো অনুষ্ঠুপিয়া আয়োজন কৰা হয়। সন্ধ্যা ৫ বজাত প্ৰধান সভা মণ্ডপতে প্ৰাক্তন সভাপতি, প্ৰবীণ সাহিত্যিক শ্ৰীবেণুধৰ শৰ্মা ডাঙৰীয়াৰ সভাপতিত্বত সংবাদ সাহিত্য সন্মিলন অনুষ্ঠিত হয়। এই শাখাৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীসুনীল কুমাৰ বৰঠাকুৰে এটি প্ৰবন্ধ পাঠ কৰে। আলোচনাত যশস্বী কথাশিল্পী সৈয়দ আব্দুল মালিক আৰু সাংবাদিক শ্ৰীধীৰেন্দ্ৰ ভালুকদাৰে অংশ গ্ৰহণ কৰি সংবাদ সাহিত্যৰ ওপৰত এটি ভাষণ দিয়ে। সভাপতিয়ে তেখেতৰ ভাষণত সাংবাদিকতা সুস্থ আৰু দায়িত্বমূলক হব লাগে বুলি কয় আৰু তাৰ অবিহনে কেনে বিপৰ্য্যয়ৰ সৃষ্টি হব পাৰে তাৰ কথা উল্লেখ কৰে। ইয়াৰ পিছত অভ্যৰ্থনা সমিতিৰ সহকাৰী সম্পাদক স্থানীয় সাংবাদিক শ্ৰীহেৰম্ব বৰদলৈয়ে সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰে। এটি গীতেৰে সভাৰ সামৰণি মৰা হয়

কবি সন্মিলন

গধূলি ৭ বজাত সন্মিলন অনুষ্ঠিত হয়। নিৰ্বাচিত আৰু নিমন্ত্ৰিত সভাপতি বিপ্লবী কবি শ্ৰীপ্ৰসন্নলাল চৌধুৰী ডাঙৰীয়াক সভাপতিৰ আসন গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হয়। সভাপতি শ্ৰীচৌধুৰীয়ে তেখেতৰ ছন্দোময় স্বতঃস্ফূৰ্ত গদ্যত লিখা অভিভাষণ পাঠ কৰে।

তাৰপাচত কবি সকলৰ স্ব-ৰচিত কবিতা পাঠ কৰিবলৈ আহ্বান জনোৱা হয়। প্ৰবীণ কবি শ্ৰীনীলমণি ফুকন, শ্ৰীশৈলধৰ ৰাজখোৱা, শ্ৰীপদ্মধৰ চলিহা শ্ৰীনলিনীবালা দেৱী আদি বিশিষ্ট কবিসকলৰ উপৰিও সভাপতি শ্ৰীচৌধুৰী দেৱেও স্ব-ৰচিত কবিতা পাঠ কৰি শ্ৰোতাক মুগ্ধ কৰে।

### সাংস্কৃতিক সমাৰোহ

গধূলি ৮ বজাৰ পৰা আৰম্ভ হয় দ্বিতীয় দিনাৰ সাংস্কৃতিক সমাৰোহ। সভাথলী লাখে লোকাৰণ্য হয়। ওলুৱা নৃত্য গীতৰ উপৰিও নৃত্য নাটিকা, আধুনিক গীত, বৰগীত ভজন, বিহু-নাচ আদি অসমীয়া নৃত্য-গীতৰ অপূৰ্ব সমাৰোহ এই নিশাও ঘটিছিল। শেষ নিশা সামৰণি পৰা এই সাংস্কৃতিক সমাৰোহৰ লগেতে অসম সাহিত্য সভাৰ ৩৪ শ অধিবেশনৰ মহামেলা অন্ত পৰে।

### ডিব্ৰুগড় সন্মিলনত গৃহীত প্ৰস্তাৱ সমূহ

প্ৰথম প্ৰস্তাৱ —

অসমীয়া ভাষাক প্ৰশাসনীয় ভাষা হিচাপে ঘোষণা কৰাৰ পিছত যি গতিৰে চৰকাৰী কাম কাজত ব্যৱহাৰ হ'ব লাগিছিল তেনে ধৰণে ব্যৱহাৰ নোহোৱাটো সাহিত্য সভাই লক্ষ্য কৰি চৰকাৰৰ মন্থৰ ব্যৱস্থাত দুখ প্ৰকাশ কৰে। এই মন্থৰ গতিৰ অন্তৰায় স্বৰূপে অসমীয়া লিখন যন্ত্ৰৰ অভাৱ উপযুক্ত প্ৰশিক্ষণৰ অভাৱ, কোনো চৰকাৰী বিষয়াৰ ইচ্ছাকৃত অৱহেলা আৰু পৰিভাষাৰ দোষ-ত্ৰুটী অতি শীঘ্ৰে দূৰ কৰি সকলো চৰকাৰী, অৰ্দ্ধ চৰকাৰী ঔদ্যোগিক অনুষ্ঠান আদিৰ যাবতীয় কাম কাজ অসমীয়া ভাষাৰে চলাবলৈ টানি অনুৰোধ জনায়।

প্ৰস্তাৱক — শ্ৰীশশী চন্দ্ৰ বৰবৰুৱা

সমৰ্থক — শ্ৰীমহেন্দ্ৰ বৰঠাকুৰ

গৃহীত

স্বা শ্ৰীনকুল চন্দ্ৰ ভূঞা, সভাপতি

দ্বিতীয় প্ৰস্তাব :—

অসমত প্ৰতিষ্ঠিত দ্বিতীয় বিশ্ববিদ্যালয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চাৰিওপিনে অনেক জনজাতিৰ বাসস্থান। অসমৰ জাতীয় জীৱন আৰু সাংস্কৃতিক পৰম্পৰা সৃষ্টিত জনজাতীয় লোকৰ অবদান অনেক। সেইবাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত জনজাতি সম্পৰ্কীয় গবেষণাৰ ব্যৱস্থা আৰু এটি সংগ্ৰহালয় স্থাপন কৰিবলৈ অসম সাহিত্য সভাই বিশ্ববিদ্যালয় আৰু চৰকাৰক অনুৰোধ জনায়।

লগতে অসমীয়া বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণী স্থাপন কৰিবলৈ আৰু অসমীয়া ভাষা সাহিত্যৰ সৰ্বাঙ্গীন উন্নতিকল্পে অসমীয়া মাধ্যমত ডক্টৰেট উপাধিৰ বাবে গবেষণা কৰিবলৈ অনুমতি দিবৰ বাবে টানি অনুৰোধ জনায়।

প্ৰস্তাবক —শ্ৰীসতীশ বাজখোৱা
সমৰ্থক —শ্ৰীঅৰুণ গোস্বামী

গৃহীত

স্বাঃ শ্ৰীনকুল চন্দ্ৰ ভূঞা, সভাপতি

তৃতীয় প্ৰস্তাব :—

অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিৰ সম্যক পৰিচয় দিব পৰা এটি সংগ্ৰহালয়ৰ প্ৰয়োজন গভীৰ ভাৱে অনুভৱ কৰি অহা হৈছে। উক্ত সংগ্ৰহালয়টি গুৱাহাটীত থকা ভগৱতী প্ৰসাদ বৰুৱা ভৱনতে স্থাপন কৰিবলৈ দিহা কৰা হওক আৰু উক্ত আঁচনিত সহায়তা কৰিবলৈ অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনোৱা হওক।

প্ৰস্তাবক :—শ্ৰীসুভচন্দ্ৰ বৰুৱা
সমৰ্থক :—শ্ৰীপ্ৰফুল্ল চন্দ্ৰ দত্ত

গৃহীত :

স্বাঃ শ্ৰীনকুল চন্দ্ৰ ভূঞা, সভাপতি

চতুৰ্থ প্ৰস্তাৱ :—

অসমীয়া ভাষাৰ বিশ্বকোষ এখনৰ অভাৱ অতিকৈ অনুভৱ কৰি চৰকাৰক এখন আঁচনি দিয়া হৈছিল। সি চৰকাৰৰ পৰা উপযুক্ত সঁহাৰি নোপোৱাত সভাই দুখ প্ৰকাশ কৰে আৰু বিশ্বকোষখন প্ৰণয়ন কৰিবৰ বাবে যাৱতীয় বিত্তীয় সাহায্য দিবলৈ চৰকাৰক পুনৰ টানি অনুৰোধ জনায়।

প্ৰস্তাৱক—শ্ৰীপ্ৰিয়দাস তালুকদাৰ

সমৰ্থক —শ্ৰীমাখন দুবৰা

গৃহীত

স্বা শ্ৰীনকুল চন্দ্ৰ ভূঞা, সভাপতি

পঞ্চম প্ৰস্তাৱ

উচ্চ মাধ্যমিক বিদ্যালয়ৰ অসমীয়া বিষয়ৰ শিক্ষকক অন্যান্য বিষয়ৰ শিক্ষকৰ দৰেই সবলো ধৰণৰ স্বীকৃতি দিবলৈ ৰাজ্য চৰকাৰৰ ওচৰত সভাই জনোৱা দাবী পুনৰ দোহৰা হওক।

প্ৰস্তাৱক —শ্ৰীহিতেশ ডেকা

সমৰ্থক :—শ্ৰীৰাজ্যমল ডেকা

গৃহীত

স্বা শ্ৰীনকুল চন্দ্ৰ ভূঞা, সভাপতি

কাৰ্য্য নিৰ্ব্বাহক সদস্যৰ তালিকা

সভাপতি—শ্ৰীনকুল চন্দ্ৰ ভূঞা

উপ সভাপতি—ড মহেশ্বৰ নেওগ

প্ৰধান সম্পাদক—শ্ৰীহৰিপ্ৰসাদ নেওগ

ধন ভড়ালী—শ্ৰীদেব প্ৰসাদ বৰুৱা

পত্ৰিকা সম্পাদক—ডঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী

সদস্য সকল—শ্ৰীযোগেশ দাস, শ্ৰীশৰৎ চন্দ্ৰ কাকতী, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, শ্ৰীনন্দ তালুকদাৰ, শ্ৰীতফজ্জুল আলি,

শ্ৰীহৰকান্ত দাস, শ্ৰীনগেন শইকীয়া, শ্ৰীলীলা গগৈ, শ্ৰীকুমাৰ মেধি, শ্ৰীভবানন্দ ৰাজখোৱা, শ্ৰীবংবং টেৰাং, শ্ৰীনাৰায়ণ ঘাটোৱাৰ, শ্ৰীললিতচন্দ্ৰ শৰ্মা বৰুৱা, শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা, শ্ৰীবিধান চন্দ্ৰ বৰা, শ্ৰীখলিলুৰ ৰহমান।

গৃহীত :

স্বা° শ্ৰীনকুল চন্দ্ৰ ভূঞা, সভাপতি।

## অসম সাহিত্য সভাৰ নিয়মাৱলীৰ সংশোধন

অসম সাহিত্য সভাৰ চতুত্ৰিংশতম অধিবেশনৰ সিদ্ধান্ত অনুসৰি অসম সাহিত্য সভাৰ নিয়মাৱলীৰ কেইটামান উল্লেখযোগ্য সংশোধন কৰা হয়। সেই সংশোধিত ছেদ সমূহৰ সম্পূৰ্ণ পাঠ তলত উল্লেখ কৰা হ'ল

### তৃতীয় ছেদ : গঠন

৫। (খ) মূল সভাৰ অন্ততঃ ত্ৰিশজন সভ্যৰে শাখা সভা গঠিত হ'ব। সাধাৰণতে একোখন গাওঁ পঞ্চায়তত এখনৰ বেছি শাখা হব নোৱাৰিব। পাঁচ হেজাৰতকৈ অধিক জনসংখ্যা থকা নগৰত একাধিক শাখা সভা গঠিত হব পাৰিব। অৱস্থা বুজি কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ত্ৰিশজনতকৈ কম সংখ্যক সভ্যৰেও শিলঙৰ বাহিৰে অসমৰ আন পাৰ্বত্য অঞ্চলত, কাছাৰ জিলাত আৰু অসমৰ বাহিৰত শাখা সভা গঠনৰ অনুমতি দিব পাৰিব।

### চতুৰ্থ ছেদ : সভ্য

১১। সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু প্ৰধান সম্পাদক-সকল বিশেষ সভ্য ৰূপে পৰিগণিত হ'ব।

## অষ্টম চ্ছেদ : সন্মিলন

৪০। সন্মিলনৰ কাৰণে প্ৰত্যেক শাখা সভাই প্ৰতি ত্ৰিশজন সভ্যৰ পৰা এজনকৈ ( আৰু ওপৰঞ্চি বিশজনতকৈ সৰহ হলে এজন ) প্ৰতিনিধি পঠাব পাৰিব।

৪১। কাৰ্য্য নিৰ্বাহক সভাই প্ৰাথমিক নিৰ্বাচনত সভাপতি পদৰ বাবে পাঁচজন লোকৰ নাম প্ৰস্তাব কৰিব। প্ৰধান সম্পাদকে ১৫ আগষ্টৰ ভিতৰত ক্ৰম অনুসৰি পাঁচজন লোকৰ সন্মতি ল'ব। কিবা কাৰণত তেওঁলোকৰ কোনো গৰাকীৰ পৰা যদি নিৰ্দিষ্ট সময়ৰ ভিতৰত সন্মতি পোৱা নহয়, তেনেহলে প্ৰধান সম্পাদকে উক্ত তালিকাৰ ক্ৰম অনুসৰি নিম্ন স্থানৰ লোকৰ সন্মতি লৈ পাঁচজনৰ তালিকা পূৰ কৰিব। তাৰ পিছত এই পাঁচজন লোকৰ নাম বৰ্ণানুক্ৰমিক ভাবে সকলো শাখা সভা আৰু আদৰণী সমিতিলৈ কুৰি দিনৰ ভিতৰতে ক্ৰম অনুসাৰে বাছি পঠাবলৈ লিখি পঠাব। তেনেকৈ সৰ্বাধিক মনোনয়ন পোৱা লোকে অহা সন্মিলনৰ সভাপতি নিৰ্ব্বাচিত হৈছে বুলি কাৰ্য্য-নিৰ্বাহক সমিতিয়ে ঘোষণা কৰিব।



# শুভেচ্ছা-বাণী

অসম সাহিত্য সভাৰ চতুঃত্ৰিংশ ডিব্ৰুগড় অধিবেশনলৈ ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ বিশিষ্ট ব্যক্তি সকলে শুভেচ্ছা-বাণী পঠাই সভাৰ সাফল্য আৰু প্ৰগতি কামনা কৰিছে।

প্ৰথিতযশা ভাৰতীয় সাহিত্যিক মুলকৰাজ আনন্দে লিখিছে—

"The convening of Asam Sahitya Sabha conference inspires one into the awareness that our language are active Perhaps a flood of writing may start in Assam and through up enough fertile soil to make for a new kind of harvest I ask for this flood from your coference '

বেঙ্গলৰ লব্ধপ্ৰতিষ্ঠ পণ্ডিত শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে লিখিছে,—

"আসামে ইতিহাস ও সংস্কৃতি বিষয়ক বহু উপাদান এখনও লোকচক্ষুর অন্তরালে রহিয়াছে। প্রাচীন মূর্ত্তি শিলালিপি, তাম্রশাসন, মুদ্রা, পুথি প্রভৃতি সংগ্রহ, পরীক্ষা প্রভৃতি অত্যন্ত প্রয়োজনীয় কার্য্য আসাম সাহিত্য সভা এবং আসামের বিশ্ববিদ্যালয় সমূহ আরও তৎপর হইলে ভারতীয় পণ্ডিত সমাজের আনন্দের কারণ হইবে।"

ভাৰতৰ ৰাষ্ট্ৰপতি পণ্ডিত ড ৰাধাকৃষ্ণণে সচিবৰ যোগদি অসম সাহিত্য সভাৰ চতুত্ৰিংশ ডিব্ৰুগড় অধিবেশনলৈ শুভেচ্ছা পঠাইছে।

ভাৰতৰ প্ৰধানমন্ত্ৰীৰ সচিবেও অধিবেশনৰ সাফল্য কামনা কৰি আৰু ধন্যবাদ জনাই পঠোৱা প্ৰধান মন্ত্ৰীৰ বাণী পঠাইছে।

অসম আৰু নগালেণ্ডৰ ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ে ব্যস্ততা-

বশতঃ অধিবেশন'ল আহিব নোবাৰাৰ বাবে পত্ৰযোগে শুভেচ্ছা প্ৰেৰণ কৰিছে।

নতুন দিল্লীস্থ ব্ৰিটিশ হাই কমিছনাৰে লিখিছে,

"The British High Commissioner has the honour to thank the Asam Sahitya Sabha for their kind invitation, .. but much regrets his inability to accept owing to previous engagement"

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অধ্যক্ষ শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীয়ে লিখিছে—

বয়োবৃদ্ধ জ্ঞানবৃদ্ধ সাহিত্যিক শ্ৰীভূঞাৰ নেতৃত্বত অসম সাহিত্য সভা এখোজ আগুৱাই যাব বুলি আশা ৰাখিছো।"

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই লিখিছে,—"জন্মদাতৃ মাতৃৰ বিয়োগৰ বাবে দেশমাতৃৰ বছেৰেকীয়া পূজাভাগত যোগ দিয়াটো মোৰ পক্ষে সম্ভৱ নহ'ল। আন্তৰিকতাৰে আশা ৰাখিছোঁ- শ্ৰদ্ধেয় ভূঞাদেৱৰ আপোনাৰ সুযোগ্য নেতৃত্বত অসম সাহিত্য সভাই ঠন ধৰি উঠিব, চিৰ চেনেহী ভাষা জননীৰ মলীন মুখত হাঁহি বিৰিঙাব।"

সাহিত্য একাডেমাৰ ইংৰাজী বিভাগৰ সম্পাদক ড লোকনাথ ভট্টাচাৰ্য্যই লিখিছে,

"I thank you for your kind invitation Unfortunately it is not possible for me to visit Assam at this time Please believe that I regret it"

অসমৰ ৰাজ্যপালৰ ADVISER শ্ৰী পি, এন লুথৰাই সাহিত্য সভাৰ নিমন্ত্ৰণৰ বাবে ধন্যবাদ জনাই, যোগদান কৰিবলৈ নিজে সমৰ্থ নোহোৱাত দুখ প্ৰকাশ কৰি চিঠি দিছে।

সেই সময়ৰ অসম বিধান সভাৰ অধ্যক্ষ শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে লিখিছে,—"It won't be possible for me to attend the

function personally Nevertheless, my spirit will always be there"

সেই সময়ৰ বাজ্যিক মন্ত্ৰী শ্ৰীবাধিকাবাম দাসে সভাত উপস্থিত থাকিব নোবাৰি শুভেচ্ছা পঠাইছে।

সেই সময়ৰ গুৱাহাটী তেল শোধনাগাৰৰ জেনেৰেল মেনেজাৰেও নিমন্ত্ৰণৰ বাবে ধন্যবাদ জনাই সভাৰ সাফল্য কামনা কৰি চিঠি লিখিছে।

প্ৰবীণ সাহিত্যিক 'আবাহন'ৰ সম্পাদক শ্ৰীদীননাথ শৰ্মাই লিখিছে, "ব্যক্তিগত অসুবিধা হেতুকে উপস্থিত হ'ব নোবাৰি দুখ পাইছোঁ। সন্মিলনৰ সকলো প্ৰকাৰ সফলতা কামনা কৰিলোঁ।"

ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে চিঠিৰে জনাইছে,—"আশা কৰো প্ৰবীণ সাহিত্যিক শ্ৰীভূঞাদেবৰ পৌৰোহিত্যত সকলো কাম সুকলমে সমাধা হ'ব আৰু সাহিত্য সভায়ো নতুন কাৰ্য্যকৰি পন্থা হাতত লবলৈ প্ৰেৰণা পাব।"

'অসমবাণী' আৰু The Assam Tribune কাকতৰ সম্পাদক শ্ৰীসতীশ চন্দ্ৰ কাকতীয়ে লিখিছে—"অসম সাহিত্য সভাই অসমৰ বাইজৰ জাতীয় জীবনত সক্ৰিয় ভূমিকা লৈ আহিছে, সেই ভূমিকা আৰু সক্ৰিয় হওক, বিশেষকৈ ডেকা চামৰ মাজত অসম সাহিত্য সভাই উদ্দীপনা জগাই তুলিব বুলি আশা কৰিলোঁ।"

শিলচৰৰ পৰা কবিৰাজ শ্ৰীহৰেশ চন্দ্ৰ ভট্টাচাৰ্য্যই তাঁৰ বাৰ্ত্তাৰে জনাইছে— 'Pardon, inability to attend annual session, Prey all Success '

শিৱসাগৰৰ পৰা প্ৰাক্তন সংসদী সদস্য শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ সহকাৰীয়ে বৰুৱাৰ শুভেচ্ছা পঠাইছে।

অধ্যক্ষ শ্ৰীমহেশ চন্দ্ৰ দেব গোস্বামীয়ে লিখিছে,—"অক্ষমতাৰ বাবে ক্ষমা বিচাৰিছোঁ। মাননীয় সভাপতি ডাঙৰীয়ালৈ সম্বৰ্দ্ধনা জনালোঁ"।

'আচাৰ্য্য একাডেমীৰ কালচাৰেল বিলেচনচ্'ৰ পৰা শ্ৰীনৰেণ শৰ্ম্মাই "অধিবেশনৰ সৰ্ব্বাঙ্গীন কৃতকাৰ্য্যতা কামনা" কৰিছে আৰু "সভাপতি শ্ৰীযুত ভূঞা ডাঙৰীয়ালৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন" কৰিছে।

প্ৰবীণ সাহিত্য সেৱী শ্ৰীঅতুল চন্দ্ৰ বৰুৱাই অধিবেশনৰ সফলতা কামনা কৰি চিঠি দিছে।

'জন্মভূমি' কাকতৰ সম্পাদকে—অসমীয়া জাতিৰ মহামিলনৰ মেলা স্বৰূপ অসম সাহিত্য সভালৈ শুভেচ্ছা বাণী পঠাই লিখিছে, "সাহিত্য সভাই অসমীয়া ভাষাক জীয়াই প্ৰাণ-চঞ্চল আৰু অধিক শক্তিশালী কৰি ৰখাত অশেষ সহায় কৰিব, সন্দেহ নাই।"

সেই সময়ৰ সাদিনীয়া 'নৱযুগ'ৰ সম্পাদক, সাহিত্যিক শ্ৰীবীৰেণ ভট্টাচাৰ্য্যযো সন্মিলনলৈ আহিব নোবাৰি, শুভেচ্ছা বাণী পঠাইছে।

তেজপুৰৰ পৰা শ্ৰীপদ্মা আগৰৱালাই শাৰিৰীক অসুস্থতা বশতঃ উপস্থিত থাকিব নোবাৰি তাঁৰ বাৰ্ত্তাবে জনাইছে,—"Wishing conference every success"

সাংবাদিক শ্ৰীশিপ্ৰা বৰুৱাযো অসুস্থতাবশতঃ আহিব নোৱাৰি, সন্মিলনৰ সফলতা কামনা কৰি চিঠি দিছে।

ছবি ৩ম

# চিৰ চেনেহী মোৰ ভাষা জননী

শ্ৰদ্ধেয় প্ৰধান সম্পাদক মহোদয়,

অসম সাহিত্য সভা
৩৪ শ তম অধিবেশন।
ডিব্ৰুগড়

আপোনাৰ ৩৪শ তম অসম সাহিত্য সভাৰ বাৰ্ষিক সন্মিলনৰ আমন্ত্ৰণী পত্ৰ পাইছোঁ। অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। এই সম্পৰ্কত মই কব খোজো যে এই অতি মৰমৰ অনুষ্ঠান অসম সাহিত্য সভাৰ লগত মোৰ আৰু টিৰাপ বাসী বাইজৰ ইতিমধ্যে ওতপ্ৰোত সমন্ধই ঠন ধৰি উঠিছে। ইয়াত আমাৰ আন্তৰিক সহযোগিতা আৰু শুভেচ্ছা সদায় সজীৱ হৈ থাকিব। ইয়াৰ উত্তৰোত্তৰ উন্নতি বাঞ্ছা আমি সদায় য'তে থাকিলে হলেও কৰিম।

যোবাবাৰ উত্তৰ লক্ষীমপুৰত বহা অধিবেশনত যোগ দিবলৈ সময় আৰু অবস্থাই সুবিধা দিয়াত মই নিজকে পৰম ভাগ্যবান বুলি ভাবিছিলোঁ।

কিন্তু অতিব দুখ পাইছোঁ যে এইবাৰ ডিব্ৰুগড়ৰ বৈঠকত মই ব্যক্তিগত ভাবে উপস্থিত থাকিবলৈ অবস্থাই অক্ষম কৰিলে। যিহেতু মোৰ শাৰীৰিক অবস্থা সমূলি আজি কিছুদিনৰ পৰা সন্তোষজনক নহয়। সেইটোৱেই মোৰ অনুপস্থিতৰ কাৰণ। সেয়েহে মই এই সুদূৰৰ পৰা এই অধিবেশনৰ শুভেচ্ছা আগবঢালোঁ।

লগতে মোৰ আৰু টিৱাপ ৰাইজৰ তৰফৰ পৰা এটি সাধাৰণ উপঢৌকন "নক্তে যাঁঠী" আৰু এটা টুপী সংৰক্ষণৰ কাৰণে ( সাহিত্য সভাৰ সংগ্ৰাহালয়ত) আগবঢালোঁ। গ্ৰহণ কৰি বাধীত কৰে যেন।

ধন্যবাদেৰে আপোনাৰ চিৰবিশ্বাসী
শ্ৰীওৰাংমাই ৰাজকুমাৰ
৩১।১২।৬৬

অসমীয়া ৰাইজৰ লগত আমাৰ টিৱাপবাসী, প্ৰধানকৈ নক্তে সকলৰ সম্প্ৰীতি আজিৰ নহয় ই কৌটিকলীয়া ভৌগলিক পৰিবেশ আৰু সাংস্কৃতিক দিশত আমাৰ সমন্ধ অতি উচ্চ থাপৰ।

উদাহৰণ স্বৰূপে নক্তে সমাজত চলিহা বাৰেঘৰ সত্ৰৰ যি প্ৰভাৱ বৰ্ত্তমান সিয়েই ইয়াৰ জলন্ত নিদৰ্শন। এই সম্প্ৰীতিৰ বান্ধ দৃঢ় আৰু কটকটীয়া কৰিবৰ কাৰণে অসমীয়া জাতীয় অনুষ্ঠান সাহিত্য সভাই বিশেষ তৎপৰতাৰে কাৰ্য্যসূচী হাতত লব বুলি আশা কৰিলোঁ।

জয়তু ভাষা জননী

বিঃ দ্ৰ

শ্ৰীৰাজকুমাৰৰ হৈ

তেখেতৰ ভায়েকে সভাপতিৰ হাতত উপহাৰ অৰ্পণ কৰে আৰু উপৰিধি পাঠ কৰে।

—প্ৰধান সম্পাদক